


গুৱাহাটী আৰু ডিব্রুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ১০৫ ■ গুৱাহাটী ■ শুকুৰবাৰ, ২০ নৱেম্বৰ, ২০২০, ৪ আঘোণ, ১৯৪২ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মুঠ পৃষ্ঠা =১২ ■ মূল্য ঃ ৭.০০ টকা

VOL. 11 ISSUE NO. 105 Dainandin Barta ■ Guwahati, Friday ■ 20 November 2020 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only




বাৰ্তাৰ অতিথিৰ কলম ■ কুমুদ তালুকদাৰ

## বিজেপিৰ বাবে অগ্নিপৰীক্ষা হ'ব পৰিষদীয় নিৰ্বাচন

অহা মাহৰ প্ৰথম ভাগতে অনুষ্ঠিত হ'ব বিটিএডিত পৰিষদীয়া নিৰ্বাচন। ইতিমধ্যে প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচনৰ প্ৰচাৰ অভিযানত নামি পৰিছে। অহা বছৰৰ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে অনুষ্ঠিত হ'বলগীয়া পৰিষদীয় নিৰ্বাচনে বিশেষ তাৎপৰ্য বহন কৰিছে। কাৰণ বিধানসভা নিৰ্বাচনৰ বাবে এই ■ ৮ পৃষ্ঠাত



তিতাবৰত বন্যহস্তীৰ সন্ত্ৰাস

## খৰিকটীয়াৰ তিনিজন শ্ৰমিকৰ গৃহ ভাঙি লণ্ড-ভণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ১৯ নৱেম্বৰ ঃ** খাদ্যৰ সন্ধানত গিবন অভয়াৰণ্যৰ পৰা ওলায় ৪০ জনীয়া বন্যহস্তীৰ দলটো তিতাবৰত পুনৰ সন্ত্ৰাস চলাই যোৱা নিশা খৰিকতিয়া জংঘল বস্তীৰ তিনিজন শ্ৰমিকৰ গৃহ ভাঙি লণ্ড ভণ্ড কৰে। বন্যহস্তীৰ দলটোৱে হৰেন পাইখ, অৰ্জুন সিং ৰাজপুত আৰু অজয় ■ ৮ পৃষ্ঠাত

আদ্যশ্ৰাদ্ধৰ দিনটোত শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে স্মৰণ শিল্পী অনুপ হাজৰিকাক

## 'সমিধানবাদ'ৰ জৰিয়তে নব্য চিত্ৰ কলাৰ উদ্ভাৱন কৰিছিল শিল্পী হাজৰিকাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ নৱেম্বৰ ঃ** আধুনিক চিত্ৰকলাত এক নব্য ধাৰাৰ সূচনা কৰি সমিধানবাদৰ আবিষ্কাৰক আছিল অনুপ হাজৰিকা। পিতৃ লম্বোদৰ হাজৰিকাৰ পদাংক ■ ৮ পৃষ্ঠাত



মুকেশ আম্বানিৰ বদান্যতাৰ শলাগ

## কামাখ্যাত ২০ কিলোগ্ৰাম সোণেৰে নিৰ্মাণ কৰা গম্বুজ মুকলি

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ নৱেম্বৰ ঃ** ঐতিহ্যমণ্ডিত কামাখ্যা ধামত ২০ কেজি সোণেৰে নিৰ্মাণ কৰা সুদৃশ্য গম্বুজটো আজি মুকলি কৰা হয়। আজি গম্বুজটো মুকলি কৰাৰ পিছতে কামাখ্যাত আয়োজন কৰা হয় বৃহৎ যজ্ঞৰ। তিনিতৰপীয়া সোণৰ কলহেৰে ■ ৮ পৃষ্ঠাত



## বড়োলেণ্ডত তিনি মাহৰ মূৰে মূৰে জনতাৰ দৰবাৰ আয়োজনৰ পোষকতা প্ৰমোদ বড়োৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** এক দীৰ্ঘদিনীয়া বিভেদকামী ৰাজনীতি আৰু স্থবিৰতাৰ পিছত ২৭ এপ্ৰিল, ২০২০ত আগৰ পৰিষদ ভংগ হোৱাৰ লগে লগে বড়োলেণ্ডত এক নতুন আশা আৰু ইতিবাচক চিন্তাৰ জোৱাৰ ■ ৮ পৃষ্ঠাত

বিটিআৰত বিটিচি পৰিষদীয় নিৰ্বাচনী প্ৰচাৰ তুংগত

# বিজেপি, বিপিএফ, ইউপিপিএলৰ কাজিয়া গিৰীয়েক-ঘৈণীয়েকৰ কাজিয়া, ই কেতিয়াও তালাকলৈকে নাযায় ঃ নৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৯ নৱেম্বৰ ঃ** বিটিচি পৰিষদীয় নিৰ্বাচনৰ দিন ঘোষণাৰ পিছতে বিটিচিত আৰম্ভ হৈছে বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা। আজি তামুলপুৰ জিলা গণ সুৰক্ষা পাৰ্টী আৰু অবড়ো সুৰক্ষা সমিতিৰ উদ্যোগত তামুলপুৰ মহকুমাৰ অন্তৰ্গত ২৮ নম্বৰ গয়বাৰী পৰিষদীয় সমষ্টিৰ গণ সুৰক্ষা পাৰ্টীৰ প্ৰাৰ্থী দিলীপ শৰণীয়া, ২৬ নম্বৰ দৰঙাজুলি পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী বনমালী ৰাভা আৰু ২৭ নম্বৰ নাগ্ৰীজুলি পৰিষদীয় সমষ্টিৰ ডেনিয়েল মাৰ্দিৰ সমৰ্থনত তেঁতেলিগুৰিৰ পৰা এটি বিশাল বাইক ৰেলী উলিওৱা হয়। ■ ৮ পৃষ্ঠাত

তামুলপুৰত গণ সুৰক্ষা পাৰ্টীৰ বাইক ৰেলী



■ চৰাইবিল সমষ্টিৰ বিন্যাখাতাত বিপিএফৰ প্ৰচাৰ সভা ■

## প্ৰশাসনক ব্যৱহাৰ কৰি, জে'লত ভৰোৱাৰ ভাবুকি দি বিজেপিয়ে নিৰ্বাচনী বিধি উলংঘা কৰি বিটিআৰত অশান্তি সৃষ্টি কৰি আছে ঃ ড° অঞ্জলি দৈমাৰী



দুলীয়াজানত বৃহস্পতিবাৰে ছাত্ৰ সন্থাৰ অধিৱেশন উপলক্ষে উলিওৱা বৰ্ণাঢ্য শোভাযাত্ৰাৰ ছবি

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৯ নৱেম্বৰ ঃ** 'বিজেপি দলৰ নীতি অনুযায়ী সৰ্বগ্ৰাসী মনোভাবেৰে বিটিচিৰ পৰিষদীয় নিৰ্বাচনত নিৰ্বাচনী বিধি অমান্য কৰি থকাই নহয় বিজেপি দলৰ নেতা-মন্ত্ৰীসকলে নিৰ্বাচনী আয়োগ, কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন এজেন্সী আৰু আৰক্ষী-প্ৰশাসনক ব্যৱহাৰ কৰি থকা বুলি মাৰাত্মক অভিযোগ কৰিছে বড়ো উইমেন জাষ্টিছ ফ'ৰামৰ সভানেত্ৰী তথা বিপিএফৰ মহিলা মঞ্চৰ শীৰ্ষ নেত্ৰী ড° অঞ্জলি দৈমাৰীয়ে। তেওঁ আজি গোসাঁইগাঁও ■ ৮ পৃষ্ঠাত

জামিন নহ'ল অখিল গগৈৰ

## দেৱালত অখিলৰ প্ৰতিচ্ছবি অংকন কৰা শিল্পীক গ্ৰেপ্তাৰ

■ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ গৰিহণা ■

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ নৱেম্বৰ ঃ** কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা অখিল গগৈৰ জামিন আজি মঞ্জুৰ নহ'ল। ৰাজ্যজুৰি চৰ্চাত আছিল অখিল গগৈৰ জামিনৰ প্ৰসংগটো। কিন্তু চৰকাৰী পক্ষই অতিৰিক্ত সময় বিচৰাৰ বাবেই ন্যায়াধীশে জামিনৰ প্ৰসংগত ■ ৮ পৃষ্ঠাত

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক স্মাৰক-পত্ৰ

## দেউৰী পৰিষদৰ উপ-নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ নৱেম্বৰ ঃ** দেউৰী ষষ্ঠ অনুসূচী দাবী সমিতিয়ে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ জ্ঞাতাৰ্থে তেওঁৰ কাৰ্যালয়ত এখন দাবী সম্বলিত স্মাৰকপত্ৰ দাখিল কৰিছে। এই স্মাৰকপত্ৰৰ উদ্দেশ্য হ'ল এয়ে যে ■ ৮ পৃষ্ঠাত

বঙাইগাঁৱৰ মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ কৰাৰ দাবীত ছাত্ৰ-ছাত্ৰীৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ

## শীঘ্ৰে পাঠদান আৰম্ভ নকৰিলে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৯ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ত শীঘ্ৰে পাঠদান আৰম্ভ কৰাৰ দাবীত মহাবিদ্যালয়খনৰ ছাত্ৰ- ছাত্ৰীসকলে বৃহস্পতিবাৰে ৩১নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি অসম চৰকাৰ হায় হায়, শিক্ষা মন্ত্ৰী হায় হায়, হিমন্ত বিশ্ব শৰ্মা হায় হায়, ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলা নচলিব, আমাৰ পাঠদান আৰম্ভ কৰক, জিলা উপায়ুক্ত হায় হায়, উই ৱান জাষ্টিছ আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে কৰ'না অতিমাৰীৰ ভয়াৱহতাৰ বাবে ■ ৮ পৃষ্ঠাত



## যোৰহাট-মাজুলী সংযোগী পথক নতুন ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে কেন্দ্ৰীয় চৰকাৰৰ ঘোষণা

এই পদক্ষেপে মাজুলী জিলাৰ ক্ষিপ্ৰ উন্নয়নক নতুন মাত্ৰা প্ৰদান কৰিব ঃ মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই কেন্দ্ৰীয় পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ে যোৱা ১৭ নৱেম্বৰত ভাৰত ৰাজপত্ৰত প্ৰকাশ কৰা এক জাননীৰ জৰিয়তে যোৰহাটৰ ৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ■ ৮ পৃষ্ঠাত



অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা প্ৰাক্তন অগপৰ নেতা পুলকেশ বৰুৱা আৰু বিভিন্নজনে অসম জাতীয় পৰিষদত বৃহস্পতিবাৰে যোগদান কৰাৰ ছবি

গহপুৰত জিএনএম স্কুল, পেৰামেডিকেল প্ৰতিষ্ঠান শুভাৰম্ভ কৰি মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

## অসমত ৰিপুণ বৰাৰ প্ৰত্যক্ষ প্ৰচেষ্টাতে মিঞা সংস্কৃতি-সভ্যতা গঢ় লৈ উঠিছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ আৰু বিহালী, ১৯ নৱেম্বৰ ঃ** 'মিঞা সভ্যতা, মিঞা সংস্কৃতি, মিঞা কবিতা, মিঞা স্কুল এইবিলাকৰ নিৰ্লজ্জ নেতৃত্ব আজি কোনে দিছে? গহপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক, কংগ্ৰেছ দলৰ সভাপতি ৰিপুণ বৰাৰ প্ৰত্যক্ষ প্ৰচেষ্টাত আজি অসমতেই মিঞা সভ্যতা গঢ়ি উঠিছে। ৰিপুণ বৰাই এতিয়া জীৱনৰ শেষ সময়ছোৱা মিঞাৰ কোলাত নিজক ■ ৮ পৃষ্ঠাত



## পুনৰ সংকটজনক তৰুণ গগৈৰ স্বাস্থ্য

উদ্বিগ্ন হৈ পৰিছে ৰাজ্যৰ অনুৰাগী মহল

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ নৱেম্বৰ ঃ** প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ স্বাস্থ্য অধীক অৱনতি ঘটিছে। এই কথা আমি কোৱা নাই, চিকিৎসাধীন হৈ থকা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ সংকটজনক স্বাস্থ্যৰ অলপো উন্নতি হোৱা নাই। উল্লেখ্য যে দ্বিতীয়বাৰৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰীজনক ■ ৮ পৃষ্ঠাত

## যুৱ কংগ্ৰেছে গোলাঘাটত এলাগি কৰিলে বিধায়িকা তথা প্ৰাক্তন মন্ত্ৰী অজন্তা নেওগক

বিজেপি গমন প্ৰসংগৰ প্ৰভাৱ!

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ১৯ নৱেম্বৰ ঃ** হঠাৎ এলাগি হ'ল নেকি প্ৰাক্তন মন্ত্ৰী তথা গোলাঘাট সমষ্টিৰ বিধায়িকা অজন্তা নেওগ। গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতিৰ আসনত অলংকৃত হৈ থকা অৱস্থাত কংগ্ৰেছী বিধায়িকা অজন্তা নেওগক এইবাৰ জিলা যুৱ কংগ্ৰেছেই এলাগি কৰা পৰিলক্ষিত হৈছে। অকল বিধায়িকাগৰাকীয়েই নহয় জিলা কংগ্ৰেছো গুৰুত্বহীন হৈ পৰা পৰিলক্ষিত হৈছে । অজন্তা নেওগে বিজেপিত যোগদান কৰাৰ সম্ভাৱনা সম্পৰ্কে সংবাদ মাধ্যমৰ লগতে ছ'চিয়েল মিডিয়াত প্ৰচাৰ হোৱাৰ পিছতে ■ ৮ পৃষ্ঠাত

■ বিক্স'ৰ মঞ্চৰ পৰাই দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আহ্বান ■

## সন্ত্ৰাসবাদক লৈ একজোঁট হোৱাৰ প্ৰয়োজন

**নতুন দিল্লীৰ পৰা দীনেশ কুমাৰ চৌহান, ১৯ নৱেম্বৰ ঃ** পাঁচখন দেশৰ উমৈহতীয়া সংগঠন বিক্স'ৰ মঞ্চৰ পৰা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আকৌ এবাৰ সন্ত্ৰাসবাদক লৈ একজোঁট হোৱাৰ যে প্ৰয়োজন ইয়াকে লৈ তেওঁ নিজৰ স্পষ্ট মত প্ৰকাশ কৰিছে। বিক্স'ত ব্ৰাজিল, ৰুছ, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা সদস্য ৰাষ্ট্ৰ। এই সংগঠনৰ আৱিৰ্ভাৱ নিজৰ মাজত ব্যৱসায় বঢ়োৱা আৰু সুৰক্ষা বিষয়ত পৰস্পৰে পৰস্পৰক সহায়-সহযোগিতা আগবঢ়োৱাই আছিল মূল লক্ষ্য। ধাৰণা কৰা হৈছিল যে এই পাঁচোখন দেশে পৰস্পৰে যদি কাম কৰে তেতিয়াহ'লে বিশ্বৰ আৰ্থিক মহাশক্তিৰূপে জনাজাত আমেৰিকাক ■ ৮ পৃষ্ঠাত




ট্ৰাম্পৰ বিৰুদ্ধে মুখ খুলিছে জ' বিডেনে

## আমেৰিকাৰ কৰ'না বিধ্বস্ত পৰিস্থিতিৰ বাবে দায়ী কৰিলে প্ৰাক্তন ৰাষ্ট্ৰপতিক

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ নৱেম্বৰ ঃ** দায়িত্বগ্ৰহণ নকৰিলেও গণতান্ত্ৰিকভাৱে নিৰ্বাচিত হোৱা আমেৰিকা যুক্তৰাষ্ট্ৰৰ নতুন ৰাষ্ট্ৰপতি জ' বিডেনে সঘনে মুখ খুলিছে দেশখনৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কত। আজি এক বিশেষ বক্তব্যত আমেৰিকা যুক্তৰাষ্ট্ৰত ক'ৰনা ভাইৰাছৰ অত্যধিক সংক্ৰমণ আৰু সৰ্বাধিক পৰিমাণৰ বাসিন্দাই পৰলোকলৈ গমন কৰা বিষয়ত ■ ৮ পৃষ্ঠাত

মাজুলীত ৰাস মঞ্চৰ উদ্যোক্তাসকলৰে উপায়ুক্তৰ বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত

## ক'ভিড-১৯ প্ৰট'কল মানি পৰম্পৰানুসৰি হ'ব ৰাস



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৯ নৱেম্বৰ ঃ** ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে নিৰ্দিষ্ট কৰা প্ৰট'কল ৰক্ষা কৰি মাজুলীত এইবাৰ শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আয়োজনৰ বাবে সন্মতি জনাইছে জিলাখনৰ ৰাস মঞ্চসমূহৰ উদ্যোক্তা সমিতিসমূহে। ক'ভিড-১৯ অতিমাৰীয়ে সৃষ্টি কৰা পৰিস্থিতিৰ প্ৰেক্ষাপটত মাজুলীত ৰাস উৎসৱ উদ্যাপন সন্দৰ্ভত মাজুলী জিলা প্ৰশাসনে আজি জিলাখনৰ ৰাস আয়োজক সমিতিসমূহৰ প্ৰতিনিধিক লৈ অনুষ্ঠিত কৰা এখন সভাত ৰাসৰ উদ্যোক্তাসকলে ■ ৮ পৃষ্ঠাত




# তিনিচুকীয়াত বীৰ ৰাঘৱ মৰাণ দিৱস-ঐতিহাসিক হাপজান বৰনামঘৰৰ ১২১ বছৰীয়া জয়ন্তীৰ মুকলি সভাত মুখ্যমন্ত্ৰী সোণোৱাল

### বাৰেকুৰি গাঁৱত এটা পুথিভঁৰাল আৰু বীৰ ৰাঘৱ মৰাণৰ স্মৃতিত ৰাজ্যৰ বিভিন্ন স্থানত ৭ টাকৈ প্ৰেক্ষাগৃহ নিৰ্মাণৰ কথা ঘোষণা

### সাধাৰণ খেতিয়কৰ সন্তান হৈও জাতীয় স্বাভিমান ৰক্ষাৰ বাবে সাহসিকতাৰে ওলাই অহা বীৰ ৰাঘৱ মৰাণৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ মৰাণ জনগোষ্ঠীৰ নৱ-প্ৰজন্মই বিশ্ব জয়ৰ বাবে বাট বুলিব লাগিব ঃ মুখ্যমন্ত্ৰী

**NAME CORRECTION**

I Smt. Manakhi Gohain, W/o: Sunil Gohain, ages about 42 Yrs., R/o: Jilliguri Gaon, P.O.: Timona, P.S.: Lahowal, Dist.- Dibrugarh,(Assam). Accordingly a birth certificate was obtain from register of birth and death, Lahowal PHC, VIDE REGISTRATION NO: 39, wherein the spelling of his name has been wrongly inserted as "Raktim" instead of his actual spelling of his name is "Roktim" and our title has been wrongly inserted as "Buragohain" insted of our actual title "Gohain". That "Sri Roktim Gohain", and "Sri Raktim Buragohain" are the names of one and same.

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিনিচুকীয়া, ১৯ নৱেম্বৰ ঃ** 'বীৰ ৰাঘৱ মৰাণ অসমৰ জাতীয় জীৱনৰ এক অন্যতম শক্তিশালী প্ৰবাদ পুৰুষ। সাধাৰণ খেতিয়কৰ সন্তান হৈও জাতীয় স্বাভিমান ৰক্ষাৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা এইগৰাকী মহান বীৰৰ উদাৰতা আৰু সাহসিকতাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ মৰাণ জনগোষ্ঠীৰ নতুন প্ৰজন্মই জনগোষ্ঠীটোক বিশ্বৰ ভিতৰতে এক অন্যতম শ্ৰেষ্ঠ জনগোষ্ঠীৰূপে প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি আহিলেহে তেওঁৰ আত্মাই শান্তি লাভ কৰিব।' আজি তিনিচুকীয়াৰ ন-মতাপুং অঞ্চলৰ বাৰেকুৰি গাঁৱত আয়োজিত ঐতিহাসিক মোৱামৰীয়া গণবিপ্লৱৰ প্ৰধান নেতা বীৰ ৰাঘৱ মৰাণ দিৱসৰ লগতে হাপজান বৰনামঘৰৰ ১২১ বছৰীয়া জয়ন্তী উদযাপন উপলক্ষে আয়োজিত মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত, অসম মৰাণ সভাৰ উদ্যোগত, মৰাণ জনগোষ্ঠীৰ কেউটা সংগঠনৰ সহযোগত আৰু হাপজান বৰনামঘৰৰ ভকতবৃন্দৰ লগতে বাৰেকুৰিবাসীৰ আতিথ্যত আয়োজিত এই কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমন্বয়ৰ দ্বাৰাহে সমাজ শক্তিশালী হয়। আজি বাৰেকুৰি গাঁৱৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে একত্ৰিতভাৱে জাতীয় বীৰ ৰাঘৱ মৰাণ দিৱস আড়ম্বৰপূৰ্ণভাৱে আয়োজন কৰি অসমীয়া জাতিৰ সৌন্দৰ্য আৰু শক্তিক পুনৰবাৰ প্ৰতিফলিত কৰিলে। ১২১ বছৰ গৰকা হাপজান বৰনামঘৰে এক মহান আধ্যাত্মিক ঐতিহ্য বহন কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে আজি কিছুবছৰ পূৰ্বে এই বৰনামঘৰতে আঠু লৈ তেওঁ অসমবাসীৰ সুখ আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনাইছিল। এই নামঘৰৰ ভকত-বৈষ্ণৱবৃন্দৰ আশিসৰ লগতে অসমবাসীৰ মৰম আৰু আৰ্শীবাদত আজি তেওঁ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ ৩.৫০ কোটি লোকৰ সেৱা কৰাৰ সুযোগ লাভ কৰিছে বুলি মন্তব্য কৰে। মৰাণ জনগোষ্ঠীক এক নিৰ্ভীক আৰু কৰ্মোদ্যমী জনগোষ্ঠী বুলি অভিহিত কৰি একবিংশ শতিকাৰ প্ৰতিযোগিতামুখী পৃথিৱীত এই জনগোষ্ঠীটোক সৰ্বদিশতে স্ব-নিৰ্ভৰশীল কৰি বিশ্বজয়ৰ বাবে আগুৱাই নিবলৈ নৱ প্ৰজন্মক অধ্যয়নত গভীৰভাৱে মনোনিৱেশ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মৰাণ জনগোষ্ঠীক বৌদ্ধিক, শৈক্ষিক, ক্ৰীড়া, সাংস্কৃতিক আদি সকলো দিশত আগুৱাই নিয়াৰ বাবে চলাই অহা নিঃস্বাৰ্থ আৰু বিৰামহীন প্ৰয়াসৰ বাবে জনগোষ্ঠীটোৰ জাতীয় সংগঠনসমূহক ধন্যবাদ জ্ঞাপন কৰি অনাগত দিনতো এখন শক্তিশালী সমাজ গঢ়াৰ বাবে এইদৰে কাম কৰি যাবলৈ তেওঁ সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ঐতিহাসিক এইবাৰেকুৰি অঞ্চলৰ এক বিশেষ ঐতিহ্য আছে। এই অঞ্চলটোৱে ৰাজ্যৰ বহু কেইগৰাকী দক্ষ ক্ৰীড়াবিদ জন্ম দিছে। সেয়েহে অঞ্চলটোৰ ক্ৰীড়াৰ অনুশীলনৰ পৰিৱেশ বৰ্তাই ৰাখিবলৈ ৰাজ্য চৰকাৰে ইতিমধ্যে ৫০ লাখ টকা ব্যয়ৰে এখন ষ্টেডিয়াম নিৰ্মাণৰ ব্যৱস্থা কৰিছে। ভৱিষ্যতে এই দিশত প্ৰয়োজন অনুসাৰে অধিক পুঁজি আগবঢ়োৱা হ'ব বুলি তেওঁ ঘোষণা কৰে। ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত এই বৃহত্তৰ অঞ্চলটোৰ ৩১ টাকৈ নামঘৰলৈ ৰাজ্য চৰকাৰে ইতিমধ্যে আৰ্থিক বৰঙনি প্ৰদান কৰাৰ লগতে ৮ কোটি টকা ব্যয়ৰে মথাউৰি নিৰ্মাণ আৰু ৩০ কোটিৰো অধিক পুঁজি ব্যয়ৰে বহুসংখ্যক ৰাস্তা-পদূলি নিৰ্মাণ কৰা হৈছেবুলিও তেওঁ উল্লেখ কৰে। মৰাণ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ প্ৰায় চূড়ান্ত পৰ্যায়ত উপনীত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মৰাণ স্বায়ত্তশাসিত পৰিষদ গঠনৰ জৰিয়তে এই জনগোষ্ঠীটোৰ সৰ্বাংগীন আৰ্থ-সামাজিক বিকাশৰ বাবেও চৰকাৰে নিষ্ঠাৰে পদক্ষেপ লৈছে। আজিৰ সভাত জনগোষ্ঠীটোৰ বিভিন্ন জাতীয় সংগঠনে মুখ্যমন্ত্ৰীৰ হাতত প্ৰদান কৰা স্মাৰকপত্ৰৰ জৰিয়তে বীৰ ৰাঘৱ মৰাণ দিৱসৰ দিনটোক ৰাজ্যিক বন্ধ হিচাপে ঘোষণা কৰাৰ দাবীৰ প্ৰতি ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব বুলিও তেওঁ উল্লেখ কৰে। লগতে জাতীয় সংগঠনসমূহৰ দাবী অনুসৰি ৰাজ্যৰ বিভিন্ন স্থানত বীৰ ৰাঘৱ মৰাণৰ স্মৃতিত সাতটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ কথাও তেওঁ ঘোষণা কৰে। আনহাতে, স্থানীয় বাৰেকুৰি আঞ্চলিক যুৱ সংঘৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই বাৰেকুৰি অঞ্চলত এটি পুথিভঁৰাল নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। অসম মৰাণ সভাৰ সভাপতি ধৰ্মেশ্বৰ নেওগে সভাপতিত্ব কৰা আজিৰ এই মুকলি সভাত অসম মৰাণ সভাৰ উপদেষ্টা তৰুণ মাধৱ মৰাণেও ভাষণ প্ৰদান কৰি বীৰ ৰাঘৱ মৰাণ দিৱসৰ ঐতিহ্য আৰু মৰাণ জনগোষ্ঠীৰ ইতিহাসৰ বিভিন্ন দিশ বিস্তৃতভাৱে অৱলোকন কৰে। অনুষ্ঠানত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰীয়ে বীৰ ৰাঘৱ মৰাণ দিৱস উপলক্ষে প্ৰস্তুত কৰা এখন স্মৃতিগ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, স্থানীয় বিধায়ক সুৰেন ফুকনৰ লগতে বিধায়ক বলীন চেতিয়া আৰু ঋতুপৰ্ণ বৰুৱা, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি অৰুণজ্যোতি মৰাণ, মৰাণ সাহিত্য সভাৰ সভাপতি অৰুণ বৰুৱা মৰাণৰ লগতে মৰাণ জনগোষ্ঠীৰ বিভিন্ন জাতীয় সংগঠন যেনে- মৰাণ জাতীয় মহিলা পৰিষদ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ কেন্দ্ৰ, মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ আদিৰ বিষয়ববীয়াসকল তথা বাৰেকুৰি অঞ্চলৰ স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখযোগ্য যে এই মুকলি সভাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ১২১ বছৰীয়া ঐতিহাসিক হাপজান বৰনামঘৰত উপস্থিত হৈ ৰাজ্যবাসীৰ সুখ-সমৃদ্ধি কামনাৰে ভকত-বৈষ্ণৱসকলৰ আৰ্শীবাদ গ্ৰহণ কৰে।



## বিটিচি পৰিষদীয় ১৩ নং সমষ্টিত নিৰ্বাচনী প্ৰচাৰ তুংগত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৯ নৱেম্বৰ ঃ** ক'ভিড-১৯ সংক্ৰমণৰ ফলত স্থগিত হৈ থকা বি টি চি পৰিষদৰ নিৰ্বাচনৰ দিন-তাৰিখ নিৰ্ধাৰণ হোৱাত দলসমূহৰ মাজত ব্যাপক তৎপৰতা আৰম্ভ হৈছে। চিৰাং জিলাৰ অন্তৰ্গত ১৩নং চিৰাং পৰিষদীয় সমষ্টিতো বিশেষকৈ হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফ, প্ৰমোদ বড়ো নেতৃতাধীন ইউ পি পি এল আৰু ৰঞ্জিত দাস নেতৃতাধীন বিজেপি দলৰ প্ৰচাৰ তুংগত উঠিছে। সমষ্টিটোত বি পি এফ দলৰ প্ৰাৰ্থী তথা এসময়ৰ দুৰ্দৰ্ষ এন ডি এফ বিৰ নেতা বি চাওৰাইগ্ৰা ওৰফে ছাইখৌং বসুমতাৰীয়ে ক'ভিড-১৯ সংক্ৰমণৰ সময়তো সুযোগ বুজি বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীক সাক্ষাৎ কৰি সমষ্টিবাসীৰ মন জয় কৰিবলৈ নানা পন্থা গ্ৰহণ কৰি আহিছে। সমষ্টিটোৰ ঠায়ে ঠায়ে বৃহৎ বৃহৎ সভা অনুষ্ঠিত কৰি আহিছে দলৰ শীৰ্ষ নেতৃত্বৰ উপস্থিতিত। নানা বিলাসী যান-বাহনেৰে ভৰপূৰ হাজাৰ হাজাৰ লোকৰ উপস্থিতিত হোৱা সভাসমূহ দেখিলে এনে ভাব হয় যে বি পি এফ দলৰ বাহিৰে সমষ্টিত অন্য দলৰ কোনো প্ৰভাৱ নাই । প্ৰমোদ বড়ো নেতৃতাধীন ইউ পি পি এল দলৰ প্ৰাৰ্থী তথা বি টি চি পৰিষদৰ ১৩ নং চিৰাং সমষ্টিত যোৱাবাৰ বিজয়ী হৈ অহা কেন্দ্ৰীয় নিৰ্বাচনী পৰিচালনা সমিতিৰ সম্পাদক মাউথী ব্ৰহ্ম হাজোৱাৰীৰ সপক্ষে নিৰ্বাচনী সভাতো উবুৰি খাই লোকাৰণ্য হৈ পৰা পৰিলক্ষিত হয় । বিৰ দি বাট নোপোৱা অৱস্থা। বি পি এফ, ইউ পি পি এলৰ লেখীয়াকৈ পিছপৰি থকা নাই কেন্দ্ৰৰ লগতে ৰাজ্যৰ শাসনত থকা বিজেপি দলো। ৰাজ্যৰ বিজেপি দলৰ শক্তিশালী মন্ত্ৰী তথা নেডাৰ আহ্বায়ক ড° হিমন্ত বিশ্ব শৰ্মাসহ বিজেপি দলৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাসৰ লগতে অন্যান্য শীৰ্ষ নেতৃবৃন্দৰ উপস্থিতিত ঠায়ে ঠায়ে সভা-সমিতি অনুষ্ঠিত কৰি আহিছে যদিও ১৩নং চিৰাং পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী অলক বসুমতাৰীৰ সপক্ষে নিৰ্বাচনী প্ৰচাৰত আশা কৰা ধৰণে সমাগম পৰিলক্ষিত হোৱা নাই । বিশেষকৈ বেংগলী আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ বাহিৰে অন্য জনগোষ্ঠীৰ উপস্থিতি তেনেই নগণ্য। সমষ্টিটোত সমাজৰ কাম-কাজৰ স'তে জড়িত নেতৃবৃন্দ-জনসাধাৰণ দলটোত বিশেষভাৱে জড়িত হোৱা নাই । সমষ্টিটোৰ কোক্ৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ হীৰা ওৰফে নৱ কুমাৰ শৰণীয়া নেতৃত্বাধীন গণ সুৰক্ষা পাৰ্টীৰ জি এছ পিগ্নৰ প্ৰাৰ্থী বিদ্যুৎ শৰণীয়াৰ ভূমিকা নিষ্প্ৰভ। ৰাজহুৱা সভা-সমিতি কৰা দূৰৰে কথা সমষ্টিটোত ঘূৰা-পকাও নকৰে। যাৰ ফলত সমষ্টিবাসী ৰাইজে প্ৰাৰ্থীগৰাকীক চিনিকে নাপায়। প্ৰাৰ্থীগৰাকী বি পি এফৰ হাতত বহু টকাত বিক্ৰী হোৱা বুলি বাহিৰত ব্যাপক প্ৰচাৰ চলিছে । যাৰ ফলত সমৰ্থকসকলেও মানসিকভাৱে ভাগি পৰিছে । মুঠৰ ওপৰত তিনিকোণীয়া হ'ব ১৩ নং চিৰাং বি টি চি পৰিষদীয় সমষ্টিৰ নিৰ্বাচন। অৱশ্যে এতিয়াও যিহেতু কুৰি দিন আছে গতিকে কি গতি লয় সেয়া সময়তহে পৰিষ্কাৰ হ'ব।

## ভাৰতীয় জনতা যুৱ-মৰ্চাৰ নৱজ্যোতি বুথ বাহিনী গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৯ নৱেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ জয়মতী মণ্ডল সমিতিৰ অন্তৰ্গত জয়মতী পঞ্চায়তৰ ১৩ নং নৱজ্যোতি বুথৰ যুৱ মৰ্চাৰ বুথ বাহিনী গঠনৰ উদ্দেশ্যে আজি জতকীয়া নাট্যমন্দিৰত এখন দলীয় সভা অনুষ্ঠিত হয়। বুথ সভাপতি ফণিধৰ গগৈৰ সভাপতিত্বত আৰু শ্যামলজ্যোতি নাথে আঁত ধৰা সভাৰ আৰম্ভণিতে ভাৰত মাতাৰ প্ৰতিচ্ছৱিৰ সন্মূখত বন্তি প্ৰজ্বলন কৰে দলৰ জ্যেষ্ঠ কাৰ্যকৰ্তা ৰবিৰাম নাথে। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি শিৱসাগৰ জিলা জনতা যুৱ মৰ্চাৰ সম্পাদক গৌতম সন্দিকৈ, উপ-সভাপতি কংকনা মহন্ত, সম্পাদক ঋতুমণি গগৈ, জ্যেষ্ঠ কাৰ্যকৰ্তা দেৱজিৎ চেতিয়া আদিয়ে বক্তব্য প্ৰদান কৰি ভাৰতীয় জনতা পাৰ্টিৰ দলীয় নীতি-আদৰ্শ ৰক্ষা কৰি দলৰ সংগঠন শক্তিশালী কৰাত সকলোৰে সহযোগিতা কামনা কৰে। সভাত দলৰ প্ৰতি আকৰ্ষিত হৈ বহুসংখ্যক স্থানীয় যুৱক-যুৱতীৰ লগতে ৫ নং ৱাৰ্ডৰ সদস্য নাৰায়ণ নাথ, চিন্ময় নাথ, অমৰজ্যোতি নাথ, ৰঞ্জন গগৈ, তোযেশ্বৰ গগৈকে মুখ্য কৰি বহুসংখ্যক দলীয় কৰ্মী উপস্থিত থাকে। সভাতেই মনো বৰুৱাক প্ৰমূখ আৰু হৰিপ্ৰসাদ নাথক সহ.প্ৰমূখ হিচাপে লৈ পঞ্চাছজনীয়া নৱজ্যোতি বুথ বাহিনীৰ সমিতিখন গঠন কৰা হয়।

No.SDJ/112/2020/1755

**CORRIGENDUM**

Reference this Office Tender Notice No. SDJ/112/2020/1688, Dated 04-11-2020 for Group - E (Non-Dietary Articles) in respect of District Jail, Sivasagar and District Jail, Sonari for the financial year 2020-2021 has been hereby cancelled due to non-submission of minimum (03) bidders and for which a fresh tender for Group -E articles for the financial year 2020-21 is again invited from the interested bidders which can be downloaded from the e-Tender portal https://assamtenders.gov.in from 21st November/2020 onwards.

This is for favour of kind information to all concerned.

Sd/-
Superintendent
District Jail, Sivasagar

Janasanyog/C/7085/20

## ৰাশিফলত আজিৰ দিনটো

**৪ আঘোণ, শুকুৰবাৰ, ২০ নৱেম্বৰ, ১৪২৭ ভাস্কৰাব্দ**
**তিথি ঃ তৃতীয়া, নক্ষত্ৰ ঃ উত্তৰভাদ্ৰপদ, জন্মৰাশি ঃ মেষ**
**সূৰ্যোদয়-০৪.৩৫, সূৰ্যাস্ত-০৬.০৩**



■ **মেষ** ঃ ব্যয় বৃদ্ধি। ■ **বৃষ** ঃ স্বাস্থ্য ক্ষতি । ■ **মিথুন** ঃ আনৰ সহায়। **কৰ্কট** ঃ মাতৃৰ সহায়। ■ **সিংহ** ঃ আলহী আগমন। ■ **কন্যা** ঃ আনৰ সহায়। ■ **তুলা** ঃ প্ৰেমত শুভ। ■ **বৃশ্চিক** ঃ ব্যৱসায়ত লাভ। ■ **ধনু** ঃ মন পৰিৱৰ্তন। ■ **মকৰ** ঃ প্ৰেমত নিৰাশ। ■ **কুম্ভ** ঃ ব্যয়বহুলতা। ■ **মীন** ঃ অৰ্থ ব্যয়।

## পুষ্পনাথ ভূএগ্ৰাৰ স্মৃতিচাৰণ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৯ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ শলগুৰি নিবাসী তথা জয়সাগৰৰ স্থায়ী বাসিন্দা অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত পুষ্প নাথ ভূএগ্ৰাৰ যোৱা ১৭ নৱেম্বৰত নিজা বাসগৃহত আদ্যশ্ৰাদ্ধৰ উপলক্ষ্যত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হৈ যায়। বিকাশ হাজৰিকাই আঁত ধৰা স্মৃতিচাৰণ অনুষ্ঠানত প্ৰয়াত ভূএগ্ৰাৰ প্ৰতিচ্ছৱিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে জ্যেষ্ঠ ভাতৃ তথা বিশিষ্ট শিক্ষাবিদ খগেন্দ্ৰনাথ ভূএগ্ৰাই। তাৰ পাছতেই প্ৰতিচ্ছৱিত মাল্যাৰ্পণ কৰে শিৱসাগৰ ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকনে। শ্বিলঙৰ এন্থনী কলেজৰ পৰা গ্ৰেজুৱেশ্যন সম্পন্ন কৰি ভূএগ্ৰাই শ্বিলঙৰ ইণ্ডিয়ান ফুড কৰ্পোৰেছনত কৰ্মজীৱন আৰম্ভ কৰি ১৯৭৫ চনত প্ৰশাসনিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত গোলাঘাটত দণ্ডাধীশৰূপে কাৰ্যভাৰ গ্ৰহন কৰি পৰ্যায়ক্ৰমে গুৱাহাটী, গোৱালপাৰা, তিনিচুকীয়াত কাৰ্যভাৰ সম্পন্ন কৰে। তাৰ পাছতে তেখেতে ওদালগুৰি, মৰান, কাৰ্বিআংলঙত এছ ডি চি ৰূপে আৰু শিৱসাগৰ জিলাত এচ ডি অ' (সদৰ), নিৰ্বাচনী বিষয়া আৰু শেষত শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্তৰূপে কাৰ্যনিৰ্বাহ কৰি ২০০১ চনৰ ফেব্ৰুৱাৰী মাহত অৱসৰ গ্ৰহণ কৰা ভূএগ্ৰাৰ জীৱনৰাজি আলোকপাত কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ বৰঠাকুৰ, বিশিষ্ট কবি তথা ৰংপুৰ সাহিত্য সভাৰ সভাপতি দিপালী ভট্টাচাৰ্য, ভাস্কৰ্য শিল্পী দূৰ্লভ বৰা, বিশিষ্ট সমাজকৰ্মী প্ৰদীপ গগৈ আদিয়ে। প্ৰয়াত ভূএগ্ৰা, পুত্ৰ আৰু ভতিজীৰ প্ৰকাশিত প্ৰত্ৰিকা উন্মোচন কৰে প্ৰদীপ বৰঠাকুৰ আৰু দূৰ্লভ বড়াই। উক্ত অনুষ্ঠানত কালুগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰাজকুমাৰ শ্ৰীকনচেং, উপ-সভাপতি নিলোৎপল বৰুৱা, ভাৰপ্ৰাপ্ত সম্পাদক অচিন্ত্য বৰঠাকুৰ, ৰমেন বৰদলৈ, মৃণাল তামূলী, সত্যজিৎ নাথকে আদি কৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

No. EEG/316/Pt-Vl/2012/105/2027-2030

**Re-NOTICE INVITING TENDER**

Sealed tender/ bid in prescribed format (Eventually to be drawn in APWD F-2 form) affixing non refundable Court Fee Stamp of Rs. 8.25 (Rupees eight and paise twenty five) only are hereby invited by the undersigned from the eligible firm / Individual having license of fire fighting for the following work.

**TABLE**

| Gr. No. | Name of Work | Bid Amount (Estimated cost) (in Rs.) | Bid Security (in Rs.) | | Cost of Bid Document (in Rs.) | Time of Completion |
|---|---|---|---|---|---|---|
| | | | General Category | Reserved Category | | |
| 1 | 2 | 3 | 4 | 5 | 6 | 7 |
| I | Providing fire fighting works at Udyog Bhawan | 2,00,490/- | 4010.00 | 2005.00 | 50.00 | 15 days |

The details of **NIT** are available in the office of the undersigned and the Bid Document will be issued from **21/11/2020** to **27/11/2020** to the eligible contractor(s) by the undersigned on written request enclosing copy of valid license of fire fighting on any working day during office hours on payment of requisite cost of Bid Document (non-refundable) in cash for each set as mentioned above.

The tender/bid in sealed cover will be received in the office of the undersigned up to **14.00 hours** on **27/11/2020** and will be opened on the same day and venue at **14.30 hours** in presence of intending bidders or their authorized representatives.

**Sd/-
EXECUTIVE ENGINEER
INDUSTRIES & COMMERCEDEPTT
ASSAM::::GUWAHATI-21**

**Janasanyog/C/7143/20**

### ভুৱনেশ্বৰত অনুষ্ঠিত হ'ব প্ৰাক্ গণতন্ত্ৰ দিৱস

## তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ চাৰি ছাত্ৰী নিৰ্বাচিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ নৱেম্বৰ ঃ** উৰিষ্যৰ ভূৱনেশ্বৰত অহা ২২ নৱেম্বৰৰ পৰা ১ ডিচেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া প্ৰাক্ গণতন্ত্ৰ দিৱস উদ্‌যাপনত অংশ কৰাৰ বাবে নিৰ্বাচিত হৈছে তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ চাৰিগৰাকীকৈ প্ৰতিভাৱান ছাত্ৰী। উল্লেখ্য যে, এই অনুষ্ঠানত অংশ গ্ৰহণ কৰিবৰ বাবে যোৱা ১৪ নৱেম্বৰত তেজপুৰৰ এই লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয় প্ৰাঙ্গনতে অনুষ্ঠিত হৈছিল এক বাছনি পৰীক্ষা। শোণিতপুৰৰ পাঁচখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক সামৰি অনুষ্ঠিত হোৱা এইবাছনি শিবিৰৰ পৰা উক্ত অনুষ্ঠানত অংশ গ্ৰহণ কৰিবৰ বাবে নিৰ্বাচিত হয় এই মহাবিদ্যালয়ৰে চাৰিগৰাকী ছাত্ৰী ক্ৰমে - নিশিতা মেধি, সোণামাইনাও ৰাভা, পূজা ছেত্ৰী আৰু নিহা বড়ো। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক সঞ্চালক প্ৰধান দীপক কুমাৰৰ নেতৃত্বত এক উচ্চ পৰ্য্যায়ৰ কমিটিৰ দ্বাৰা নিৰ্বাচিত এই বাছনি শিবিৰ সামগ্ৰিক তত্বাৱধানৰ দায়িত্ব পালন কৰিছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ তত্বাৱধায়িকা বৰ্ণালী দেৱীয়ে। কন্যা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ তপন কুমাৰ কলিতাই ছাত্ৰী কেইগৰাকীৰ পাৰদৰ্শিতাত সন্তোষ প্ৰকাশ কৰাৰ লগতে তত্বাৱধায়িকা বৰ্ণালী দেৱীৰ লগতে ছাত্ৰী কেইগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে।



**GOVERNMENT OF ASSAM
FINANCE (BUDGET) DEPARTMENT
WAYS & MEANS BRANCH**

**PRESS COMMUNIQUE**

**BW.04/2020/85**

**Auction of 5 year Assam Government Stock (Securities)**

1. Government of Assam has offered to sale the dated securities for an amount of Rs.500.00 Crore with 5 (Five) year tenure by auction. The auction will be conducted by the Reserve Bank of India, at Mumbai Office, Fort, Mumbai-400001 on **November 24, 2020.**
2. The procedure of auction of the State Development Loan as under: -

**(a) Competitive Bids**
All competitive bids shall be submitted electronically on the Reserve Bank of India Core Banking Solution (E-Kuber) System. Perhaps, other than CBS members, shall route their competitive bids through a CBS member. Competitive bids may be submitted between **10:30 A.M. and 11.30 A.M.** on the day of the auction, as hitherto.

**(b) Non-Competitive Bids**
Under the scheme, an investor can submit a single bid only in the auction of a State Development Loan, subject to a maximum of 1% of the notified amount, through a bank or a Primary Dealer. Non-Competitive Bids may be submitted only electronically on the CBS between **10:30 A.M. and 11.00 A.M. on the day of auction. No bids under the Non-Competitive Bidding Scheme shall be accepted after 11.00 A.M.**

**(c) Bids in Physical format**
No bids shall, henceforth, be accepted in physical format in the auctions of State Development Loans, except in extra-ordinary situations as may be specified by the Reserve Bank of India.

3. The bids may be submitted electronically to the Regional Director, Reserve Bank of India, Mumbai Office, Fort, Mumbai-400001
4. The result of auction shall be displayed by the Reserve Bank of India on its website on the same day of auction. The payment by successful bidders will be on **November 25, 2020.**
5. The rate of Interest, i.e. the cut-off yield determined at the auction will be the coupon rate percent per annum on the stock sold at the auction. The interest will be paid on **May 25 and November 25.**
6. The investment in Government Stock will be reckoned as an eligible investment in Government Securities by banks for the purpose of Statutory Liquidity Ratio (SLR) under Section 24 of the Banking Regulation Act, 1949. The Stocks will qualify for the ready forward facility.
7. For other details, please see the Notification of the Government of Assam No.**BW.04/2020/84, dated 19th November, 2020.**

Sd/-
(Samir K. Sinha, IAS)
Principal Secretary to the Government of Assam
Finance Department

Janasanyog/C/7072/20

# শিৱসাগৰৰ ন-পুখুৰী প্ৰত্নতাত্ত্বিক স্থানত বিশাল আয়োজন

## 'বিশ্ব ঐতিহ্য সপ্তাহ'ৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ মুখ্যমন্ত্ৰী সোণোৱালৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৯ নৱেম্বৰ ঃ** 'ঐতিহাসিক কীৰ্তিচিহ্নসমূহ হৈছে সভ্যতা-সংস্কৃতি আৰু জাতিৰ দাপোন। পূৰ্ব পুৰুষে এৰি থৈ যোৱা এই ঐতিহ্য সংৰক্ষণৰ বাবে সকলোৰে গধুৰ দায়িত্ব আছে। অসম চৰকাৰে বিশ্বৰ বুকুত ৰাজ্যৰ মানচিত্ৰ জিলিকাই তোলাৰ যি লক্ষ্য স্থিৰ কৰিছে সেয়া বাস্তৱায়িত কৰাৰ বাবে ঐতিহ্য সংৰক্ষণৰ দিশত নিৰৱচ্ছিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।' আজি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনস্থ প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ উদ্যোগত আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত শিৱসাগৰ ন-পুখুৰী প্ৰত্নতাত্ত্বিক স্থানত আয়োজিত 'বিশ্ব ঐতিহ্য সপ্তাহ-২০২০'ৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে শিৱসাগৰকে ধৰি দেশৰ ৫ খন স্থানক 'আইকনিক স্থান' হিচাপে ঘোষণা কৰিছে আৰু এই স্থানৰ ঐতিহ্য সংৰক্ষণ আৰু সংৰৰ্দ্ধনৰ বাবে পদক্ষেপ হাতত লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে শিৱসাগৰ জিলাই ৰাজ্যৰ পৰিচয় বিশ্বৰ বুকুত সগৌৰৱে উজলাই তুলিছে। পূৰ্ব পুৰুষে গঢ় দিয়া ঐতিহাসিক কীৰ্তিচিহ্নসমূহক শক্তিশালী সমল হিচাপে লৈ একবিংশ শতিকাত ৰাজ্যখনক বিকশাই তোলাৰ বাবে চৰকাৰে সংকল্প লৈছে। এই কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণৰ বাবে সকলোৱে উমৈহতীয়া দায়িত্ব ল'ব লাগিব। ৰাজ্যৰ ঐতিহাসিক সম্পদৰাজিৰ সম্পৰ্কে বিশ্ব সমাজক অৱগত কৰিবলৈ সকলোৱে সহযোগিতাৰে কাম কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ৪২ গৰাকী আহোম স্বৰ্গদেউৰ স্মৃতি জাউতিযুগীয়া কৰাৰ লগতে শিৱসাগৰ জিলা তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তত সিচৰতি হৈ থকা কীৰ্তিচিহ্নসমূহ সংৰক্ষণ আৰু সংৰৰ্দ্ধনৰ বাবে ৰাজ্যৰ প্ৰত্নতাত্ত্বিক বিভাগে দায়বদ্ধতাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ প্ৰবাদপুৰুষসকলৰ স্মৃতি সংৰক্ষণৰ জৰিয়তে প্ৰতিটো জাতি-জনগোষ্ঠীৰ মান-সন্মান, স্বাভিমান বৃদ্ধিৰ বাবে নিৰলস প্ৰয়াস অব্যাহত ৰাখিছে। উঠি অহা প্ৰজন্মক ৰাজ্যৰ গৰিমামণ্ডিত ইতিহাসৰ সম্পৰ্কে গভীৰভাৱে অধ্যয়ন কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনাই কয় যে জিলা প্ৰশাসন তথা জনপ্ৰতিনিধিসকলে এই ক্ষেত্ৰত গঠনমূলক পদক্ষেপ গ্ৰহণ কৰিব লাগিব। শেহতীয়াকৈ অসম চৰকাৰে বিধানসভাত অনুমোদন জনোৱা ঐতিহ্য সুৰক্ষা সংক্ৰান্তীয় বিধেয়কখনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ কাৰ্যকৰীকৰণে ঐতিহ্য সংৰক্ষণৰ দিশত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব। তদুপৰি, ছাত্ৰ-ছাত্ৰীসকলে নিজ জিলাৰ কীৰ্তিচিহ্নসমূহ অধ্যয়নৰ বাবে যাতে উপযুক্ত সুযোগ লাভ কৰে তাৰ বাবে প্ৰশাসন আৰু জনপ্ৰতিনিধিসকলে দায়িত্ব সহকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই সভাতে মুখ্যমন্ত্ৰী সোণোৱালে ঐতিহাসিক সম্পদ সংৰক্ষণ, নতুন প্ৰজন্মৰ মাজত ইতিহাস চেতনা জাগ্ৰত কৰি ইতিহাস অধ্যয়ন আৰু বিশ্লেষণৰ প্ৰতি সকলো শ্ৰেণীৰ লোকক উৎসাহিত কৰাৰ প্ৰচেষ্টাত ব্ৰতী হোৱা হোজাইৰ কৃষ্ণ কুমাৰ সিংহ, শিৱসাগৰ জিলাৰ নবীন বুঢ়াগোহাঁই আৰু ধেমাজিৰ ঘুগুহা দল সংৰক্ষণ সমিতিক 'ঐতিহ্য মিত্ৰ' সন্মান প্ৰদান কৰি তেওঁলোকক প্ৰশস্তিপত্ৰ, অংগবস্ত্ৰ, স্মৃতিপট আৰু ৫০ হাজাৰ টকাকৈ আৰ্থিক সাহায্যৰ চেক আগবঢ়ায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ঐতিহাসিক সম্পদৰাজি সংৰক্ষণৰ দিশত কাম কৰি অহা ৫ গৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে গড়গাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিলীপ বুঢ়াগোহাঁই, নামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জীতেন বৰপাত্ৰগোহাঁই, চৰাইদেউ চফ্ৰাইৰ চিকিৎসক ডাঃ অতুল বুঢ়াগোহাঁই, শিৱসাগৰৰ ডিমৌৰ অৱসৰপ্ৰাপ্ত শিক্ষক পূৰ্ণ গগৈ আৰু চৰাইদেউবৰহাটৰ অৱসৰপ্ৰাপ্ত শিক্ষক তুলসী নেওগক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰীয়ে প্ৰত্নতাত্ত্বিক সঞ্চালকালে প্ৰকাশ কৰা তিনিখনকৈ গ্ৰন্থ ক্ৰমে 'আৰ্কিঅ'লজিকেল হেৰিটেজ অৱ চাউথ এছিয়া', 'হেণ্ডবুক অন আৰ্কিঅ'লজি অৱ আছাম' আৰু 'এক্সপ্ল'ৰেশ্যন ৰিপৰ্ট অৱ ৰেষ্ট কাৰ্বি আংলং ডিষ্ট্ৰিক্ট' নামৰ তিনিখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা (প্ৰত্নতাত্ত্বিক) বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয় যে কেন্দ্ৰীয় চৰকাৰে শিৱসাগৰকে ধৰি যি ৫ খন স্থানক 'আইকনিক স্থান' হিচাপে ঘোষণা কৰিছে সেই সমূহৰ সংৰক্ষণ আৰু সংৰৰ্দ্ধনৰ বাবে প্ৰায় ৩৫০০ কোটি টকা ধাৰ্য কৰিছে। এই পদক্ষেপৰ অধীনত শিৱসাগৰৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণৰ লগতে এইসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জিলাখনত এটা বিশ্ব মানৰ সংগ্ৰহালয় নিৰ্মাণ কৰা হ'ব। আনহাতে চৰাইদেউ মৈদামস্থলী ইউনেস্কৰ 'বিশ্ব ঐতিহ্য ক্ষেত্ৰ'ৰ সম্ভাব্য তালিকাত অন্তৰ্ভূক্ত হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই মৈদামস্থলী সংৰক্ষণ আৰু সংৰৰ্দ্ধনৰ বাবে ৰাজ্য চৰকাৰে ২৫ কোটি টকাৰ প্ৰকল্প গ্ৰহণ কৰিছে। তদুপৰি, ৰাজ্যৰ বিভিন্ন ঐতিহাসিক স্থানসমূহ বেদখলমুক্ত কৰি সেইসমূহ সংৰক্ষণৰ বাবে পদক্ষেপ লৈছে আৰু ইয়াৰ অংশ হিচাপে শিৱসাগৰ ন-পুখুৰী পাৰৰ প্ৰায় ৬৪৫ বিঘা ভূমি আৰু ঐতিহাসিক পছুগড়ৰ প্ৰায় ৩৪৫ বিঘা ভূমি প্ৰত্নতাত্ত্বিক সঞ্চালকালয়ক সংৰক্ষণমূলক পদক্ষেপৰ বাবে হস্তান্তৰ কৰা হৈছে। তদুপৰি, 'ঐতিহ্য মিত্ৰ'ৰ দৰে প্ৰত্নতাত্ত্বিক সঞ্চালকালয়ে 'ঐতিহ্য পৃষ্ঠপোষক' নামেৰে এক নতুন পদক্ষেপ গ্ৰহণ কৰিবলৈ আগবাঢ়িছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত মুখ্য সচিব জিষ্ণু বৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে প্ৰদীপ হাজৰিকা, কুশল দুৱৰী, নৱনীতা সন্দিকৈ আৰু ঋতুপৰ্ণ বৰুৱা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰী, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ দয়ানন্দ বুঢ়াগোহাঁই, প্ৰত্নতত্ত্ব বিভাগৰ সঞ্চালিকা দিপীৰেখা কুলী, শিৱসাগৰ জিলাৰ উপায়ুক্ত লক্ষ্মীনন্দন গগৈ প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

২০ নৱেম্বৰ, ২০২০ শুকুৰবাৰ, গুৱাহাটী ৪ আঘোণ ১৯৪২ শক







*মূল্যবৃদ্ধি ৰোধ, দিচৈ ভেলীৰ নগা সমস্যা সমাধান, কৃষক নেতা অখিল গগৈক মুক্তিকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত মৰিয়নিত কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু নাৰী মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদ, বৃহস্পতিবাৰে*

### শিৱসাগৰ হাতীখোঁকত নিশা উত্তপ্ত পৰিস্থিতি

# ৰাইজ-গাঁওৰক্ষী বাহিনীয়ে কৰায়ত্ত কৰিলে কুখ্যাত অপৰাধী ফাৰহান লস্কৰক

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৯ নৱেম্বৰ ঃ** দীৰ্ঘদিন ধৰি শিৱসাগৰৰ এটা নাৰীদেহ ব্যৱসায়ী চক্ৰৰ সৈতে মিলি প্ৰতিষ্ঠিত ব্যৱসায়ীক ব্লেকমেইলিং আৰু ধন দাবীৰে সন্ত্ৰাসৰ সৃষ্টি কৰি অহা কুখ্যাৎ অপৰাধী ফাৰহান লস্কৰ অৱশেষত শিৱসাগৰ আৰক্ষীৰ জালত পৰিল। সুন্দৰী যুৱতীক টোপ হিচাপে ব্যৱহাৰ কৰি প্ৰতিষ্ঠিত ব্যৱসায়ীক ধন দাবীৰে অতিষ্ঠ কৰি অহা কুখ্যাত অপৰাধীটোক যোৱা নিশা হাতীখোঁক অঞ্চলৰ ৰাইজ আৰু গাঁওৰক্ষী বাহিনীয়ে যৌথ অভিযান চলাই কৰায়ত্ব কৰিবলৈ সক্ষম হয়। নিশা ১০ বজাত এটা পৰিয়ালৰ গৃহত চদ্মবেশেৰে আত্মগোপন কৰি থকা অপৰাধীটোক উত্তেজিত ৰাইজে উত্তম-মাধ্যম সোধাই জয়সাগৰ আৰক্ষীক চমজাই দিয়ে। প্ৰাপ্ত বাতৰি মতে বহু বিতৰ্কিত অপৰাধমূলক কাৰ্যকলাপৰে জড়িত ফাৰহান লস্কৰে বিগত প্ৰায় পাঁচটা মাহ ধৰি হাতীখোঁক অঞ্চলত এটা পৰিয়ালত ভুৱা পৰিচয়েৰে আশ্ৰয় গ্ৰহণ কৰি আছিল। সন্দেহজনক চাল চলন আৰু কথাই প্ৰতি স্থানীয় ৰাইজক ভাবুকি প্ৰদান কৰি অহা যুৱকজনৰ গতি বিধি

### উত্তম-মধ্যম শোধাই গতাই দিলে আৰক্ষীক

অনুসৰণ কৰি অহা ৰাইজৰ গোপন অনুসন্ধানত পোহৰলৈ আহিছিল যুৱকজনৰ অতীত জীৱনৰ কলংকৃত কাহিনী। লগে লগেই এই সৰ্ন্দভত নিকটৱৰ্ত্তী আৰক্ষীক অৱগত কৰি যোৱা নিশা প্ৰায় ১০মান বজাত হাতীখোঁক গাঁওৰক্ষী বাহিনীৰ সহযোগত স্থানীয় সচেতন যুৱক সকলে চলোৱা অভিযানত যুৱকজনক কৰায়ত্ব কৰিবলৈ সক্ষম হয়। কৰায়ত্ব কৰাৰ পিছতহে পোহৰলৈ আহে যুৱকজনৰ প্ৰকৃত ঠিকনাৰ লগতে নাজিৰা আৰক্ষীয়ে বহু দিন ধৰি বিচাৰি থকা এটা পলাতক অপৰাধী বুলি। উল্লেখ্য যে ফাৰহান লস্কৰ নামৰ অপৰাধীটোৰ বিৰুদ্ধে চলিত বৰ্ষতেই ১৫৫৭/২০২০ নম্বৰৰ এটা ধন দাবীৰ গোচৰত পলাতক হৈ থকা অপৰাধীটোক বিচাৰি আছিল নাজিৰা আৰক্ষীয়ে। ইফালে নিশা হাতীখোঁকত আশ্ৰয় গ্ৰহণ কৰি থকা পৰিয়ালটোৰ গৃহ উত্তেজিত জনতাই ঘেৰাও কৰি ধৰাৰ সময়ত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। পৰিয়ালটোৱে কুখ্যাত অপৰাধীটোক নিৰাপত্তা দিয়াৰ উদ্দেশ্যেৰে উত্তেজিত জনতাৰ বিৰুদ্ধে হাতত চোকা অস্ত্ৰ লৈ ভাবুকি দিয়াকলৈয়েই পৰিস্থিতি অধিক উত্তেজনাময় হৈ পৰে। ইতিমধ্যে ঘটনাস্থলীত দুটাকৈ আৰক্ষীৰ দল উপস্থিত হৈ অপৰাধী লস্কৰক নিজৰ জিম্মাত লোৱাৰ সময়তেই ক্ষোভিত জনতাই বাৰুকৈয়ে উত্তম-মাধ্যম সোধাই। আনহাতে দীৰ্ঘদিন ধৰি নাজিৰা আৰক্ষীৰ চকুত ধূলি দি পলাতক হৈ থকা ফাৰহান লস্কৰ জয়সাগৰ আৰক্ষীৰ জিম্মাত থকা বুলি জানিব পাৰি নিশাই নাজিৰা আৰক্ষীৰ এটা দল জয়সাগৰত উপস্থিত হৈ লস্কৰক নিজৰ জিম্মাত লয়। উল্লেখ্য যে হানী ট্ৰেপিং চক্ৰৰ সৈতে জড়িত থকা ফাৰহান লস্কৰ বাহিনীয়ে শিৱসাগৰ আৰু ডিমৌৰ দুজনকৈ প্ৰতিষ্ঠিত ব্যৱসায়ীক সুন্দৰী নাৰীৰ টোপ দি ব্লেকমেইলিং কৰাৰ লগতে বলপূৰ্বকভাৱে অপহৰণ কৰি নিয়া এজন ব্যক্তিক এখন মাৰুটি ভানসহ গেলেকী আৰক্ষীয়ে ২০১৭ চনত দেওপানী বনাঞ্চলৰ ভিতৰত অভিযান চলাই অপহৃতক উদ্ধাৰ কৰাৰ লগতে লস্কৰসহ কেইবাজনকো গ্ৰেপ্তাৰ কৰিছিল।

### তেজপুৰত পশুধনক প্ৰতিষেধক প্ৰদান

## ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰণ আঁচনিৰ অধীনত সামৰি লোৱা হৈছে ৪.৫ লাখ গৰু-ম'হক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ নৱেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ২০১৯ৰ ১১ছেপ্টেম্বৰত মথুৰাত শুভাৰম্ভ কৰা ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰণ আঁচনিৰ অধীনত শোণিতপুৰ জিলাৰ ৪৪১৪৬৯ সংখ্যক গৰু আৰু ৮৭২৫ সংখ্যক ম'হক সামৰি লোৱা হ'ব। ভাৰতৰ পৰা ২০৩০ ভিতৰত ব্ৰুছেলোচিছ আৰু চবকা ৰোগ নিৰ্মূল কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা টিকাকৰন অধীনত ৮টা পৰ্যায়ত গৰু ম'হক ২০২৫ পৰ্যন্ত প্ৰতি ছয় মাহৰ অন্তৰে অন্তৰে বেজী দিয়া হ'ব। আনহাতে ব্ৰুছেলোচিছৰ দৰে গৰু ম'হৰ গাভিনী অৱস্থাত হ'লে গৰ্ভত থকা পোৱালী নষ্ট হোৱা আৰু মানুহৰ দেহলৈ সংক্ৰমিত হৈ একে ধৰণে মানুহৰ শৰীৰতো ক্ৰিয়া পশুৰ মাৰত্মক ৰোগ বিধৰ প্ৰতিষেধক ছমাহ পিছতহে আৰম্ভ কৰিব বুলি শোণিতপুৰ জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ বিনয় বৰ্মনে সাংবাদিকৰ আগত সদৰি কৰিছে। যোৱা ১৫ নৱেম্বৰৰ পৰা শোণিতপুৰ জিলাত আৰম্ভ কৰা চবকা ৰোগৰ প্ৰতিষেধক বৰ্তমানলৈকে প্ৰায় ১০ হাজাৰ পশুধন সামৰি লোৱা হৈছে বুলি কয়। এই আঁচনিৰ অধীনত আজি তেজপুৰৰ বামপৰ্বতীয়াৰ আদৰ্শ কৃষক কাবুল শৰ্মাৰ প্ৰায় ৩০০ গৰু-মঁহৰ প্ৰতিষেধক প্ৰদানৰ বাবে যোৱা শোণিতপুৰ জিলা পশুপালন বিভাগৰ পশু চিকিৎসক আৰু ক্ষেত্ৰ সহায়কৰ দলে গৰু আৰু ম'হক চবকা প্ৰতিষেধক বেজী দিয়াৰ লগতে গৰু ম'হৰ কানত টেগ লগায়। জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ বিনয় বৰ্মনে ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰণ আঁচনিৰ অধীনত ইতিমধ্যে শোণিতপুৰ জিলা পশুপালন বিভাগে চবকা ৰোগৰ ৪৫৬৫০০ টা প্ৰতিষেধক বেজী লাভ কৰিছে আৰু অহা ২৮দিনৰ ভিতৰত জিলাখনৰ গৰু ম'হক চবকা ৰোগৰ প্ৰতিষেধক বেজী দিয়াৰ লক্ষ্য স্থিৰ কৰা বুলি কয়।

### তেজপুৰ কেন্দ্ৰীয় কাৰাগাৰত কয়দী-হাজোতীৰ অনশন

## আত্মীয়ক লগ ধৰিব নিদিয়া-নিয়ম মাফিক ছুটীৰ পৰা বঞ্চিত কৰাকলৈ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ নৱেম্বৰ ঃ** তেজপুৰ কেন্দ্ৰীয় কাৰাগাৰত আজি কয়দী আৰু হাজোতীসকলে কৰা এক প্ৰতিবাদী কাৰ্যসূচীয়ে কাৰাগাৰটোৰ ভিতৰে বাহিৰে এক উত্তেজনাময় পৰিৱেশৰ সূচনা কৰে। পৰিয়াল আৰু আত্মীয়ক লগ ধৰিব নিদিয়াৰ অভিযোগ উত্থাপনেৰে কেন্দ্ৰীয় কাৰাগাৰটোৰ ভিতৰতে কয়দী-হাজোতীসকলে আজি পুৱাৰে পৰা বিয়লিলৈ অনশনত বহি কাৰাগাৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে বিষোদগাৰ প্ৰকাশ কৰে। উল্লেখ্য যে, ক'ভিড প্ৰট'কলৰ দোহাই দি কাৰাগাৰটোৰ কয়দী-হাজোটীসকলৰ পৰিয়াল-আত্মীয়ক লগ ধৰিব নিদিয়াৰ লগতে ঘৰলৈ যোৱাৰ ক্ষেত্ৰত নিয়ম মাফিক প্ৰাপ্য চুটিৰ পৰাও বঞ্চিত কৰাৰ প্ৰতিবাদত কয়দীসকলে অনশনত বহি পৰিৱেশ উত্তাল কৰি তোলে। পৰিস্থিতি অধিক অৱনতি ঘটিব পৰা সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি বৃহৎ সংখ্যক আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী কাৰাগাৰটোৰ বাহিৰত মোতায়েন কৰিবলগীয়া হয়। ইফালে কাৰাগাৰ কৰ্তৃপক্ষ আৰু জিলা প্ৰশাসনৰ বিষয়াৰ মাজত হোৱা আলোচনাৰ অন্তত প্ৰতিবাদীসকলে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি লাভ কৰাত কয়দী আৰু হাজোতীসকলে অনশন কাৰ্যসূচী প্ৰত্যাহাৰ কৰে।

## শোণিতপুৰ জিলাৰ ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ নৱেম্বৰ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি কালি শোণিতপুৰ জিলাৰ নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ ২০২১ চনৰ খচৰা প্ৰকাশ কৰা হয়। জিলাখনৰ ৭১ নং ঢেকিয়াজুলি, ৭২নং বৰছলা, ৭৩ নং তেজপুৰ, ৭৪ নং ৰঙাপৰা আৰু ৭৫ নং চতিয়া বিধান সভা সমষ্টিৰ ভোটাৰ তালিকা কালি জিলা কাৰ্যালয়ত প্ৰকাশ কৰা হয়। এই অনুসৰি ১৫ ডিচেম্বৰলৈকে খচৰা ভোটাৰ তালিকাৰ ওপৰত অভিযোগ আৰু আপত্তি নিৰ্দিষ্ট এলেকাৰ নিৰ্বাচনী পঞ্জীয়ক বিষয়াৰ কাৰ্যালয় আৰু নিজৰ নিজৰ নিৰ্দিষ্ট ভোট গ্ৰহণ কেন্দ্ৰসমূহত গ্ৰহণ কৰা হ'ব। এই অভিযোগ আৰু আপত্তি সমূহ অহা ৫ জানুৱাৰীৰ ভিতৰত নিষ্পত্তি কৰা হ'ব। অহা ১৫ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি জিলা উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে জানিবলৈ দিছে।

## বিমলী বৰঠাকুৰৰ স্মৃতিচাৰণ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৯ নৱেম্বৰ ঃ** কালুগাঁও বৰপাত্ৰদ'ল ব্ৰাহ্মণগাঁৱৰ ধৰ্মপ্ৰাণা মহিলা প্ৰয়াত বিমলী বৰঠাকুৰৰ আজি আদ্যশ্ৰাদ্ধৰ উপলক্ষত নিজা বাসগৃহত ব্ৰাহ্মণ গাঁও হৰি মন্দিৰ পৰিচালনা সমিতি, লক্ষ্মীসাগৰ মহিলা সমাজ আৰু কালুগাঁও সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গোৎসৱ সমিতিৰ উদ্যোগত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হৈ যায়। নীলোৎপল বৰুৱাই আঁত ধৰা উক্ত অনুষ্ঠানৰ প্ৰাৰম্ভনিতে প্ৰয়াত গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে মামনি শৰ্মাই আৰু মাল্যাৰ্পন কৰে দিপালী দত্তই। ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ৰঞ্জন কুমাৰ ফুকনে মুখ্য স্মৃতিচাৰক ৰূপে উপস্থিত থাকি প্ৰয়াত বিমলি বৰঠাকুৰৰ জীৱন আৰু কৰ্মৰাজীৰ আলোকপাত কৰি স্মৃতিচাৰণ কৰে। অনুষ্ঠানত ৰাজ্যিক অধিবিদ্যা পৰিষদৰ সাধাৰণ সম্পাদক তথা 'ছেৱা'ৰ সদস্য পবিত্ৰপ্ৰাণ ভট্টাচাৰ্য, জ্যেষ্ঠ নাগৰিক গোবিন বৰঠাকুৰ, দিপালী দত্ত, মামনি শৰ্মা, মৃণালিনী বৰঠাকুৰ গোস্বামী, প্ৰভাত বৰঠাকুৰেও বিমলী বৰঠাকুৰৰ সামাজিক কাম-কাজ তথা ৰাজহুৱা অৱদানৰ সম্পৰ্কত আলোকপাত কৰে। অনুষ্ঠানত কালুগাঁও প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সম্পাদক অচিন্ত্য বৰঠাকুৰ, অপূৰ্ব বৰঠাকুৰ, জিতু শৰ্মা, সন্ধ্যাৰাণী বৰুৱা, পৱন বৰঠাকুৰ, তপন ভট্টাচাৰ্য, অনিল বৰঠাকুৰ, অমৃত বৰঠাকুৰ, জয়ন্ত বৰঠাকুৰ, জলি শৰ্মা, ৰূপা বৰঠাকুৰ, বন্দনা ফুকন, ৰীণা বৰঠাকুৰ, জ্যোতি বৰুৱা প্ৰমুখ্যে অঞ্চলটোৰ ভালে সংখ্যক গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## ছাত্ৰ-শিক্ষকক ডিজিটেলভাৱে সবল কৰি তুলিবলৈ ৰাজ্যিক উদ্ভাৱন-ৰূপান্তৰ আয়োগৰ নতুন পৰিকল্পনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** ক'ভিড-১৯ মহামাৰীয়ে সমগ্ৰ বিশ্বত সংহাৰী ৰূপ ধাৰণ কৰাৰ মুহূৰ্তত অসমৰ অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহক আধুনিক বিশ্ব মানৰ শিক্ষাৰে উন্নত কৰিবৰ বাবে ৰাজ্যিক উদ্ভাৱনা আৰু ৰূপান্তৰ আয়োগ, অসমে এক বিশেষ পৰিকল্পনা হাতত লৈছে— আয়োগৰ উপাধ্যক্ষ দীপক কুমাৰ বৰঠাকুৰৰ অধ্যক্ষতাত কালি জনতা ভৱনত অনুষ্ঠিত হোৱা পৰামৰ্শমূলক কমিটিৰ সভাত আয়োগৰ উপদেষ্টা তথা ভূতপূৰ্ব উপাচাৰ্য্য ডাঃ মৃদুল কুমাৰ হাজৰিকাই এটি পাইলট প্ৰজেক্ট দাঙি ধৰে। কানাডাৰ স্মাৰ্ট টেকন'লজি আৰু আয়োগৰ মাজত অলপতে হৈ যোৱা আলোচনা মৰ্মে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সম্ভাৱনীয়তাক ডিজিটেল মাধ্যমৰ শিক্ষাৰে আগুৱাই লৈ যোৱাৰ পৰিকল্পনাৰ কথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ডঃ মৃদুল হাজৰিকাই সবিশেষ দাঙি ধৰে। আয়োগৰ তত্ত্বধানত আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ সহযোগত চলি থকা প্ৰকল্প "Development of a smart platform for promotion of renewal energy in Assam"ৰ কাম ২০ শতাংশ আগবাঢ়িছে বুলি বিশ্ববিদ্যালয়খনৰ অধ্যাপক দেবেন চন্দ্ৰ বৰুৱাই জানিবলৈ দিয়াৰ লগতে এখনি কৰ্মশালাৰো তেখেতে পোষকতা কৰে। উত্তৰ-পূবৰ কৃষি খণ্ডত এটি উন্নত মানৰ ধাৰা প্ৰৱৰ্তনৰ বাবে Artificial Intelligence Technology ৰ প্ৰয়োগ সম্পৰ্কে AgSpert ৰ সঞ্চালক সিদ্ধাৰ্থ বৰাই বক্তব্য দাঙি ধৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ননীগোপাল মহন্তই SITA ৰ তত্বাৱধান আৰু বিশ্ববিদ্যালয়ৰ উদ্যোগত চলি থকা অন্য এটি প্ৰকল্প "North East India's Connection with South East Asia"ৰ কামৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। ঐতিহাসিক দৃষ্টিকোণেৰে অসমৰ লগত দক্ষিণ পূব এছিয়াৰ আৰ্থ সামাজিক, সাংস্কৃতিক সম্পৰ্কীয় বিষয়টো অধিক সুদৃঢ় কৰাই এই প্ৰকল্পৰ মুখ্য দিশ বুলি শ্ৰী মহন্তই তেখেতৰ বক্তব্যত উল্লেখ কৰে। সভাত SITAৰ মুখ্য কাৰ্য্যবাহী বিষয়া মুকেশ চাহু, উপদেষ্টা কাশীনাথ হাজৰিকা, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক চন্দন শৰ্মাৰ লগতে বিভাগীয় বিষয়া কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে।

## ষট্ পূজা উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ শুভেচ্ছা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** ষট্ পূজা উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এই পূজাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক পৰিৱেশে সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত নতুন আশা সঞ্চাৰিত কৰি সকলোকে নতুন উদ্যমেৰে ৰাজ্যখনৰ উন্নয়ন আৰু প্ৰগতিৰ দিশত কৰ্মত ব্ৰতী হোৱাৰ বাবে অনুপ্ৰেৰণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। আজি এক শুভেচ্ছাবাণীত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আলোকে পথৰ সন্ধান দিয়ে। আলোকৰ প্ৰতীক সূৰ্যক আৰাধনাৰে ষট্ পূজা অনুষ্ঠিত কৰা হয়। এই ষট্ পূজা কেৱল এক ধৰ্মীয় তথা আধ্যাত্মিক উৎসৱেই নহয়, ইয়াৰ জৰিয়তে জনসাধাৰণৰ মাজত থকা সাতামপুৰুষীয়া ভাতৃত্ববোধ আৰু একতাৰ এনাজৰি সুদৃঢ় হয়। প্ৰতিবছৰে এই পূজা যথেষ্ট উলহ-মালহেৰে পালন কৰা হয় যদিও এইবাৰ কৰ'না সৃষ্ট পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সজাগ আৰু সচেতনতাৰে প্ৰশাসনে বান্ধি দিয়া নীতি-নিয়ম কঠোৰভাৱে মানি চলি এই পূজা উদ্‌যাপন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ষট্ পূজাৰ ঐতিহ্য আৰু তাৎপৰ্যৰ দিশসমূহ গভীৰভাৱে অনুধাৱন কৰি ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত বৰ্তী থকা শান্তি আৰু সমন্বয়ৰ পৰিৱেশ অক্ষুণ্ণ ৰাখি ৰাজ্যখনক প্ৰগতিৰ দিশেৰে আগুৱাই নিয়াৰ বাবে সকলোৱে অহোপুৰুষাৰ্থ কৰিব লাগিব বুলি তেওঁ কয়। ষট্ পূজাৰ এই পৱিত্ৰক্ষণত মুখ্যমন্ত্ৰীয়ে সকলোকে শুভেচ্ছা জনোৱাৰ উপৰি এই পূজাৰ জৰিয়তে আমাৰ আধ্যাত্মিক আৰু মানৱীয় অনুভূতি অধিক শক্তিশালী হ'ব বুলি আশা প্ৰকাশ কৰে।



*নগাঁৱত আৰক্ষী প্ৰেক্ষাগৃহ মুকলি বিধায়ক ৰূপক শৰ্মাৰ, বৃহস্পতিবাৰে*

### কথাশিল্পীৰ বাসগৃহত ড° সব্যসাচী মহন্তৰ ইংৰাজী গ্ৰন্থ Addressing the Paradigms of State উন্মোচন

## সাম্প্ৰতিক সময়ৰ জটিল পৰিস্থিতি সমাধানৰ ক্ষেত্ৰত চিন্তা নকৰিলে জাতিটোক বচোৱা কঠিন হ'ব ঃ ইমৰান শ্বাহ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৯ নৱেম্বৰ ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা কথাশিল্পী ইমৰান শ্বাহৰ শিৱসাগৰ নগৰৰ ধাইআলি বাসগৃহত এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যাপক তথা বিশিষ্ট নিৱন্ধকাৰ ড° সব্যসাচী মহন্তৰ Addressing the Paradigms of State নামৰ ইংৰাজী গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। শিৱসাগৰ কলেজৰ অধ্যাপক তথা বিশিষ্ট নিৱন্ধকাৰ ড০ উৎপল দত্তই আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত কথাশিল্পী ইমৰান শ্বাহে সাম্প্ৰতিক সময়ৰ এক উপযোগী গ্ৰন্থ বুলি মতঃপোষণ কৰি কয় যে- এতিয়া সময় বিলাক বৰ জটিল। চিন্তাবোৰো বহু আগবাঢ়ি গৈছে। এই সময়চোৱাত সমাধানৰ ক্ষেত্ৰত চিন্তা নকৰিলে জাতিটো বচোৱা বৰ জটিল হ'ব। ড° মহন্তৰ গ্ৰন্থখনিত থকা বিষয়বস্তুবোৰ কঠিন যদিও গ্ৰন্থখনিত সামাজিক, আৰ্থসামাজিক, ৰাজনৈতিক বিষয়বস্তুৰ লগতে খাদ্য অধিকাৰৰ বিষয়েও লিখা বিষয়বোৰ সঁচাই প্ৰশংসনীয়। মহন্তৰ গ্ৰন্থখন ইংৰাজীত লিখাৰ বাবে ভাল হৈছে। সৰ্ব্ব




ভাৰতীয় পৰ্যায়ত এনে বিষয়বস্তুৰ গ্ৰন্থৰ খুৱেই প্ৰয়োজন। বিষয়বস্তুবোৰ ছিৰিয়াচ হিচাপে লৈছে বাবে ড° মহন্তৰ গ্ৰন্থখন সময়োপযোগী হোৱাৰ বাবে পাঠকৰ অন্তৰ জয় কৰিব পাৰিব বুলি আশা ব্যক্ত কৰে। গ্ৰন্থ উন্মোচনী সভাত অংশ গ্ৰহণ কৰি বিশিষ্ট নিৱন্ধকাৰ পাৰ্থ প্ৰদীপ বৰাই ড° সব্যসাচী মহন্ত এগৰাকী সাংস্কৃতিক মনৰ অধিকাৰী বুলি ব্যক্ত কৰি মহন্তৰ লিখনিত নিজস্ব মৌলিকত্ব প্ৰকাশ পাইছে বুলি উল্লেখ কৰে। লেখা বিলাক মৌলিক হলে পাঠকে আদৰি লয় বুলি কোৱাৰ লগতে বৰাই এনে চৰ্চা কৰা মানুহৰ সংখ্যা খুবেই অভাৱ হৈছে বুলি ব্যক্ত কৰে। ইয়াৰোপৰি ৰাজনৈতিক উপন্যাস লিখাৰ বাবে মহন্তক আহ্বান জনায়। অনুষ্ঠানত নাজিৰা কলেজৰ অধ্যাপক তথা বিশিষ্ট নিৱন্ধকাৰ ড° জীৱন কলিতাই নিৰলস চৰ্চাৰে মানুহৰ অন্তৰ জয় কৰিব পৰা মহন্ত এগৰাকী সুদক্ষ লিখক হিচাপে প্ৰতিষ্ঠিত হৈছে বুলি উল্লেখ কৰি তেখেতৰ লিখনি বোৰক নিজস্ব মৌলিকত্ব প্ৰকাশ পাইছে বুলি ব্যক্ত কৰে। গ্ৰন্থখনৰ ৰচয়িতা ড° সব্যসাচী মহন্তই নিজৰ অনুভৱত কয় যে- এই গ্ৰন্থখনত সাম্প্ৰতিক সময়ত ভিন্ন আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু মানৱধিকাৰ বিষয়ক যি বিলাক প্ৰবন্ধ লিখা হৈছিল উক্ত প্ৰবন্ধ সমূহ এই গ্ৰন্থখনত সন্নিবিষ্ট কৰা হৈছে। সাম্প্ৰতিক সময়ৰ যি ৰাজনৈতিক প্ৰেক্ষাপট সেই ৰাজনৈতিক প্ৰেক্ষাপটৰ বিশ্লেষণ এই গ্ৰন্থখনত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। মুঠ ১৯ টা প্ৰবন্ধ সন্নিবিষ্ট গ্ৰন্থখনৰ পাতনি লিখিছে নেহু বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° জ্যোতিময় প্ৰধানীয়ে। আজিৰ এই গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকে জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত, ভাৰত সঞ্চাৰ নিগম লিমিটেডৰ বিষয়া ফিৰোজ খানৰ লগতে শিৱসাগৰৰ সমাজ জীৱনৰ লগত জড়িত ব্যক্তি সকলৰ উপৰিও সাংবাদিক সকল উপস্থিত থাকে।


NSKFDC ISO 9001: 2008 | TSC Textile Sector Skill Council — PERFECTING SKILLS — Online Practice Test | Under the aegis of Government of India Ministry of Social Justice & Empowerment | VALEUR FABTEX ...empowering the unskilled

**দক্ষতা বিকাশ প্ৰশিক্ষণ কাৰ্যসূচী**

আঁচনি পৃষ্ঠপোষকতা কৰিছে

**ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰী বিত্ত আৰু বিকাশ নিগমে**

আৰু

**বস্ত্ৰ খণ্ড দক্ষতা পৰিষদ (টিএছচি)**

চাকৰিৰ ভূমিকাৰ বাবে বিনামূলীয়া প্ৰশিক্ষণৰ - দুটা শ্বাফ্ট হেণ্ডলুম তাঁতী

**কেৱল মেনুৱেল চাফাই কৰ্মীৰ বাবে**

**বয়স ঃ ১৮ বছৰৰ পৰা ৪৫ বছৰৰ ভিতৰত**

**স্থান ঃ** ভেলেউৰ ফেবটেক্স প্ৰাইভেট লিমিটেড, শ্যামাৰাই উইভিং কেন্দ্ৰ, গাঁও ঃ আমিনগাঁও হৰিজন কলনি (ষ্টেচন কলনি) থানা ঃ আমিনগাঁও মৌৰ্য পাৰ্টি, জিলা- কামৰূপ (মহানগৰ), গুৱাহাটী, অসম- ৭৮১০৩১, **মোবাইল ঃ** ৮৯১৭২-৬৯৯৩৫, ৯৩৬৫৯-৫৭৯৭৪

********* **নামভৰ্তি আৰম্ভ** *********



এনটীপীসী NTPC

**এনটিপিচি লিমিটেড**

*(ভাৰত চৰকাৰৰ এটি প্ৰতিষ্ঠান)*

**পঞ্জীয়ন কাৰ্যালয়ৰ ঠিকনা ঃ এনটিপিচি ভৱন, ক্ৰ'ৰ-৭, স্কোপ কমপ্লেক্স, ৭-ইনষ্টিটিউছনেল এৰিয়া, লোধী ৰোড, নতুন দিল্লী-১১০ ০০৩ ক'ৰ্পৰেট আডেণ্টিফিকেছন নম্বৰ- এল৪০১০১ ডিএল১৯৭৫জিঅ'আই০০৭৯৬৬**

ওপৰত নাম উল্লেখ কৰা আবেদনকাৰীয়ে কেন্দ্ৰীয় বৈদ্যুতিক নিয়ামক আয়োগ, নতুন দিল্লীত এখন আবেদন দাখিল কৰিছে বঙাইগাঁও থাৰ্মেল পাৱাৰ ষ্টেচন (৭৫০ এমডব্লিউ) টেৰিফ নিৰ্ণয়ৰ বাবে ০১.০৪.২০১৯ ৰ পৰা ৩১.০৩.২০২৪ লৈ।

১। উৎপাদন আস্থানৰ হিতাধিকাৰীসকল ঃ
১) অসম শক্তি বিতৰণ কোম্পানী লিঃ, বিজুলী ভৱন, পল্টনবজাৰ, গুৱাহাটী-৭৮১০০১।
২) মেঘালয় এনাৰ্জি ক'ৰ্পোৰেচন লিঃ, শ্বৰ্ট ৰাউণ্ড ৰোড, শ্বিলং-৭৯৩০০১
৩) শক্তি বিভাগ, অৰুণাচল প্ৰদেশ চৰকাৰ, ইটানগৰ।
৪) শক্তি আৰু বৈদ্যুতিক বিভাগ, মিজোৰাম চৰকাৰ, আইজল-৭৯৬০০১।
৫) মণিপুৰ ৰাজ্যিক শক্তি বিতৰণ কোম্পানী লিঃ, খাৰাল বজাৰ, কেইছহামপট, ইম্ফল-৭৯৫০০১।
৬) শক্তি বিভাগ, নাগালেণ্ড চৰকাৰ, কোহিমা।
৭) ত্ৰিপুৰা ৰাজ্যিক বিদ্যুৎ ক'ৰ্পোৰেচন লিঃ, বিদ্যুৎ ভৱন, নৰ্থ বনমালীপুৰ, আগৰতলা-৭০০০০১।

২। উৎপাদন আস্থানৰ সক্ষমতা ঃ ৭৫০ মেগাৱাট
৩। প্ৰকল্পৰ বাবে অনুমোদিত মূলধনী ব্যয় ঃ ৮১৪৯.৫৪ কোটি টকা (২০১৭ চনৰ প্ৰথম ত্ৰৈমাসিকৰ মূল্যৰ ভিত্তিত)।
৪। মূলধনী ব্যয় অনুমোদন জনোৱা কৰ্তৃপক্ষ ঃ চিইআৰচি (অনুমোদনৰ বাবে)।
৫। বাণিজ্যিক কাম-কাজৰ নিৰ্ধাৰিত সময় ঃ ২৬.০৩.২০১৯।
৬। বাণিজ্যিক কাম-কাজৰ তাৰিখত মূলধনী ব্যয়ৰ ঃ ৬২৭২.৯৯ কোটি টকা।
৭। সবিশেষ টেৰিফ ঃ

| | বিষয়বস্তু | পূৰ্বৰ বৰ্ষৰ টেৰিফ | অনুমোদনৰ বাবে বাৰ্ষিক ভিত্তিত বিচৰা টেৰিফৰ নিৰিখ | | | | |
|---|---|---|---|---|---|---|---|
| | | | ২০১৯-২০ | ২০২০-২১ | ২০২১-২২ | ২০২২-২৩ | ২০২৩-২৪ |
| ১। | কে পাচি টি চাৰ্জেছ (লাখ টকা/বছৰ) | ১৩২২৬৬.৭৯ | ১৩৬২৯০৫২ | ১৩৬০৭৪.৬৩ | ১৩৯১২৯.০৯ | ১৪৪৮৬৩.৭৯ | ১৪৬৯৭১.৯৩ |
| ২। | এনাৰ্জি চাৰ্জেছ (লাখ টকা/বছৰ) | ৩১৫.৮০৯ | ৩২৬.৭৫০ | | | | |

* চিইআৰচিৰ ওচৰত দাখিল কৰা আবেদনৰ ভিত্তিত ২০১৪-২০১৯ বৰ্ষৰ টেৰিফৰ নিৰিখ।
# ইচিআৰ হ'ল টেৰিফ সময়ৰ আৰম্ভণিৰ এনাৰ্জি চাৰ্জৰ হাৰ নিৰূপণৰ ভিত্তি। প্ৰকৃত এনাৰ্জি চাৰ্জৰ নিৰিখ মাহিলী ভিত্তিত নিৰূপণ হয় ইন্ধনৰ খৰচ চিইআৰচি বিধি অনুসৰি।

৮। টেৰিফ নিৰ্ণয়ৰ বাবে আবেদনৰ এটা প্ৰতিলিপি এনটিপিচিৰ ৱেবছাইট www.ntpc.co.in লৈ প্ৰেৰণ কৰা হৈছে 'জাননী' টেবৰ অধীনত।
৯। পৰামৰ্শ আৰু আপত্তিসমূহ, যদিহে কোনো ব্যক্তিৰ আছে, আবেদনত উল্লেখ থকা ধৰণে টেৰিফ নিৰ্ণয়ৰ প্ৰস্তাৱ সম্পৰ্কত, তেনেহ'লে তেওঁলোকে হিতাধিকাৰীকে আদি সকলো ওজৰ-আপত্তি লিখিতভাৱে দাখিল কৰিব পাৰিব সচিব, কেন্দ্ৰীয় বৈদ্যুতিক নিয়ামক আয়োগ, তৃতীয় আৰু চতুৰ্থ মহলা, চান্দাৰলক বিল্ডিং, ৩৬, জনপথ, নতুন দিল্লী-১১০০০১,ৰ ওচৰত এই জাননী প্ৰকাশ পোৱাৰ ৩০ দিনৰ ভিতৰত।

**তাৰিখ** ঃ২৪.০৭.২০২০
**স্থান** ঃনতুন দিল্লী

**(ৰোহিত চাব্ৰা)**
অঃ জেনেৰেল মেনেজাৰ (কমাৰ্চিয়েল)

Perfect10

শক্তি খণ্ডৰ নেতৃত্বত



Affordable Health Mission | GNRC Quality • Value • Trust

Your Trust Makes Us Stronger

703 in Assam | 1193 in West Bengal

COVID-19 POSITIVE PATIENTS Treated Successfully



Free Ambulance to GNRC Hospitals 1800 345 0011
For Appointments & Enquiries 1800 345 0022

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
২০ নৱেম্বৰ ■ ২০২০ ■ ৪ আঘোণ ■ গুৱাহাটী

# আছুৰ সপ্তদশ অধিৱেশন

দুলীয়াজানত সদৌ অসম ছাত্ৰ সন্থাৰ (আছু) অধিৱেশন আৰম্ভ হৈছে। অশেষ ত্যাগ আৰু কষ্টৰে আছুই জাতীয় স্বাৰ্থৰ বাবে কৰি অহা কামৰ অসমৰ ইতিহাসত খোদিত হৈ আছে। সুদীৰ্ঘ দিনৰ ত্যাগ-কষ্টৰ সংগ্ৰামৰ মাজেৰে আছুই এক বিশেষ মৰ্যাদা লাভ কৰাৰ দৰে সংগঠনটোৱে জাতীয় দায়িত্ব; ইয়াৰ লগত সংপৃক্ত হৈ থকা জনসাধাৰণৰ বহু আশা-আকাংক্ষাও নিহিত হৈ আছে। অসমীয়া ভাষা-সংস্কৃতিৰ সন্মান সুৰক্ষাৰ যুঁজ, নিপীড়িত মানুহৰ অধিকাৰ প্ৰতিষ্ঠাৰ যুঁজ, খিলঞ্জীয়া মানুহৰ অস্তিত্ব ৰক্ষাৰ যুঁজ, শাসকৰ শৈক্ষিক নিষ্পেষণ, দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ, বানপানী-খহনীয়াৰ বিৰুদ্ধে যুঁজ, বয়-বস্তুৰ চৰাদামৰ বিৰুদ্ধে আদি যুঁজবোৰত আছুৰ কৰ্মকৰ্তাসকলে সৰ্বস্ব উজাৰি দি আত্মনিয়োগ কৰাৰ কাম-কাজৰ ইতিহাসৰ বাবেই সদৌ অসম ছাত্ৰ সন্থা অসমীয়া ভাষা-ভাষী, সকলো ধৰ্মৰ মানুহৰ আপোন হৈ পৰিছে। ৭০-৮০ৰ দশকৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ উপৰি ছবছৰীয়া অসম আন্দোলনত আছুৰ কৰ্মীসকলৰ নিঃস্বাৰ্থ তথা সঠিক আত্মত্যাগ অসমৰ সকলো মানুহেই দেখিছে। তেওঁলোকৰ অনাড়ম্বৰ, সহজ-সৰলভাৱে জনসাধাৰণৰ মাজত সোমাই কৰি যোৱা কামৰ তালিকাই তেওঁলোকক প্ৰতিষ্ঠিত কৰিছিল আৰু ছাত্ৰ সমাজক গণমুখী চৰিত্ৰত পৰিণত কৰিছিল। এয়াই আছুৰ গৌৰৱ বুলি অভিহীত। গৈ গৈ আৰম্ভ হোৱা সপ্তদশ অধিৱেশনখন এনে এক সময়ত অনুষ্ঠিত হৈছে, যিটো সময়ত সংগঠনটোৱে ৰাজ্যখনত এক নতুন ৰাজনৈতিক গৰিমাৰ উল্লেখ ঘটাবলৈ প্ৰস্তুত হৈছে। কিন্তু এনে নতুন কৰ্মৰাজিৰ লগত আছুৰ ভাবমূৰ্তিৰ ওতপ্ৰোত সম্পৰ্ক আছে। অসম আন্দোলনৰ সাফল্যৰ পিছত আছুৰ উদ্যোগতে গঠন হোৱা অসম গণ পৰিষদ দলটোৱে ৰাইজৰ আশা-আকাংক্ষাক ধূলিসাৎ কৰাৰ বাবেই ছাত্ৰ সংগঠনটোৱে জন্ম দিছে নতুন আঞ্চলিক শক্তি 'অসম জাতীয় পৰিষদ'ৰ। যিয়ে বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতিত সজাগতা বিকল্প আঞ্চলিক শক্তিৰ ৰূপত প্ৰতিষ্ঠা কৰি নিজৰ প্ৰভাৱশালী জাতীয় সংগঠন তথা অসমীয়াৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিব। এয়া আছুৰ নিজস্ব অস্তিত্ব জনসাধাৰণৰ মাজত প্ৰতিষ্ঠাৰ কঠিন সংগ্ৰামৰ সময়। জাতীয় সমাধানৰ বাবে আত্মনিয়োগ কৰাৰ সময়। শেষত আছুৰ দুলীয়াজানৰ সপ্তদশ অধিৱেশন সাফল্যৰে পূৰ্ণ কৰি কথা আৰু কামে সংগঠনটোক জাতীয় সংগঠনলৈ ৰূপান্তৰ কৰক। আমাৰ শুভেচ্ছা আৰু আশীৰ্বাদ থাকিল, বৈচিত্ৰ্যময় ৰাজনৈতিক, সামাজিক পৰিৱেশেৰে ৰাজ্যখনত আগুৱাই নিয়াৰ দায়িত্বৰে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰক।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# প্ৰত্যাহ্বান আৰু আশাৰ আলি-দোমোজাত অসমীয়া গ্ৰন্থ-কাকত-আলোচনীৰ ভৱিষ্যৎ

আধুনিক জীৱন-যাত্ৰাৰ কিছুমান এৰাব নোৱৰা বস্তুৱে যেনেদৰে আমাৰ জীৱনটোক সুচল কৰি তুলিছে, ঠিক তেনেদৰে কিছু কিছু ক্ষেত্ৰত প্ৰত্যাহ্বান বা নেতিবাচক প্ৰভাৱো পেলাইছে। এইক্ষেত্ৰত ম'বাইল আৰু টেলিভিছনৰ নামো ল'ব পাৰি। এই দুই মাধ্যমৰ জৰিয়তে তড়িৎ গতিত খবৰৰ উপৰি অন্যান্য মনোৰঞ্জনৰ সুবিধাও লাভ কৰিব পাৰি। এই সীমাহীন সুবিধাই আন কিছুমান ক্ষেত্ৰৰ বাবে অসুবিধাৰূপে থিয় দিছে। তাৰ ভিতৰত অধ্যয়ন ক্ষেত্ৰখনো পৰে। প্ৰকৃত অৰ্থত অধ্যয়নৰ মোল বুজা মানুহখিনিয়ে অবিৰত অধ্যয়ন চলাই গৈ আছে যদিও ম'বাইল-টেলিভিছনৰ আগ্ৰাসনে এটা চামক অধ্যয়নবিমুখ কৰি নোতোলা নহয়। ফলত গ্ৰন্থ-কাকত-আলোচনীৰ জগতখনতো ইয়াৰ প্ৰভাৱ প্ৰত্যক্ষভাৱে পৰিছে। এতিয়া মানুহে আজৰি পৰখিনি কিবা এখন আলোচনী বা কাকতত চকু ফুৰোৱাৰ সলনি হাততে থকা ম'বাইলটো বা টেলিভিছনৰ চেনেল পকাই অতিবাহিত কৰিবলৈ ভাল পোৱা হৈছে। আনকি শিশুসকলো ইয়াৰ ব্যতিক্ৰম নহয়। বুজা বা কথা স্পষ্টকৈ ক'ব পৰা হোৱাৰ আগৰ পৰাই সিহঁত ম'বাইল-টেলিভিছনৰ নিচাত আসক্ত হোৱাটো ভৱিষ্যতৰ বাবে খুব এটা ভাল সংকেত নহয়। এইক্ষেত্ৰত অভিভাৱক বা জ্যেষ্ঠসকলৰ আওকণীয়া মনোভাৱেই মূলতঃ দায়ী। এতিয়াৰ অসমীয়া পাঠ্যপুথিও আগৰ দৰে আকৰ্ষণীয় হোৱা দেখা নাযায়।

অৱশ্যে ইয়াৰ মাজতে নৱ-প্ৰজন্মই আশাৰ বতৰা কঢ়িয়াই ননাকৈও থকা নাই। ম'বাইলটোকে সাৰথি কৰি যুৱ-প্ৰজন্মৰ জ্ঞান আৰু সাহিত্য পিপাসু চামটো ওলাই আহিছে। তাৰ এক প্ৰোজ্জ্বল দৃষ্টান্ত হৈছে ই-আলোচনীসমূহ। বৰ্তমান ই চালুকীয়া অৱস্থাতেই আছে যদিও ভৱিষ্যতে যে অসমীয়া সাহিত্য জগতক ই সমৃদ্ধ কৰিবলৈ সক্ষম হ'ব তাৰ যোগাত্মক ৰেঙনি দেখিবলৈ পোৱা গৈছে। নতুন নতুন সাহিত্য সাধনাৰ প্ৰতি আগ্ৰহীসকলৰ বাবেও ই এক সুন্দৰ মাধ্যম হৈ পৰিছে। ফেচবুক, হোৱাটচএপৰ বিভিন্ন গোটৰ জৰিয়তেও গ্ৰন্থ অধ্যয়নৰ এক সুস্থ পৰিৱেশ গঢ়লৈ উঠিছে। লকডাউনৰ বিৰক্তিদায়ক সময় কটাবলৈও বহুজনে কিতাপক সংগী কৰি লৈছিল। ইয়াৰ লগতে ঠায়ে ঠায়ে পুথিভঁৰাল আদিৰ জৰিয়তে আৰম্ভ হোৱা গ্ৰন্থ অধ্যয়নৰ পৰিৱেশেও আশাৰ বতৰা কঢ়িয়াই আনিছে। মুঠৰ ওপৰত এটা কথা ক'ব পাৰি যে ম'বাইল-টেলিভিছন আদিয়ে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিলেও গ্ৰন্থ-কাকত-আলোচনীয়ে নিজ জগতত সগৌৰৱে জিলিকি থাকিব। যি অসমীয়া কাকত-আলোচনীয়ে এদিন উচ্ছেদিত অসমীয়া ভাষাক নিজ স্থানত থাপিত কৰিবলৈ সক্ষম হৈছিল, সেই কাকত-আলোচনী কেতিয়াও মৰহি যাব নোৱাৰে। বৰঞ্চ প্ৰত্যাহ্বানৰ মুখামুখি হৈ অধিক শক্তিশালীহে হৈ উঠিব।

■ অংশুমান ভূঞা
চামতা, নলবাৰী
ফোন ঃ ৬০০২৯৯৪৯৮০

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

*কৰ'না কালত আমি দুটা নতুন কথা শিকিলোঁ, সেয়া হ'ল অনলাইন শিক্ষা আৰু অনলাইন ব্যৱসায়। অনলাইন শিক্ষা ব্যৱস্থাত পৰম্পৰাগত প্ৰতিষ্ঠানিক শিক্ষা ব্যৱস্থাতকৈ তুলনামূলকভাৱে বেছি ছাত্ৰ-ছাত্ৰীয়ে শিক্ষালাভৰ সুবিধা লাভ কৰিছে। যদিও স্মাৰ্টফোন আৰু নেটৱৰ্ক ব্যৱস্থা এক হেঙাৰ আছিল, তথাপি যিকোনো সময়তে হাতৰ মুঠিতে সকলোবোৰ পাব পৰা ব্যৱস্থাই প্ৰতিজন শিক্ষাৰ্থীকে এখন নতুন দুনিয়া উপহাৰ দিছে। যিসকলে লাইভ অংশগ্ৰহণ কৰিব নোৱাৰে, তেওঁলোকে যিকোনো সময়তে এৰি অহা পাঠৰ শিক্ষা লোৱাৰ সুবিধা পাইছে। শাৰীৰিক অক্ষমতা আৰু আৰ্থিক দীনতাৰ বাবে উন্নত প্ৰতিষ্ঠানিক শিক্ষা লাভৰ পৰা বঞ্চিত শিক্ষাৰ্থীয়েও কম খৰচতে সুস্থ আৰু ধনী ঘৰৰ শিক্ষাৰ্থীৰ সৈতে একে মানৰ শিক্ষা লাভৰ সুবিধা পাইছে। অনলাইনৰ সুবিধা হোৱা বাবে বহু লোক যিয়ে বিভিন্ন অসুবিধাৰ বাবে পঢ়া বাদ দিছিল তেওঁলোকেও ইয়াৰ দ্বাৰা উপকৃত হৈছে। অনলাইন শিক্ষা ব্যৱস্থাত প্ৰতিজন শিক্ষাৰ্থীয়ে শিক্ষকসকলৰ পৰা সমপৰিমাণৰ যত্ন পায়...*

# কৰ'নাই দিয়া শিক্ষা ঃ যান্ত্ৰিকতা এৰি মানুহ হ'বলৈ মুকলি হোৱা পোহৰৰ বাট

কভিড-১৯ৰ কথা লাহে লাহে আমি পাহৰিবলৈ লৈছোঁ। অমানিশাই ঘেৰি ধৰা পৃথিৱীখনলৈ পুনৰ স্বাভাৱিক জীৱন ঘূৰি আহিবলৈ ধৰিছে। গাড়ী-মটৰ, কল-কাৰখানা, বজাৰ-ঘাট, মেল-মিটিং আদি সকলোতে জনঘন এক পৰিৱেশে আমাক পুনৰ এক যান্ত্ৰিক দুনিয়ালৈ লৈ আহিছে। মাত্ৰ ৪০ৰ পৰা ৭০ নেন'মিটাৰ ব্যাসাৰ্ধৰ ক্ষুদ্ৰ অণুজীৱ এটাই দিয়া শিক্ষা আমি পাহৰি গ'লোঁ। নিজৰে ঘৰত সকলো থাকিও দৰিদ্ৰতা, নিৰাপত্তাহীনতা আৰু বন্দী জীৱন অতিবাহিত কৰিবলগীয়া হৈছিল, সেই কথাও আমি পাহৰি গ'লোঁ। এখন পৃথিৱী য'ত ৰাস্তাৰে মুকলিকৈ খোজকাঢ়ি যোৱাটোও অপৰাধ, আনে দেখাকৈ নিজৰ মুখখনো চুব নোৱাৰি, হাঁচি বা কাহ এটা খোলাকৈ মাৰিলেও মানুহে সন্দেহৰ চকুৰে চায়, তেনেকুৱা এখন পৃথিৱীত আমি প্ৰায় দহ মাহ কাল বাস কৰি আহিও এতিয়া সকলো পাহৰি গ'লোঁ। এতিয়া পুনৰ সেইখন পৃথিৱীলৈ উভতি আহিছোঁ, য'ত কৰ্মচাৰীক এদিনৰ ছুটী দিয়াৰ সময়ত কামৰ ক্ষতিৰ চিন্তা দহ বাৰ কৰা হয়, জীৱনৰ গতি এক মিনিট পলম হ'লে পৃথিৱীখন সাত যোজন দূৰলৈ আগবাঢ়ি যায়। ক'ভিডে দিয়া সকলো শিক্ষা আমি পাহৰি থাকিলোঁ। আমি মানুহ যে, সেয়াই আমাৰ স্বভাৱ। কিন্তু ক'ভিডে শিকোৱা সকলোবোৰ পাঠ পাহৰি গ'লে আমাৰ ভুল হ'ব। ইয়াৰ কু-ফলৰ বাবে ভৱিষ্যৎ প্ৰজন্মই আমাক জগৰীয়া কৰিব।

ক'ভিড-১৯ অতিমাৰী মানৱ সমাজে প্ৰকৃতিৰ লগত কৰি থকা অন্যায়ৰ বিৰুদ্ধে এক তীব্ৰ সকীয়নি। আমি প্ৰাকৃতিক পৰিৱেশ কেনেদৰে ধ্বংস কৰি আহিছোঁ, আমাৰ সন্মুখলৈ অহা সকলোবোৰ কেনেদৰে নিজৰ কৰি লৈছোঁ, তাক মনত পেলাই দিছিল ক'ভিডে। কভিডে আমাক শিকালে কেনেদৰে স্বনিৰ্ভৰশীল হ'ব লাগে। আন নহ'লেও নিজৰ চৌহদত দুই-এবিধ শাক-পাচলিৰ খেতি কৰিবলৈ উদ্বুদ্ধ কৰালে। ইয়াৰ ভাল ফলটো হ'ল পাচলিৰ বাজেটত থকা দৈনন্দিন খৰচত ৰাহি হ'ল। তদুপৰি কৃত্ৰিম সাৰ-দৰৱ নিদিয়া পাচলি ঘৰতে পালোঁ। কাম কৰা বাইজনীৰ অভাৱত ক'ভিড কালত ঘৰুৱা কামবোৰ নিজে কৰিবলৈ বাধ্য হ'লোঁ। গাড়ী বা মটৰচাইকেলখন নিজেই ধুলোঁ, বাৰীখনো নিজেই চিকুণালোঁ। আনকি চুলিখিনি নহ'লেও দাড়িখিনি ঘৰতে কটাৰ অভ্যাসটোও আমাৰ ক'ভিড কালতে গঢ়ি উঠিল। ইয়াৰ দ্বাৰা নিজৰ কামখিনি নিজে কৰি কিমান আপ্লুত বা সন্তুষ্ট হোৱা যায়, তাক বুজিলোঁ। বাৰে বাৰে হাত ধুলোঁ, বাহিৰলৈ ওলাই যোৱাৰ সময়ত মাস্ক পৰিধান কৰিলোঁ, ঘৰত আৰু ঘৰৰ বাহিৰত পৰিধান কৰা কাপোৰৰ ভাগ হ'ল। পৰিষ্কাৰ-পৰিচ্ছন্নতা আমাৰ আগতকৈ বাঢ়িল। ইয়াৰ ফলত সাধাৰণ চৰ্দি, জ্বৰ, ডায়েৰীয়া আদি ৰোগ কমি গ'ল। কাৰণ চাফ-চিকুণতা বজাই ৰখাৰ ফলত ক্ষতিকাৰক ভাইৰাছ, বেক্টেৰিয়া আদি আমাৰ ওচৰলৈ আহিব নোৱৰা হ'ল। আমাৰ জীৱনধাৰা সলনি হ'ল। শাৰীৰিক ব্যায়াম, যোগ, পুষ্টিকৰ আহাৰ গ্ৰহণ আদিৰ মূল্য আমি বুজি পালোঁ। পৰিয়ালৰ লগত একেলগে থাকি সময় অতিবাহিত কৰাৰ ফলত আন্তৰিক সম্বন্ধবোৰ টনকিয়াল হ'ল। বহিঃৰাজ্যত বা বহিঃৰাষ্ট্ৰত আবদ্ধ হৈ থকা আত্মীয়সকলৰ অনুপস্থিতিয়ে তেওঁলোকলৈ আমাৰ মৰম, শ্ৰদ্ধা, দায়িত্ব বঢ়াই দিলে।

ন'ভেল কৰ'না ভাইৰাছে সমাজৰ শ্ৰেণী বিভাজন নাইকিয়া কৰি পেলালে। এইকেইদিনত সকলোৱে নিজেই নিজৰ মালিক হৈ পৰিল। ধনী-দুখীয়াৰ পাৰ্থক্য নোহোৱা হ'ল। কাৰণ এই ভাইৰাছে প্ৰত্যক্ষভাৱে হওক বা পৰোক্ষভাৱে হওক আক্ৰমণ কৰিলে সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকক। ৰাজনৈতিক ক্ষমতা, চৰকাৰী বিষয়বাবৰ ক্ষমতা, জমিদাৰী, মালিকী আদি সকলো অহংকাৰৰ মূল কৰ'না ভাইৰাছৰ সন্মুখত ধূলিসাৎ হৈ গ'ল। টকাতকৈ মানুহৰ মূল্য বাঢ়িল। ডিগনিটী অৱ লেবাৰ অৰ্থাৎ শ্ৰমৰ মৰ্যাদা সকলোৱে বুজি পালে। গাড়ীচালকজনৰ পৰা আৰম্ভ কৰি মিস্ত্ৰী, চিকিউৰিটী গাৰ্ড, গাখীৰ, পেপাৰ আদি দিয়া হকাৰজনলৈ। এইসকলে আমাৰ জীৱনটো কেনেদৰে আৰামী কৰি ৰাখিছিল সেই কথা উপলব্ধি কৰিবলৈ আমি আহৰি পালোঁ। মানৱীয়তাৰ প্ৰয়োজন আৰু উপস্থিতি আমি দেখিলোঁ। ভূপেন হাজৰিকাদেৱে গোৱা "মানুহে মানুহৰ বাবে" উক্তিটোৰ সাৰমৰ্ম সকলোৱে বুজিলে। নিজৰ সাধ্যানুসৰি সকলোৱে আগবাঢ়ি আহিল আৰ্তজনক সহায় কৰিবলৈ। কম পৰিমাণে হ'লেও কৰ্মচাৰীসকলক কামলৈ নগ'লেও দি থকা হ'ল বেতন। কৰ'না ভাইৰাছে আমাক এনে এখন সমাজত বাস কৰিবলৈ বাধ্য কৰালে, য'ত সমাজৰ প্ৰতিটো শ্ৰেণী, জাতি, ধৰ্মাৱলম্বী, দেশ, ধনী, দুখীয়া সকলো সমান হৈ গ'ল। শ্বপিং মলতকৈ চিকিৎসালয় আৰু শিক্ষানুষ্ঠান যে সমাজৰ বাবে হিতকৰ সেই কথা আমি ক'ভিড কালতে বুজি পালোঁ। সকলোতকৈ ডাঙৰ কথা, মানুহ হিচাপে জীয়াই থাকিবলৈ যে অকল শাৰীৰিক স্বাস্থ্যটো ভাল থাকিলেই নহয়, মানসিক স্বাস্থ্যও সুস্থ আৰু সবল হ'ব লাগে সেই কথা সঠিকভাৱে বুজি পালোঁ। কৰ'না কালতে চিনাকি-অচিনাকি বহুজনে আত্মহত্যা কৰাৰ খবৰ আমি পালোঁ। আমাৰ সোঁৱে-বাঁৱে ঘূৰি থকা মানুহবোৰৰ ভিতৰত কিমান শতাংশ আত্মহত্যা কৰিব পৰাকৈ মানসিকভাৱে দুৰ্বল তাৰো অনুমান আমি পালোঁ। বহুতে অভাৱ-অনাটনক ইয়াৰ বাবে দোষাৰোপ কৰে যদিও, ইয়াৰ প্ৰকৃত কাৰণ কিন্তু সেয়া নহয়। জীৱন উপভোগ কৰিবলৈ আমি শিকা নাই। সেই কথা কৰ'না কালতে আমি গম পালোঁ।

ক'ভিড কালত প্ৰকৃতিৰ অনন্য ৰূপ, সংস্কৰণ, পৰিশোধন আমি দেখিলোঁ। প্ৰতিটো ঋতুতে, প্ৰতিটো দুৰ্যোগৰ অন্তত আমি প্ৰকৃতিৰ পৰিৱৰ্তন দেখা পাওঁ। কিন্তু এইবাৰৰ পৰিৱৰ্তন আছিল অভাৱনীয়। কল-কাৰখানা, গাড়ী-মটৰ, দীৰ্ঘ সময়ৰ বাবে বন্ধ হৈ থকাৰ ফলত প্ৰদূষণৰ পৰিমাণ যথেষ্ট পৰিমাণে হ্ৰাস পাইছিল। মুম্বাইৰ হ্ৰদবোৰত অইন বৰ্ষৰ তুলনাত এইবাৰ ২৫ বেছি ফ্লেমিংগো দেখা গৈছিল, ইটালীৰ মহানগৰ ভেনিচ চহৰৰ জলভাগ যি সদায় লেতেৰা হৈ থাকে তাক চাফা অৱস্থাত দেখা গৈছিল। পৃথিৱীখনক প্ৰদূষিত কৰিবলৈ আমাক দশকজুৰি সময়ৰ প্ৰয়োজন হৈছিল। কিন্তু মাত্ৰ কিছু সপ্তাহৰ জিৰণিতে পৃথিৱীয়ে নিজৰ ৰূপ-গৰিমাৰ পুনৰুদ্ধাৰ কৰাত সফল হ'ল। ইয়াৰ দ্বাৰা আমি এইটো বুজিব লাগিব যে, প্ৰকৃতিক মানুহে উৎপীড়িত কৰিবলৈ এৰাৰ ঠিক পিছমুহূৰ্তৰ পৰাই ই আগৰ অৱস্থালৈ ঘূৰি আহিবলৈ যত্ন কৰে। প্ৰকৃতিক আমি ইমান দুৰ্ব্যৱহাৰ কৰাৰ পিছতো তাৰ প্ৰতিদান হিচাপে আমাক এটা নিৰ্মল পৰিৱেশ দিবলৈয়ে সদায় সাজু থাকে। আমি অকৃতজ্ঞ মানুহবোৰে সেই কথা বুজিয়ে নাপাওঁ। কিন্তু, আমাৰ ভিতৰত শুই থকা মানুহবোৰক জগাবলৈ এয়াই সঠিক সময়। আমি প্ৰকৃতিৰ অংগ, প্ৰকৃতিক আমি নিজৰ কৰি ল'ব বিচৰাটো ভুল। তেওঁৰ পৰা আমি কিবা ল'লে যথাসময়ত আমিও তেওঁক তাৰ বিনিময় দিব লাগে। আমাৰ যি নহয়, তাক জবৰদস্তি আঁকোৱালি লোৱাটো ভুল। অন্যথা প্ৰকৃতিয়ে নিজে কাঢ়ি ল'বলগীয়া হ'লে কথা বিষম আমাৰে হ'ব। উন্নয়ন আমাক লাগিব, কিন্তু প্ৰকৃতিক ধ্বংস কৰি নহয়। বহনক্ষম উন্নয়নৰ ধাৰণাক পূৰ্ঠ ৰূপ দি আহিবলগীয়া প্ৰজন্মক তাৰ ব্যৱহাৰিক শিক্ষা দিব লাগিব। আমি যে ব্ৰহ্মাণ্ডৰ আটাইতকৈ বুদ্ধিমান প্ৰজাতি সেই কথা পাহৰিলে আমাৰে ক্ষতি হ'ব।

কৰ'না কালত আমি দুটা নতুন কথা শিকিলোঁ, সেয়া হ'ল অনলাইন শিক্ষা আৰু অনলাইন ব্যৱসায়। অনলাইন শিক্ষা ব্যৱস্থাত পৰম্পৰাগত প্ৰতিষ্ঠানিক শিক্ষা ব্যৱস্থাতকৈ তুলনামূলকভাৱে বেছি ছাত্ৰ-ছাত্ৰীয়ে শিক্ষালাভৰ সুবিধা লাভ কৰিছে। যদিও স্মাৰ্টফোন আৰু নেটৱৰ্ক ব্যৱস্থা এক হেঙাৰ আছিল, তথাপি যিকোনো সময়তে হাতৰ মুঠিতে সকলোবোৰ পাব পৰা ব্যৱস্থাই প্ৰতিজন শিক্ষাৰ্থীকে এখন নতুন দুনিয়া উপহাৰ দিছে। যিসকলে লাইভ অংশগ্ৰহণ কৰিব নোৱাৰে, তেওঁলোকে যিকোনো সময়তে এৰি অহা পাঠৰ শিক্ষা লোৱাৰ সুবিধা পাইছে। শাৰীৰিক অক্ষমতা আৰু আৰ্থিক দীনতাৰ বাবে উন্নত প্ৰতিষ্ঠানিক শিক্ষালাভৰ পৰা বঞ্চিত শিক্ষাৰ্থীয়েও কম খৰচতে সুস্থ আৰু ধনী ঘৰৰ শিক্ষাৰ্থীৰ সৈতে একে মানৰ শিক্ষালাভৰ সুবিধা পাইছে। অনলাইনৰ সুবিধা হোৱা বাবে বহু লোক যিয়ে বিভিন্ন অসুবিধাৰ বাবে পঢ়া বাদ দিছিল তেওঁলোকেও ইয়াৰ দ্বাৰা উপকৃত হৈছে। অনলাইন শিক্ষা ব্যৱস্থাত প্ৰতিজন শিক্ষাৰ্থীয়ে শিক্ষকসকলৰ পৰা সমপৰিমাণৰ যত্ন পায়। ইয়াত স্বজনপ্ৰীতিৰ অভিযোগৰ সম্ভাৱনা নাথাকে। কিন্তু ম'বাইল ফোনৰ সঠিক ব্যৱহাৰৰ ক্ষেত্ৰত আমি এতিয়াও সচেতন আৰু প্ৰশিক্ষিত নহয়। যিহেতু ভৱিষ্যৎ কালত অনলাইন শিক্ষা ব্যৱস্থাই শিক্ষালাভৰ এক উৎকৃষ্ট বিকল্প হিচাপে থিয় দিব, তুলনামূলকভাৱে কম খৰচীও হ'ব, গতিকে আমি ইয়াক আদৰি লোৱাই ভাল। মাথোঁ, ম'বাইল ফোন, ইণ্টাৰনেট, নেটৱৰ্ক আদিৰ অসুবিধাবোৰ দূৰ কৰাত গুৰুত্ব দিব লাগিব। অনলাইন ব্যৱসায়তো একে কথাই দেখা গৈছে। কৰ'না কালত প্ৰতিষ্ঠানিক ব্যৱসায়ীসকল অভাৱনীয় লোকচানৰ সন্মুখীন হৈছে। সেই বাবে বহুতে তেওঁলোকৰ ব্যৱসায়ৰ এটা অংশ অনলাইনলৈ স্থানান্তৰ কৰিছে। ইয়াৰ ফলত তেওঁলোক উপকৃতও হৈছে যথেষ্ট। অনলাইন ব্যৱসায়ত ডাক খৰচ আৰু ইণ্টাৰনেটৰ খৰচৰ বাদে বিশেষ বিনিয়োগ কৰিবলগীয়া নাথাকে। ফলত কম দামতে গ্ৰাহকক ভাল সামগ্ৰী যোগান ধৰিব পাৰি। গ্ৰাহকো সন্তুষ্ট হয়, নিজৰো লাভ হয়। আমাৰ অসমতে কৰ'না কালৰ লকডাউনৰ সময়ৰ পৰা কিতাপ আৰু স্থানীয়ভাৱে প্ৰস্তুত কৰা কাপোৰৰ এখন বৃহৎ অনলাইন বজাৰ দেখা গৈছে। ফ্লিপকাৰ্ট, এমাজন আদিৰ দৰে বৃহৎ বজাৰবোৰটো আছেই। অনলাইন ব্যৱসায়ত গ্ৰাহকক নিজৰ পছন্দা অনুযায়ী পৃথিৱীৰ যিকোনো ঠাইতে সামগ্ৰী যোগান ধৰিব পাৰি। সেইবাবে এই পদ্ধতি জনপ্ৰিয়ও হৈছে। গতিকে ভৱিষ্যতলৈ আমাৰ বজাৰ কৰা নিয়মবোৰ সলনি কৰিবলৈ সাজু থকা ভাল।

প্ৰতিটো দিনৰ অভিজ্ঞতাই আমাক ন ন কথা শিকায়। কিন্তু আমি সেইবোৰ কেনেদৰে গ্ৰহণ কৰো তাৰ ওপৰত নিৰ্ভৰ কৰে আমাৰ পৰৱৰ্তী কৰ্মফল। এতিয়া প্ৰশ্নটো হ'ল- কৰ'নাই দিয়া শিকনিবোৰক দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিম নে এটা ক্ষুদ্ৰ অণুজীৱই আমাক কি শিকাব বুলি সকলো পাহৰি যাম ? পৃথিৱীখনৰ প্ৰাকৃতিক পৰিৱেশ জধে-মধে ধ্বংস কৰি যাম নে আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ কথা ভাবি কিবা বিকল্প ব্যৱস্থাও ল'ম ? এতিয়াও সময় শেষ হোৱা নাই, আগৰ সুস্থ অৱস্থালৈ পৃথিৱীখনক ঘূৰাই আনিব নোৱৰা হোৱাতকৈ অকণমানেই হওক প্ৰতিদিনে প্ৰকৃতিৰ বাবে কিবা এটা ভাল কৰো আহক। তেহে যদি বাসোপযোগী পৃথিৱী এখন উত্তৰ পুৰুষলৈ আমি থৈ যাবলৈ সক্ষম হ'ম।

■ ফুকন ৰাজবংশী
ফোন ঃ ৯৮৬৪৯৩৯২০৯

# এই সময়

(১) আধুনিক আৰু উত্তৰ আধুনিক বিশ্বত শক্তি অবিহনে কোনো এপদ কামো সম্পন্ন নোহোৱাৰ নিচিনাই হৈ পৰিছে। এই শক্তি হৈছে বিদ্যুৎ শক্তি। বিশ্বত মানৱ সভ্যতাৰ অগ্ৰগতিৰ প্ৰাক্-কালছোৱাত শক্তিৰ উৎসও সীমিত আছিল, আহৰণো সীমিত আছিল আৰু তাৰ ব্যৱহাৰো নগণ্য ধৰণৰ আছিল। কিন্তু আধুনিক বিশ্বত শক্তিৰ চাহিদা প্ৰায় সাৰ্বজনীন হৈ উঠিল আৰু উত্তৰ আধুনিক বিশ্বখন একধৰণে বিদ্যুৎ কিম্বা বিকল্প (অ-পৰম্পৰাগত শক্তি) শক্তিৰ ওপৰত নিৰ্ভৰশীলেই হৈ পৰিল। আজিৰ বিশ্বত মানৱ জীৱন পৰিচালিত হৈ আছে এই বিদ্যুৎ শক্তিৰ ওপৰত নিৰ্ভৰ কৰিহে। ফলত বিশ্বই এনে বিভিন্ন প্ৰকাৰৰ শক্তি উৎপাদন, আহৰণত বিশেষ মনোনিৱেশ কৰিবলৈ বাধ্য হৈছে। অলপতে ভাৰতৰ চতুৰ্থ এনাৰ্জি ফ'ৰামৰ ভিডিঅ' অধিৱেশন সম্পন্ন হৈ গৈছে। ২০০১ চনত স্থাপিত ইণ্ডিয়া এনাৰ্জি ফ'ৰামৰ এইবাৰৰ বৈঠকৰ শীৰ্ষ বিষয় আছিল— 'ইণ্ডিয়াজ এনাৰ্জি ফিউছাৰ ইন এ ৱৰ্ল্ড অৱ চেঞ্জ'। এই বৈঠকৰ মূল উদ্বোধনী ভাষণ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰদান কৰিছিল। ভাৰতবৰ্ষই 'বহনক্ষম আৰু সেউজ-ধৰিত্ৰীৰ সুৰক্ষা বিধিগত' উন্নয়নৰ কাৰণে ৰাষ্ট্ৰসংঘই নিৰ্দেশনা কৰা পথেৰেই সকলো প্ৰকাৰৰ ঔদ্যোগিক আৰু উন্নয়নী পদক্ষেপ প্ৰদান কৰি থকাৰ কথা বৈঠকত কোৱা হৈছে। এই দিশত ভাৰতে 'দ্য কেম্ব্ৰিজ এনাৰ্জি ৰিছাৰ্চ এছ'চিয়েশ্বন'ৰ সৈতে সহযোগিতাৰে কাম কৰিছে। ১৯৮৩ চনৰে পৰাই কেম্ব্ৰিজৰ গৱেষকদ্বয় ডেনিয়েল য়াৰজিন আৰু জেমছ ৰোছেনফিল্ডে এনাৰ্জি ছেক্টৰত কাম কৰি আছে। তেওঁলোকে 'চেৰাউইক ফাউণ্ডেশ্বন'ৰ বেনাৰত এই শক্তি খণ্ডৰ সকলো দিশতে সমগ্ৰ বিশ্বত কাম কৰিছে। শক্তি খণ্ডৰ উন্নয়ন আৰু অধিক বিদ্যুৎ শক্তি আহৰণৰ কাৰণে আমি আমাৰ গোলকটোৰ কোনো ক্ষতি কৰিব নোৱাৰো, জল-জলবায়ু, জীৱকুল আৰু জন-জীৱনৰ হানি-বিঘিনি কৰিব নোৱাৰো। তৎসত্ত্বেও আজি সমগ্ৰ বিশ্বক বৰ্তমানৰ পৰিমাণতকৈ পৰৱৰ্তী ১৫ বছৰৰ ভিতৰত প্ৰায় সাতগুণ অধিক শক্তি খৰচ কৰিবলৈ লাগে। ভাৰতবৰ্ষত শক্তিৰ উপভোক্তা বছৰি বছৰি অভাৱনীয় ধৰণে বৃদ্ধি পাই আছে। ভাৰতবৰ্ষক ২০৩০ চনৰ পিছত এতিয়াৰ তুলনাত পাঁচগুণ অধিক শক্তি ন্যূনতম খৰচৰ কাৰণে প্ৰয়োজন হ'ব বুলি কোৱা হৈছে। একে সময়তে ভাৰতে বিশ্বৰ লগতে সমগ্ৰ ধৰিত্ৰীৰ প্ৰতিও সুৰক্ষা-সজাগতামূলক সকলোখিনি বিধিৰ প্ৰতিও জাগ্ৰত-সচেতনতা কাৰ্যকৰীও কৰিবলগীয়া হৈছে। কেৱল ঔদ্যোগিক, আৰ্থিক আৰু উপভোক্তাৰ চাহিদা পূৰণেই দায়িত্বশীল উন্নয়নৰ মানে নহয়। ইফালে ইয়াৰ মাজতে দেশৰ প্ৰায়োজন পূৰণৰ প্ৰত্যাহ্বানো সদায়ে প্ৰত্যাহ্বান হিচাপে থিয় দি আছে। ভাৰতে পৰিৱেশ-প্ৰকৃতি-জনজীৱনৰ সুৰক্ষাৰে প্ৰয়োজনীয় শক্তি আহৰণৰ অৰ্থে নানা তৰহৰ বিকল্প আৰু অ-পৰম্পৰাগত শক্তি উৎসৰ সন্ধান, শক্তি আহৰণত লাগি আছে। তাৰ কাৰণে দেশে বহুখিনি প্ৰগতিও লাভ কৰিছে। ভাৰতে নিৰ্বাচিত এলেকাত কৃষকৰ কাৰণে সৌৰশক্তিৰ পাম্পছেট স্থাপন কৰি তাৰে পথাৰত জলসিঞ্চনৰো কাম কৰিছে, নিশা সেই শক্তিয়ে সেই সেই গাঁও পোহৰাইছে। পিছে এনেবোৰ বহুমুখী কল্যাণকাৰী প্ৰকল্পত বিপুল পৰিমাণৰ পুঁজি প্ৰয়োজন হয়। ভাৰতে দেশত শক্তি খণ্ডৰ বাণিজ্যিক সম্ভাৱনাৰ বিষয়ে গোলকীয়ভাৱে প্ৰচাৰো কৰিছে। দেশে এই নিৰ্দিষ্ট খণ্ডটোত বিদেশী পুঁজি নিৱেশৰ কাৰণে আমন্ত্ৰণো জনাইছে। এই সময়ত দেশৰ কেতবোৰ ৰাজ্য চৰকাৰে এই ধৰণৰ অতি প্ৰয়োজনীয়, অতি আধুনিকতাবাদী বিকাশৰ দিশত নিষ্ঠাৰে কাম-কাজবোৰ কৰি থকাৰ সময়তো আমাৰ কেতবোৰ ৰাজ্যই, বিশেষকৈ অসমত ৰাজ্য চৰকাৰে এই বিশেষ বিশেষ অৱশ্য-জৰুৰী দিশবোৰত অকণো গুৰুত্ব আৰোপ নকৰাহে দেখা গৈছে। আমাৰ এই মুলুকত আজি পুনৰ-উত্থানবাদৰ সকলো ফালে মিথ্যা জয়জয়কাৰহে শুনা-দেখা গৈছে! অসমে স্ব-প্ৰতিভাৰে, স্ব-উদ্ভাৱনেৰে দেশৰ বুকুত বিশেষ স্থান দখলৰ কথা কেতিয়াও ভবাই নাই, কাৰণ ইয়াত খৰিয়াল কৰি সময় কটাবলৈ আৰু সময় নষ্ট কৰিবলৈ সকলো বিশেষ আগ্ৰহী। তাৰ কাৰণে আমাৰ সকলোৱে কেতবোৰ পলিটিকেল-ইছ্যু আৱিষ্কাৰ কৰি সেইবোৰ সাৰ-পানীৰে জীৱিত কৰিও ৰাখিছোঁ। আমাক সম্ভৱতঃ শক্তি নালাগিলেও, আধুনিকতাবাদী বিশ্বৰ কাৰণে প্ৰস্তুতি নালাগিলেও নিজৰ মাজতে অবিৰত খৰিয়াল কিন্তু অৱশ্যেই লাগে, লাগিবই। তাৰ কাৰণেই আমি কৰি আছোঁ, কৰি থকা সকলোতে স্পষ্ট পৰিলক্ষিতও হৈছে। পোহৰবিমুখ, অন্ধকাৰ প্ৰেমী অসম— অসমীয়াই বহুখিনি অতীৰ প্ৰয়োজনীয় তৎকালীন প্ৰসংগকেই সদায়ে পাছলৈ ঠেলি আহিছে, ঠেলি আছেও।

(২) অসমৰ শেহতীয়া কেতবোৰ হৃদয়বিদাৰক ঘটনাই তৎকালীন সমাজত মিশ্ৰিত আৰু বহুমুখী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সাধাৰণতে আমাৰ পৰম্পৰাগত সমাজবিলাকত পিতৃ-মাতৃ, পৰিয়াল কিছুমানৰ নিজা অভূতপূৰ্ব আৰু অতিশয় উচ্চাভিলাসী কেতবোৰ আশা আৰু কল্পনাক বাস্তৱায়িত কৰিবলৈ সেই সেই পৰিয়ালে, অভিভাৱকে নিজৰ সন্তানৰ ওপৰতে পৰ্বতসম আশাৰ গোটেই বোজাটো জোৰকৈ জাপি দি আহিছে। লাগে সন্তানৰ তেনে ধৰণৰ আকাংক্ষা নাথাককেই! ইয়াৰ ফলত কি কি বৃহৎ অঘটন যে ঘটা নাই! (বোধহয় অধিক ভাগ অভিভাৱকেই আৰু পৰিয়ালেই ভাবিছে আৰু ভাবে যে এটা 'সফল' আৰু বিত্তীয় দিশটো টনকিয়াল, নিশ্চিত, সুৰক্ষিত আৰু তথাকথিত মানৱ সম্পন্ন জীৱিকাৰ গৰাকী হ'ব নোৱাৰিলে মানুহৰ জীৱনৰ অৰ্থ নাই!) ৰাজ্যত সংঘটিত হোৱা শেহতীয়া ভুৱা পৰীক্ষাৰ্থীৰ দ্বাৰা আভিযান্ত্ৰিক প্ৰৱেশ পৰীক্ষাক কেন্দ্ৰ কৰি ঘটা বৃহৎ অনিয়মটোৱেই একমাত্ৰ আৰু শেষ উদাহৰণ নহয়। দুৰ্নীতিৰ বহুমুখী আপচু মুখৰ কথাবোৰতো আছেই, লগতে এই অনিয়মৰ সৈতে একো একোগৰাকী সম্ভাৱনাপূৰ্ণ সন্তানৰ নিজা আশা-কল্পনা আৰু ৰুচিকো তিলে তিলে হত্যা কৰাৰ দৰে কৰুণ ঘটনাও এইবোৰৰ সৈতে সাঙোৰ খাই আছে। এনেকুৱা অযুত-নিযুত ঘটনা আমাৰ তৎকালীন সমাজত ঘটিয়েই আছে। যিবোৰৰ কমসংখ্যকহে পোহৰলৈ আহে। শিশুসকলক অভিভাৱক আৰু পৰিয়ালে নিশ্চয় 'গাইডেন্স' দিবই লাগিব, জীৱন বাটত আগুৱাই যোৱাত ভাল-বেয়াৰ দিশ-নিৰ্দেশো দিব লাগিব। কিন্তু এয়া কেতিয়াও 'ফতোৱা' ধৰণৰ হ'ব নালাগিব। এয়া পিতৃ-মাতৃৰ আধৰুৱা আশা পূৰণৰো মাধ্যম ধৰণৰ হ'ব নালাগিব। অভিভাৱকৰ নানা প্ৰকাৰৰ আৱেগিক, মনো-শাৰীৰিক, মনঃস্তাত্ত্বিক হেঁচাই অলেখ সন্তানক কাবু কৰি ধৰে, তেওঁ বা তেওঁবিলাক তেনেকৈয়ে 'স্ব-সত্তাৰ মৃত স্তূপৰ ওপৰতে বাধ্যত পৰি বহি পৰে আৰু নকল ধৰণৰ সফল (!) জীৱনৰ অধিকাৰীও কিজানি হয়, কিন্তু ইয়াৰ অন্তৰালতে কত যে অন্যায়-অবিচাৰ আৰু মন-গহনৰ নিভৃত কোণৰ অসন্তোষ দ দাগ, বেদনাৰ ক'লা সাঁচ বৈ বৈ যায়...! সমাজৰ উচ্চতম স্তৰৰ আৰু তথাকথিত মান-সম্ভ্ৰম, ধন-সম্পদ, ক্ষমতাশালী শ্ৰেণীৰ মাজত এনে ধৰণৰ সন্তানৰ ওপৰত অহেতুক-অন্যায় ফতোৱা জাৰি কৰাৰ কামবোৰ অধিক হৈ আছে, হৈ থাকে। কাৰণ তেনে শ্ৰেণীটোৱে জীৱনৰ অৰ্থ বিশেষ ধৰণে স্থিৰ কৰি ৰাখে। কিন্তু জীৱনৰ প্ৰকৃতপক্ষে অৰ্থটো কিন্তু পূৰ্বনিৰ্ধাৰিত কিছুমান সৰলৰৈখিক মানচিত্ৰও নহয়, বিচিত্ৰ গণিতো নহয়, ৰঙীন কথাশিল্পও নহয়। ইয়াত আচলতে অন্যৰ বিশেষ 'অদৃশ্য কঠোৰ হাত নথকা'টোৱেই সকলোতকৈ নিৰাপদ আৰু কাম্যও হ'ব লাগে নেকি...!

(৩) এই বিশ্ব-ব্ৰহ্মাণ্ডখন প্ৰকৃততেই অযুত-নিযুত ৰহস্যৰে ভৰপূৰ। পৃথিৱী বিখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে এবাৰ কৈছিল যে এইখন বিশ্ব-ধৰিত্ৰীৰ বিশাল ৰহস্যই মানুহক অভিভূত কৰে, মানুহক সত্যসন্ধানীও কৰি তোলে। নজনাক জানিবৰ কাৰণে মানুহৰ অন্তৰৰ একেবাৰে ভিতৰৰ পৰা যি বিশেষ তাগিদা আহে সেই তাগিদাটোৰ জন্ম দিয়ে। সেই ধৰণৰ ইতিবাচক তাগিদা-তাড়নাৰ কাৰণেই মানুহে মগজুৰ কৰ্ষণৰ বাবেও চিন্তা-চৰ্চা কৰিবলৈ ধৰে আৰু চিন্তাই কৰ্মৰ ৰূপ লৈ মানুহক প্ৰকৃততে জীয়াই থকাৰ, জীৱন-ধাৰণৰ অৰ্থসহ আৰু অৰ্থৱহ মান্য-সুন্দৰৰ নিৰ্দিষ্ট পথ নিৰূপিতও কৰি দিয়ে। ৰহস্য আৰু অজ্ঞানতাৰ আন্ধাৰেই মানুহক সত্য উদ্ঘাটন আৰু পোহৰৰ সন্ধানৰ কাৰণে প্ৰেৰণা দিয়ে। মানুহৰ স্বাভাৱিক অনুসন্ধিৎসু মন তেনেই সাধাৰণ কেতবোৰ 'ডব্লিউ' (W যেনে- Who, Where, What, Why, When...ইত্যাদি ইত্যাদি)ৰ প্ৰতি সততে ধাৱিত হয় আৰু এই কাৰণতেই মানৱে সভ্যতাৰ প্ৰথম স্তৰৰ পৰা ক্ৰম উন্নতি কৰি কৰি বৰ্তমানৰ অৱস্থাত উপনীত হৈছেহি। অন্য এগৰাকী বিখ্যাত মাৰ্কিন মনঃস্তত্ত্ববিদ তথা লেখক মেৰিলিন বেঞ্জামিনে এই কথা কৈছে যে যদিহে মানুহৰ মন বোলা বস্তুটো এই এক বিশেষ ধৰণৰ ৰহস্যসন্ধানী আৰু সত্যানুসন্ধানী তাড়নাৰে বান্ধ খোৱা ধৰণৰ নহ'লহেঁতেন, তেন্তে এইখন পৃথিৱীৰ ৰূপ সঁচাই কল্পনাতীত হ'লহেঁতেন! কাৰণ মানৱ মগজুৰ ভিতৰত সাংঘাতিক ধৰণৰ বৌদ্ধিক শক্তিৰ সকলো প্ৰকাৰৰ উপাদানেই মজুত থাকে। সেইবোৰত কেৱল মাথোঁ প্ৰজ্বলকৰূপী চেতনা আৰু চৰ্চাৰ ইন্ধনৰহে সংযোগ ঘটাব লাগে। যদিহে এয়া নঘটে, বিশাল শক্তিপুঞ্জ আৰু সৃষ্টি ক্ষমতাৰো পৰম গৰাকী মগজুৱে (Human Mind Is Absolute And Itself Only The Most Powerful Power-House) নিজেই মানৱক বিপৰীতে চকৰি ঘূৰোৱাদি ঘূৰাবও পাৰে! মানৱ মগজুৰ পৰিশীলিত, নিয়মবদ্ধ, ইতিবাচক আৰু কল্যাণ দিশৰ কেতবোৰ কৰ্ষণৰ আধাৰ প্ৰাচীন সময়ৰে পৰা মানৱে চিনাক্তকৰণ কৰি থৈছিল আৰু সেইবোৰ আধাৰৰ ওপৰতে পৰৱৰ্তী সময়ৰ মগজুৰ অগ্ৰগতিবোৰে অধিক ধৰণে বিকাশ-প্ৰকাশৰ দিশে গৈছে। ইয়াৰ ব্যতিক্ৰমে আৰু অন্যথা বোধহয় সমগ্ৰ মানৱ জাতিকে 'ক্ষমতাশালী কিছুমান বিষাক্ত কীট' কৰিও তুলিব পাৰিলেহেঁতেন বুলি অতি তাৎপৰ্যপূৰ্ণ এযাৰ কথা মেৰিলিন বেঞ্জামিনে কৈ থৈছে। অৰ্থাৎ কেতবোৰ ক্ষমতাশালী, প্ৰতিভাধৰ আৰু শক্তিতো বিশিষ্ট কীটেই যদি এই ধৰিত্ৰীক বিপৰীত ধৰণে সৰ্বত্ৰ পৰিচালিত কৰিলেহেঁতেন, তেনে এই পৃথিৱীৰ স্বাভাৱিক প্ৰাকৃতিক ধ্বংসটো অন্য কথা, মানৱৰ দ্বাৰাই এই গ্ৰহৰ কি অৱস্থা হ'লহেঁতেন সেয়া সততে কল্পনা কৰাও কঠিন বুলি কোৱা হৈছে। এই কথাবোৰে বহুস্তৰীয় আৰু বহুমুখী তাৎপৰ্য সদায়ে বহন কৰে আৰু আশ্চৰ্যৰ কথা এয়াও যে এনে কথা-বাৰ্তা আৰু গৱেষণাধৰ্মী চিন্তাবোৰে আমাৰ তৎকালীন বাস্তৱতাকো বহু দূৰলৈকে যেন প্ৰকৃততেই প্ৰতিনিধিত্বও কৰে! মানৱ মন আৰু মগজুৰ নিৰ্মাণ ইমানেই সূক্ষ্মাতিসূক্ষ্ম ধৰণে, বিশেষ সংবেদনশীলতা আৰু গণিতেৰে তথা স্পৰ্শকাতৰৰূপে তৈয়াৰী হৈছে যে ইয়াৰ গভীৰতৰ ৰহস্য এদিন-দুদিনত থাউকতে বাহিৰ কৰাটো সহজসাধ্য নহয়। এই ধৰিত্ৰীত কেতবোৰ এনেকুৱা বিষয় আজিও আছে, আছেই যে এইবোৰৰ ৰহস্য আৰু গভীৰ গোপন বহুখিনি কথা-বাৰ্তাৰ নিতৌ ন ন আৱিষ্কাৰ ঘটিবহে পাৰে, ন ন গৱেষণাধৰ্মী তথ্য আৰু বৈজ্ঞানিক প্ৰমাণ ওলাই থাকিবহে পাৰে, কিন্তু এইবোৰ কাহানিও অন্তিম আৰু চূড়ান্ত-শেষ সিদ্ধান্ত বুলি কোনোমতেই কোনো প্ৰকাৰৰ শেষ মোহৰ মাৰিব নোৱাৰি। মন-মগজুতকৈ বহুগুণে 'সৰল' গাঁথনিৰ মানৱ শৰীৰটোৱেই সকলোখিনি তথ্য-ৰহস্য আজিও সম্পূৰ্ণকৈ আৱিষ্কাৰ হৈছে বোলা টান। সমকালীন সমগ্ৰ বিশ্বই এক ধৰণে আৰু আমাৰ দেশ তথা ৰাজ্যতো ভিন্ন ধৰণে বিপুল হাৰত মানৱক বিপৰীত দিশত যথেষ্ট ধৰণে প্ৰৰোচিত কৰি থকাৰ প্ৰমাণ পোৱা গৈছে। নেচিবাচকতাৰ সঘন, পৰিকল্পিত আৰু সংগঠিত প্ৰচাৰেই প্ৰকাৰান্তৰে ভয়ংকৰ প্ৰৰোচনাৰ ৰূপ গ্ৰহণ কৰিছে। সংগঠিত ধৰণৰ প্ৰৰোচক মহলবোৰে সেয়েহে আজিকালি ভাগে ভাগে মানুহ বিচাৰি বিচাৰি তেওঁবিলাকৰ ন্যস্তস্বাৰ্থৰ নেতিবাচকতাৰ দিশে সজোৰে টানি টানি লৈ গৈছে।

■ প্ৰাঞ্জল ৰাজগুৰু

# মৰিগাঁও কৃষি বিভাগত বীজ কেলেংকাৰি

## ■ কৃষকৰ পৰিৱৰ্তে মধ্যভোগীৰ হাতত তুলি দিয়ে বীজ

## ■ কৃষিমন্ত্ৰীৰ বিৰুদ্ধে বিভাগীয় বিষয়া-কৰ্মচাৰীক দুৰ্নীতিৰ লাইচেন্স দিয়াৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৮ নৱেম্বৰ ঃ** দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীলতাৰ প্ৰতিশ্ৰুতিৰে শাসনৰ গাদী দখল কৰা সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰখনে সম্প্ৰতি দুৰ্নীতিৰ ক্ষেত্ৰত উদাৰ মনোভাব গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ মৰিগাঁও জিলা কৃষি বিভাগত কৃষকৰ বাবে আবণ্টিত বীজ বিতৰণত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। কেইদিনমান পূৰ্বে নহৰুৰ বীজৰ পৰা কৃষকক বঞ্চিত কৰি মধ্যভোগীৰ হাতত তুলি দিয়াৰ বাতৰি সংবাদ মাধ্যমত সবিস্তাৰে প্ৰকাশ পাইছিল যদিও বিভাগীয় মন্ত্ৰী তথা বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষই জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম নোহোৱাত পুনৰ মাকৈৰ বীজ, সৰিয়হৰ বীজ আৰু পিঁয়াজৰ বীজ বিতৰণত বিয়াগোম দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উঠিছে। মাকৈ, পিঁয়াজ আৰু সৰিয়হৰ বীজ প্ৰকৃত কৃষকৰ মাজত বিতৰণ নকৰি মৰিগাঁও জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে কমিছনৰ বিনিময়ত মধ্যভোগী দালালৰ হাতত তুলি দিছে। মধ্যভোগী দালালৰ হাতোৰাত বন্দী জিলা কৃষি বিভাগ, জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে কৃষকক এৰি মধ্যভোগী দালালৰ লগত সম্পৰ্ক ৰক্ষা কৰি চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনিত দুৰ্নীতি সংঘটিত কৰি আহিছে। বান-খহনীয়াত বিধবস্ত মৰিগাঁও জিলাৰ কৃষকৰ বাবে ৰবিশস্য ৰোপণৰ বাবে পিঁয়াজৰ বীজ, মাকৈৰ বীজ আৰু সৰিয়হৰ বীজ চৰকাৰে বিনামূলীয়াকৈ যোগান দিছে। জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে বহু মূল্যৱান তথা উন্নত মানৰ বীজ কৃষকৰ মাজত বিতৰণ নকৰি মধ্যভোগীৰ লগত গোপন বুজাবুজি কৰি বীজসমূহ গোপনে বিক্ৰী কৰাৰ অভিযোগ উঠিছে। ৰবিশস্যৰ এইবীজসমূহ বিতৰণত অধিক দুৰ্নীতি সংঘটিত হৈছে বান-খহনীয়াগ্ৰস্ত লাহৰীঘাট আৰু ভূৰাগাঁৱত। যি সময়ত লাহৰীঘাট-ভূৰাগাঁৱৰ হাজাৰ হাজাৰ কৃষকে বীজৰ অভাৱত হাহাকাৰ কৰিব লগা হৈছে, সেই সময়তে বিভাগীয় চৰকাৰী বীজেৰে ৰমৰমীয়া ব্যৱসায় চলাই গৈছে। বিষয়া-কৰ্মচাৰীসকলে কৃষকৰ ওচৰলৈ নাহি জিলা কাৰ্যালয়ৰ পৰাই বীজ মধ্যভোগী দালালৰ হাতত তুলি দিছে। উদাহৰণ স্বৰূপে জিলাখনৰ ভূৰাগাঁও কৃষি চক্ৰৰ অন্তৰ্গত কৃষকৰ বাবে ২২ কুইণ্টল মাকৈৰ বীজ, ৩ কুইণ্টল পিঁয়াজৰ বীজ আৰু ৩ কুইণ্টল সৰিয়হৰ বীজ আবণ্টন দিছে। এই বৃহৎ পৰিমাণৰ বীজ কৃষকৰ মাজত বিতৰণ নকৰি মধ্যভোগীৰ দালালৰ হাতত তুলি দিছে। ভূৰাগাঁও কৃষি চক্ৰৰ বীজ বিতৰণৰ দায়িত্বত আছে কৃষি সম্প্ৰসাৰণ সহায়ক ইউছুৱ আলী। আলীয়ে বীজসমূহ জিলা কাৰ্যালয়ৰ পৰাই কমিছনৰ বিনিময়ত মধ্যভোগীৰ মাজত বিতৰণ কৰিছে। এই বৃহৎ পৰিমাণৰ বীজৰ পৰা সকলো প্ৰকৃত কৃষক বঞ্চিত হৈছে। আলীক ভূৰাগাঁৱৰ কোনো কৃষকে চিনি নাপায়। অধিক দামত বীজ ক্ৰয় কৰিব নোৱাৰি বহু কৃষকে ৰবিশস্যৰ আশা বাদ দি হাত সাবটি বহি থাকিব লগা হৈছে। এয়া মাত্ৰ এটা উদাহৰণহে ভূৰাগাঁৱৰ। এইদৰে সমগ্ৰ জিলাখনত বীজ বিতৰণত দুৰ্নীতি সংঘটিত হৈছে। ইমান দুৰ্নীতি সংঘটিত কৰাৰ পিছতো জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ প্ৰতি চৰকাৰৰ ইমান দৰদ কিয়? বীজৰ পৰা বঞ্চিত কৃষকসকলৰ প্ৰশ্ন— কৃষিমন্ত্ৰী অতুল বৰাই জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীক দুৰ্নীতি কৰিবলৈ লাইচেন্স দিছে নেকি ? এই লৈ কৃষকৰ মাজত সৰ্বত্ৰ আলোচনা চলিছে।



## জাঁজীমুখত উদ্ধাৰ ৰজাদিনীয়া গম্বুজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৯ নৱেম্বৰ ঃ** টীয়কৰ জাঁজীমুখত উদ্ধাৰ হৈছে ৰজাদিনীয়া গম্বুজ। মঙলবাৰে সন্ধিয়া অহা প্ৰবল ধুমুহাত জাঁজীমুখৰ পথাৰৰ মাজত থকা বৃহৎ আকাৰৰ এজোপা জৰি গছ ভাগি পৰে। ভাগি পৰা গছজোপাৰ ভিতৰত এটি ৰজাদিনীয়া গম্বুজ ওলাই পৰে। চেপেটা ইটাৰে নিৰ্মাণ কৰা গম্বুজটো আহোম ৰজাদিনীয়া বুলি ৰাইজে মতপোষণ কৰিছে। স্বৰ্গদেউ চুচেংফাই হিন্দু নাম গ্ৰহণ কৰি প্ৰতাপ সিংহ নামেৰে জনাজাত হৈছিল। এই প্ৰতাপ সিংহই নেঘেৰিটিং মন্দিৰৰ পৰা নিৰ্মালি বৰআলিৰে গড়গাঁৱলৈ নিছিল। এই বৰআলিতে আছিল কেইবাটাও গম্বুজ। ইয়াৰে বামুণপুখুৰী অঞ্চলৰ চিন্তামণি গড়ত থকা গম্বুজটো আজিও অক্ষত অৱস্থাত আছে। জাঁজীমুখত উদ্ধাৰ হোৱা এই গম্বুজটো কালক্ৰমত জৰিগছ জোপাই মেৰিয়াই ধৰাত লোকচক্ষুৰ পৰা হেৰাই গৈছিল।

## বটদ্ৰৱা অগপৰ কৰ্মীসভাত তিনি শতাধিকৰ দলত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১৯ নৱেম্বৰ ঃ** বিধানসভাৰ নিৰ্বাচন চমু চাপি অহাৰ লগে লগে ব্যাপক তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। শাসক দলৰ মিত্ৰদল হিচাপে বিবেচিত অগপই এই তৎপৰতা প্ৰদৰ্শনত পিছপৰি ৰোৱা নাই। নিৰ্বাচনী তৎপৰতা প্ৰদৰ্শনৰ অংশ হিচাপে ৮৪নং বটদ্ৰৱা বিধানসভা সমষ্টিত আজি অগপ দলৰ বটদ্ৰৱা বিধান পৰিষদৰ উদ্যোগত ধনীয়াভেটি পঞ্চায়ত পৰিষদৰ সহযোগত অগপৰ নীতি-আদৰ্শৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি যোগদান কাৰ্যসূচীৰে এখন সভা অনুষ্ঠিত হয়। বটদ্ৰৱা বিধান পৰিষদৰ সভানেত্ৰী মামণি বৰাৰ উপস্থিতিত ধনীয়াভেটি পঞ্চায়ত পৰিষদৰ সভাপতি আনোৱাৰ হুছেইনৰ সভাপতিত্বত বিভিন্ন দলৰ পৰা জাকাৰিয়া আলম, হাবিজুল আলম, খাইৰুল ইছলাম, ৰফিকুল ইছলাম, ছফিকুল ইছলাম, আজিজুল হক ,আলাল উদ্দিন, মজিবুৰ ৰহমান, মফিদুল হক, নিজাম উদ্দিন, আব্দুল হাই, মেৰিজা বেগম, ৰুকিয়া খাতুন, ৰহিমা বেগম, আছিয়া খাতুন, ৰমিছা খাতুন, আঞ্জুৱাৰা খাতুন, জৰিনা খাতুন, ফজিলা খাতুন, আফিয়া খাতুন, হনুফা খাতুন, মাবিয়া বেগম, তহুৰা খাতুনকে ধৰি প্ৰায় তিনি শতাধিক ধৰ্মীয় সংখ্যালঘু লোকে অগপ দলত যোগদান কৰে। সভাত উপস্থিত লোকসকলে অগপৰ নীতি-আদৰ্শ তথা ধৰ্মনিৰপেক্ষতাৰ প্ৰতি সমৰ্থন আগবঢ়ায়। উক্ত সভাতে আগন্তুক বিধানসভা নিৰ্বাচনত বটদ্ৰৱা সমষ্টিটো অগপৰ প্ৰাৰ্থীক দিবলৈ বিভিন্নজনে দাবী জনায়।



## মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষাৰ সফলতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৯ নৱেম্বৰ ঃ** সদ্যঘোষিত মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষা ২০১৯ৰ ফলাফলত তিনিগৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে স্থান লাভেৰে গৌৰৱ কঢ়িয়াই আনিছে মধ্য যোৰহাট শিক্ষা খণ্ডৰ ৯৪নং কাৰৈমাৰী গোহাঁই গাঁও প্ৰাথমিক বিদ্যালয়লৈ। বিদ্যালয়খনৰ ৰাজদীপ দাস, বৰ্ষা শইকীয়া আৰু আৰ্যভট্ট দাসে সদ্যঘোষিত ফলাফলত স্থান লাভ কৰি বানে গৰকা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেন চন্দ্ৰ বৰাৰ লগতে শিক্ষক মণ্ডলী, পৰিচালনা সমিতি, মাতৃ গোট আৰু স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰি কৃতী ছাত্ৰ-ছাত্ৰী তিনিগৰাকীলৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। উল্লেখ্য যে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী স্নিগ্ধা শইকীয়া আৰু কুমাৰভেটি প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী শিখা ৰবিদাসেও উচ্চ প্ৰাথমিক শাখাৰ বৃত্তি পৰীক্ষাত কাৰৈমাৰী গোহাঁই গাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

## নীলবাগানত লোমহৰ্ষক হত্যাকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ১৯ নৱেম্বৰ ঃ** নীলবাগানৰ আশীনগৰত সংঘটিত হৈছে এটা জঘন্য হত্যাকাণ্ডৰ ঘটনা। নিজ খুৰাকে চোকা দাৰে ডিঙি কাটি হত্যা কৰিলে ভতিজাক জাকিৰ হুছেইনক। জাকিৰৰ পত্নী হাচিনা বেগমকো হত্যাৰ চেষ্টা চলাইছিল খুৰাকে। হত্যাকাৰী সুৰুজ আলীয়ে হত্যাকাণ্ড সংঘটিত কৰি হোজাই থানাত আত্মসমৰ্পণ কৰে। পাৰিবাৰিক কন্দলৰ বাবেই সংঘটিত হৈছে এই জঘন্য ঘটনাটো। উক্ত ঘটনাৰ পাছতে সহস্ৰাধিক লোকে নীলবাগান আৰক্ষী পহৰা চকী ঘেৰাও কৰি উত্তপ্ত কৰি তোলে। হত্যাকাৰী সুৰুজ আলীৰ ফাঁচিৰ দাবীত ঘেৰাও কৰিলে নীলবাগান আৰক্ষী পহৰা চকী। আৰক্ষীয়ে ন্যায় প্ৰদানৰ আশ্বাস দিয়াত নিয়ন্ত্ৰণ হয় পৰিস্থিতি। ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে অঞ্চলটোত।

## ড্ৰেগন ফ্ৰুইটছ খেতিৰে স্বাৱলম্বী আগিয়াৰ লখিমী ৰায়


**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৯ নৱেম্বৰ ঃ** বৰ্তমান সময়ত নিবনুৱা সমস্যাই এক ভয়ানক ৰূপ ধাৰণ কৰিছে। চৰকাৰী চাকৰিৰ পিছে পিছে ঘূৰি নুফুৰি বহুতেই আৰম্ভ কৰিছে বন্ধনৰ পৰা লোণ লৈ নিজাকৈ ব্যৱসায়। আগিয়াৰ লখিমী ৰায় নিবনুৱাসকলৰ বাবে এক জ্বলন্ত উদাহৰণ। বন্ধন বেংকৰ পৰা আগিয়াৰ এইসকল গ্ৰাহকে ড্ৰেগন ফ্ৰুইটছ খেতিৰে স্বাৱলম্বী হোৱাৰ উপৰি গেলামালৰ দোকানেৰেও আৰ্থিক সকাহ লাভ কৰিছে। ৰাজ্যত যিটো সময়ত আৰ্থিক সংকটত পৰি এটা পৰিয়ালৰ পাঁচজনকৈ সদস্যই আত্মহত্যাৰ দৰে চৰম পন্থা গ্ৰহণ কৰিছে, সেই সময়তে গ্ৰামাঞ্চলৰ একাংশ পৰিয়ালক স্বাৱলম্বনৰ পথ দেখুৱাইছে বন্ধন বেংকে। কম নথি-পত্ৰৰে লাভ কৰে বন্ধন বেংকৰ লোণ। বন্ধন এটা বেণ্ড। টুথপেষ্ট বুলি ক'লে মানুহে কলগেটক বুজাৰ লেখীয়াকৈ গাঁৱত মাইক্ৰ'ফাইনেন্সক সাধাৰণ জনতাই বন্ধন বুলিয়েই জানে। তদুপৰি বন্ধন বেংকৰ ঋণ লৈ কোনোবাই যদি গৰু পালনেৰে স্বাৱলম্বী কোনোবাই আকৌ নিজকে প্ৰতিষ্ঠা কৰিছে টেইলৰিঙৰ ব্যৱসায়েৰে। কোনোৱে আকৌ পুখুৰীত মাছ পুহি, তাঁতশালৰ ব্যৱসায় কৰিও থিয় দিছে নিজৰ ভৰিত নিজে।

## বিশ্বনাথৰ গড়েহাগী ৰাসোৎসৱৰ পূৰ্ণপ্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথ ঘাট, ১৯ নৱেম্বৰ ঃ** বিশ্বনাথৰ অতি পুৰণি মুকলি ৰাস গড়েহাগী ৰাসোৎসৱ ভাগ এইবাৰ ৩০ নৱেম্বৰ আৰু ১ ডিচেম্বৰত গড়েহাগী বৰনামঘৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। আজি এখন সংবাদমেলযোগে এই কথা জানিবলৈ দিছে ৰাসোৎসৱ সমিতিৰ বিষয়ববীয়াই। ১১৩ বছৰ গৰকা গড়েহাগী ৰাসোৎসৱ ভাগ এইবাৰ ক'ভিড প্ৰট'কল মানি অনুষ্ঠিত কৰিব আৰু ১০ বছৰ তলৰ শিশু আৰু ৬৫ বছৰৰ ঊৰ্ধ্বৰ ব্যক্তিয়ে অভিনয় কৰিবলগীয়া নৃত্য নাটিকাসমূহ বাতিল কৰি বাকী শ্ৰীকৃষ্ণৰ শিশুলীলাৰ ওপৰত আধাৰিত নৃত্য নাটিকাসমূহ অনুষ্ঠিত হোৱাৰ লগতে কেলিগোপাল নাটভাগ মুকলি পথাৰত মঞ্চস্থ হ'ব। আজিৰ এই সংবাদ মেলৰ যোগেদি ৰাস উদ্‌যাপন সমিতিয়ে প্ৰতি গৰাকী দৰ্শকক মাস্ক পৰিধান কৰি ৰাস উপভোগ কৰিবলৈ অনুৰোধ জনাইছে। আনহাতে, দৰ্শকসকলৰ বাবে মূল প্ৰৱেশদ্বাৰত ছেনিটাইজাৰৰ ব্যৱস্থা কৰাৰ লগতে সামাজিক দূৰত্ব মানি দৰ্শকৰ আসনৰ ব্যৱস্থা কৰিব বুলি সংবাদ মেলত জানিবলৈ দিছে।

## মাজুলী জিলা বিজেপিৰ বিশেষ বৰ্ধিত সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৯ নৱেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টী, মাজুলী জিলা সমিতিৰ বিশেষ বৰ্ধিত বিষয়ববীয়াৰ সভা আজি গড়মূৰৰ শ্ৰীশ্ৰীমাধৱদেৱ কৃষ্টি কেন্দ্ৰত অনুষ্ঠিত হয়। জিলা বিজেপিৰ সভাপতি লোকনাথ কুটুমৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উপস্থিত থাকে মাজুলী জিলাৰ জিলা প্ৰভাৰী ৰূপা কামানৰ লগতে জিলা বিজেপিৰ জ্যেষ্ঠ কাৰ্যকৰ্তাসকল। জিলা সভাপতি লোকনাথ কুটুমৰ দ্বাৰা দলীয় পতাকা উত্তোলনেৰে আৰম্ভ হোৱা সভাৰ আঁত ধৰে জিলা সাধাৰণ সম্পাদক দেৱব্ৰত দত্তই। এই বিশেষ সভাত উপস্থিত থাকে প্ৰাক্তন জিলা সভাপতি প্ৰমোদ বৰা, দেউৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা মাজুলী জিলাৰ সহঃ তত্ত্বাৱধায়ক দীপক গোস্বামী, মাজুলী জিলাৰ সহঃ তত্ত্বাৱধায়ক জীতেন ডেকা, অসম ক্ৰিকেট সন্থাৰ সভাপতি তথা মুখ্যমন্ত্ৰীৰ বিশেষ প্ৰতিনিধি ৰমেন দত্ত, মাজুলী জিলাৰ আনজন সাধাৰণ সম্পাদক দেৱ মুদৈ, মাজুলী জিলাৰ বিস্তাৰক দিলীপ টায়ে, সংবাদ কোষৰ আহ্বায়ক বিজিত মুদৈৰ লগতে বিভিন্ন দায়িত্বত থকা বিষয়ববীয়া আৰু দলৰ অন্যান্য কাৰ্যকৰ্তা। ২০২১ চনৰ বিধানসভা নিৰ্বাচনক লক্ষ্য হিচাপে লৈ অনুষ্ঠিত হোৱা সভাখনত জ্যেষ্ঠ কাৰ্যকৰ্তাসকলে সাংগঠনিক দিশৰ লগতে বিভিন্ন বিষয়ত দলীয় কাৰ্যকৰ্তাসকলক মাৰ্গ দৰ্শন কৰে।



## টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ অনশন কাৰ্যসূচী




**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৯ নৱেম্বৰ ঃ** ১৯১১ চনতেই ব্ৰিটিছৰ সময়ত স্থাপন হোৱা অসমৰ একমাত্ৰ চাহ গৱেষণাগাৰ যোৰহাটৰ টোকোলাই চাহ গৱেষণাগাৰৰ এতিয়া মৃত্যুমুখী যাত্ৰা আৰম্ভ হৈছে। তীব্ৰ আৰ্থিক সংকট, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে আৱশ্যকীয় পুঁজি সময় মতে মুকলি কৰি নিদিয়াৰ পৰিণতিত চাহ গৱেষণাগাৰ কেন্দ্ৰটোৰ কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি অৱসৰ পোৱা কৰ্মচাৰীসকলকো প্ৰাপ্য দৰমহাকে ধৰি অৱসৰকালীন কৰ্মচাৰীৰ প্ৰাপ্য ধন আৰ্জিত ছুটী, গ্ৰেচুইটীৰ ধন আদিকে কৰি বিভিন্ন শিতানৰ অৱসৰকালীন প্ৰাপ্য ধনৰ পৰা বঞ্চিত হৈ আহিছে। অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ সাধাৰণ সম্পাদক অজিত কুমাৰ শৰ্মাই জনোৱা অনুসৰি ২০১৪ চনৰ পৰাই অৱসৰ পোৱা প্ৰায় ৯৪জন কৰ্মচাৰীয়ে আজি পৰ্যন্ত তেওঁলোকৰ অৱসৰকালীন প্ৰাপ্য ধন লাভ কৰা নাই। একেদৰে ২০২০ চনত চাহ গৱেষণাগাৰ কেন্দ্ৰটোৰ পৰা অৱসৰ লাভ কৰা কেইবাজনো কৰ্মচাৰীয়ে আজিলৈকে অৱসৰৰ পাছত লাভ কৰা গ্ৰেচুইটীৰ ধনো আদায় দিয়া নাই চাহ গৱেষণাগাৰ কৰ্তৃপক্ষই। তেওঁলোকে বাৰম্বাৰ প্ৰাপ্য আদায়ৰ বাবে গৱেষণাগাৰটোৰ সঞ্চালকক লিখিত আৰু মৌখিকভাৱে অনুৰোধ জনাই অহাৰ পাছতো সঞ্চালকে চৰকাৰী পুঁজি মাত্ৰ দহ শতাংশহে মুকলি কৰি দিয়াৰ বাবে তীব্ৰ আৰ্থিক সংকটৰ সন্মুখীন হোৱাত প্ৰাপ্য আদায় দিবলৈ সমৰ্থ হোৱা নাই বুলি তুলুঙা মন্তব্য দি বিষয়টো গা এৰা দিয়াত ক্ষোভিত হৈ পৰিছে এইসকল কৰ্মচাৰী। যিহেতু টোকোলাই চাহ গৱেষণাগাৰৰ কৰ্মচাৰীৰ কোনো পেন্সনৰ ব্যৱস্থা নাই সেয়েহে তেওঁলোকক স-সন্মানে অৱসৰকালীন সকলো প্ৰাপ্য প্ৰদান কৰাটো টোকোলাই চাহ গৱেষণাগাৰ কৰ্তৃপক্ষৰ দায়িত্ব। কিন্তু অৱসৰকালীন এইসকল কৰ্মচাৰীক বাৰম্বাৰ বঞ্চিত কৰি অহাত এইসকল অৱসৰপ্ৰাপ্ত কৰ্মচাৰীয়ে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনশন ধৰ্মঘট আৰম্ভ কৰিছে। ইয়াৰ পাছতো যদি কৰ্তৃপক্ষ আৰু চৰকাৰৰ কোনো গা নলৰে তেতিয়া অতি ভয়ংকৰ ৰূপত আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে এইসকল কৰ্মচাৰীয়ে। উল্লেখ্য যে প্ৰাপ্য আদায় লাভ নকৰাৰ পৰিণতিত ইতিমধ্যে দুজনকৈ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মৃত্যু ঘটিছে।

# নাজিৰাত অবৈধ ভূমি খননৰ ছিণ্ডিকেট

## ভূ-মাফিয়াৰ সন্ত্ৰাসত বিনিদ্ৰ ৰজনী কটাইছে নাজিৰাবাসীয়ে

## চৰকাৰে বছৰি হেৰুৱাইছে কোটি কোটি টকাৰ ৰাজহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৯ নৱেম্বৰ ঃ** নাজিৰা মহকুমাৰ বিভিন্ন অঞ্চলত বন বিভাগৰ নথি-পত্ৰবিহীনভাৱে তথা বছৰি কোটি কোটি টকাৰ ৰাজহ ফাকিৰে অবৈধ মাটি খননৰ ছিণ্ডিকেটৰাজ চলিছে যদিও প্ৰশাসনেই হওক বা বন বিভাগেই হওক এই অবৈধ ছিণ্ডিকেট বন্ধ কৰিবলৈ সক্ষম হোৱা নাই। ফলত নাজিৰাৰ উপকণ্ঠ অঞ্চলসমূহ বিশেষকৈ ওপৰ নাজিৰা শেনআলি, বাউলী মৈদাম, ৰজাপুল, হুদুপৰা, নক পহুৱা, মেজেঙা, মঠিয়াছিগা, কচুটেকেলি ,নিৰ্মলীয়াকে ধৰি গেলেকীৰ বিভিন্ন অঞ্চলত বছৰ বছৰ ধৰি অবৈধ মাটি খনন অব্যাহত আছে। এই অবৈধ মাটি খননত ব্যৱহাৰ কৰা মিনি ডাম্পাৰসমূহে ৰাজপথত তীব্ৰগতিৰে অহা-যোৱা কৰি জন-জীৱনলৈ ভয়ংকৰ বিপদ কঢ়িয়াই আনিছে। মদৰ ৰাগীত প্ৰায়সংখ্যক চালক মাতাল হৈ গুৰু-গোসাঁই নামানি বহু সময়ত পথ দুৰ্ঘটনা সংঘটিত কৰি আহিছে। তথাপি কিন্তু গা লৰা নাই প্ৰশাসনৰ। প্ৰায়সংখ্যক মাটি কঢ়িওৱা গাড়ীৰ চালকৰ অনুজ্ঞা-পত্ৰও নাই। সকলো দেখিও যেন প্ৰশাসনৰ বৰমূৰীয়াসকল চকু মুদা কুলিৰ ভাওত মগ্ন হৈ আছে। জানিব পৰা মতে নাজিৰা নগৰৰ লগতে উপকণ্ঠ কিছু কিছু অঞ্চলত ভূ-মাফিয়া দীপাংকৰৰ ছত্ৰছায়াত অবৈধ মাটি খননৰ এক বৃহৎ ছিণ্ডিকেট গঢ় লৈ উঠিছে। ভূ-মাফিয়াটোৱে বছৰ বছৰ ধৰি বিভিন্ন কূট-কৌশল অৱলম্বন কৰি একাংশ বন বিষয়া, একাংশ আৰক্ষীক নিজৰ পকেটত সুমুৱাই তথা মাহেকীয়া ধনৰ টোপোলা উপহাৰ দি চলাই গৈছে সন্ত্ৰাস। উল্লেখ্য যে নাজিৰা নগৰৰ মাজমজিয়াত থকা এটা বাসগৃহত প্ৰত্যেকদিনাই সন্ধিয়া হোৱাৰ লগে লগে একাংশ বছা বছা সাংবাদিক, সংগঠনৰ নেতাক ধনৰ টোপোলা, দামী দামী মদৰ বটল উপহাৰ দি নাজিৰাত এই দীপাংকৰ নামৰ ভূ-মাফিয়াটোৱে চলাই গৈছে অবৈধ মাটিৰ এখন ক'লা সাম্ৰাজ্য। ভূ-মাফিয়া দীপাংকৰে ছল-চাতুৰিৰে নগৰৰ একাংশ যুৱকক মদৰ ৰাগীত মাতাল কৰি নিশাও এক সন্ত্ৰাস চলাই অহাৰ অভিযোগ দীৰ্ঘদিনীয়া। বন বিভাগৰ বিনা অনুজ্ঞা-পত্ৰে নিজৰ মইমতালিৰে অবৈধ মাটি খনন কাৰ্য অব্যাহত ৰখাৰ পিছতো ভূ-মাফিয়াজনৰ এই অবৈধ কাৰ্যকলাপ ৰোধ কৰিব পৰা নাই প্ৰশাসনে। একাংশ বন বিষয়াৰ লগত মধুৰ সম্পৰ্ক থকাৰ বাবে বছৰ বছৰ ধৰি চৰকাৰক লক্ষাধিক টকাৰ ৰাজহ ফাকিৰে সম্পত্তিৰ পাহাৰ গঢ়া এই দীপাংকৰক কিন্তু প্ৰশাসনে আজিলৈকে নাকী লগাবলৈ সক্ষম হোৱা নাই। আনহাতে, গেলেকীত ধুনুৰ ছত্ৰছায়াত চলিছে অবৈধ মাটি খননৰ এক বৃহৎ ছিণ্ডিকেট। এই ভূ-মাফিয়াজনে বছৰি কোটি কোটি টকা ৰাজহ ফাকিৰে অবৈধ মাটি খনন কৰি সন্ত্ৰাস চলাই আহিছে। নাজিৰাত কিছু বছৰ পূৰ্বে কৰ্মৰত এগৰাকী প্ৰশাসনিক বিষয়াৰ লগত ঘৰুৱা সম্বন্ধ থকাৰ সুবিধা লৈ ধুনু নামৰ মাটিৰ মাফিয়াটোৱে অবৈধ মাটি খনন কাৰ্য চলাই সন্ত্ৰাস চলাই আহিছে। গেলেকীত খোদ বন বিভাগ, আৰক্ষীৰ সন্মুখতে পুৰাৰ পৰা গধূলিকৈ অবৈধ ৰাজহ ফাকিৰে মাটি খনন কাৰ্য অব্যাহত ৰাখিছে যদিও কাৰ ভয়ত অবৈধ মাটি খনন বন্ধ কৰিব পৰা নাই সিয়ো ৰহস্যৰ আৱৰ্তত। এই অবৈধ কাৰ্যকলাপ ৰোধ কৰিবলৈ নাজিৰাৰ নৱ-নিযুক্ত মহকুমাধিপতি লখিমী দত্তৰ লগতে মহকুমা আৰক্ষী বিষয়া প্ৰদীপ কোঁৱৰক ৰাইজে আহ্বান জনাইছে।

# নদুৱাৰত দেইচী ভয়লী নৃত্যেৰে তিনিদিনীয়াকৈ উলহ-মালহেৰে পালন তীহাৰ উৎসৱৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৯ নৱেম্বৰ ঃ** প্ৰত্যেক বছৰৰ দৰে চলিত বৰ্ষতো বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে নদুৱাৰ অঞ্চলৰ গোৰ্খা তথা নেপালী জনগোষ্ঠী অধ্যুষিত এলেকাসমূহত অতি উলহ-মালহেৰে পৰম্পৰাগতভাৱে তিনিদিনীয়াকৈ তীহাৰ উৎসৱ পালন কৰা হয়। উক্ত অঞ্চলসমূহৰ গোৰ্খা সমাজত তিহাৰ ধৰ্মীয় উৎসৱ উপলক্ষে প্ৰথম দিনা কাউৰী পূজন, দ্বিতীয় দিনা কুকুৰ পূজন, তৃতীয় দিনা গৌ পূজন আৰু চতুৰ্থ দিনা হালোৱা গৰু পূজন কৰি জনগোষ্ঠীটোৱে চৰাই-চিৰিকতি তথা পশু-পক্ষীৰ লগত থকা মানৱ জাতিৰ সম্পৰ্ক অৰু মমতা সুদৃঢ় কৰি তোলা পৰিলক্ষিত হৈছে। গৌ পূজনৰ দিনা ৰাতি অঞ্চল সমূহৰ সকলো ঘৰতে লক্ষ্মীদেৱীৰ আৰাধনা কৰি দেউচী- ভৈলী (এক প্ৰকাৰৰ হুঁচৰি) খেলৰ ভাতৃ শুভাৰম্ভ কৰা দেখা যায়। অন্তিম দিনা ভাই টিকা উৎসৱ পালন কৰি ভগ্নীৰ মাজত থকা মধুৰ প্ৰেম ৰোমন্থন কৰি উভয়ে উভয়ক আশীৰ্বাদ প্ৰদান কৰে আৰু ভাতৃৰ জীৱন জাতে সুৰক্ষিত হৈ থাকে তাৰ বাবে প্ৰত্যেক ভগ্নীয়ে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা দেখা যায়। উক্ত দিনা কণ কণ শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধয়ো ভগ্নীৰ আশীৰ্বাদ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। জনগোষ্ঠীটোৰ বিশ্বাস মতে ভগ্নীৰ হাতেদি গ্ৰহণ কৰা ফোটে ভাতৃক যমৰ মুখৰ পৰা ওভতাই আনিব পাৰে। সেয়ে যমপুৰীলৈ যাব ওলোৱা ভাতৃকো এই ফোট প্ৰদান কৰি উৎসাহ আৰু সাহস প্ৰদান কৰা দেখা যায়। অঞ্চলসমূহত ভাই ফোটৰ দিনা ঘৰত উপস্থিত হ'ব নোৱৰা ভাতৃসকলক(বিশেষকৈ সেনাবাহিনীত কৰ্মৰত জোৱানসকল)ক ডাকযোগে অথবা মোবাইলৰ যোগেদিও আশীৰ্বাদ প্ৰেৰণ কৰা কথাও জানিব পৰা গৈছে। অকল নদুৱাৰ অঞ্চলটোৰ বালিজুৰি, ৰঙা চকুৱা , জয়সিদ্ধি, মঙলবৰীয়াৰ আদি গোৰ্খা জনগোষ্ঠী বসতি ঠাইত এই উৎসৱ ব্যক্তিগত আৰু ঠাইবিশেষে ৰাজহুৱাভাৱে ক'ভিড প্ৰট'কলৰ নিয়মৰ মাজেদি পালন কৰা দেখা গৈছে। তদুপৰি পৰম্পৰাগত সাজ পৰিধান কৰি ঘৰে ঘৰে গৈ কণ কণ ল'ৰা-ছোৱালী, ডেকা-গাভৰু আৰু বয়োজ্যেষ্ঠসকলে দেউচী- ভৈলী পৰিৱেশন কৰে। উল্লেখ্য যে দেউচী-ভৈলীৰ নৃত্যৰ আৰম্ভ হৈছিল অতীতৰ নেপালৰ এখন ৰাজ্যৰ ৰজা বলীৰ নিৰ্দেশ মৰ্মে। দেৱালীৰ সময়ছোৱাত ৰাইজৰ এটা দলে ৰাজ্যখনৰ প্ৰতিটো গৃহস্থৰ চোতালত উপস্থিত হৈ গৃহস্থক আশীৰ্বাদ প্ৰদান কৰাৰ লগতে সেই পৰিয়ালটোৰ মংগল কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিব লাগে আৰু তেতিয়াৰে পৰা গোৰ্খা জনগোষ্ঠীৰ লোকসকলে প্ৰতি বছৰে দেৱালী উৎসৱৰ দিনাৰ পৰাই পৰম্পৰাগতভাৱে তীহাৰ উৎসৱ পালন কৰি আহিছে।

## ৰঙিয়া প্ৰেছ ক্লাবৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ১৯ নৱেম্বৰ ঃ** কামৰূপ জিলা সাংবাদিক সন্থাৰ আহ্বান মৰ্মে মিৰ্জাৰ সাংবাদিক মিলন মহন্তক অমানৱীয়ভাৱে আক্ৰমণ কৰা ঘটনাৰ বিৰুদ্ধে আজি ৰঙিয়া প্ৰেছ ক্লাৱৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰঙিয়া প্ৰেছ ক্লাৱৰ সম্পাদক ইফতাহুল ইছলামৰ নেতৃত্বত দুষ্কৃতিকাৰীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দৃষ্টান্ত মুলক শাস্তিৰ দাবীত ৰঙিয়া প্ৰেছ ক্লাবৰ সন্মুখত ক'লা বেজ পৰিধান কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হয়। দিন দুপৰতে লোক চক্ষুৰ সন্মুখত সাংবাদিক এগৰাকীক ৰাজপথৰ দাতিৰ খুটাত বান্ধি প্ৰহাৰ কৰি অপৰাধী নিৰ্বিঘ্নে আতৰি যোৱা ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দিয়ে সাংবাদিক মহলে ।আনহাতে সাংবাদিক গৰাকীৰ আক্ৰমণৰ লগত জড়িত দুৰ্বৃত্তক শীঘ্ৰে কৰায়ত্ব কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাই প্ৰতিবাদ কাৰী সাংবাদিক সকলে ।পাছত ৰঙিয়াৰ মহকুমাধিপতি স্বপ্নীল পালৰ জৰিয়তে গৃহ বিভাগৰ দায়িত্বত থকা ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ উত্থাপিত দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়।



## টীয়কত মন্ত্ৰী কেশৱ মহন্তৰ ৩ খন আঁচনিৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, টীয়ক আৰু কাকজান, ১৯ নৱেম্বৰ ঃ** উন্নয়ন আৰু প্ৰগতিৰ লক্ষ্য আগত ৰাখি ৰাজ্যখন চৰকাৰৰ প্ৰতিটো বিভাগে ইতিমধ্যে বিভিন্ন অভিলাষী আঁচনি আৰম্ভ কৰাৰ সমান্তৰালকৈ আজি টীয়কৰ কাৰেঙাবীতো অসম চৰকাৰৰ জলসম্পদ বিভাগৰ গুৰুত্বপূৰ্ণ আঁচনিৰ কামৰ স্থানীয় বিধায়িকা ৰেণুপমা ৰাজখোৱাৰ লগতে বিভাগীয় কেইবাগৰাকীও বিষয়ববীয়াৰ উপস্থিতিত কাৰেংবাৰী গোহাঁইগাঁও, চীনাতলী কুমাৰগাঁও খহনীয়া প্ৰতিৰোধৰ আঁচনিৰ লগতে বেজবৰুৱা গাঁৱৰ ব্ৰহ্মপুত্ৰৰ জাঁজীমুখৰ মথাউৰি সবলীকৰণ আঁচনিখনৰ শুভ উদ্বোধন কৰে জলসম্পদ মন্ত্ৰী কেশৱ মহন্তই। এই অনুষ্ঠানত আগন্তুক দিনত এই আঁচনিৰ সফল ৰূপায়ণে উক্ত দেওবীয়া অঞ্চলৰ সমস্যাসমূহৰ স্থায়ী সমাধান হ'ব বুলি আশা কৰিছে মন্ত্ৰীগৰাকীয়ে, লগতে উক্ত সম্পূৰ্ণ কাম অধিক খৰতকীয়াকৈ কৰা হ'ব বুলি বাইজক আশ্বাস প্ৰদান কৰিছে। লগতে অহা জানুৱাৰীৰ ভিতৰত চৰকাৰে দুই লাখ ভূমিহীন পৰিয়ালক ভূমি পট্টা প্ৰদানৰ ব্যৱস্থা কৰিব বুলি সাংবাদিকৰ সৈতে হোৱা এক সাক্ষাতত মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে।

## গুৱাহাটী মহানগৰ জিলা কিষাণ মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**গুৱাহাটী, ১৯ নৱেম্বৰ ঃ** বিজেপিৰ গুৱাহাটী মহানগৰ জিলা কিষাণ মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা বুধবাৰে ৰংমহল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। মহানগৰ জিলা সভাপতি মৃণাল দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাত সমল ব্যক্তি হিচাপে ৰাজ্যিক সাংগঠনিক সাধৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, মহানগৰ জিলা সভাপতি মৃগেন শৰণীয়া, ৰাজ্যিক কিষাণ মৰ্চাৰ সভাপতি প্ৰফুল্ল বৰা, ৰাজ্যিক উপ-সভানেত্ৰী বিজুলী কলিতা মেধি, অসম বিত্তীয় নিগমৰ অধ্যক্ষ বিজয় গুপ্তা, জি এম ডি এৰ উপাধ্যক্ষ মুকুতা ডেকা, প্ৰাক্তন জিলা সভাপতি বিচিত্ৰ নাৰায়ণ কলিতা উপস্থিত থাকি সাংগঠনিক দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। লগতে ৰাজ্য চৰকাৰে কৃষকৰ বাবেই যিবোৰ আঁচনি ৰূপায়ণ কৰিছে, প্ৰতিগৰাকী কৃষকে লাভ কৰে তাৰ বাবেই কিষাণ মৰ্চাক সহযোগ কৰিবলৈ ফণীন্দ্ৰ নাথ শৰ্মাই আহ্বান জনায়। উল্লেখ্য যে মহানগৰ জিলা কিষাণ মৰ্চাৰ সাধৰণ সম্পাদক প্ৰবীৰ পালে আঁত ধৰা সভাত মহানগৰ জিলাৰ ১২টা মণ্ডলৰ সভাপতি, সাধৰণ সম্পাদক, জিলাৰ বিষয়ববীয়াসহ প্ৰায় তিনি শতাধিক সদস্য উপস্থিত থাকে।

### মৰাণত সংবাদমেলত ক্ষোভ উজাৰিলে উজনি অসম দৃষ্টিহীন ছাত্ৰ সন্থাই

# পৰিৱৰ্তনকামী চৰকাৰে প্ৰতাৰণা কৰিছে দৃষ্টিহীন শিক্ষাৰ্থীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৯ নৱেম্বৰ ঃ** হয় আমাৰ সমস্যা সমাধান কৰক নহয় আমাক গুলীয়াই মাৰক। এই মন্তব্য দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীৰ। সংবাদ মেলত হুকহুকাই কান্দি উঠিল দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলে। দৃষ্টিহীনসকল সমস্যা সমাধানৰ অন্তিম দিন ২৩ ডিচেম্বৰলৈ বান্ধি দিলে অসম চৰকাৰক উজনি অসম দৃষ্টিহীন ছাত্ৰ সন্থাই। ২০০৬ চনৰ পৰাই দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা আহৰণ কৰা বা শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সা-সুবিধাসমূহ লাভ কৰা স্বাৰ্থত উজনি অসম দৃষ্টিহীন ছাত্ৰ সন্থাৰ তৰফৰ পৰা অসম চৰকাৰক বাৰম্বাৰ দাবী উত্থাপন কৰি আহিছে যদিও অদ্যপৰিমিত কোনো ধৰণৰ সুফল নোপোৱাত দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলৰ জ্বলন্ত সমস্যাসমূহে ভয়ানক ৰূপ ধাৰণ কৰিছে। সেয়েহে আজি উজনি অসমৰ মৰাণত উজনি অসম দৃষ্টিহীন ছাত্ৰ সন্থাই মৰাণ মন্দাকিনী হোটেলৰ সভাকক্ষত এখন সংবাদ মেল অনুষ্ঠিত কৰি তেওঁলোকৰ সমস্যাসমূহ সংবাদ মাধ্যমৰ জৰিয়তে চৰকাৰক অৱগত কৰে। অসম চৰকাৰৰ বিভিন্ন বিভাগত দিব্যাংগসকলৰ বাবে খালী হৈ থকা ৩,৫৫৪টা পদত পহিলা ডিচেম্বৰৰ ভিতৰতে বিজ্ঞাপন প্ৰকাশ কৰাৰ লগতে বৰ্তমান সময়ত ৫১২টা চতুৰ্থ বৰ্গৰ হ'বলগীয়া নিযুক্তিসমূহ ২০২১ বৰ্ষৰ জানুৱাৰী মাহৰ ১০ তাৰিখৰ ভিতৰত নিযুক্ত প্ৰদান কৰিবলৈ দাবী জনাইছে অন্যথা উজনি অসম দৃষ্টিহীন ছাত্ৰ সন্থাৰ লগতে দিব্যাংগসকলে ২০২১ চনত ভোট বৰ্জন কৰিব। অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে দিব্যাংগসকলৰ লগতে বিশেষকৈ দৃষ্টিহীনসকলক লৈ ২০১৭ বৰ্ষৰ ১৭ আগষ্টৰ পৰা ২৫ আগষ্টলৈকে ডিব্ৰুগড়



কানৈ মহাবিদ্যালয়ৰ লগতে ৬খন জিলাত যন্ত্ৰ-পাতিৰ লগতে স্মাৰ্ট ফোন প্ৰদান কৰা এসপ্তাহজোৱা শিবিৰ অনুষ্ঠিত কৰিছিল যদিও সকলো ফুটুকাফেন হ'ল। দৃষ্টিহীনসকলৰ বাবে অনুষ্ঠিত কৰা নিযুক্ত সাক্ষাৎকাৰ জিলা ভিত্তিত অনুষ্ঠিত কৰা, দৃষ্টিহীনতাসকলৰ বাবে প্ৰাথমিক পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈ বিনামূলীয়াকৈ ব্ৰেইলী পাঠ্যক্ৰম যোগান ধৰা। অসম ৰাজ্যিক পৰিবহণ বিভাগৰ অন্তৰ্গত পৰিবহণ বিভাগত খালী থকা গোচৰ পদসমূহ শিক্ষিত দৃষ্টিহীনসকলক নিযুক্তি দিয়া। অসমৰ দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মহাবিদ্যালয়ত স্থাপন কৰা। অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ যোগেদি দিব্যাংগসকলক প্ৰদান কৰি অহা দীনদয়াল দিব্যাংগ ভাত্তা মাহিলি এহাজাৰ টকাৰ পৰা ৩ হাজাৰ টকালৈ বৃদ্ধি কৰা, উজনি অসমৰ যোৰহাট দৃষ্টিহীন বিদ্যালয়ত পাঠ্যপুথি ছপাবৰ বাবে ব্ৰেইলী ছপাশাল স্থাপন কৰাৰ লগতে বিদ্যালয়খন উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰাকে ধৰি এক ৯ দফীয়া দাবী অসম মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৈ প্ৰেৰণ কৰিছে। উক্ত সংবাদ মেলত উজনি অসম দৃষ্টিহীন ছাত্ৰ সন্থাৰ সভাপতি আকাশ কুমাৰ, উপ-সভানেত্ৰী লক্ষী মিৰ্ধা, সম্পাদক গোবিন সোণাৰ, সাংগঠনিক সম্পাদক হেমন্ত তাঁতীসহ ভালেকেইজন বিষয়ববীয়া উপস্থিত থাকে।

## গোলাঘাটত গঢ়ি উঠা অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে সৰৱ ছাত্ৰ সংগঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ১৯ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ বিভিন্ন স্থানত কাঠফুলাৰ দৰে গঢ়ি উঠা অবৈধ ঔষধ প্ৰতিষ্ঠানৰ বিৰুদ্ধে এইবাৰ সৰৱ হৈছে সদৌ তাই আহোম ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ পৰিষদ । সংগঠন দুটাই আজি পৃথকে পৃথকে গোলাঘাট জিলাৰ উপায়ুক্তক একোখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰি অবৈধ ঔষধ প্ৰতিষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। সদৌ তাই আহোম ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ সভাপতি কৃষ্ণ বৰুৱা, সম্পাদক দীপজ্যোতি তামুলী আৰু অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সম্পাদক নিপন গগৈয়ে স্বাক্ষৰ কৰা স্মাৰকপত্ৰ দুখনত উল্লেখ কৰা হৈছে যে গোলাঘাট জিলাৰ চাৰিওটা মহকুমাত ৩২(বি) অনুজ্ঞাপত্ৰ থকা ঔষধ প্ৰতিষ্ঠানসমূহ অসম চৰকাৰে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াৰ পাছতো আজি পৰ্যন্ত এনে ঔষধ প্ৰতিষ্ঠানৰ গৰাকীয়ে তেওঁলোকৰ ঔষধ প্ৰতিষ্ঠানসমূহ বন্ধ নকৰি অবৈধভাৱে ব্যৱসায় চলাই আহিছে।

## তিৱা-বিটিচি নিৰ্বাচনক লৈ ৰণশৈলী প্ৰস্তুত ৰাজ্যিক বিজেপিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** আজি ভাৰতীয় জনতা পাৰ্টি হেঙেৰাবাৰীস্থিত ৰাজ্যিক মুখ্য কাৰ্যালয়ত ৰাজ্যিক বিষয়ববীয়াৰ এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হৈ যায়। ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে সভাপতিত্ব কৰা সভাখনিত আগন্তুক তিৱা আৰু বিটিচি নিৰ্বাচনৰ বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় আলোচ্য হয়। সভাত উপস্থিত সকলোৱে সহমত মৰ্মে কাৰ্বি আংলং সাংসদ হৰেনছিং বে'ক আহ্বায়ক, ৰাজকুমাৰ শৰ্মা আৰু দীপ্লৰঞ্জন শৰ্মাক সহ আহ্বায়ক হিচাপে নিযুক্তি দি তিৱা নিৰ্বাচনৰ বাবে এখন কমিটী গঠন কৰে। ইতিমধ্যে তিৱা নিৰ্বাচনৰ ক্ষেত্ৰত কমিটীয়ে পাৰ্টিৰ বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই সম্পৰ্কে অহা ২২ তাৰিখৰ ভিতৰত সংশ্লিষ্ট তিৱা নিৰ্বাচনৰ বাবে হ'ব লগা সমষ্টিৰ বিধায়ক জিলা সমিতিৰ সভাপতিৰ লগত আলোচনা কৰি ইয়াৰ প্ৰাৰ্থীৰ পেনেল ৰাজ্যিক কমিটীলৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উক্ত সভাখনিত বিটিচিৰ নিৰ্বাচনৰ সম্পৰ্কেও বিতংভাৱে আলোচনা হয় তথা ভাৰতীয় জনতা পাৰ্টিয়ে এককভাৱে বিটিচিত চৰকাৰ গঠন কৰিবলৈ ৰণকৌশল প্ৰস্তুত কৰাৰ লগতে অহা ডিচেম্বৰ ১৫ তাৰিখে শিলচৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক বিষয়ববীয়া আৰু ২৬-২৭ তাৰিখে কৰিমগঞ্জত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হয়।

## সূৰ্য বৰা একাংক নাট প্ৰতিযোগিতাৰ বাবে পাণ্ডুলিপি আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথ ঘাট, ১৯ নৱেম্বৰ ঃ** সদৌ অসম সূৰ্য বৰা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাৰ ৫৯সংখ্যক প্ৰতিযোগিতাখন ২০২১ বৰ্ষৰ ২২ আৰু ২৩ জানুৱাৰীত আয়োজন কৰা হৈছে। নাট প্ৰতিযোগিতা সমিতিৰ কাৰ্যনিৰ্বাহক সভাই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে, ইচ্ছুক নাট্য দলসমূহক ৩০ নৱেম্বৰৰ ভিতৰত নাটকৰ পাণ্ডুলিপি প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে। নাটকৰ পাণ্ডুলিপি সভাপতি/সম্পাদক সূৰ্য বৰা একাংক নাট প্ৰতিযোগিতা সমিতি- মাৰফৎ ঃ বীণাপাণি কো-অপাৰেটিভ ষ্টোৰ্ছ লিমিটেড, ডাক- বিশ্বনাথ চাৰিআলি, জিলা- বিশ্বনাথ, পিনঃ৭৮৪১৭৬ ফোনঃ৯৩৬৫৫-০৮২৩৪, ৯৪০১২-৪৮৪৬০ এই ঠিকনালৈ প্ৰেৰণ কৰিব পাৰিব।

## বোকাখাত নিৰ্বাচনী জিলাৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৯ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে ১৮ নৱেম্বৰ বুধবাৰে ৯৩নং বোকাখাত বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। উক্ত ভোটাৰ তালিকা জনসাধাৰণৰ দৃষ্টিগোচৰৰ বাবে বুথ পৰ্যায়ৰ বিষয়া, চক্ৰ বিষয়াৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, পৌৰসভাৰ কাৰ্যালয়ৰ লগতে মহকুমাধিপতিৰ কাৰ্যালয়ত উপলব্ধ হ'ব। উল্লেখ্য যে, বোকাখাত নিৰ্বাচনী জিলাত প্ৰকাশিত খচৰা ভোটাৰ তালিকাত অন্তৰ্ভুক্ত মুঠ ভোটাৰৰ সংখ্যা হৈছে ১ লাখ ৪২ হাজাৰ ৬শ ২৭গৰাকী। ইয়াৰে ৭১ হাজাৰ ৯শ ৩৪গৰাকী পুৰুষ ভোটাৰ আৰু ৭০ হাজাৰ ৬শ ৯১গৰাকী মহিলা ভোটাৰ। বুধবাৰে প্ৰকাশিত খচৰা ভোটাৰ তালিকাত মুঠ এহাজাৰ ২৬গৰাকী নতুন ভোটাৰৰ নাম অন্তৰ্ভুক্ত হৈছে। বোকাখাত নিৰ্বাচনী বিভাগে জানিবলৈ দিছে যে, জনসাধাৰণে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে, নামৰ শুধৰণীৰ বাবে ১৮ নৱেম্বৰ ২০২০ৰ পৰা ১৫ ডিচেম্বৰ ২০২০ৰ ভিতৰত বোকাখাত নিৰ্বাচনী বিভাগৰ কাৰ্যালয় অথবা নিজ নিজ এলেকাৰ বুথ পৰ্যায়ৰ বিষয়াৰ সৈতে যোগাযোগ কৰি আৱেদন কৰিব পাৰিব। যিসকল ভোটাৰৰ ভোটাৰ তালিকাত ফটো সংযুক্ত হৈ থকা নাই সেইসকল ভোটাৰক বাতৰি প্ৰকাশ পোৱাৰ ৭ দিনৰ ভিতৰত নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত নিজ নিজ ফটো জমা দিবলৈ অনুৰোধ জনাইছে । অন্যথা ফটো নথকা ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হ'ব বুলি নিৰ্বাচনী বিভাগে জানিবলৈ দিছে।

## মিছামৰা বাগান লাইনত উত্তেজনাময় পৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৯ নৱেম্বৰ ঃ** একৈশ শতিকাতো মানুহ অন্ধ বিশ্বাসৰ বলি হ'ব পৰা এক ঘটনাই দেৰগাঁৱত চাঞ্চল্যৰ সৃষ্টি কৰিছে। দেৰগাঁৱৰ মিছামৰা ১২ নম্বৰ বাগান লাইনত যোৱানিশা এগৰাকী বৃদ্ধাক ডাইনীৰ সন্দেহত স্থানীয় লোকে অমানুষিক অত্যাচাৰ চলোৱাৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে ডাইনীৰ সন্দেহত ৬ নম্বৰ বাগান লাইনৰ জোনাকী মোডী নামৰ বৃদ্ধাগৰাকীক খুঁটাত বান্ধি একাংশ লোকে নৰ-পিশাচৰ দৰে শাৰীৰিক নিৰ্যাতন চলায়। দেৰগাঁও আৰক্ষীয়ে এই খবৰ পোৱাৰ পিছতে নিশাই ঘটনাস্থলীত উপস্থিত হৈ বৃদ্ধাগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উন্মত্ত লোকৰ অত্যাচাৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মহিলাগৰাকীক দেৰগাঁও আৰক্ষীয়ে দেৰগাঁও ধেমাজিত থকা সামুহিক স্বাস্থ্য কেন্দ্ৰত পৰীক্ষা কৰোৱায়। বৰ্তমান বৃদ্ধাগৰাকী বিপদমুক্ত বুলি জানিব পৰা গৈছে। অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ একাংশ লোকে সংঘটিত কৰা এনে কাণ্ডত এতিয়া সমগ্ৰ দেৰগাঁৱতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## শিৱসাগৰত বিশ্বঐতিহ্য সপ্তাহৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৯ নৱেম্বৰ ঃ** গড়গাঁও মহাবিদ্যালয়ৰ উদ্যোগত নাজিৰা মহাবিদ্যালয় আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত ১৯ নৱেম্বৰৰ পৰা ২৫ নৱেম্বৰলৈকে উদ্‌যাপন কৰিবলৈ লোৱা 'বিশ্ব ঐতিহ্য সপ্তাহ' উপলক্ষে আজি গড়গাঁও মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু নাজিৰা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দ্বাৰা প্ৰথমটো কাৰ্যসূচী চাফাই অভিযানেৰে গড়গাঁৱৰ কাৰেংঘৰ প্ৰাংগণত শুভাৰম্ভ কৰা হয়। উক্ত 'চাফাই অভিযান' অনুষ্ঠানটিৰ উদ্বোধন কৰে নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই। উদ্বোধনী বক্তৃতাত তেওঁ দেশৰ ঐতিহ্যসমূহ সংৰক্ষণৰ লগতে স্বচ্ছতাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই সম্পদশালী ঐতিহ্যসমূহ সংৰক্ষণ, সংবৰ্ধন আৰু ভৱিষ্যৎ প্ৰজন্মৰ মাজত সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে তেওঁৰ বক্তব্যত উল্লেখ কৰে। নাজিৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু ফুকনে তেওঁৰ বক্তব্যত কাৰেংঘৰৰ ঐতিহাসিক বিৱৰণেৰে ঐতিহ্য সংৰক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। দুয়োখন



মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰায় শতাধিক স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাই কাৰেংঘৰৰ চৌহদ পৰিষ্কাৰ কৰে। অনুষ্ঠানৰ আঁত ধৰে গড়গাঁও মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ড° ৰিমঝিম বৰাই। অনুষ্ঠানত নাজিৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া জ্যোতিৰঞ্জন মিলি, গড়গাঁও মহাবিদ্যালয়ৰ শিক্ষা তত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড° বিদ্যানন্দ বৰকাকতীৰ লগতে বাণিজ্য বিভাগৰ অধ্যাপক অনিল তাঁতী আৰু অৰ্থনীতি বিভাগৰ অধ্যাপক ড° সুৰজিত শইকীয়াই চাফাই অভিযানত সহযোগিতা কৰে। চাফাই অভিযান অনুষ্ঠানটিৰ সামৰণিত ড° ৰিমঝিম বৰাই সমূহ অংশগ্ৰহণকাৰীক শলাগৰ শৰাই আগবঢ়ায়।

## গড়কাপ্টানি মন্ত্ৰীৰ গৃহ সমষ্টিত বিধ্বস্ত বাট-পথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১৯ নৱেম্বৰ ঃ** অসম চৰকাৰৰ অতি গুৰুত্বপূৰ্ণ ৰাজহ, দুৰ্যোগ প্ৰশমন আৰু লোক নিৰ্মাণ (ৰাজ্যিক) মন্ত্ৰী যোগেন মহনৰ গৃহ সমষ্টিৰ চৰাইদেউ জিলাৰ বৃহত্তৰ দিহিং ৰাঙলী অঞ্চলৰ গড় চাৰিআলিৰ পৰা মৰাণ সংযোগী আৰু দেউঘৰীয়া তিনিআলিৰ পৰা জজলি পাঁচআলি সংযোগী গড়কাপ্টানী পথছোৱা বিধ্বস্ত হৈ পৰাত আজি কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৱে আজি দেউঘৰীয়া তিনিআলিত গড়কাপ্টানী (ৰাজ্যিক) মন্ত্ৰী যোগেন মহনৰ প্ৰতিকৃতি দাহ কৰি উত্তাল কৰি তোলে। সংগঠনটোৰ আজিৰ কাৰ্যসূচীত চৰাইদেউ জিলাৰ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক ৰাজীৱ দুৱৰী, বৃহত্তৰ দিহিং ৰাঙলী আঞ্চলিক সমিতিৰ সম্পাদক ৰুবুল গগৈ, আঞ্চলিক সমিতিৰ সহকাৰী সম্পাদক সুমন চেতিয়াৰ লগতে শতাধিক স্থানীয় জনসাধাৰণে অংশগ্ৰহণ কৰে । কাৰ্যসূচীত অংশগ্ৰহণ কৰি জিলা সমিতিৰ সম্পাদক ৰাজীৱ দুৱৰীয়ে বৃহত্তৰ দিহিং ৰাঙলী অঞ্চলৰ জনসাধাৰণক অতি শীঘ্ৰে মাটিৰ ম্যাদী পট্টা দিবৰ বাবে চৰকাৰৰ ওচৰত দাবী জনোৱাৰ লগতে কাৰাবন্দী কৃষক নেতা অখিল গগৈৰ মুক্তিৰ দাবী উত্থাপন কৰে। উল্লেখ্য যে, দীৰ্ঘদিনৰে পৰা সমষ্টিটোৰ বিধ্বস্ত বাট-পথক লৈ বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে যদিও গড়কাপ্টানী (ৰাজ্যিক) মন্ত্ৰী যোগেন মহনে কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ লগতে সমষ্টিটোৰ জ্বলন্ত সমস্যাসমূহক লৈ ৰাজনীতি কৰি অহাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে । যাৰ ফলত সমষ্টিটোৰ প্ৰতিটো সমস্যা দীৰ্ঘদিন ধৰি সমস্যালৈ পৰিণত হৈ আহিছে।

### শতবৰ্ষীয় বৰগোহাঁই বংশাৱলীৰ প্ৰস্তুতি

## শিৱসাগৰত বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেছাগড়, ১৯ নৱেম্বৰ ঃ** আহোম ৰাজত্ব কালত দেশ শাসনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা প্ৰসিদ্ধ বৰগোহাঁই বংশধৰসকলে অতীজৰে পৰাই ঐক্য - সংহতি বংশ পৰম্পৰা ৰক্ষা কৰি সময়ে সময়ে বংশাৱলী অনুষ্ঠানৰ আয়োজন কৰি আহিছে। ১৯২১ চনত শিৱসাগৰ জিলাৰ মেছাগড়ত অনুষ্ঠিত হোৱা আধুনিক যুগৰ বৰগোহাঁই বংশাৱলীখনে ইতিমধ্যে শতবৰ্ষত উপনীত হৈছে। শতবৰ্ষত উপনীত হোৱা এই বংশাৱলীখন কৰ'না ভাইৰাছৰ দ্বাৰা সৃষ্ট পৰিস্থিতিগত কাৰণত নিৰ্দিষ্ট সময়ত (২০২১ চনৰ ফেব্ৰুৱাৰী মাহত) পূৰ্ণাংগ ৰূপত অনুষ্ঠিত কৰিব নোৱাৰিলেও 'শুভাৰম্ভণী অনুষ্ঠান'ৰ জৰিয়তে শতবৰ্ষীয় বংশাৱলী অনুষ্ঠানটিৰ শুভাৰম্ভ কৰাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। শতবৰ্ষীয় বৰগোহাঁই বংশাৱলীৰ লগতে অন্যান্য গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনাৰ মাধ্যমেৰে এক সঠিক সিদ্ধান্ত গ্ৰহণৰ উদ্দেশ্যে ২২ নৱেম্বৰ দেওবাৰে দিনৰ ১১ বজাত শিৱসাগৰ নগৰৰ পুৰণা আমোলাপট্টী গোহাঁই গাঁৱৰ বৰনামঘৰ নাটঘৰত সদৌ বৰগোহাঁই বংশাৱলীৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আহ্বান কৰা হৈছে। এই সভাত বৰগোহাঁই বংশাৱলীৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া, সদস্যৰ উপৰি প্ৰতিখন আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদকৰ লগতে দুজনকৈ প্ৰতিনিধিৰ অংশগ্ৰহণ কামনা কৰি সদৌ বৰগোহাঁই বংশাৱলীৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দিগন্ত বৰগোহাঁয়ে এটা প্ৰেছ বিবৃতিযোগে আহ্বান জনাইছে। যোগাযোগৰ নম্বৰ— ৯৪৩৫৫-২৪৩০৪, ৭০০২৫-৫৬২১৩।

## সাহিত্যালোচনী 'প্ৰভঞ্জন', কাব্যালোচনী 'কাব্য কঁাচলি' প্ৰকাশৰ পূৰ্ণ প্ৰস্তুতি

### লেখা আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৯ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপৰ অন্যতম মফচলীয় চহৰ ৰামপুৰৰ পৰা মাহেকীয়াকৈ সাহিত্যালোচনী 'প্ৰভঞ্জন' আৰু কবিতা বিষয়ক আলোচনী 'কাব্য কঁাচলি' প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। পৰাগজ্যোতি প্ৰকাশনৰ পৰা প্ৰকাশ পাব লগা আলোচনী দুখনৰ বাবে ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ নবীন-প্ৰবীণ কবি, লেখক-লেখিকাৰ পৰা কবিতা, কবিতাবিষয়ক প্ৰবন্ধ, গীত, গল্প, ইতিবাচক চিন্তাৰ নিবন্ধ, উপন্যাস, অনুবাদ সাহিত্য, গ্ৰন্থ সমালোচনা (গ্ৰন্থসহ) আদি নিম্নোক্ত যিকোনো ঠিকনাত ২ ডিচেম্বৰৰ ভিতৰত প্ৰেৰণ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে। ঠিকনা- দীপক শৰ্মা, পৰাগজ্যোতি প্ৰকাশন, ৰামপুৰ- ৭৮১১৩২, দক্ষিণ কামৰূপ, ভ্ৰাম্যভাষঃ ৬৯০১৬-২০০২০ বা প্ৰদীপ নাৰায়ণ ভট্ট, দদৰা- ৭৮১১০৪, কামৰূপ বা ভাস্বতী কলিতা, মাৰফৎ: অনিল চন্দ্ৰ কলিতা, হাতীগাঁও হাইস্কুলৰ সমীপত, হাতীগাঁও- শান্তি পথ, গৃহ নং -১১, ডাক- হাতীগাঁও, গুৱাহাটী-৭৮১০৩৮ বা অঞ্জন বাচকোটা, গাঁও/ডাক : চমাৰ দলনি, থানা : চতিয়া, বিশ্বনাথ, পিন- ৭৮৪১৭৫ বা দীপালী বসুমতাৰী, দুধনৈ মহাবিদ্যালয়, দুধনৈ- ৭৮৩১২৪, গোৱালপাৰা বা প্ৰণামী প্ৰিণ্টাৰ্ছ, জি এন বি ৰোড, ৰবীন্দ্ৰ ভৱনৰ সন্মুখত (এছ বি আই এ টি এমৰত সমীপতে), ডাক-পানবজাৰ, গুৱাহাটী-৭৮১০০১।

## বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ গোলাঘাট জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ১৯ নৱেম্বৰ ঃ** বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ গোলাঘাট জিলা সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা মেৰাপানীৰ সোনেশ্বৰ বৰা ৰাজহুৱা ভৱনত অনুষ্ঠিত হৈ যায়। এই সভাত সভাপতিত্ব কৰে ৰঞ্জিত দাসে। সভাত অংশগ্ৰহণ কৰি দলৰ গোলাঘাট জিলা সমিতিৰ সভাপতি দেৱপ্ৰদীপ বৰাই দলীয় সাংগাঠনিক দিশৰ লগতে জিলা খনত থকা অনুসূচিত জাতিৰ গাঁও আৰু জনসংখ্যাৰ ওপৰত বিশদভাৱে আলোকপাত কৰে। সভাত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনি আৰু আত্মনিৰ্ভৰ ভাৰত আৰু আত্মনিৰ্ভৰ অসম আৰু অনুসূচিত জাতিৰ লোকসকলৰ শৈক্ষিক সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ সম্পৰ্কত বহুলভাৱে আলোচনা কৰাৰ পাছতে এই সম্পৰ্কত বহু গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এইসভাত মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি কুশল মালাকাৰ আৰু সুভাষ চন্দ্ৰ দাস, জিলা উপ-সভাপতি হোমেন দাস, সাধাৰণ সম্পাদক দেৱজিৎ ভৰালী আৰু অমিত দাস, সম্পাদক হৰেকৃষ্ণ দাস, আই টি চেলৰ জিলা আহ্বায়ক কনক দাস, মৰ্চাৰ যোৰহাট জিলাৰ সভাপতি অনন্ত দাস আৰু বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহ ক সদস্য বিতোপন শইকীয়া উপস্থিত থাকে বুলি বিজেপিৰ গোলাঘাট জিলাৰ মেডিয়া কোষৰ আহ্বায়ক ৰুবুল বৰাই জানিবলৈ দিছে।

## জনজাতিকৰণৰ দাবীত আদিবাসী ছাত্ৰ সন্থাৰ বাইক ৰেলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৯ নৱেম্বৰ ঃ** কালি তিনিচুকীয়া জিলা আদিবাসী ছাত্ৰ সন্থাৰ উদ্যোগত আদিবাসীসকলৰ মৌলিক সমস্যা সমাধানৰ দাবীত বিশাল মটৰচাইকেল ৰেলী উলিয়াই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আদিবাসীসকলক জনজাতিকৰণ, বাগিচাৰ শ্ৰমিকৰ ন্যূনতম মজুৰি ৩৫১ টকা, স্বাস্থ্য, শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বৈষম্যতা আৰু বঞ্চনাৰ বিৰুদ্ধে তীব্ৰ আন্দোলন কৰি চৰকাৰক শীঘ্ৰে দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ বাবে তিনিচুকীয়া জিলা উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰদান কৰে। জিলাখনৰ বিভিন্ন আঞ্চলিক সমিতিয়ে অংশগ্ৰহণ কৰি সহযোগিতা আগবঢ়ায়। মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ সভাপতি জাৰ্নেজ মিঞ্জ আৰু অজয় মুণ্ডুৰিৰ নেতৃত্বত বিশালসংখ্যক মটৰচাইকেল আৰোহীয়ে অংশ লৈ প্ৰতিবাদ সাব্যস্ত কৰে। সমগ্ৰ জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় তিনি হাজাৰ তিনিশখনতকৈও অধিক মটৰচাইকেলে অংশ লৈ সমগ্ৰ জিলাখনতে আকাশ-বতাহ মুখৰ কৰি তোলে।

## অসমত নিৰ্মিত পাৱাৰটিলাৰলৈ এআৰএআইৰ স্বীকৃতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৯ নৱেম্বৰ ঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ ধাৰাপুৰৰ কুমাৰ ইঞ্জিনিয়াৰিঙৰ উদ্যোগত মহিলাকে ধৰি সকলো শ্ৰেণীৰ কৃষকে ব্যৱহাৰ কৰিব পৰা আৰু অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মিত ডিজেল আৰু পেট্ৰ'লচালিত দুটা মডেলৰ পাৱাৰটিলাৰলৈ ভাৰত চৰকাৰৰ অটোমেটিক ৰিচাৰ্জ এছ'চিয়েশ্বন অৱ ইণ্ডিয়া চমুকৈ 'এ আৰ এ আই'ৰ ফালৰ পৰা স্বীকৃতি প্ৰদান কৰা হৈছে। এই সন্দৰ্ভত কুমাৰ ইঞ্জিনিয়াৰিঙৰ মুখ্য কাৰ্যবাহী বিষয়া কুমাৰ গৌৰৱে জানিবলৈ দিয়া মতে এ আৰ এ আয়ে কুমাৰ ইঞ্জিনিয়াৰিঙে থলুৱা কিন্তু অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মিত ইন্ধনৰাহিকাৰক পেট্ৰ'লচালিত ১৪ এইচ পি (৮৮৮) আৰু ডিজেলচালিত ১৩ এইচ পি (৮৮৮ জি) ক্ষমতাযুক্ত পাৱাৰটিলাৰৰ দক্ষতা, সুৰক্ষা আদিৰ মান পৰীক্ষা কৰিছিল। পৰৱৰ্তী সময়ত হাৰিয়ানাৰ গুড়গাঁৱস্থিত ভাৰত চৰকাৰৰ ইণ্টাৰনেশ্বনেল চেণ্টাৰ ফৰ অটোমেটিক বিশেষজ্ঞৰ দলেও কুমাৰ ইঞ্জিনিয়াৰিঙে নিৰ্মাণ কৰা দুয়োটা মডেলৰ পাৱাৰটিলাৰৰ সকলো কাৰিকৰী দিশ তন্ন তন্নকৈ পৰীক্ষা কৰাৰ অন্তত যোৱা অক্টোবৰ মাহৰ শেষৰ ফালে প্ৰমাণ-পত্ৰ প্ৰদান কৰে। উল্লেখ্য যে, জালুকবাৰীৰ পৰা সাতমাইল সংযোগী গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাইপাছত থকা কুমাৰ ইঞ্জিনিয়াৰিঙৰ শ্ব'ৰুমত পাৱাৰটিলাৰসমূহ বিক্ৰী আৰু প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। মহিলাকে ধৰি যিকোনো কৃষকে সহজতে ব্যৱহাৰ কৰিব পৰা এই পাৱাৰটিলাৰৰ সহায়ত মাটি চহ কৰা, মৰণা মৰা, ঘাঁহ কটা, ধান কটাৰ পৰা আৰম্ভ কৰি বাট-পথৰ পকীকৰণ কৰাৰ পূৰ্বে শ্ৰমিকসকলে হাতত



লৈ চাফ-চিকুণ কৰা কামো এই পাৱাৰটিলাৰৰ সহায়ত অতি নিখুঁতভাৱে সম্পন্ন কৰিব পাৰিব বুলি কুমাৰ ইঞ্জিনিয়াৰিঙৰ মুখ্য কাৰ্যবাহী বিষয়া কুমাৰ গৌৰৱে জানিবলৈ দিয়ে।

# ষট্ পূজা উপলক্ষে চৰাইদেউ জিলা প্ৰশাসনৰ যাৱতীয় নিৰ্দেশনাৱলী জাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১৯ নৱেম্বৰ ঃ** অহা ২০ আৰু ২১ নৱেম্বৰত উদ্‌যাপন কৰিবলৈ লোৱা ষট্ পূজা উপলক্ষে চৰাইদেউ জিলাৰ উপায়ুক্ত পলাশ ৰঞ্জন ঘৰফলীয়া স্বাক্ষৰিত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। জিলা তথ্য আৰু জনসংযোগ বিষয়া জয়ন্ত মাউটে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক চৰকাৰী প্ৰেছ বিবৃতি অনুসৰি, পূজা ঘাটসমূহত একে সময়তে একেটা পৰিয়ালৰ কেৱল ৫ জন ব্যক্তিহে গোট খাব পাৰিব আৰু সকলোৰে কভিড-১৯ ৰ সমূহ প্ৰট'কল তথা সামাজিক দূৰত্ব মানি চলাৰ লগতে মাস্ক পৰিধান কৰাটো বাধ্যতামূলক কৰা হৈছে বুলি নিৰ্দেশনাটোত উল্লেখ কৰিছে। তদুপৰি পূজা কমিটীসমূহে নিশ্চিত কৰিব লাগিব যাতে কেৱল ধৰ্মীয় নীতি নিয়ম অনুসৰি কেৱল পূজাহে অনুষ্ঠিত হয়। আনহাতে মণ্ডপসমূহ সজোৱা, বিভিন্ন লাইটেৰে গেট সজোৱা, মেলা, সাংস্কৃতিক অনুষ্ঠান, পূজা মণ্ডপৰ ওচৰত কোনো দোকান, চাহৰ দোকান, চাট হাউচ আদি স্থাপন কৰিব নোৱাৰিব। পূজা মণ্ডপসমূহত পৰ্যাপ্ত পৰিমাণৰ চেনিটাইজাৰ থাকিব লাগিব আৰু থাৰমেল স্ক্ৰীনিংৰ ব্যৱস্থা কৰিব লাগিব বুলি উল্লেখ কৰিছে। আনহাতে পূজাস্থলী, ঘাট আৰু নদীৰ পাৰসমূহ চিনাক্তকৰণ, ছেনিটাইজ তথা নিৰীক্ষণ কৰিব লাগিব। তদুপৰি পূজা কমিটীৰ সদস্যসকল আৰু ইয়াৰ লগত সংগতি ৰখা সকলো ব্যক্তি তথা পূজাৰীসকলে স্বাৱ পৰীক্ষা কৰিব লাগিব বুলিও উল্লেখ কৰিছে। যদি কোনো ব্যক্তিৰ দেহত ক'ভিড-১৯ ৰ লক্ষণ দেখা পোৱা যায় তেন্তে তেনে ব্যক্তিৰ বিষয়ে পূজা কমিটিৰ তৰফৰ পৰা ওচৰৰ চৰকাৰী স্বাস্থ্য কেন্দ্ৰক অৱগত কৰাৰ লগতে নিকটৱৰ্তী ক'ভিড ট্ৰিটমেণ্ট চেণ্টাৰলৈ নিয়াৰ ব্যৱস্থা কৰি দিব লাগিব। পূজা কমিটীসমূহে পৰ্যাপ্ত পৰিমাণৰ পুৰুষ আৰু মহিলা স্বয়ং সেৱক-সেৱিকাৰ ব্যৱস্থা কৰিব লাগিব যাতে তেওঁলোকে ভক্ত সকলৰ মাজত সামাজিক দূৰত্ব বৰ্তাই ৰখাত সহায় কৰিব পাৰে। ইয়াৰ উপৰিও ষট পূজা উপলক্ষে কোনো ধৰণৰ সমদল উলিয়াব নোৱাৰিব আৰু ঘাটসমূহত ৰাইজ গোট খাব নোৱাৰিব। আনহাতে ১০ বছৰৰ তলৰ শিশু তথা ৬৫ বছৰৰ উৰ্দ্ধৰ ব্যক্তিক ঘৰতে থাকিবলৈ জিলা প্ৰশাসনে অনুৰোধ জনাইছে।



*লখিমপুৰত সংবাদমেল সম্বোধন কৰিছে দুৰ্নীতি বিৰোধী যুৱ শক্তিৰ সভাপতি ধৰ্মকান্ত গগৈয়ে*



# মাজিৰগাঁও গাঁও পঞ্চায়তত ছয়টা প্ৰকল্পৰ আধাৰশিলা স্থাপন সাংসদ কুইন ওজাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৯ নৱেম্বৰ ঃ** গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাই আজি পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ অন্তৰ্গত মাজিৰগাঁও গাঁও পঞ্চায়ত এলেকাৰ বিভিন্ন প্ৰান্তত পঞ্চায়তৰ জৰিয়তে চতুৰ্দশ বিত্তীয় আয়োগৰ প্ৰথম আৰু দ্বিতীয় কিস্তিৰ মুঠ ৪৫.৩০ লাখ টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া ছয়টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত সামূহিক গৃহ, অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয়ৰ সীমাৰ দেৱাল, পথ নিৰ্মাণকে ধৰি কেবাটাও আন্তঃগাঁথনি উন্নয়নৰ ব্যৱস্থা কৰা হ'ব। আনহাতে এই উপলক্ষে মাজিৰগাঁও গাঁও পঞ্চায়তৰ সভানেত্ৰী ববিতা বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাত সাংসদ কুইন ওজাই অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈ বিগত চাৰি বছৰত ৰাজ্যখন সকলো দিশতে আগবাঢ়ি যোৱা বুলি ব্যক্ত কৰে। সভাত কামৰূপ জিলাৰ দিশাৰ সদস্য প্ৰশান্ত মহন্ত, ৰামচাৰাণী জিলা পৰিষদৰ সদস্য শিখা নাথ চৌধুৰী, ৰাণী আঞ্চলিক পঞ্চায়তৰ সদস্য নিজৰা কলিতা, মাজিৰগাঁও গাঁও পঞ্চায়তৰ সচিব বাবুল চন্দ্ৰ নাথ, কনিষ্ঠ অভিযন্তা নৱ কুমাৰ লহকৰ, বি জে পি নেতা ক্ৰমে বলেশ্বৰ ৰংপী, হৰকান্ত নাথ, লতিকা কলিতা, কুশল দাস আৰু অঞ্চলটোৰ বহু বিশিষ্ট লোক উপস্থিত থাকে। উল্লেখযোগ্য যে মাজিৰগাঁও গাঁও পঞ্চায়তৰ সভানেত্ৰী ববিতা বৈশ্যৰ তৎপৰতাত শেহতীয়াভাৱে মাজিৰগাঁওক আদৰ্শ গাঁও হিচাপে ঘোষণা কৰা হৈছে। ইতিমধ্যে ইয়াৰ বাবে প্ৰায় পাঁচ কৌটি টকাৰ অভিলাষী আঁচনি গ্ৰহণ কৰা হৈছে।

# কংগ্ৰেছ শিবিৰক প্ৰত্যাহ্বান জনাই ছয়গাঁৱত অগপৰ যোগদান সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ১৯ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ ৪৯নং ছয়গাঁও বিধানসভা সমষ্টিত অগপ দলে এক যোগদান সভাৰ আয়োজন কৰি কংগ্ৰেছ শিবিৰৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি কৰা পৰিলক্ষিত হৈছে। কালি ছয়গাঁও ৰাসক্ষেত্ৰত আবেলি ছয়গাঁও মণ্ডল অগপৰ সভাপতি খগেন নাথৰ সভাপতিত্বত অনুষ্ঠিত যোগদান সভাত প্ৰায় দুই শতাধিক লোকে যোগদান কৰে। উক্ত সভাত অগপৰ কেন্দ্ৰীয় মন্ত্ৰী তথা অসম চৰকাৰৰ খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ অধ্যক্ষ ডাঃ কমলা কান্ত কলিতাই ভাষণ প্ৰসংগত কংগ্ৰেছ দলৰ বিধায়ক ৰেকিবুদ্দিন আহমেদক ক্ষুৰধাৰ সমালোচনা কৰি কয় যে বিধায়ক উন্নয়ন পুঁজিৰ ধন আত্মসাৎ কৰা বিধায়কক হেনো ৰাইজ আপোনালোকে এইবাৰৰ নিৰ্বাচনত বিদায় দিয়ক। সময় সমাগত আপোনালোকে সময় থাকোতেই চিন্তা কৰি আঞ্চলিকতাবাদ ৰক্ষা কৰক। এইবাৰ ৰক্ষা কৰিব নোৱাৰিলে আৰু ৰক্ষা কৰাটো খুব সম্ভৱপৰ নহ'ব। সেয়ে জাতি ৰক্ষাৰ স্বাৰ্থত আপোনালোক ওলাই আহক। এনেদৰে বিৰোধী কংগ্ৰেছ শিবিৰত প্ৰত্যাহ্বান সৃষ্টি কৰি উদাত্ত ভাষণ দি কলিতাই আৰু কয় যে স্থানীয় প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিলে আপোনালোকে পাবলগীয়া সকলোবোৰ পোৱাৰ বিপৰীতে এতিয়া কেৱল ধন নিজ পকেটত সোমোৱাৰ বাহিৰে আন একো হোৱা নাই। সেয়ে সকলোকে আহি দলে বলে অগপত যোগদান কৰিবলৈ আহ্বান জনায়। এই যোগদান সভাত বামুনীগাঁও পঞ্চায়তৰ পৰা দুশৰাকী কংগ্ৰেছৰ সদস্যই যোগদান কৰে। উল্লেখ্য যে এই সভাত অগপৰ কেইবাগৰাকীও নেতা অনুপস্থিত থকাৰ বিপৰীতে জেষ্ঠ্য নেতা মদন চৌধুৰী, ৰত্ন মহন্ত, ঘনশ্যাম কলিতা উপস্থিত থাকে।

# হাটশিঙিমাৰীত প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্ম দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাটশিংগিমাৰী, ১৯ নৱেম্বৰ ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলা সদৰ হাটশিংগিমাৰী কংগ্ৰেছ ৰাজীৱ ভৱনত আজি পুৱা ১১ বজাত দেশৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীৰ ১০৪ সংখ্যক জন্ম দিৱস উদ্‌যাপন কৰে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ কংগ্ৰেছৰ কৰ্মীসকলে। প্ৰয়াত প্ৰধানমন্ত্ৰী গৰাকীৰ জীৱন কাহিনী তথা দেশবাসীৰ কাৰণে কৰি থৈ যোৱা বিভিন্ন কাম-কাজৰ বিষয়ে ভাষণ প্ৰদান কৰে ফেকামাৰী ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি দুলাল চন্দ্ৰ সাহাই। উক্ত জন্ম দিৱস উদ্‌যাপনত মহিলা কংগ্ৰেছক কৰ্মীকে ধৰি জিলাখনৰ বিভিন্ন স্তৰৰ প্ৰায় শতাধিক কংগ্ৰেছ কৰ্মী উপস্থিত থাকে।

**মণ্ডল যুৱ কংগ্ৰেছ কমিটী নাকচ**

# হোজাই জিলা যুৱ কংগ্ৰেছৰ সভাপতিৰ বিৰুদ্ধে ক্ষোভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১৯ নৱেম্বৰ ঃ** ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ হোজাই জিলা কংগ্ৰেছৰ মাজত সৃষ্টি হৈছে ব্যাপক বিসম্ভবাদ। বাৰে বাৰে পৰাজয় শ্বীকাৰ কৰাৰ পিছতো অভ্যাস সলনি হোৱা নাই একাংশ কংগ্ৰেছী নেতা পালি নেতাৰ। হোজাই জিলা যুৱ কংগ্ৰেছৰ সভাপতি আজহাৰুল ইছলামৰ বিৰুদ্ধে এইবাৰ বিস্ফোৰক অভিযোগ নিজ দলৰেই কৰ্মীৰ। সভাপতি আজহাৰুলে দলীয় নীতি নিয়মক ভৰিৰে মোহাৰি যমুনামুখৰ এগৰাকী লেবেলদাৰী নেতাৰ ছত্ৰছায়াত এখনৰ পিছত আনখন মণ্ডল যুৱ কংগ্ৰেছ কমিটী নাকচ কৰাত কংগ্ৰেছৰ মাজত বিভাজন ঘটাই বিজেপিৰ বাট মুকলি কৰাৰ অভিযোগ উত্থাপিত কৰিছে খুদ যুৱ কংগ্ৰেছ কৰ্মীয়ে। কিছুদিন পূৰ্বে সভাপতি আজহাৰুলৰ নিৰ্দেশত চৌধুৰী বজাৰ জিলা পৰিষদৰ কেবাটাও মণ্ডল যুৱ কংগ্ৰেছ গঠন হৈছিল। কিন্তু নিজ স্বাৰ্থ পূৰণৰ বাবে সভাপতি আজহাৰুলে এখনৰ পিছত আনখন কমিটি নাকচ কৰাত এতিয়া যুৱ কংগ্ৰেছীৰ মাজতো সৃষ্টি কৰিছে আন এক নতুন লভী। অকল সেয়াই নহয়, এইগৰাকী আজহাৰুলৰ বিৰুদ্ধে নিজ দলৰ কৰ্মীয়ে উত্থাপিত কৰিছে আন এক বিস্ফোৰক অভিযোগ, চিণ্ডিকেটৰ বাট মুকলি কৰিবলৈ আজাৰুলে দলীয় নীতি নিয়মক জলাঞ্জলি দিয়াৰ অভিযোগ তুলিছে যমুনামুখ সমষ্টিৰ যুৱ কংগ্ৰেছ কৰ্মীয়ে। এনেবোৰ অভিযোগৰ অভিযুক্ত, গেৰুৱা বাহিনীৰ স্বাৰ্থে কাম কৰা হোজাই জিলা যুৱ কংগ্ৰেছৰ সভাপতি আজহাৰুল ইছলামক কেন্দ্ৰীয় সমিতিয়ে অতি শীঘ্ৰে নিলম্বনৰ দাবীও উত্থাপন কৰিছে নিজ দলৰ যুৱ কংগ্ৰেছ কৰ্মীয়ে। দলে কেনে সিদ্ধান্ত লয় পৰৱৰ্তীকালত লক্ষণীয় হ'ব।

# স্বাধীনতা আন্দোলনৰ শ্বহীদৰ দুৰৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৯ নৱেম্বৰ ঃ** "স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী সেনানী হে বিপ্লৱী বীৰ, বিদেশী শাসনৰ কৱলৰ পৰা মুক্ত কৰিলা দেশ মাতৃক, সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ তোমাক।" স্বাধীনতা আন্দোলনৰ এগৰাকী বীৰ শ্বহীদৰ স্মৃতি স্তম্ভত খোদিত, দেহ মন জোকাৰি যোৱা এই কেইশাৰী কাব্যিক বাক্যই । কিন্তু এই গৰাকী শ্বহীদক শ্ৰদ্ধাঞ্জলি কেনেকৈ জনোৱা হৈছে দেখিলে লুণ্ঠিত হ'ব প্ৰতি গৰাকী সচেতন ব্যক্তিৰ স্বাভিমান। নিজৰ নাক লুকুৱাব লাগিব লজ্জাত। এই গৰাকী বীৰ শ্বহীদৰ নাম কমলা মিৰি। শ্বহীদ গৰাকীৰ পৱিত্ৰ স্মৃতিত ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিত, আধুনিক বোকাখাতৰ ইতিহাস বিজৰিত লোক নিৰ্মাণ বিভাগৰ আৱৰ্ত ভৱনৰ চৌহদত থকা স্মৃতি স্তম্ভত এতিয়া প্ৰতিদিনে নাগৰিকৰ উচিষ্ট আৰু আৱৰ্জনাৰে দিয়া হৈছে অঞ্জলি। বোকাখাত আৰক্ষী থানাৰ পৰা মাত্ৰ ২০ মিটাৰ নিলগত থকা শ্বহীদ গৰাকীৰ নামত থকা শ্বহীদ উদ্যান আৰু স্মৃতি স্তম্ভ এতিয়া পৰ্যবশিত হ'ল ডাষ্টবিনলৈ। স্থানীয় ব্যৱসায়ী, চানা বেপাৰী, ফুচকাৱালা সকলোৰে পেলোৱা আৱৰ্জনা, পাণ চুপাৰিৰ পিকেৰে পৰিপূৰ্ণ স্তম্ভ আৰু উদ্যানৰ চৌপাশ । দামী ব্ৰেণ্ডৰ মদৰ বটলৰ বাকছেও অধিকাৰ কৰিলে বোকাখাত বাসীৰ সৌৰ্য বীৰ্য, স্বাভিমানৰ প্ৰতীক শ্বহীদ কমলা মিৰিক ।মহকুমা প্ৰশাসন, নগৰ সমিতি কাৰো যেন দায়বদ্ধতা নাই শ্বহীদ গৰাকীৰ প্ৰতি । জানিব পৰা মতে বছৰত দুটা দিনৰ বাবে পৰিষ্কাৰ কৰে শ্বহীদ উদ্যান আৰু স্মৃতি স্তম্ভ। গণৰাজ্য দিৱস আৰু স্বাধীনতা দিৱসত এই দুটা দিনত চৰকাৰী কাৰ্যসূচীৰ পতাকা উত্তোলনৰ পূৰ্বে এই উদ্যানত শ্বহীদ শ্ৰদ্ধাঞ্জলি জনোৱা হয় । তাৰ পাছত পুনৰ পৰিণত হয় ডাষ্টবিনলৈ । উদ্যান খনৰ চৌহদ বেৰাৰ অংশ কেতিয়াবাই ভাগিল। বোকাখাতত এতিয়া অসুৰক্ষিত জাতীয় শ্বহীদ কমলা মিৰি। এই ক্ষেত্ৰত মহকুমা প্ৰশাসন বা পৌৰসভাই কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে?



**তামুলপুৰত ধন লুট**

# চাৰিচকীয়া বাহনসহ ধৃত ১



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৯ নৱেম্বৰ ঃ**তামুলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত উলুবাৰীত আজি সন্ধিয়া এখন টাটা ডি আই গাড়ীৰ চালকৰ পৰা এক লাখ টকা লুটি নিয়া ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে কামৰূপ জিলাৰ তুলসীবাৰীৰ হুছেইন হাৰ্ডৱেৰ নামৰ দোকানৰ পৰা এ এছ-২৫-বি চি-৩৬৮৩ নম্বৰৰ টাটা ডি আই বাহনেৰে আঢ়ৈ টন ৰদ বা'ং জিলাৰ কুমাৰীকাটালৈ আনিছিল আৰু এই ৰদ খিনি কুমাৰীকাটাৰ বাহাৰুল হাৰ্ডৱেৰত নমাই টাটা ডি আই খনৰ চালক জাকিৰ আলীয়ে কুমাৰীকাটাৰ বাহাৰুল ইছলামৰ পৰা নগদ এক লাখ টকা আদায় লৈছিল টকা খিনি আদায় লৈ জাকিৰে ভূটান-তামুলপুৰ-ৰঙিয়া পথেৰে তুলসীবাৰীলৈ আহি থকা অৱস্থাত পথটোৰ উলুবাৰী চ'কৰ ওচৰত এটুকুৰা নিৰ্জন ঠাইত এখন চাৰিচকীয়া বাহনেৰে আহি চাৰি-পাঁচ জনীয়া দুৰ্বৃত্তৰ দলে টাটা ডি আই গাড়ীখন আগভেটি ধৰে আৰু চালক জাকিৰক মাৰধৰ কৰি আৰু পিষ্টল দেখুৱাই এক লাখ টকা লুটি নি চাৰি চকীয়া বাহনখন ৰঙিয়া দিশে পলাই যায়। উপায়হীন চালক জাকিৰে পিছত ডি আই গাড়ী সহ তামুলপুৰ আৰক্ষী থানাত উপস্থিত হয় আৰু ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰে। চালক জনে লগে লগে আৰক্ষীক ধন লুট কৰা চাৰিচকীয়া বাহন খনৰ নম্বৰ অৱগত কৰে। ঘটনা সন্দৰ্ভত খুৰছেদ আলীয়ে তামুলপুৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰ পোৱাৰ পিছত তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অসীম বৰা আৰু দ্বিতীয় ভাৰপ্ৰাপ্ত বিষয়া মনোজ দাসৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে অভিযান চলাই অতি তৎপৰাতাৰে তুলসীবাৰীৰ পৰা ধন লুত কৰা কাৰ্যত ব্যৱহৃত হোৱা এ এছ- ২৫-জে-৮৫১৬ নম্বৰৰ চাৰিচকীয়া কুইড বাহন খন জব্দ কৰাৰ লগতে বাহনখনৰ চালক ছাদ্দাম আলীক আটক কৰে। আৰক্ষীয়ে ছাদ্দাম আলীক লগত লৈ ধন লুটৰ ঘটনাত জড়িত লোক কেইজনক বিচাৰি অভিযান চলাই আছে যদিও বাতৰি লিখাৰ পৰলৈ আন কাকো আটক কৰিব পৰা নাই। দুস্কৃতিকাৰীক বিচাৰি আৰক্ষীয়ে জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে।

# চৰাইদেউৰ মাহমৰাৰ নাহৰতলী গাঁৱত বিশ্বঐতিহ্য সপ্তাহৰ উদ্বোধনী অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা / বকতা, ১৯ নৱেম্বৰ ঃ** বিশ্ব ঐতিহ্য সপ্তাহ,২০২০ ৰ উদ্বোধনী অনুষ্ঠান আজি চৰাইদেউ জিলাৰ মাহমৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত ডবা গাঁও পঞ্চায়তৰ অধীনৰ নাহৰতলী গাঁৱত অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে, জিলাখনৰ এই নাহৰতলী গাঁৱতে বহুকেইটা ঐতিহাসিক মৈদাম আৰু পুখুৰী আছে। ঐতিহাসিক মৈদাম পুখুৰীৰ পাৰত অনুষ্ঠিত আজিৰ এই উদ্বোধনী সভাত সভাপতিত্ব কৰে চৰাইদেউ জিলাৰ উপায়ুক্ত পলাশ ৰঞ্জন ঘৰফলীয়াই। ভাষণ প্ৰসংগত জিলা উপায়ুক্তগৰাকীয়ে বুৰঞ্জীপ্ৰসিদ্ধ প্ৰত্নতাত্বিক স্থানসমূহ সংৰক্ষণ কৰি ইয়াৰ কীৰ্তি যুগমীয়া কৰি ৰাখিবলৈ সকলোকে আহ্বান জনায়। বিশেষকৈ উঠি অহা নৱ প্ৰজন্মৰ মাজত এই সম্পৰ্কত অধিক অধ্যয়ন আৰু গৱেষণাৰ কৰিবৰ বাবে তেওঁ আহ্বান জনায়। উল্লেখযোগ্য যে, পঞ্চদশ বিত্তীয় পুঁজিৰ অধীনত গাঁও পঞ্চায়তৰ দ্বাৰা এই ঐতিহাসিক স্থানসমূহ সংৰক্ষণ কৰিবলৈ জিলা উপায়ুক্তগৰাকীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ প্ৰদান কৰে। বিশ্ব ঐতিহ্য সপ্তাহৰ আজিৰ উদ্বোধনী অনুষ্ঠানত সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰে জিলা অতিৰিক্ত উপায়ুক্ত জাবেদ আৰমানে। আনহাতে অনুষ্ঠানটো আঁত ধৰে জিলা তথ্য আৰু জনসংযোগ বিষয়া জয়ন্ত মাউতে। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি স্থানীয় গাঁওবুঢ়া তৰিত বৰুৱা, পাটসাঁকোৰ টাই একাডেমীৰ অধ্যক্ষ বাবুল ফুকন, ডবা গাঁও পঞ্চায়তৰ সভানেত্ৰী ফুল বাছাম, কমল মহন আদি ব্যক্তিসকলে ঐতিহাসিক আৰু প্ৰত্নতাত্বিক স্থানসমূহৰ গুৰুত্বৰ ওপৰত বক্তব্য প্ৰদান কৰে। আনহাতে সভাৰ আৰম্ভণিতে টাই আহোম প্ৰথাৰে মাংগলিক পূজা অৰ্চনা আৰু গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে, সমগ্ৰ চৰাইদেউ জিলাতে আজিৰে পৰা ২৫ নৱেম্বৰলৈকে বিভিন্ন স্থানত বিভিন্ন কাৰ্যসূচীৰে বিভিন্ন বিভাগৰ বিষয়াসকলে বিশ্ব ঐতিহ্য সপ্তাহ, ২০২০ পালন কৰিব ।

# চৰাইদেউ জিলাৰ সীমান্তৱৰ্তী অঞ্চলত ১৪৪ ধাৰা জাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১৯ নৱেম্বৰ ঃ** চৰাইদেউ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশে এক আদেশ যোগে জিলাখনৰ সীমান্ত অঞ্চলৰ ৫ কিঃ মিঃ পৰিসৰত থকা নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ সীমামূৰীয়া অঞ্চলসমূহত ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত তৎকালীনভাৱে প্ৰযোজ্য হোৱাকৈ সন্ধিয়া ৬ বজাৰ পৰা পুৱা ৫ বজালৈকে সান্ধ্য আইন জাৰি কৰিছে আৰু এই আদেশ পৰৱৰ্তী ৬০ দিনৰ বাবে বাহাল থাকিব। অৱশ্যে এই ক্ষেত্ৰত কৰ্মত নিয়োজিত দণ্ডাধীশসকল, আৰ্মি, চি আৰ পি এফ, আৰক্ষী আৰু অসামৰিক বিষয়াসকলৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা আৰোপ কৰা হোৱা নাই । সান্ধ্য আইন জাৰি কৰা অঞ্চলসমূহ হৈছে ক্ৰমে অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলৰ নামতোলা, সাপেখাতী আৰু সোণাৰি আৰক্ষী চকীৰ অন্তৰ্গত সীমামূৰীয়া এলেকাসমূহ আৰু অসম- অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী অঞ্চলৰ সাপেখাতী, বৰহাট, চৰাইপুং আৰক্ষী চকীৰ অন্তৰ্গত সীমামূৰীয়া এলেকাসমূহ। এই আদেশ ভংগ কৰিলে আদেশ ভংগকাৰীৰ বিৰুদ্ধে আই পি চি ৰ ১৮৮ ধাৰা অনুসৰি আইনমতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব জিলা তথ্য আৰু জনসংযোগ বিষয়া জয়ন্ত মাউটে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক চৰকাৰী বিবৃতিৰ জৰিয়তে উল্লেখ কৰিছে ।

# নগাঁৱত ড্ৰাগছৰ ঘাটি উৎখাত ড্ৰাগছ ব্যৱসায়ী দম্পতীক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** নগাঁও আৰক্ষীয়ে কালি নিশা অভিযান চলাই বুজন পৰিমাণৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰাৰ লগতে ড্ৰাগছ ব্যৱসায়ী এহাল দম্পতীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা দম্পতীহাল হ'ল- মৌচম খন্দকাৰ আৰু ৰেচমা বেগম। জানিব পৰা মতে নগাঁও নগৰ আৰক্ষীৰ এটা দলে চহৰখনৰ খীষ্টানপট্টিৰ এ ডি পি ৰোডত এটা ঘৰত নিশা অভিযান চলাই বুজন পৰিমাণৰ ড্ৰাগছ, বিলাতী সুৰাৰ বটল জব্দ কৰাৰ লগতে ৬৭ হাজাৰ নগদ ধন আৰু ড্ৰাগছ ব্যৱসায়ত ব্যৱহৃত বিভিন্ন আপত্তিজনক সামগ্ৰী জব্দ কৰে। আৰক্ষী সূত্ৰে জানিব পৰা মতে এই দম্পতীহালে দীৰ্ঘদিন ধৰি ঘৰতে ড্ৰাগছৰ ঘাটি পাতি ড্ৰাগছ আৰু অবৈধ বিলাতী সুৰাৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখিছিল। এই খবৰ গোপন সূত্ৰে লাভ কৰি নগাঁও আৰক্ষীয়ে নিশা অভিযান চলাই ঘাটিটো উৎখাত কৰাৰ লগতে দম্পতী হালক গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি নগাঁও আৰক্ষীয়ে এন ডি পি এছ এক্টৰ অধীনত ২৮৬১/২০ নম্বৰৰ এক গোচৰ পঞ্জীয়ণ কৰি ড্ৰাগছ ব্যৱসায়ী দম্পতী হালক আজি আদালতলৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে মৌচম খন্দকাৰক পূৰ্বেও নগাঁও আৰক্ষীয়ে ড্ৰাগছ ব্যৱহায়ৰ অপৰাধত গ্ৰেপ্তাৰ কৰিছিল। আনহাতে নগাঁও আৰক্ষীয়ে আজি বিয়লি নগাঁও চহৰৰ সমীপৰ মধুপুৰত আন এক অভিযান চলাই জলিল মীৰ ওৰফে ককা নামৰ এজন কুখ্যাত ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# তামুলপুৰত প্ৰাক্তন সৈনিকৰ সমাৰোহ




**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৯ নৱেম্বৰ ঃ** তামুলপুৰ মহকুমা সদৰস্থ তামুলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত আজি তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ উদ্যোগত এখন প্ৰাক্তন সৈনিক সমাৰোহ অনুষ্ঠিত হয়। তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ সভাপতি এছ এম সোনেশ্বৰ দৈমাৰীৰ সভাপতিত্বত সম্পূৰ্ণ ক'ভিড প্ৰটোকল মানি অনুষ্ঠিত সমাৰোহত উপস্থিত থাকি জিলা সৈনিক সমাজ কল্যাণ বিষয়া কৰ্ণেল পি চি মালাকাৰে অৱসৰপ্ৰাপ্ত প্ৰাক্তন সৈনিকসকলৰ পৰিয়াল কল্যাণৰ ওপৰত বিভিন্ন চৰকাৰী সা-সুবিধা সম্পৰ্কে আলোচনা কৰে। অৱসৰ গ্ৰহণ কৰাৰ আগতে কেনেকৈ পৰিয়ালৰ যাৱতীয় তথ্যপাতিৰ প্ৰ-পত্ৰ আদি সময়মতে পূৰণ কৰাৰ উপৰিও পেঞ্চন, পৰিয়াল কল্যাণ আদিৰ যাৱতীয় কামকাজ পূৰণ কৰিব লাগে এই সম্পৰ্কে উপস্থিত সৈনিকসকলক বিতংকৈ ব্যাখ্যা কৰে। তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ অন্তৰ্গত শতাধিক পৰিয়ালে অংশগ্ৰহণ কৰা সভাত তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ সম্পাদক নায়ক বাণী কান্ত বড়োকে ধৰি বহুকেইজন বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

# জাতীয় নায়কৰ বাবে মূল্যহীন শ্বহীদৰ তেজ ঃ লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টি য়ে,আজি এক প্ৰেছ বিজ্ঞপ্তিৰ জড়িয়তে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম চুক্তি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত লোৱা সন্দেহজনক স্থিতিৰ বাবে তেওঁক তীব্ৰ সমালোচনা কৰে। "অসমৰ অসম চুক্তিখন ৮৬০ ব্যক্তিৰ আত্মবলিদান আৰু বিভিন্ন ধৰণৰ সংঘৰ্ষত নিহত হাজাৰজনৰ আত্মাৰ বিনিময়ত স্বাক্ষৰিত হৈছিল। অসমৰ ৰাইজে সৰ্বানন্দ সোণোৱাল তথা বিজেপিৰ হাতত শাসনৰ বাঘজৰী গতাই দিওঁতে আশা কৰিছিল যে তেওঁ ৰাজ্যখনলৈ পৰিবৰ্তন আনিব আৰু অসমৰ পুৰণি সমস্যাসমূহৰ সমাধান কৰিব, কিন্তু প্ৰায় পাঁচ বছৰ উকলি যোৱাৰ পাছত এতিয়া এই কথা স্পষ্ট হৈ পৰিছে যে তেওঁ বিজেপি আৰু নাগপুৰীয়া গেঙক অসম চুক্তিখনৰ সেইসকলৰমতে ৰিইঞ্জিনিয়াৰিং কৰিবলৈ দলিচা পাৰি মাতি আনিছে"। প্ৰেছ বিজ্ঞপ্তিটোৰ জড়িয়তে পাৰ্টিৰ ৰাজ্যিক অধ্যক্ষ শ্ৰী হলিৰাম টেৰাঙে কয় যে "অসমৰ ৰাইজে সৰ্বানন্দ সোণোৱালক নিৰ্বাচনত জয়ী কৰোৱাই ভুল কৰা যেন অনুভৱ হৈছে। অসমৰ মানুহে তেওঁক জাতিৰ নায়কৰ খিতাপ দিছিলি আইনৰ ক্ষেত্ৰত তেওঁ লোৱা স্থিতিৰ বাবে, কিন্তু এতিয়া সেই একে ব্যক্তিসকলে 'কা'ৰ সমৰ্থন কৰি অসম চুক্তিক অসাৰ কৰি পেলাইছে । অসম চুক্তিখন ৮৬০ ব্যক্তিৰ আত্মবলিদান আৰু বিভিন্ন ধৰণৰ সংঘৰ্ষত নিহত হাজাৰজনৰ আত্মাৰ বিনিময়ত স্বাক্ষৰিত হৈছিল। তেওঁলোকৰ আত্মবলিদানৰ প্ৰতীক অসম চুক্তিক 'কা' বলৰতৰ উকালতী কৰি চৰম উপেক্ষা কৰা মুখ্যমন্ত্ৰীয়ে এতিয়া নিৰ্বাচনৰ সময়ত হাউলিত চহীদ বেদীৰ উদঘাটন কৰা কাৰ্যই তেওঁৰ ব্যৰ্থতা উদঙাই দিছে"। তেওঁ লগতে কয় যে নিৰ্বাচন সমাগত হোৱাৰ লগে লগে সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰীৰ পৰা 'মুখ্য উদ্বোধনীমন্ত্ৰী' লৈ পৰিবৰ্তন হৈছে যি শ্বহীদৰ তেজকো নিজৰ ৰাজনৈতিক লাভালাভৰ কাৰণে ব্যৱহাৰ কৰিবলৈ কুন্ঠাবোধ নকৰে। তেওঁ সৰ্বানন্দ সোণোৱালক সমালোচনা কৰি কয় যে, সোণোৱাল ডাঙৰীয়া অৱশেষত এজন জনহিতৈষি নেতাৰ পৰা আদৰ্শ আৰু মূল্যবোধহীন ৰাজনীতিকলৈ অৱনমন হ'ল। এই প্ৰেছ বিবৃতিৰ জড়িয়তে লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিয়ে মুখ্যমন্ত্ৰী গৰাকীক প্ৰশ্ন কৰিছে যে 1। অসম চুক্তিৰ ৰূপায়নৰ বাবে তেওঁ যোৱা পাঁচ বছৰত কি কৰিলে? 2। 'কা'ৰ জড়িয়তে নাগৰিকতা প্ৰদানৰ ভিত্তি বৰ্ষ ২৫ মাৰ্চ ১৯৭১ ৰ ২০১৪ লৈ ৰূপান্তৰ হোৱাৰ লগেলগে অসম চুক্তি কাৰ্যকৰী অসাৰ প্ৰতিপন্ন নহ'ল নে? 3। অসমৰ থলুৱা আৰু খিলঞ্জীয়ালোকক সাংবিধানিক ৰক্ষাকৱচ প্ৰদানৰ প্ৰতিশ্ৰুতিৰ কি হ'ল? 4। তেওঁৰ চৰকাৰে চেম ষ্টেফৰ্দ আজিজুৰ ৰহমান, দিপাঞ্জল হত্তঁৰ কৰুণ মৃত্যুক পাহৰি পেলালে নেকি? পাৰ্টিৰ সভাপতি গুণ গগৈয়ে কয় যে মুখ্যমন্ত্ৰী সোণোৱালে 'কা'ৰ সমৰ্থন কৰি অসম আন্দোলনৰ প্ৰতিজন শ্বহীদৰ আত্মাক বিশ্বাসঘাটকতা কৰিছে। তেওঁ লগতে মুখ্যমন্ত্ৰী গৰাকীক অসম চুক্তিৰ প্ৰকৃত স্বৰূপত ৰূপায়ণৰ বাবে তথা অসমৰ জাতীয় স্বাৰ্থত সৱল ভূমিকা গ্ৰহণ কৰি অসমৰ বিৰোধী শক্তিৰ বিৰুদ্ধে যুঁজিবলৈ আহ্বান জনাই ।

# কাঁহিকুছি গাঁও পঞ্চায়তৰ অধীনত পথ-সামূহিক গৃহৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৯ নৱেম্বৰ ঃ** জানাগাৰ্থনিৰ ক্ষেত্ৰত পশ্চিম গুৱাহাটী সমষ্টিটোৰ এক অনন্য গুৰুত্ব আছে। পাহাৰ-ভৈয়ামৰ বাৰেবৰণীয়া জনগোষ্ঠীৰ মিলনভূমি পশ্চিম গুৱাহাটী সমষ্টিতো। সমষ্টিটোৰ মানচিত্ৰত আছে নগৰ আৰু গ্ৰামাঞ্চলৰ জীৱনশৈলী । জনসাধাৰণৰ বিভিন্ন অভাৱ অভিযোগ তথা সমস্যাসমূহ দূৰীকৰণৰ বাবে যৎপৰো নাস্তি চেষ্টা কৰা হৈছে। মূলতঃ ৰাস্তা-ঘাটৰ সমস্যা সমাধানৰ বাবে ইতিমধ্যে বিভিন্ন আঁচনি গ্ৰহণ কৰি উন্নয়নৰ ব্যৱস্থা কৰা হৈছে । ৰাস্তা - ঘাটৰ উন্নয়ন হ'লেহে অঞ্চল বিশেষৰ ব্যাপক উন্নয়ন হোৱা বুলি ক'ব পাৰি। এই মন্তব্য পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ । উল্লেখযোগ্য যে আজি গুৱাহাটী মহানগৰীৰ আজাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত বৰঝাৰ বিমানবন্দৰৰ সমীপৰ কাঁহিকুছি গাঁও পঞ্চায়তৰ অধীনত ৮ টা পথ আৰু সামূহিক গৃহৰ আধাৰশিলা স্থাপন কৰি বিধায়ক কলিতাই পুনৰ কয় যে -'যাতায়ত ব্যৱস্থা উন্নত হ'লে সেই অঞ্চলটোৰ আৰ্থ সামাজিক দিশৰ উন্নয়ন সম্ভৱ




হৈ উঠে। কাঁহিকুছি গাঁও পঞ্চায়তখনৰ এক সুকীয়া মৰ্যাদা আছে। কিয়নো সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ আন্তৰ্জাতিক বিমানবন্দৰ হিচাপে পৰিগণিত বৰঝাৰ বিমানবন্দৰটো কাঁহিকুছি গাঁও পঞ্চায়তৰ অধীনতেই আছে । তেনেক্ষেত্ৰত কাঁহিকুছি গাঁও পাঞ্চায়তৰ বাট-পথৰ উন্নয়ন কৰাটো আমাৰ প্ৰধান দায়িত্ব হোৱা উচিত। এনে এক মহান উদ্দেশ্য আগত ৰাখিয়েই আজি পুনৰ কাঁহি কুছি গাঁও পঞ্চায়তৰ অধীনৰ ৮ টা পথ আৰু সামূহিক গৃহৰ আধাৰশিলা স্থাপন কৰা হয়। গ্ৰামাঞ্চলৰ এই পথ কেইটাৰ কাম অচিৰেই সম্পূৰ্ণ কৰি তোলা হ'ব। লগতে স্থানীয় জনসাধাৰণৰ এক বহুদিনীয়া অভাৱ পূৰণ হ'ব । 'উল্লেখনীয় যে আজি বিধায়ক কলিতাই কাঁহিকুছি গাঁও পঞ্চায়তৰ অধীনৰ গনকপাৰাৰ ৰাধাকানু মন্দিৰটোৰ উন্নীতকৰণ ৫ লাখ, কলিতাপাৰাৰ কলীয়া ঠাকুৰ চৰকাৰী পুথিভঁৰাল ৪.১১ লাখ, কাঁহিকুছিৰ পৰা অনুপ পাটোৱাৰী ঘৰলৈ পথছোৱা ৯ লাখ, কাঁহিকুছি বজাৰৰ জয়াগুপ্তৰ দোকানৰ পৰা প্ৰদীপ সিঙৰ ঘৰলৈ ৬ লাখ, কাঁহিকুছি সূতাৰপাৰা সমূহীয়া কেন্দ্ৰ ৫ লাখ, কাঁহিকুছি ৰাজহুৱা শ্মশান ৮ লাখ, শ্যামভূমি হাইস্কুল সংযোগী পথ (৭.৯৫ লাখ, কুঁৱৰী গাঁৱৰ ভুবন নাথৰ ঘৰৰ পৰা পবিত দাসৰ ঘৰলৈ ১২.৭০, ভিআইপিৰ মিলন নগৰৰ ফণী-হীৰেন পথ ( ২২.২০ লাখ, মিলন নগৰৰ ভবেন বৈশ্যৰ ঘৰৰ পৰা হিতেশ কলিতাৰ ঘৰলৈ ৮ লাখ, এমইএছ কলনীৰ এমইএছৰ উপপথ নং ১ আৰু ২ ১০.৩৬ লাখ ) আৰু কুঁৱৰী গাঁৱৰ এল পি স্কুল সংযোগী পথ ৬ লাখ। এই উপলক্ষে অনুষ্ঠিত এক শুভ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ তদাৰকী আৰু নিৰীক্ষণ কমিটীৰ সদস্য তথা অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক সুভাষ শৰ্মা, কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়া,( কাউন্সিলৰ ৰজিদা বেগম, সহকাৰী অভিযন্তা শংকৰ দাস, প্ৰাক্তন জিলা পৰিষদৰ সদস্য ৰবীন দৈমাৰী, ৰাণী আঞ্চলিক পঞ্চায়তৰ সভাপতি পৰমেশ্বৰ বৰ্মনকে ধৰি কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## প্ৰথম পৃষ্ঠাৰ পৰা—

# বিজেপিৰ বাবে অগ্নিপৰীক্ষা

নিৰ্বাচন শাসক আৰু বিৰোধী দলৰ বাবে হ'ব এক অগ্নিপৰীক্ষা। বিশেষকৈ বিটিচিৰ শাসনত থকা বিপিএফ আৰু ৰাজ্যৰ শাসনত থকা বিজেপিৰ বাবে পৰিষদীয় নিৰ্বাচন বিধানসভা নিৰ্বাচনৰ ছেমি ফাইনেলৰ নিচিনা হ'ব।

ৰাজ্যৰ শাসনত থকা বিজেপিৰ মিত্ৰ দলসমূহৰ অন্যতম সংগী হৈছে বিপিএফ। কিন্তু সম্প্ৰতি বিজেপি আৰপ বিপিএফৰ মাজত অহিনকুল সম্পৰ্ক। পৰিষদীয় নিৰ্বাচনত দুয়োটা দলে সুকীয়া সুকীয়াকৈ প্ৰাৰ্থী নিক্ষেপ কৰিছে। বিটিএডিৰ শাসক ল তথা হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফে এই নিৰ্বাচনত বিটিএডিৰ ৪০ টা সমষ্টিতে প্ৰাৰ্থী দিব যদিও বিজেপি কিছুমান সমষ্টিত যুঁজত অৱতীৰ্ণ নহয়। বিটিএডিৰ নৱগঠিত দল ইউপিপিএলৰ সতে বিজেপিয়ে এইবাৰ ভিতৰুৱাকৈ নিৰ্বাচনী বুজাপৰা কৰাটো স্পষ্ট হৈ পৰিছে। এবছুৰ প্ৰাক্তন নেতা প্ৰমোদ বড়োৰ নেতৃত্বত গঠিত হৈ ইউপিপিএলৰ সতে এই বুজাপৰা কৃতকাৰ্য হ'লে হয়তো বিধানসভা নিৰ্বাচনত দুয়োটা দলে মুকলিকৈ মিত্ৰতা স্থাপন কৰিব। দল দুটাৰ এনে বুজাপৰাৰ প্ৰতি লক্ষ্য ৰাখিয়ে বহু সুবিধাবাদী ৰাজনীতিকে বিজেপি আৰু ইউপিপিএলত যোগদান কৰিছে। নিৰ্বাচনৰ পূৰ্বে এনে দলবাগৰা ৰাজনীতিয়ে গৰম কৰি তুলিছে বিটিএডিৰ ৰাজনীতি। অৱশ্যে বিটিএডিৰ আসন লাভৰ বাবে বিজেপিয়ে গ্ৰহণ কৰা ৰণকৌশল কিমান দূৰ সফল হ'ব, সেয়া এতিয়াও স্পষ্ট হৈ উঠা নাই। কাৰণ ইউপিপিএলে স্বাধীন বড়োলেণ্ডক মূল ইচ্ছু হিচাপে লৈ ৰাজনৈতিক দল গঠন কৰিছে। তেনেক্ষেত্ৰত বিটিচিৰ অনাবড়ো জনসাধাৰণে ইউপিপিএলক গ্ৰহণ নকৰে। তদুপৰি এনআৰচি, কোচ ৰাজবংশী আৰু আদিবাসীসকলৰ জনজাতিকৰণৰো প্ৰমোদ বড়োৱে বিৰোধিতা কৰি আহিছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখিলে দেখা যায় যে ইউপিপিএল আৰু বিজেপিক এই দুটা জনগোষ্ঠীৰ জনগণে কোনো কাৰণতে নিৰ্বাচনত সমৰ্থন নকৰে।

নিৰ্বাচনী সভাসমূহত হাগ্ৰামা আৰু হিমন্ত বিশ্ব শৰ্মাৰ ভাষণে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। বিজেপিৰ শক্তিশালী নেতা হিমন্ত বিশ্ব শৰ্মাই বিপিএফক বাক চাতুৰ্যৰে একপ্ৰকাৰ নস্যাৎ কৰি পেলাইছে যদিও নিজৰ স্থিতিত অটল হৈ আছে হাগ্ৰামা মহিলাৰী। তেওঁ দাবী কৰিছে যে বিজেপিৰ সকলো কূটকৌশল মষিমূৰ কৰি বিপিএফে পুনৰ পৰিষদ গঠন কৰিব। তেওঁৰ মতে বিগত সময়ছোৱাত বিপিএফে শান্তি-শৃংখলা ওভতাই আনিবলৈ সক্ষম হৈছে আৰু এতিয়া অঞ্চলটোত সকলো শ্ৰেণীৰ লোকে নিৰ্ভয়ে ঘূৰা-ফুৰা কৰিব পাৰিছে। ইয়াৰ মূলতে বিপিএফৰ সু-শাসন বুলি অভিহিত কৰি তেওঁ লগতে কৈছে যে বিটিএডিৰ উন্নয়নৰ বাবে তেওঁৰ দলে শাসকীয় সকলো চৰকাৰৰ সতে মিত্ৰতা স্থাপন কৰিছে। ইয়াৰ ফলত বিটিএডিৰ দ্ৰুত উন্নয়ন হৈছে আৰু বাট-পথৰ যথেষ্ট উন্নতি হৈছে। যাতায়াত ব্যৱস্থাৰ উন্নতিৰ বাবেই অঞ্চলটোত সকলো ধৰণৰ ব্যৱসায়-বাণিজ্যৰ উন্নতি হোৱা বুলিও হাগ্ৰামাই নিৰ্বাচনী সভাত বক্তব্য আগবঢ়াইছে। পৰিষদীয় নিৰ্বাচনত বিপিএফে বড়ো, অবড়ো, সংখ্যালঘু আৰু তাত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ ভোট লাভ কৰাতো নিশ্চিত বুলিও তেওঁ দাবী কৰিছে। তেওঁ আশা কৰা মতে ভোট লাভ কৰিলে বিপিএফ পুনৰ ক্ষমতালৈ অহাতো নিশ্চিত। অৱশ্যে চতুৰ ৰাজনীতিকৰূপে পৰিচিত হিমন্ত বিশ্ব শৰ্মাই শেষ মুহূৰ্তত কেনে ৰণকৌশল অৱলম্বন কৰে, সেয়া লক্ষণীয় হ'ব।

# 'সমিধানবাদ'ৰ জৰিয়তে

অনুকৰণ কৰি অতি কোমল বয়সতে ৰং তুলিকাৰে চিত্ৰ অংকন কৰা শিল্পী অনুপৰ আজি আদ্যশ্ৰাদ্ধৰ দিনটোত অসংখ্য গুণমুগ্ধই জনালে শ্ৰদ্ধাঞ্জলি। শিল্পী সাহিত্যিকৰ পৰা আৰম্ভ কৰি বিভিন্ন অনুষ্ঠানৰ লোক সকলে ক্ষনজন্মা শিল্পীজনলৈ আজিৰ দিনটোত শ্ৰদ্ধা নিবেদন কৰিলে তেওঁৰ তেজপুৰৰ বাসগৃহত। ইফালে শিল্পীজনৰ অন্যতম যি নতুন ধাৰা অৰ্থাৎ ছলভিজিমৰ চিত্ৰ সমূহক বাসগৃহৰ পিছফালে থকা আচুতীয়া স্থানত প্ৰদৰ্শনৰ ব্যৱস্থা কৰিলে তেওঁৰ অন্যতম সহযোগী সকলে। অনুপ হাজৰিকাই আধুনিক চিত্ৰত যি নতুন ধাৰাৰ সৃষ্টি কৰাছিল সেই ধাৰাটোক জীয়াই ৰখাৰ চেষ্টাত ব্ৰতী তেওৰ সহযোগী সকল। একেদৰে পিতৃ লম্বোদৰ হাজৰিকাই তৈয়াৰ কৰা বায়ুশূন্য অৱস্থাত শক্তিক ব্যৱহাৰ কৰি যি ওলোটা চাকিৰ উদ্ভাৱন কৰিছিল তাক সহজ ভাৱে জনসাধাৰণে বুজিব পৰাকৈ পুনৰ নিৰ্মাণ কৰি এক চমক সৃষ্টি কৰিছিল অনুপ হাজৰিকাই। উল্লেখ্য যে, প্ৰচুৰ প্ৰতিভাশালী চিত্ৰ-ভাস্কৰ্য্য শিল্পী, বহু মঞ্চ আৰু চলচ্চিত্ৰৰ দক্ষ কলা নিৰ্দেশক অনুপ হাজৰিকাৰ যোৱা ৯ নৱেম্বৰত অকালতে আতৰি গৈছিল ইহ সংসাৰৰ পৰা। আজি আদ্যশ্ৰাদ্ধৰ দিনটোত অনুপৰ দ্বাৰা সৃষ্ট শিল্প সামগ্ৰীক লৈ সমাধিৰ স্থলীতে অনুপৰ দৰ্শনৰ প্ৰতি অনুপৰ কণ্ঠেৰেই অৱগত হ'ল সহস্ৰজন। চিত্ৰ শিল্প আৰু ভাস্কৰ্য্য শিল্পৰ অনুপ হাজৰিকাৰ নতুন ব্যতিক্ৰমী দৰ্শন "চ'লভিজিম" অৰ্থাৎ "সমিধানবাদ" কি জানিব পাৰিলে উপস্থিত সকলোৱে। ইয়াৰ সমান্তৰালভাৱে ৰাইজে প্ৰত্যক্ষ কৰিব পাৰিলে ৰং-তুলিকাৰ সমাহাৰেৰে অনুপে সৃষ্টি কৰা ব্যতিক্ৰমী চিত্ৰ শিল্প সমূহ। এই সৃষ্টি সমূহক সংস্থাপন কৰি "চ'লভিজিম" অৰ্থাৎ "সমিধানবাদ"ৰ সন্দৰ্ভত পূৰ্বে অনুপে বাণীবদ্ধ কৰা গীতাংশৰ মাজৰ উদ্ধৃতিৰে আজি শ্ৰাব্য মাধ্যমেৰে ৰাইজক শুনালে "সমিধানবাদ" গোষ্ঠীৰ সদস্য সকলে। উল্লেখ্য যে, আজি আদ্য শ্ৰাদ্ধ্যৰ দিনটোত অনুষ্ঠিত হোৱা ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠানৰ সমান্তৰালভাৱে কি দৰ্শন আৰু শৈলীৰে এইগৰাকী অনন্য প্ৰতিভাধৰ চিত্ৰ-ভাস্কৰ্য্য শিল্পীয়ে শিল্প কৰ্মত দীৰ্ঘদিন ধৰি প্ৰবৃত্ত হৈ আছিল সেই কথা অনুপৰ লগতে অনুপৰ পিতৃৰ সমাধিৰ স্থানতে "চ'লভিজিম" অৰ্থাৎ "সমিধানবাদ"ৰ সৈতে অনুপৰ লগত জড়িত হৈ থকা চিত্ৰ-ভাস্কৰ্য্য শিল্পী সমূহে আজি আদ্যশ্ৰাদ্ধৰ দিনটোতে প্ৰদৰ্শনি আকাৰেৰে ৰাইজক প্ৰত্যক্ষ কৰোৱাৰ লগতে এই দৰ্শন সংপৃক্ত এখন পুস্তিকাও উপস্থিত ৰাইজৰ হাতে হাতে বিতৰণ কৰে। উল্লেখ্য যে, অনুপ হাজৰিকাৰ প্ৰতিচ্ছবিত কণিষ্ঠা ভগ্নী লিপিকা হাজৰিকা আৰু অনুপৰ জোঁৱাই সংগীত শিল্পী ডঃ শোণিত মহন্তৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পনেৰে আৰম্ভ হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিত আৰম্ভণিতে ভাষণ প্ৰদান কৰি দীৰ্ঘদিন ধৰি অনুপ জড়িত হৈ থকা নাট্যানুষ্ঠান "জংগম"ৰ সভাপতি অলক নাথে কয় - তেজপুৰৰ লগতে ৰাজ্যখনৰ বহু প্ৰকৃত শিল্পীয়ে শোচনীয় আৰ্থিক অৱস্থাৰ মাজেৰেও নিজৰ প্ৰতিভাৰে শিল্প কৰ্মত প্ৰবৃত্ত হৈ সমাজ সুন্দৰৰ সাধনাত ৰত হৈ থকাৰ পিছত অকালতে শাৰীৰিক অসুস্থতাত পৰাত প্ৰকৃত চিকিৎসাৰ পৰা বঞ্চিত হৈ কায়িকভাৱে আঁতৰি যাব লগা বহু ঘটনাই সকলোকে বেদনাহত কৰি তুলিছে। তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত পৰিয়ালৰ সদস্য সকলৰ হৈ স্মৃতিচাৰণ কৰি দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জয় শংকৰ হাজৰিকাইও অকালতে এনেদৰে তেজপুৰৰ বহু শিল্পী কায়িকভাৱে আঁতৰি যোৱাৰ উদাহৰণ দাঙি ধৰি শিল্পীৰ আৰ্থিক স্বচ্ছলতা বৃদ্ধিৰ ক্ষেত্ৰত অকল চৰকাৰলৈকে অপেক্ষা কৰি নাথাকি সমূহীয়া ভাৱে কিবা এটা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বাণ থিয়েটাৰৰ তৰফৰ পৰা স্মৃতিচাৰণ কৰি সাধাৰণ সম্পাদক জিতু মণি দেৱচৌধুৰীয়ে অনুপ হাজৰিকাৰ হাতৰ পৰশৰ অনুপম সৃষ্টি বাণ থিয়েটাৰৰ প্ৰৱেশ পথৰ দুয়োখন মুল তোৰণ আৰু প্ৰেক্ষাগৃহৰ সন্মুখত থকা নটৰাজৰ ভাস্কৰ্যটি আজিও বাণ থিয়েটাৰৰ ঐতিহ্য ৰক্ষা কৰি ৰাখিছে বুলি মন্তব্য কৰে। প্ৰাক্তন ছাত্ৰ নেতা জীতেন বৰঠাকুৰ, শান্তনু মহন্ত, তেজপুৰ সাহিত্য সভাৰ সম্পাদক দেৱব্ৰত শৰ্মা, তৰুণ অসম সংঘ, জয়মতী সংঘ আৰু তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ তৰফৰ পৰা সুৰজিত বৰা, অসমীয়া ক্লাৱৰ তৰফৰ পৰা প্ৰাক্তন সম্পাদক চিত্তদেৱ শৰ্মা, চিত্ৰ-ভাস্কৰ্য শিল্পী জ্ঞানেন্দ্ৰ নাথ বৰা, মৃগেন কলিতা, প্ৰাক্তন ছাত্ৰনেতা লণ্টু শইকীয়া, জানলিষ্ট ইউনিয়নৰ কাৰ্যকৰী সভাপতি সঞ্জীৱ হাজৰিকা আদিয়ে প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# আমেৰিকাৰ কৰ'না বিধ্বস্ত

প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয় যে এই ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ আৰু উপযুক্ত চিকিৎসা প্ৰদানৰ ক্ষেত্ৰত পূৰ্বৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ চৰকাৰে বিশেষ গুৰুত্ব দিয়া নাছিল। ফলস্বৰূপে দেশখনৰ জনতাই অনাকাংক্ষিত বিপৰ্যয়ৰ সন্মুখীন হ'ল। উল্লেখ্য যে যোৱা ৩ নৱেম্বৰৰ পৰা আমেৰিকাত হোৱা ভোট গণনাৰ অন্তত জ' বিডেনে সৰ্বাধিক ভোটৰ অধিকাৰী হৈ বিজয় সাব্যস্ত কৰা বুলি কোৱা হৈছে। আমেৰিকাৰ নিৰ্দিষ্ট আইন আৰু সংবিধানৰ ধাৰা অনুসৰি এতিয়াও জ' বিডেনে ৰাষ্ট্ৰপতিৰ আসনত বহিবলৈ কিছুসময় ধৈৰ্য্যৰে অপেক্ষা কৰিবই লাগিব। কিন্তু নিজৰ পৰাজয় অস্বীকাৰ কৰিবলৈ ধৰিছে বৰ্তমানৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে। যাৰ বাবে দেশখনৰ বিভিন্ন আদালতত উক্ত নিৰ্বাচনৰ বৈধতাক প্ৰশ্ন তুলি ডোনাল্ড ট্ৰাম্পৰ সমৰ্থকৰ জৰিয়তে গোচৰ তৰা হৈছে। ট্ৰাম্পৰ এই কাৰ্যক পৃথিৱীৰ সৰ্বশক্তিমান ৰাষ্ট্ৰখনৰ নাগৰিকে সমৰ্থন কৰাটো দূৰৰ কথা, সকলোৱে নিন্দা কৰাহে পৰিলক্ষিত হৈছে। সেয়েহে শাসনৰ বাগডোৰ হাতত লৈয়ে আগবঢ়া বিডেনে সঘনে ট্ৰাম্পৰ সম্পৰ্কত প্ৰকাশ কৰিছে নিজৰ কঠোৰ দৃষ্টিভংগী।

# কামাখ্যাত ২০ কিলোগ্ৰাম

নিৰ্মিত এই গম্বুজটোত প্ৰয়োজন হোৱা ২০ কেজি সোণ দান হিচাপে আগবঢ়াইছে দেশৰ প্ৰখ্যাত উদ্যোগপতি মুকেশ আম্বানীয়ে। আনহাতে, ৰিলায়েন্সৰ কাৰিকৰে নিৰ্মাণ কৰা এই গম্বুজটোৱে কামাখ্যাত মুকলি হোৱাৰ পিছত পূৰ্বতকৈ কামাখ্যালৈ ভক্তৰ লগতে পৰ্যটকৰ আকৰ্ষণ বৃদ্ধি পাব বুলি আশা কৰিছে কামাখ্যা দেৱোত্তৰ বৰ্ড কৰ্তৃপক্ষই। উল্লেখ্য যে শেহতীয়া দীপাবলীৰ সময়তে আকৰ্ষণীয় এই গম্বুজটো মুকলি কৰাৰ কথা আছিল যদিও বিভিন্ন অসুবিধাৰ বাবে সেয়া সম্ভৱ হোৱা নাছিল। পৰৱৰ্তী সময়ত গম্বুজ নিৰ্মাণৰ কাম যথেষ্ট খৰতকীয়াকৈ কৰি আজি মুকলি কৰা হয়। উদ্যোগপতি মুকেশ আম্বানীৰ এই দানতাক একমুখে শলাগ লৈছে সকলোৱে। ইফালে বৃহস্পতিবাৰে সোণেৰে গম্বুজ নিৰ্মাণ কৰাৰ পিছত কামাখ্যাত নিৰাপত্তাৰ দিশটোত অধিক গুৰুত্ব দিয়াৰ পোষকতা কৰিছে বিভিন্ন মহলে। কিয়নো দেশৰ অন্যান্য স্থানৰ সোণখচিত মন্দিৰ বা ধৰ্মীয় স্থানসমূহ কটকটীয়া নিৰাপত্তাৰে পৰিৱেষ্টিত হৈ থকাৰ দৰে চাই কামাখ্যাতো নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিবলৈ আহ্বান জনাইছে সকলোৱে।

# বিজেপি, বিপিএফ

বাইক ৰেলীৰ শুভাৰম্ভ কৰে সাংসদ নৱ কুমাৰ শৰণীয়াই। সাংসদগৰাকীয়ে বাইক ৰেলী উদ্বোধন কৰি কয় যে এইবাৰ বিটিচি নিৰ্বাচনত ত্ৰিশখন আসন লাভ কৰি বিটিচি পৰিষদ দখল কৰিব জি এছ পি আৰু অবড়ো সুৰক্ষা সমিতিয়ে। ইপিনে সংবাদ মাধ্যমৰ আগত সাংসদ নৱ কুমাৰ শৰণীয়াই কয় যে বিজেপি, বিপিএফ আৰু ইউপিপিএলৰ কাজিয়াখন গিৰীয়েক ঘৈণীয়েকৰ কাজিয়া। এই কাজিয়া কেতিয়াও তালাকলৈ গুচি নাযায়। প্ৰসংগক্ৰমে বিজেপি চৰকাৰে বিপিএফ দলৰ নেতা হাগ্ৰামা মহিলাৰীক আগতেই কিয় নিয়ন্ত্ৰণ নকৰিলে বুলি প্ৰশ্ন কৰে সাংসদগৰাকীয়ে। ভাষাৰ ক্ষেত্ৰত মন্তব্য কৰি তেওঁ স্পষ্টভাৱে কয়— আমাৰ মানুহৰ এটাই কথা জীৱন দিম কিন্তু বড়ো ভাষাত অধ্যয়ন নকৰো । উল্লেখ্য যে এই বাইক ৰেলীয়ে ২৮ নম্বৰ গয়বাৰী, ২৬ নম্বৰ দৰঙাজুলি আৰু ২৭ নম্বৰ নাগ্ৰীজুলি পৰিষদীয় সমষ্টি পৰিভ্ৰমণ কৰে। গণ সুৰক্ষা পাৰ্টীৰ সম্পাদক ভাস্কৰ কলিতা, জিএছপিৰ নেতা মুকুট মহন্ত , ডিম্বেশ্বৰ ৰাভাকে ধৰি কেইবাজনো নেতা-কৰ্মীৰ উপস্থিতিত বাইক ৰেলীত অংশগ্ৰহণকাৰীসকলে জি এছ পি জিন্দাবাদ, অবড়ো সুৰক্ষা সমিতি জিন্দাবাদ, নৱ কুমাৰ শৰণীয়া জিন্দাবাদ, দিলীপ শৰণীয়া লং লিভ, বনমালী ৰাভা লং লিভ, ডেনিয়েল মাৰ্দি লং লিভ আদি শ্ল'গানেৰে তামুলপুৰৰ আকাশ-বতাহ মুখৰ কৰি তোলে।



# শীঘ্ৰে পাঠদান আৰম্ভ নকৰিলে

চৰকাৰে সমগ্ৰ দেশজুৰি লকডাউন ঘোষণা কৰাৰ সমান্তৰালভাৱে সকলো বিদ্যালয়-মহাবিদ্যালয় বন্ধ ঘোষণা কৰিছিল। সেইদৰে জিলাই জিলাই লকডাউনৰ সময়ত বহিঃৰাজ্যৰ লগতে আন জিলাৰ পৰা স্বগৃহলৈ অহা লোকসকলক এই বিদ্যালয়- মহাবিদ্যালয়বোৰত কোৱাৰেণ্টাইনত ৰখাৰ ব্যৱস্থা কৰা হৈছিল। তদুপৰি ক'ভিড-১৯ত আক্ৰান্ত হোৱা ৰোগীসকলক চিকিৎসাৰ বাবে চিকিৎসালয়ৰ লগতে বিদ্যালয়-মহাবিদ্যালয়বোৰতো ক'ভিড-১৯ত আক্ৰান্ত ৰোগীক চিকিৎসাৰ বাবে কোৱাৰেণ্টাইন কেন্দ্ৰ স্থাপন কৰি চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰা হৈছিল। বঙাইগাঁও জিলাৰ মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়তো কোৱাৰেণ্টাইন চেণ্টাৰ স্থাপন কৰিছিল। সম্প্ৰতি ৰাজ্যত কৰ'না মহামাৰীৰ ভয়াৱহতা হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়- মহাবিদ্যালয়ত পাঠদান আৰম্ভ কৰাৰ বাবে চৰকাৰে নিৰ্দেশ দিয়ে। যাৰ ফলত ৰাজ্যৰ বিভিন্ন বিদ্যালয় - মহাবিদ্যালয়ত পাঠদান প্ৰক্ৰিয়া আৰম্ভ হৈছে। কিন্তু মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ত আজিলৈকে পাঠদান আৰম্ভ নকৰাৰ লগতে মহাবিদ্যালয় চৌহদত মদৰ বটল আদিৰে এক লেতেৰা পৰিৱেশ হৈ থকাত বৃহস্পতিবাৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ সমীপৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অৱস্থান কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰা মতে মহাবিদ্যালয়খনৰ পাঠদান আৰম্ভ কৰাৰ বাবে জিলা উপায়ুক্তক আৱেদন জনোৱা হৈছিল যদিও উপায়ুক্তই মহাবিদ্যালয়খনত পাঠদান আৰম্ভ কৰাৰ বাবে নিৰ্দেশ দিয়া নাই। সেইদৰে মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষয়ো শিক্ষা বিভাগক বিষয়টো অৱগত কৰিছিল যদিও কোনো ফল ধৰা নাই বুলি ক্ষোভ প্ৰকাশ কৰে প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে। ছাত্ৰ-ছাত্ৰীসকলে শীঘ্ৰে মহাবিদ্যালয়খন ছেনিটাইজ কৰি পাঠদান আৰম্ভ কৰাৰ দাবী উত্থাপন কৰে। লগতে যদিহে তিনি দিনমানৰ ভিতৰত মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়াহ'লে ভয়াৱহ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী হাতত লোৱাৰো হুংকাৰ দিয়ে প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে।

# যুৱ কংগ্ৰেছে গোলাঘাটত

ৰহস্যজনকভাৱে জিলা কংগ্ৰেছৰ সভানেত্ৰীগৰাকীক এলাগি কৰা পৰিলক্ষিত হৈছে। কিয়নো নিৰ্বাচন আহিলেই সূতা-কম্বল বিতৰণ কৰা কংগ্ৰছে এইবাৰ গোলাঘাট বিধানসভা সমষ্টিত কম্বল বিতৰণ কৰা কাৰ্যসূচীত একাষৰীয়া কৰিলে কংগ্ৰেছী শক্তিশালী নেত্ৰী অজন্তা নেওগক । খবৰ অনুসৰি গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ উদ্যোগত গোলাঘাট বিধানসভা সমষ্টিৰ যুৱ কংগ্ৰেছৰ সহযোগত ভাৰতৰত্ন ইন্দিৰা গান্ধীৰ জয়ন্তী উপলক্ষে গোলাঘাট সমষ্টিৰ চানমাৰী হৰিজন কলনিত কম্বল বিতৰণ কৰে। অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সম্পাদক অভিজিৎ বৰা, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা সাগৰিকা বৰা, গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ সভাপতি দেৱব্ৰত ফুকন আৰু দলীয় কৰ্মীসকল উপস্থিত আছিল এই অনুষ্ঠানত। যুৱ কংগ্ৰেছৰ এই কম্বল বিতৰণ কৰা কাৰ্যসূচীত একাষৰীয়া কৰিলে অজন্তা নেওগক। আনকি যুৱ কংগ্ৰেছৰ এই অনুষ্ঠানৰ নিমন্ত্ৰণ নাপালে গোলাঘাট জিলা কংগ্ৰেছে । অনুষ্ঠানত বিতৰণ কৰা কম্বলৰ পেকেটত কলিয়াবৰৰ সাংসদ গৌৰৱ গগৈ আৰু খুমটাই সমষ্টিৰ প্ৰাক্তন বিধায়িকা তথা প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈৰ ফটো প্ৰচাৰ কৰে। এই ঘটনাৰ পিছতে এটা কথা স্পষ্ট হয় যে, কংগ্ৰছত গুৰুত্ব কমিছে গোলাঘাট জিলা কংগ্ৰেছৰ সভানেত্ৰী তথা প্ৰাক্তন কংগ্ৰেছী মন্ত্ৰী, গোলাঘাটৰ বিধায়িকা অজন্তা নেওগৰ। কিন্তু এই ঘটনাৰ পিছত সাংবাদিকে কৰা প্ৰশ্নত মৌনতা অৱলম্বন কৰে যুৱ কংগ্ৰেছৰ নেতৃত্বই। ইফালে অজন্তা নেওগে বিজেপিত যোগদান কৰিব বুলি ওলোৱা বাতৰিৰ সম্পৰ্কে প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে কোনো ধৰণৰ মন্তব্য প্ৰকাশ নকৰি কৌশলপূৰ্ণ মন্তব্য প্ৰদান কৰা বিষয়টোৱে ৰহস্যঘন কৰি তুলিছে। ইফালে গোলাঘাট জিলা কংগ্ৰেছত দুটা ফৈদৰ সৃষ্টি হৈছে বুলিও জানিব পৰা গৈছে । অজন্তা নেওগ আৰু বিস্মিতা গগৈৰ দুটা ফৈদে গোলাঘাট জিলা কংগ্ৰেছত একপ্ৰকাৰ গৃহ কন্দলৰ আৰম্ভণি হোৱা বুলিও চৰ্চিত হৈছে।

# ক'ভিড-১৯ প্ৰট'কল মানি

এই সঁহাৰি আগবঢ়ায়। উপায়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এই সভাত ৰাজ্যৰ মুখ্য সচিব তথা ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণ (এএছডিএমএ)ৰ অধ্যক্ষই ৰাস তথা ষট্ পূজা উদ্‌যাপনক লৈ ১৭ নৱেম্বৰত জাৰি কৰা নতুন ক'ভিড-১৯ প্ৰট'কলৰ সবিশেষ ৰাস মণ্ডসমূহৰ বিষয়ববীয়াসকলক প্ৰশাসনৰ ফালৰ পৰা অৱগত কৰা হয়। মাজুলীৰ আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, অতিৰিক্ত উপায়ুক্তদ্বয় নৰেন দাস, অৰিন্দম বৰুৱাৰ লগতে মাজুলী আৰু উজনি মাজুলীৰ ৰাজহ চক্ৰ বিষয়াদ্বয়সহ কেইবাগৰাকী কাৰ্যবাহী দণ্ডাধীশে অংশগ্ৰহণ কৰা এই বৈঠকত উপায়ুক্ত কৈৰীয়ে চলিত বৰ্ষটোত সমগ্ৰ বিশ্বই অভূতপূৰ্ব পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগতে স্বাস্থ্যজনিত তীব্ৰ প্ৰত্যাহ্বান চম্ভালিব লগা হোৱাৰ বিষয়ে উল্লেখ কৰি মাজুলী জিলাত ক'ভিড-১৯ প্ৰট'কল অনুসৰণ কৰি এইবাৰ ৰাসৰ পৰম্পৰা অক্ষুণ্ণ ৰখাত সকলোৰে সহযোগিতা বিচাৰে। দিল্লীকে ধৰি দেশৰ একাধিক ৰাজ্যত শেহতীয়াকৈ ক'ভিড-১৯ৰ তৃতীয় পৰ্যায়ৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ প্ৰতি দৃষ্টি ৰাখি অসম চৰকাৰৰ মুখ্য সচিবে ৰাস আৰু ষট্ পূজাক লৈ মঙলবাৰে জাৰি কৰা নতুন প্ৰট'কল অনুসৰি মাজুলীতো এইবাৰ ৰাস মণ্ডসমূহে প্ৰেক্ষাগৃহৰ ৫০ শতাংশ আসনৰ বা সৰ্বাধিক দুশগৰাকী দৰ্শকক লৈ ৰাস মঞ্চস্থ কৰাৰ লগতে প্ৰথমদিনা ৰাসৰ ৪৮ ঘণ্টা পূৰ্বেই প্ৰতিগৰাকী শিল্পী, কলা-কুশলী, উদ্যোক্তা তথা স্বেচ্ছাসেৱকৰ ক'ভিড-১৯ পৰীক্ষা কৰোৱাটো বাধ্যতামূলক হ'ব। তদুপৰি, দহ বছৰৰ অনূৰ্ধ শিশু আৰু ৬৫ বছৰ বয়সৰ ওপৰৰ লোকে ৰাসত অভিনয় কৰিব নোৱৰাৰ লগতে এই দুই বয়সসীমাৰ কোনেও ৰাসৰ আয়োজনত অংশগ্ৰহণ কৰা বা দৰ্শক হ'বও নোৱাৰিব। একেদৰে, ১১ বছৰৰ পৰা ১৮ বছৰৰ অনূৰ্ধ নাবালক শিল্পী, কলা-কুশলীয়ে ৰাসত অভিনয় কৰিবলৈ হ'লে অভিভাৱকৰ পৰা আগতীয়া লিখিত অনুমতি ল'ব লাগিব আয়োজক সমিতিয়ে। প্ৰতিখন ৰাসথলীতে উদ্যোক্তা আৰু স্বেচ্ছাসেৱীসকলৰ বাবে মুখত মাস্ক পৰিধান কৰা, হাত ছেনিটাইজাৰেৰে পৰিস্কাৰ কৰি ৰখা আৰু ন্যূনতম সামাজিক দূৰত্ব বজাই ৰখাৰ লগতে ক'ভিড-১৯ সম্পৰ্কীয় সতৰ্কতামূলক নিৰ্দেশনা পালন কৰিব লাগিব। আনহাতে, মুখত মাস্ক নিপিন্ধাকৈ কোনো দৰ্শককে ৰাসৰ প্ৰেক্ষাগৃহত প্ৰৱেশ কৰিবলৈ দিব নোৱাৰিব আয়োজকসকলে। প্ৰট'কল অনুসৰি দৰ্শকৰ বাবে প্ৰেক্ষাগৃহত পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থাৰ লগতে প্ৰতিটো প্ৰৱেশ পথতে 'থাৰ্মেল স্কেনাৰ' আৰু হেণ্ড ছেনিটাইজাৰৰ ব্যৱস্থাও ৰাখিব লাগিব উদ্যোক্তাসকলে। ইফালে, ৰাসথলীত মেলা অনুষ্ঠিত কৰা বা হোটেল-দোকান আদি খোলাটো সম্পূৰ্ণ নিষিদ্ধ থাকিব। জিলাখনৰ প্ৰতিখন ৰাস মঞ্চৰ আয়োজক সমিতিয়ে জিলা প্ৰশাসনৰ পৰা ৰাস অনুষ্ঠিত কৰিবলৈ আগতীয়া অনুমতি গ্ৰহণৰ লগতে ৰাসত অংশগ্ৰহণ কৰিব লগা শিল্পী, কলা-কুশলী, বিষয়ববীয়া তথা স্বেচ্ছাসেৱকসকলৰ নাম-ঠিকনা আৰু যোগাযোগৰ নম্বৰ ২৫ নৱেম্বৰৰ ভিতৰতে প্ৰশাসনৰ ওচৰত দাখিল কৰিবলৈ আজিৰ সভাতে উদ্যোক্তাসকলক অৱগত কৰা হয়। সভাত উপায়ুক্ত কৈৰীয়ে মাজুলী জিলাক ক'ভিড-১৯ৰ দ্বিতীয় পৰ্যায়ৰ সংক্ৰমণৰ পৰা মুক্ত কৰি ৰখাৰ ক্ষেত্ৰত সকলোৰে সহযোগ বিচাৰে। ৰাসৰ ক্ষেত্ৰতো সকলো প্ৰট'কল মানি শৃংখলিত ৰূপত মাজুলীৰ ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱ উদযাপন কৰি আসমবাসীৰ সমুখত আন এক উদাহৰণ দাঙি ধৰিবলৈ তেওঁ সকলোকে আহ্বান জনায়। তেওঁ কয়— 'চৰকাৰে জনস্বাস্থ্যৰ সুৰক্ষা আৰু জনস্বাৰ্থৰ খাতিৰত নিৰ্দিষ্ট কৰি দিয়া ক'ভিড-১৯ৰ সতৰ্কতামূলক নীতি-নিয়মসমূহ পালন কৰি ৰাস পাতিবলৈ আমাৰ মাজুলীবাসী যে সম্পূৰ্ণ সমৰ্থবান, সেয়া ৰাজ্যবাসীক কৰি দেখুওৱাৰ প্ৰত্যাহ্বান ৰাসৰ উদ্যোক্তাসকলে সফলতাৰে গ্ৰহণ কৰিব বুলি আমি নিশ্চিত। এইক্ষেত্ৰত ৰাসৰ আয়োজক সমিতিসমূহলৈ জিলা প্ৰশাসনৰ ফালৰ পৰা সম্ভৱপৰ সকলো সহযোগিতা আগবঢ়োৱা হ'ব।' উপায়ুক্তৰ এই আহ্বানলৈ সঁহাৰি দি সভাত ৰাসৰ আয়োজকসকলে চৰকাৰৰ ক'ভিড-১৯ প্ৰট'কল মানিয়েই এইবাৰ জিলাখনত ৰাস মঞ্চস্থ কৰিব বুলি জিলা প্ৰশাসনক অৱগত কৰে। ইফালে, ষট্ পূজাক লৈও মাজুলী জিলা প্ৰশাসনে আজি আগবেলা মাজুলীৰ ষট্ পূজা আয়োজকসকলৰ সৈতে আন এখন বৈঠকত মিলিত হয়। বৈঠকত ষট্ পূজা আয়োজনৰ ক্ষেত্ৰতো অসম চৰকাৰে জাৰি কৰা অনুৰূপ নিৰ্দেশনাৰ বিষয়ে আয়োজকসকলক অৱগত কৰি মাজুলীত পুনৰ ক'ভিড-১৯ সংক্ৰমণৰ আশংকা প্ৰতিৰোধত সহযোগ আগবঢ়াবলৈ ষট্ পূজাৰ আয়োজকসকলক আহ্বান জনায় উপায়ুক্ত কৈৰীয়ে।

# পুনৰ সংকটজনক তৰুণ গগৈৰ

১ নৱেম্বৰত জিএমচিএইচত ভৰ্তি কৰোৱা হৈছিল। বিগত ২৫ অক্টোবৰ তাৰিখে প্ৰায় দুমাহ ধৰি চিকিৎসালয়ত কটোৱাৰ পিছত তৰুণ গগৈক ঘৰলৈ যাবলৈ দিয়া হৈছিল। কিন্তু তেওঁৰ চিকিৎসাৰ বাবে অসম চৰকাৰ আৰু জিএমচি কৰ্তৃপক্ষই এদল চিকিৎসকক নিয়োগ কৰিছিল। তথাপি ৯ জনীয়া চিকিৎসকৰ পৰ্যৱেক্ষনৰ পিছতো ঘৰত থকা অৱস্থাত ৮৬ বছৰ বয়সীয়া আৰু তিনিটা কাৰ্যকালৰ বাবে দিছপুৰত কংগ্ৰেছৰ ধ্বজা উৰুৱাই মুখ্যমন্ত্ৰীৰ আসনত বহা গগৈৰ স্বাস্থ্যৰ হঠাৎ অৱনতি ঘটিল। সম্প্ৰতি পথ্য আৰু চিকিৎসা ব্যৱস্থাৰ প্ৰতি প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ স্বাস্থ্যই সহাৰি নিদিয়া বুলি প্ৰকাশ পাইছে। অৱশ্যে ৰাজ্যৰ বিভিন্ন শুভানুধায়ী আৰু সাধাৰণ ৰাইজে প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ আশুআৰোগ্য কামনা কৰিছে।

# যোৰহাট-মাজুলী সংযোগী

সংযোগস্থলীৰ পৰা মাজুলীৰ কমলাবাৰী ঘাটত সমাপ্ত হ'বলগীয়া পথছোৱাক ৭১৫-কে নং নতুন ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে ঘোষণা কৰিছে। আনহাতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেন্দ্ৰীয় চৰকাৰে এই পথছোৱাক নতুন ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে ঘোষণা কৰা পদক্ষেপক আদৰণী জনাই কয় যে এই পদক্ষেপে মাজুলী জিলাৰ আৰ্থ-সামাজিক, সাংস্কৃতিক, পৰিবহন ইত্যাদিৰ দিশত যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰিব। এই পদক্ষেপ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ অসমৰ উন্নয়নৰ প্ৰতি থকা দায়বদ্ধতাৰ এক উজ্জল চানেকি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাদকাৰীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে লোৱা যুগান্তকাৰী পদক্ষেপৰ ফলস্বৰূপে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে ৰাজ্যখনৰ পথ, ৰে'ল, জলপথ, আকাশীপথ ইত্যাদিৰ উন্নয়নে বিশেষ মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

# বড়োলেণ্ডত তিনি মাহৰ মূৰে

উঠিছে। বৰ্তমান ৰাজ্যপালৰ শাসন চলি থকা বড়োলেণ্ড স্বায়ত্তশাসিত অঞ্চলৰ (বি টি আৰ) ৰাইজে অহা ডিচেম্বৰত এজন নতুন মুখ্য কাৰ্যবাহী নিৰ্বাচিত কৰিবলৈ ভোটদান কৰিব। ২০০৩ চনত ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসুচী অনুযায়ী বড়োলেণ্ড স্বায়ত্বশাসিত অঞ্চল ঘোষিত হৈছিল যদিও পৰৱৰ্ত্তী পৰ্য্যায়ত ৰাজনৈতিক পাকচক্ৰত বড়োলেণ্ডৰ ৰাইজৰ সামগ্ৰীক যি উন্নয়ন হব লাগিছিল, বাস্তাবিকতে সেয়া হৈ নুঠিল। সেয়েহে বড়োলেণ্ডৰ ৰাইজৰ সপোনবোৰ এতিয়াও সপোন হৈয়ে ৰ'ল। এই সময়তে বড়োলেণ্ডৰ উন্নয়নৰ হকে শিপাৰ পৰাই কামকৰাৰ আশাৰে বড়োলেণ্ডৰ ৰাইজৰ মাজত বিশেষভাৱে জনপ্ৰিয় হৈ পৰিছে প্ৰমোড বড়ো। সদৌ অসম বড়ো ছাত্ৰ সন্থা তথা আবছুৰ প্ৰাক্তন নেতা প্ৰমোদ বড়ো সাম্প্ৰতিক সময়ত নতুন নেতা সকলৰ ভিতৰত অন্যতম এজন নেতা। এজন ছাত্ৰ নেতা হিচাপে প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰা বড়োয়ে এটা সময়ত দিনহাজিৰা কৰি দৈনিক ভাতমুঠি মোকোলাইছিল। বড়োলেণ্ডৰ অজস্ৰ মাতৃ-ভগ্নীয়ে নিজৰ স্বামী, পুত্ৰ অথবা ভাতৃক উগ্ৰপন্থাৰ কৰাল গ্ৰাসৰ মাজত দৈনিক ভাতমুঠি মোকোলাব লগা হোৱা কৰুণ অৱস্থা দেখাৰ তেওঁৰ নিজৰ তিক্ত অভিজ্ঞতা আছে। প্ৰমোদ বড়ো ২০২০ চনৰ জানুৱাৰী মাহত সম্পাদিত 'বড়ো চুক্তি ২০২০'ৰ এজন অন্যতম প্ৰধান স্বাক্ষৰকাৰী। এই চুক্তিৰ জৰিয়তে বড়ো ভূমিত দীৰ্ঘদিন ধৰি চলি থকা অশান্তি জৰ্জৰ পৰিস্থিতিৰ অৱসান হ'ল আৰু এক স্থায়ী শান্তিৰ পথ মুকলি হ'ল। কিন্তু সেই অনুযায়ী আজিৰ তাৰিখত এই চুক্তিৰ ইতিবাচক দিশসমূহৰ কোনো প্ৰভাৱ বড়োলেণ্ডত প্ৰকাশ্যে প্ৰকাশ হোৱা দেখা নগ'ল। আনহাতে এই বছৰৰে ফেব্ৰুৱাৰী মাহত আবছুৰ প্ৰাক্তন সভাপতি প্ৰমোদ বড়োই সৰ্বসন্মতিক্ৰমে ইউনাইটেড পিপুলচ পাৰ্টি লিবাৰেলৰ (ইউ পি পি এল) সভাপতি হিচাপেও নিৰ্বাচিত হ'ল। সেই হিচাপে সাম্প্ৰতিক সময়ত প্ৰমোড বড়ো এজন ৰাজনৈতিক নেতা হিচাপে পৰিগণিত হ'ল। সেয়ে হলেও প্ৰমোড বড়োৰ তৃণমূল পৰ্য্যায়ৰ পৰাই মনুহক সবলীকৰণ কৰিব খোজা নীতিয়ে সকলো জাতি-জনগোষ্ঠীৰ মানুহৰ অন্তৰ জয় কৰিবলৈ সক্ষম হৈছে। 'জানুৱাৰীৰ বড়ো চুক্তিৰ পিছত মোৰ পুত্ৰই মূলসুঁতিলৈ ঘূৰি আহি পশুপালনত আত্মনিয়োজিত হৈছে। মই প্ৰমোদ বড়োক তেওঁৰ সহযোগিতাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছোঁ। মই নিশ্চিত যে মোৰ পুত্ৰৰ দৰে আমাৰ জনগোষ্ঠীৰ বহু লৰাই তেওঁলোকৰ নিজৰ ব্যৱসায় স্থাপন কৰিবলৈ সক্ষম হ'ব। এই মন্তব্য তামুলপুৰৰ বাসিন্দা গোলাপ নাৰ্জাৰীৰ। বিটি এডিৰ কেতবোৰ অঞ্চল ভ্ৰমণ কৰি ৰাইজৰ মতামতৰ ভিত্তিক এই কথা প্ৰতীয় মান হৈছে যে বড়োলেণ্ডৰ উন্নয়নৰ বাবে ভালেখিনি কাম কৰাৰ হাবিয়াস আছে প্ৰমোদ বড়োৰ । প্ৰসংগত প্ৰমোড বড়োয়ে কয় 'মানুহৰ সমস্যা সমাধানৰ কাৰণে আমি প্ৰত্যেক তিনি মাহৰ মূৰে মূৰে জনতা দৰবাৰ অনুষ্ঠিত কৰিম। ক্লাৱ আৰু আত্ম সহায়ক গোটৰ সবলীকৰণৰ বাবে ৭৫ হাজাৰ টকাকৈ প্ৰদান কৰিম যাতে তৃণমূল পৰ্য্যায়ৰ পৰাই এক পৰিৱৰ্ত্তন আনিব পাৰি। আমি পুৰণি পেঞ্চন নীতি, বিধবা পেঞ্চন আৰু ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদানৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিম। যিহেতু আমি সমউন্নয়নত বিশ্বাস কৰোঁ। সেয়েহে আমি সকলো শ্ৰেণীৰ ৰাইজৰ উপকাৰ হোৱাকৈ কাম কৰাৰ বাবে অংগীকাৰ বদ্ধ। অৱশ্যে সময়তহে লক্ষণীয় হ'ব প্ৰমোড বড়োৰ এই মন্তব্য।

# খৰিকটিয়াৰ তিনিজন শ্ৰমিকৰ

মুণ্ডাৰ গৃহৰ লগতে ধানৰ ভঁৰাল, সা-সম্পত্তি ভাঙি অনিষ্ট কৰে। হাতীৰ এই দলটোৱে যোৱা নিশা জংঘল বস্তিত এক প্ৰকাৰ সন্ত্ৰাসৰ সৃষ্টি কৰে। হাতীৰ এই আক্ৰমণত অঞ্চলটোৰ ৰাইজে গৃহ এৰি জংঘললৈ পলাবলৈ বাধ্য হয়। উল্লেখ যে, হাতীৰ এই দলটোৱে যোৱা কেইবাদিনো ধৰি তিতাবৰত সন্ত্ৰাস চলাই বহু কেইটা গৃহ ভাঙি লণ্ড ভণ্ড কৰিছে যদিও মৰিয়নিৰ বন বিভাগে হাতীৰ দলটো নিয়ন্ত্ৰণ কৰিব পৰা নাই। বন্যহস্তীৰ দলটো নিয়ন্ত্ৰণ কৰিবৰ কাৰণে যোৰহাট জিলা বন বিভাগে মৰিয়নিত এটা বন বিভাগৰ দল গঠন কৰি থৈছে যদিও এই দলটোৱে হাতীৰ জাকটোক নিয়ন্ত্ৰণ কৰিব পৰা নাই। ফলত নিশা হ'লেই তিতাবৰত আতংকৰ পৰিৱেশ সৃষ্টি হয়। তিতাবৰত যোৱা চাৰি দিনত এই বন্যহস্তীৰ দলটোৱে ১২ টা গৃহ ভাঙি লণ্ড ভণ্ড কৰিলে। হাতীৰ আক্ৰমণত ক্ষতিগ্ৰস্ত হোৱা প্ৰতিটো পৰিয়াল আৰ্থিকভাৱে অতি দৰিদ্ৰ। কোনো মতে জীৱন ধাৰণ কৰা এইসকল লোকৰ গৃহ নিৰ্মাণ কৰি লোৱাৰ সামৰ্থ নাই। বন বিভাগে হাতীৰ দলটো নিয়ন্ত্ৰণ কৰিব নোৱাৰাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# অসমত ৰিপুণ বৰাৰ প্ৰত্যক্ষ

প্ৰতিপালন কৰিব খুজিছে।' গহপুৰৰ বৰঙাবাৰীত জি এন এম স্কুল, পেৰামেডিকেল প্ৰতিষ্ঠানৰ শুভাৰম্ভ কৰি এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি গহপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাক তুলা ধুনা দি এইদৰে ভাষণ প্ৰদান কৰে অসমৰ স্বাস্থ্য, বিত্ত, শিক্ষা আৰু লোক-নিৰ্মাণ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বৃহস্পতিবাৰে পুৱাৰ ভাগত গহপুৰত উপস্থিত হোৱা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে দিপৰাস্থিত মা কল্যাণী দেৱালয়ত প্ৰাৰ্থনা জনাই গহপুৰৰ অসম-অৰুণাচল সীমান্তৱৰ্তী দৈমালুত এখন সভাত অংশগ্ৰহণ কৰে। দৈমালুৰ পৰা ১৪ কিলোমিটাৰ পথ চাইকেল ৰেলী কৰি কলাবাৰীলৈ অহা মন্ত্ৰীগৰাকীয়ে কলাবাৰীৰ পৰা বৰঙাবাৰীলৈকে বাইক ৰেলীৰে বৰঙাবাৰীত উপস্থিত হয়। বৰঙাবাৰী মজলীয়া বিদ্যালয় চৌহদৰ ২২ বিঘা ভূমিত স্থাপন হ'ব লগা জি এন এম স্কুল আৰু পেৰামেডিকেল প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰাৰ লগতে গৃহ নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰে। সভাত মন্ত্ৰী ৰঞ্জিত দত্ত, সাংসদ পল্লৱ লোচন দাস, সাংসদ বিশ্বজিৎ দৈমাৰী, গহপুৰৰ বিধায়ক উৎপল বৰা, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ উপস্থিত থাকে।

# দেৱালত অখিলৰ প্ৰতিচ্ছবি

ফালৰি কাটিবলৈ সুযোগ পালে। সেই অনুসৰি জামিনৰ আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন অহা ৮ ডিচেম্বৰ মঙলবাৰ দিনটো ধাৰ্য কৰা বুলি জানিব পৰা গৈছে। আনহাতে অখিল গগৈৰ মুক্তিৰ দাবীত আজি পদপথৰ দেৱালত প্ৰতিচ্ছবি অংকন কৰাৰ অপৰাধত একাংশ চিত্ৰশিল্পীক গ্ৰেপ্তাৰ কৰিলে গুৱাহাটীৰ আৰক্ষীয়ে। প্ৰাপ্ত তথ্য মতে বশিষ্ঠ থানাৰ অন্তৰ্গত খানাপাৰাৰ উৰণীয়া সেতুৰ তলত অখিল গগৈৰ মুক্তিৰ দাবীত প্ৰতিচ্ছবি অংকন কৰা হৈছিল। এই কাৰ্যত নেতৃত্ব দিছিল ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নেতা প্ৰাঞ্জল কলিতাই। কিন্তু আৰক্ষীয়ে খবৰ পোৱাৰ লগে লগে ছাত্ৰ মুক্তিৰ নেতাৰ লগতে অংকন কৰা শিল্পীসকলকো থানালৈ লৈ আনে। লগতে আৰক্ষীয়ে পিছত অখিল গগৈৰ মুক্তিৰ দাবীত প্ৰতিচ্ছবি অংকন কৰা কাৰ্য মোহাৰি পেলায়। ইফালে থানালৈ এইসকল শিল্পীক লৈ অনাৰ খবৰ সদৰী হোৱাৰ লগে লগে একাংশই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰে। ফলত তেওঁলোকক আৰক্ষীয়ে মুকলি কৰি দিবলৈ বাধ্য হয় আৰু তেওঁলোকক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে আটক কৰা বুলিহে স্পষ্টীকৰণ দাঙি ধৰা দেখা যায়।

**কৃষক মুক্তি সংগ্ৰাম সমিতিৰ গৰিহণা**

কৃষক নেতা অখিল গগৈৰ ছবি দেৱালত অংকন কৰাৰ অপৰাধত অংগ আৰ্ট কালেক্টিভ নামৰ স্বেচ্ছাসেৱী সংগঠনৰ চিত্ৰ শিল্পীৰ দল এটাক অসম আৰক্ষীয়ে উঠাই নি আজি বশিষ্ঠ থানাত সন্ধিয়া পৰ্যন্ত আটক কৰি ৰখা কাৰ্যক কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। কাকতলৈ প্ৰেৰণ কৰা এটা বিবৃতিত সংগঠনটোৰ সাধাৰণ সম্পাদক ধৈৰ্য কোঁৱৰ আৰু মুকুট ডেকাই কয় যে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্যৰ বিজেপি দলৰ চৰকাৰে শিল্পী-সাহিত্যিকক মুকলিকৈ মত প্ৰকাশৰ স্বাধীনতা খৰ্ব কৰিবলৈ উঠিপৰি লাগিছে। চৰকাৰৰ অন্যায়ৰ বিৰুদ্ধে সৰৱ হোৱা যিকোনো শিল্পী- সাহিত্যিক- সাংবাদিকৰ ওপৰত এই চৰকাৰ যে তৎপৰ সেয়া আজি বশিষ্ঠ আৰক্ষীৰ কৰ্মকাণ্ডই স্পষ্ট কৰি দিলে। সৰ্বানন্দ সোণোৱালৰ চৰকাৰে ২০১৬ৰ নিৰ্বাচনৰ পূৰ্বে অসমৰ জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পূৰণত চৰমভাৱে ব্যৰ্থ হোৱাৰ লগতে অসমবাসীৰ ওপৰত 'কা' আইন জাপি দি যি জাতিধ্বংসী স্থিতি গ্ৰহণ কৰিলে ২০২১ৰ নিৰ্বাচনত অখিল গগৈয়ে প্ৰত্যাহ্বান হিচাপে থিয় হৈ এনেবোৰ বিষয়ক লৈ ৰাজ্য চৰকাৰক শ'লঠেকত পেলাব পাৰে। এই শংকাতে অখিল গগৈৰ ছাঁটোলৈও ভয় কৰি এনে অগণতান্ত্ৰিক আচৰণ কৰিছে বুলি কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে চৰকাৰক সমালোচনা কৰে।

# দেউৰী পৰিষদৰ উপ-নিৰ্বাচন

পৰিষদৰ অধীনত খালী হৈ থকা শদিয়া আৰু চিচিবৰগাঁও সমষ্টি দুটাত শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে। শদিয়াৰ প্ৰতিনিধি অনিল দেউৰী আৰু চিচিবৰগাঁও সমষ্টিৰ প্ৰতিনিধি ৰুক্ম দেউৰীৰ অকাল মৃত্যুৰ পিছত ছমাহতকৈ অধিক কাল দুয়োটা সমষ্টি প্ৰতিনিধিবিহীন হৈ আছে। ক'ৰনা ভাইৰাছ আৰু লকডাউনৰ বাবে নিৰ্বাচন অনুষ্ঠিত নকৰাৰ অজুহাত আছিল যদিও অসম চৰকাৰে বিটিচি পৰিষদ আৰু তিৱা স্বায়ত্ত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জাননী জাৰি কৰিছে। সেয়েহে দেউৰী পৰিষদৰ খালী হৈ থকা দুটা সমষ্টিটো একে সময়তে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ দাবী জনাই মুখ্যমন্ত্ৰীৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰিছে দেউৰী ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি লীলাকান্ত দেউৰী, প্ৰধান সম্পাদক সুমন দেউৰী আৰু প্ৰচাৰ সম্পাদক এল এন দেউৰীয়ে।

# সন্ত্ৰাসবাদক লৈ একজোঁট

প্ৰত্যাহ্বান দিব পৰা যাব। এই সংগঠনৰ জৰিয়তে সদস্য ৰাষ্ট্ৰই লাভৱান্বিত হৈ আছে। কিন্তু সন্ত্ৰাসবাদক লৈ কোনো ধৰণৰ লাভালাভ দেখিবলৈ পোৱা যোৱা নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সংগঠনৰ বাৰ্ষিক অধিৱেশনক সম্বোধন কৰি পাকিস্তানৰ নাম নোলোৱাকৈ ক'লে যে সেই দেশক সকলোৱে দোষী সাব্যস্ত কৰিব লাগে, যি দেশে সন্ত্ৰাসবাদক আশ্ৰয় প্ৰদান কৰি আছে আৰু পোহপালো দি আছে। এই সমস্যাটোৰ পৰা পৰিত্ৰাণ পাবৰ বাবে আমাৰ সকলোৰে একত্ৰিত হোৱাৰ প্ৰয়োজন আছে বুলি প্ৰধানমন্ত্ৰীয়ে নিজৰ মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কিভাৱে ইয়াৰ পৰা পৰিত্ৰাণ পাব পাৰি সেই বিষয়েও জনালে। এই বিষয়টো আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সকলো মঞ্চতে উপস্থাপন হোৱা দেখা যায় আৰু একজোঁট হোৱাৰ কথাও প্ৰকাশ কৰা যায়। এই কথাটো লুকাই থকা নাই যে সন্ত্ৰাসবাদৰ কাৰণে বহুতো দেশৰ অৰ্থনৈতিক দিশত বৰ বেয়াকৈ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। কিন্তু কিছুমান দেশে নিজৰ সাম্ৰাজ্যবাদী নীতিৰ বাবে একত্ৰিত হোৱা দেখা নাযায়। এই সমস্যাৰ পৰা পৰিত্ৰাণ পাবৰ বাবে সংযুক্ত ৰাষ্ট্ৰৰ পক্ষপাতপূৰ্ণ ব্যৱহাৰে বাধা প্ৰদান কৰি আহি আছে। য'ত আমেৰিকা আৰু ব্ৰিটেনৰ নিচিনা দেশ ইয়াৰ পৰা প্ৰভাৱিত হোৱা দেখা যায়। আনফালে, সংযুক্ত ৰাষ্ট্ৰ মহাসভাই এই সমস্যাটোৰ ওপৰত গম্ভীৰ হোৱা পৰিলক্ষিত হৈছে। কিন্তু য'ত তেওঁলোকৰ পৰস্পৰৰ কোনো প্ৰভাৱ নপৰে তাত তেওঁলোকক নৰমভাৱে থকা পৰিলক্ষিত হয়। সেই কাৰণে প্ৰধানমন্ত্ৰীয়ে সংযুক্ত ৰাষ্ট্ৰ মহাসভাৰ নীতিক পৰিৱৰ্তন কৰাৰ পোষকতা কৰিছে। এই কথা সকলো দেশেই জ্ঞাত যে ভাৰতৰ ওপৰত পাকিস্তানৰ পৰা বেছিভাগ সন্ত্ৰাসবাদ হোৱা দেখা যায়। ইয়াৰ বহুতো প্ৰমাণ আছে। যি ভাৰতে সংযুক্ত ৰাষ্ট্ৰ মহাসভাৰ মজিয়াত উপস্থাপন কৰিছে। ভাৰতত হোৱা প্ৰতিটো সন্ত্ৰাসবাদী আক্ৰমণৰ মুৰব্বীসকল পাকিস্তানতে বাহৰ পাতি আছে আৰু তাতে তেওঁলোকে সন্ত্ৰাসবাদৰ শিবিৰ চলাই আছে। ইয়াৰ প্ৰমাণো ভাৰতে সংযুক্ত ৰাষ্ট্ৰ মহাসভাক জমা দিছে। তৎসত্ত্বেও সংযুক্ত ৰাষ্ট্ৰ মহাসভাৰ সদস্য দেশসকলে ইয়াৰ ওপৰত কোনো ধৰণৰ পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই। বিক্স' সংগঠনৰ সদস্য হিচাপে চিনো আছে। ভাৰতৰ লগত বৰ্তমান চীনৰ সম্বন্ধ সিমান ভাল নহয়। চীনে পাকিস্তানক লৈ বেছিভাগেই নৰম দেখা যায়। যেতিয়াই সংযুক্ত ৰাষ্ট্ৰ মহাসভাত পাকিস্তানক বেন (**Banned**) কৰাৰ কথা উল্লেখ হয় চীনে প্ৰথমে ইয়াৰ বিৰোধিতা কৰা দেখা যায়। সেইবাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কথাই তেওঁৰ ওপৰত কিমান প্ৰভাৱ পেলাব সেইটো ক'ব পৰা নাযায়। পাকিস্তান দক্ষিণ এছিয়াত সন্ত্ৰাসবাদক প্ৰশ্ৰয় দিয়া সকলোতকৈ ডাঙৰ শৰণাৰ্থী। পাকিস্তানত সন্ত্ৰাসবাদক প্ৰশিক্ষিত কৰা মুৰব্বীসকল মুকলিকৈ ঘূৰি ফুৰে আৰু অন্য ৰাষ্ট্ৰসমূহক কিভাৱে সৰ্বনাশ কৰিব পাৰি ইয়াৰ পৰিকল্পনা কৰে। সন্ত্ৰাসবাদৰ মাষ্টাৰমাইণ্ড ওচামা বিন লাডেন পাকিস্তানতে শৰণাৰ্থী হৈ আছিল। যেতিয়া আমেৰিকাৰ সৈনিকসকলে তেওঁক মাৰি পেলালে সেই সময়ত সকলো ৰাষ্ট্ৰই এইটো গম পালে যে পাকিস্তানে সন্ত্ৰাসবাদক প্ৰশ্ৰয় দিয়ে। পাকিস্তানৰ সন্ত্ৰাসবাদী গতি-বিধিক লৈ বিশ্বৰ কোনো দেশেই অজ্ঞাত নহয়। সকলো দেশেই এই সত্যটো জ্ঞাত যে পাকিস্তানে কেনেদৰে ভাৰতৰ বিৰুদ্ধে সন্ত্ৰাসবাদক ব্যৱহাৰ কৰে। ইয়াৰ পিছতো কোনেও পাকিস্তানৰ বিৰুদ্ধে কোনো ধৰণৰ পদক্ষেপ লোৱাৰ পৰা বিৰত থাকে। যেতিয়ালৈ আমেৰিকাৰ নিজৰ স্বাৰ্থ পূৰণ হৈ আছিল তেতিয়ালৈকে আমেৰিকাও পাকিস্তানৰ বিৰুদ্ধে মাত মতা নাছিল। এতিয়া চীনে পাকিস্তানক সমৰ্থন কৰি আছে এনে সময়ত প্ৰধানমন্ত্ৰীৰ এই আপিল বেছি গুৰুত্বপূৰ্ণ হৈ গৈছে।



# প্ৰশাসনক ব্যৱহাৰ কৰি, জে'লত

মহকুমা তথা বিটিচিৰ পাঁচ নম্বৰ চৰাইবিল সমষ্টিৰ অন্তৰ্গত বিন্যাখাতাত বিপিএফ দলৰ চৰাইবিল সমষ্টিৰ প্ৰাৰ্থী মৃত্যুঞ্জয় নাৰ্জাৰীৰ সমৰ্থনত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আৰু কয় যে ৰাজ্য চৰকাৰত মিত্ৰ দল হিচাপে থকাৰ পাছতো ৰাজ্যৰ বিত্ত-স্বাস্থ্য- শিক্ষা মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যি ভাষাত আৰু শিষ্টাচাৰহীনভাৱে বিপিএফ দল তথা দলৰ সভাপতি হাগ্ৰামা মহিলাৰীক যি দৰে অপমানজনক বাক্যবাণ কৰি আছে সেয়া দুৰ্ভাগ্যজনক আৰু সুস্থ গণতন্ত্ৰৰ বাবে এক অশনি সংকেত বুলি মন্তব্য কৰে। দীৰ্ঘ সংগ্ৰামৰ পাছত মূলসুঁতিলৈ ঘূৰি আহি ৰাজনীতি কৰাসকলক ক্ষমতাৰ পৰা বঞ্চিত কৰাৰ বাবে চক্ৰান্ত চলাইছে। বিজেপি দলটোৱে কেন্দ্ৰীয় চৰকাৰৰ পৰা স্বায়ত্ত শাসনৰ ক্ষমতা নিজৰ মুঠিত ল'বলৈ আৰু আঞ্চলিক দলসমূহক ধ্বংস কৰিবলৈ সৰ্বগ্ৰাসী নীতি লৈ বিটিচিত ইউপিপিএলৰ বোকোচাত উঠি বিটিচি দখলৰ পৰিকল্পনা কৰিছে। এই পৰিকল্পনা বাস্তৱায়িত কৰাৰ বাবেই কৰ'নাৰ অজুহাতত দীৰ্ঘদিন নিৰ্বাচন স্থগিত ৰাখে। বিটিচিত ৰাজ্যপালৰ শাসন জাপি দি বিপিএফৰ দায়িত্বশীল একাধিক কাৰ্যকৰ্তা তথা শীৰ্ষ নেতাক বিভিন্ন ধৰণে প্ৰৰোচিত-প্ৰলোভিত কৰি আনকি চি বি আই, ই ডি আদিৰ ভয় দেখুৱাই নিজৰ দললৈ টানি বিজেপিৰ ভেটি গঢ়াৰ চেষ্টা চলাইছে। বিজেপিৰ মিত্ৰ দল বিপিএফ এতিয়া হৈ পৰিছে শত্ৰু আৰু ইউপিপিএল হৈ পৰিছে বুকুৰ কুটুম। কিন্তু ইউপিপিএলকো যে বিজেপি দলে গ্ৰাস কৰিব সেয়া কেৱল সময়ৰ অপেক্ষা। বিজেপি দলে বিটিচিত ধৰ্ম আৰু জাত-পাতৰ ৰাজনীতিৰ পাতনি মেলি এক অশান্ত পৰিৱেশ সৃষ্টিৰ চেষ্টা চলাই আছে। একমাত্ৰ ক্ষমতা দখলৰ বাবে এনেকৈ ঘৃণা আৰু হিংসাৰ বাতাবৰণ সৃষ্টি কৰা বিজেপি আৰু ইউপিপিএলৰ প্ৰতি ৰাইজক সজাগ আৰু সচেতন থাকিবলৈ আহ্বান জনায় ড° দৈমাৰীয়ে। ক্ষমতাৰ অপব্যৱহাৰ কৰি আৰু দল ভঙাই বিজেপি দলে ইউপিপিএলৰ বোকোচাত উঠি বিটিচি দখলৰ যি সপোন দেখি আছে বিটিচিবাসী শান্তিকামী আৰু ধৰ্মনিৰপেক্ষ সজাগ ৰাইজে কেতিয়াও সেই সপোনক বাস্তৱায়িত হ'বলৈ নিদিয়ে। হাগ্ৰামা মহিলাৰীয়ে সকলো জাতি-জনগোষ্ঠীৰ সমৰ্থন লৈ পুনৰ বিটিচিৰ শাসন ক্ষমতা লৈ অহাটো নিশ্চিত। বিজেপি দলে এই কথাটো গম পাই এতিয়া মিছা অপপ্ৰচাৰ চলোৱাৰ লগতে বিপিএফ দলৰ নেতা-কৰ্মীক ভয়- ভাবুকি, প্ৰলোভন আদিৰে নিৰস্ত্ৰ কৰাৰ অপচেষ্টা চলাইছে। ৰাজ্যৰ প্ৰভাৱশালী মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি দলৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাসে যিধৰণে বিপিএফ দলৰ বিৰুদ্ধে অশালীন আৰু অপমানজনক ব্যৱহাৰ কৰি আছে সেয়া বিটিচিবাসী ৰাইজৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিপিএফ দলৰ সভাপতিক শিষ্টাচাৰহীনভাৱে এগৰাকী শিক্ষামন্ত্ৰীয়ে যিধৰণৰ অপভাষা প্ৰয়োগ কৰি আছে সেয়া অতি অশোভনীয় আৰু লজ্জাজনক কথা। সভ্য সমাজে কেতিয়াও এইবোৰ মানি নলয় বুলি কয় অঞ্জলি দৈমাৰীয়ে। বিজেপিয়ে বিটিচিৰ শান্ত পৰিৱেশক নষ্ট কৰি ক্ষমতাৰ ৰাগিত যি পাৰে তাকে কৰি আছে। কিন্তু ৰাইজে বিজেপি-ইউপিপিএলৰ এই চক্ৰান্ত আৰু ষড়যন্ত্ৰৰ সমুচিত জবাব দিব। তেওঁ প্ৰসংগক্ৰমে সাংবাদিকৰ আগত পুনৰ কয় যে সুদীৰ্ঘকাল সশস্ত্ৰ সংগ্ৰাম কৰা বিএলটিৰ পৰা জন্ম হোৱা বিপিএফ দলটোক ধ্বংস কৰাৰ পাছত ইউপিপিএলক ধ্বংস কৰি বিজেপি দলে বিটিআৰ পৰিষদখন স্থায়ীভাৱে দখল কৰাৰ পৰিকল্পনা কৰি আছে। বিজেপিৰ এই কূটিল ষড়যন্ত্ৰ বাস্তৱায়িত কৰাৰ বাবে ইউপিপিএলক লগত লৈ তথা নিৰ্বাচনী আয়োগ, আৰক্ষী-প্ৰশাসনক ব্যৱহাৰ কৰি বিটিচি পৰিষদ দখলৰ অভিযানত নামি পৰিছে। বিজেপিৰ এই সৰ্বগ্ৰাসী মানসিকতাৰ বিৰুদ্ধে জাতি-ধৰ্ম তথা দল-সংগঠন নিৰ্বিশেষে সকলোকে আগুৱাই আহিবলৈ আহ্বান জনায়। আঞ্চলিকতাবাদ আৰু স্বকীয় সত্তাক জীয়াই ৰাখিবলৈ হ'লে ইয়াৰ বাহিৰে আৰু গত্যন্তৰ নাই বুলি উল্লেখ কৰে নেত্ৰীগৰাকীয়ে। বিপিএফৰ চৰাইবিল ব্লক সভাপতি বিল্লা কুমাৰ ব্ৰহ্মই পৰিচালনা কৰা সভাত উপস্থিত বিপিএফৰ জ্যেষ্ঠ নেতা তথা কোক্ৰাঝাৰ পশ্চিম সমষ্টিৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে ইউ পি পি এল বিজেপিৰ ওচৰত বিক্ৰী হোৱা বুলি গুৰুতৰ অভিযোগ কৰে। ইউ পি পি এলৰ প্ৰমোদ বড়োৱে বিজেপিৰ ওচৰত আঁঠু লৈ বিটিচিৰ ক্ষমতাত আসীন হোৱাৰ দিবা সপোন দেখিছে। কিন্তু বিটিচিবাসী ৰাইজ এইসকল ক্ষমতালোভী তথা সাম্প্ৰদায়িক শক্তিক কেতিয়াও বিটিচিত প্ৰৱেশ কৰিবলৈ নিদিয়ে। সকলো জাতি-ধৰ্ম, ভাষা-ভাষী লোকৰ মাজত ঐক্য-সম্প্ৰীতি অটুট ৰাখি বিপিএফ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে বিগত সময়ছোৱাত বিটিচিৰ সামগ্ৰিক উন্নয়ন কৰিছে সেই বিষয়ে ৰাইজ অৱগত। যাৰ ফলত ৰাইজৰ সম্পূৰ্ণ আস্থা এতিয়াও হাগ্ৰামাৰ প্ৰতি আছে। বিজেপি আৰু ইউপিপিএলে মিত্ৰতা কৰি যিমানে চক্ৰান্ত-ষড়যন্ত্ৰ নকৰক ৰাইজৰ আশীৰ্বাদত বিপিএফ দলেই বিটিচিত একক সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিব বুলি বিধায়কগৰাকীয়ে দৃঢ়তাৰে কয়। স্বচ্ছ আৰু সুস্থভাৱে নিৰ্বাচন হ'ব নে নাই সেই সম্পৰ্কেও শংকা ব্যক্ত কৰি বিধায়কগৰাকীয়ে স্বাৰ্থলোভী তথা অগণতান্ত্ৰিক এইবোৰ অপশক্তিৰ বিৰুদ্ধে তীক্ষ্ণ নজৰ ৰখাৰ বাবে ৰাইজক আহ্বান জনায়। প্ৰচাৰ সভাখনত প্ৰাৰ্থী মৃত্যুঞ্জয় নাৰ্জাৰী, স্থানীয় বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰী, অবড়ো সুৰক্ষা সমিতিৰ প্ৰাক্তন কেন্দ্ৰীয় নেতা ৰফিক আহমেদ, বাঙালী যুৱ-ছাত্ৰ ফেডাৰেশ্বনৰ নেতৃবৃন্দই বিপিএফ দলক ভোট দিবলৈ অনুৰোধ জনায়।

# বিশ্ব টয়লেট দিৱস ঃ মোদীয়ে যাচিলে শুভেচ্ছা



**নতুন দিল্লী, ১৯ নৱেম্বৰ ঃ** আজি আছিল বিশ্ব টয়লেট অৰ্থাৎ পায়খানা দিৱস। সকলো মানুহে যাতে নৈমিত্তিক কৰ্তব্য সম্পন্ন কৰোতে স্বাস্থ্যসন্মত পৰিৱেশ লাভ কৰে আৰু স্বাস্থ্যসন্মতভাৱে নৈমিত্তিক কৰ্তব্য সম্পন্ন কৰিব পাৰে তাক সজাগ কৰিবৰ বাবেই প্ৰতি বছৰে আজিৰ দিনটো ৱৰ্ল্ড টয়লেট ডে হিচাপে উদযাপন কৰা হয়। এই উপলক্ষে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। দুপৰীয়াৰ ভাগত প্ৰধানমন্ত্ৰীৰ শুভেচ্ছা সম্প্ৰচাৰিত কৰে চৰকাৰৰ সংবাদ কোষে। প্ৰধানমন্ত্ৰীয়ে কয় যে বিগত কেইবছৰত দেশৰ এক কোটিতকৈ অধিক পৰিয়ালক স্বাস্থ্যসন্মত কংক্ৰিটৰ টয়লেট স্থাপনত চৰকাৰে সহায় কৰিছে। ইয়াৰ দ্বাৰা হিতাধিকাৰীসকলৰ স্বাস্থ্য সুৰক্ষিত হৈছে আৰু বিভিন্ন ৰোগৰ পৰা নিজকে ৰক্ষা কৰিবলৈ সক্ষম হৈছে। আগন্তুক সময়তো দেশৰ সকলোৰে পৰিয়ালত যাতে বিজ্ঞানসন্মত টয়লেট সংস্থাপন কৰিব পাৰি তাৰ বাবে চৰকাৰে প্ৰচেষ্টা চলাই যাব। এইক্ষেত্ৰত দেশবাসীকো সহযোগিতাৰ আহ্বান জনালে প্ৰধানমন্ত্ৰীয়ে।

# দুৰ্নীতিত নিমজ্জিত ! পদত্যাগ কৰিবলৈ বাধ্য হ'ল বিহাৰৰ নতুন শিক্ষামন্ত্ৰী মেৱালাল চৌধুৰী

## বিৰোধীৰ প্ৰতিবাদত চৰকাৰ গঠনৰ তিনি দিনতে সেও মানিলে বিজেপি-নীতিশ কুমাৰে

**পাটনা, ১৯ নৱেম্বৰ ঃ** চৰকাৰ গঠন কৰিবলৈ সক্ষম নহ'লেও নতুন চৰকাৰক তিনি দিনতে নতশিৰ কৰিলে বিৰোধীয়ে। ঘটনাটো বিহাৰ প্ৰদেশৰ। যোৱা ১৬ নৱেম্বৰ তাৰিখে বিহাৰত শপত লৈছিল নতুন চৰকাৰে। মুখ্যমন্ত্ৰী নীতিশ কুমাৰ নেতৃত্বাধীন নতুন চৰকাৰৰ শিক্ষামন্ত্ৰীৰ দায়িত্ব লৈছিল ভগলপুৰত অৱস্থিত চাবাউৰ কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য মেৱালাল চৌধুৰীয়ে। কিন্তু ভাগ্য সুপ্ৰসন্ন নহ'ল মেৱালালৰ। বিভিন্ন দুৰ্নীতি আৰু ধন আত্মসাৎৰ গোচৰত অভিযুক্ত হৈ থকা মেৱালালে আজি পদত্যাগ কৰিবলৈ বাধ্য হয়। উল্লেখ্য যে ২০১৭ চনত তদানীন্তন উপাচাৰ্য মেৱালালে নিযুক্তি দিছিল কৃষি বিশ্ববিদ্যালয়খনৰ বিভিন্ন বিভাগত ১৬১ গৰাকী সহকাৰী অধ্যাপক আৰু কনিষ্ঠ বিজ্ঞানীক। এই নিযুক্তিত ধনৰ লেনদেন হৈছিল আৰু অযোগ্য প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছিল। তেতিয়া বিহাৰ প্ৰদেশৰ ৰাজ্যপাল আছিল বৰ্তমানৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ। বিশ্ববিদ্যালয়খনৰ আচাৰ্য পদত থকা তেতিয়াৰ ৰাজ্যপালে মেৱালাল চৌধুৰীৰ বিৰুদ্ধে দিছিল তদন্তৰ নিৰ্দেশ। এই তদন্তত মেলাৱালালৰ দুৰ্নীতি সত্য হিচাপে প্ৰতিপন্ন হৈছিল। যাৰ বাবে নিজৰ চাকৰি হেৰুৱাইছিল তদানীন্তন উপাচাৰ্যজনে। আনকি তেতিয়া বিহাৰ বিজেপিয়ে মেৱালালক সুৰক্ষা দিয়া বুলি তদানীন্তন মুখ্যমন্ত্ৰী নীতিশ কুমাৰক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। এতিয়া সেইজন মেৱালালে নীতিশ কুমাৰ নেতৃত্বাধীন বিজেপি-এনডিএ মৰ্চাৰ চৰকাৰৰ শিক্ষামন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰে। ফলস্বৰূপে বিৰোধী ৰাষ্ট্ৰীয় জনতা দলে মেৱালালৰ কাৰ্যালয় ঘেৰাও কাৰ্যসুচী ৰূপায়ণ কৰে আৰু মেৱালালক বৰ্খাস্তৰ দাবী কৰে। আনকি মুখ্যমন্ত্ৰী নীতিশ কুমাৰে মেৱালালক মুক্ত লুণ্ঠনৰ সুযোগ দিয়া বুলিও কঠোৰ ভাষাৰে সমালোচনা কৰে। অন্য এক লক্ষ্যণীয় বিষয় হ'ল এই যে তেতিয়া সৰৱ হৈ থকা বিজেপিয়ে এতিয়া নিৰুত্তৰ হৈ পৰিছে মেৱালালৰ সম্পৰ্কত। এইক্ষেত্ৰত আৰ জে ডিৰ বিধায়ক তেজস্বী যাদৱৰ উপৰিও কাৰাৰুদ্ধ নেতা লালুপ্ৰসাদ যাদৱে বিহাৰ চৰকাৰৰ লগতে বিজেপিকো সমালোচনা কৰে। বিৰোধী দলবোৰে ৰাইজৰ জ্ঞতাৰ্থে সম্প্ৰচাৰ কৰিছে এটা ভিডিঅ' ক্লিপছ। এই ভিডিঅ'ত বাণীবদ্ধ হৈ আছে মেৱালালে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ সময়ত ভুল কৰাৰ দৃশ্য। জন গণ মন পৰিৱেশনৰ সময়ত মেৱালালে ভুল কৰা দৃশ্য বাণীবদ্ধ কৰা হৈছিল যেতিয়া মেৱালাল আছিল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। এনেকৈয়ে ৰাষ্ট্ৰীয় সংগীতৰ জ্ঞান নথকা আৰু দুৰ্নীতিপৰায়ণ উপাচাৰ্য এজনক শিক্ষামন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰাৰ বিৰুদ্ধে ৰূপায়ণ কৰা প্ৰতিবাদৰ ওচৰত হাৰ মানিলে বিহাৰ চৰকাৰে। যাৰ বাবে ১৬ নৱেম্বৰত শপত লোৱা শিক্ষামন্ত্ৰী মেৱালাল চৌধুৰীয়ে ১৯ নৱেম্বৰত পদত্যাগ কৰিবলৈ বাধ্য হয়।



## সংক্ষিপ্ত সংবাদ


### জিতনৰাম প্ৰটেম অধ্যক্ষ

**পাটনা, ১৯ নৱেম্বৰ ঃ** বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা এন ডি এ মৰ্চাৰ অংশীদাৰ হিন্দুস্তানী আৱাম মৰ্চাৰ মুৰব্বী জিতনৰাম মাঝিক আজি বিহাৰৰ ৰাজ্যপালে বিধানসভাৰ প্ৰটেম অধ্যক্ষ হিচাপে নিযুক্তি দিছে। এই উপলক্ষে ৰাজভৱনত আজি ৰাজ্যপাল ফাগু চৌহানে জিতনৰামক গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। অহা ২৩-২৪ নৱেম্বৰত বিহাৰ বিধানসভাৰ প্ৰথমখন অধিৱেশন আহ্বান কৰা হৈছে। এই অধিৱেশনত বিধায়কসকলে শপতগ্ৰহণ কৰিব লাগিব। ইয়াৰ পিছতে বিধানসভাৰ এজন নতুন অধ্যক্ষ নিৰ্বাচন কৰা হ'ব। এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ সাময়িকভাৱে বিধানসভাৰ জ্যেষ্ঠ আৰু অভিজ্ঞ সদস্য এজনক প্ৰটেম অধ্যক্ষ হিচাপে ৰাজ্যপালে নিযুক্তি দিব লাগে। গতিকে জিতন মাঝিক বিহাৰ বিধানসভাৰ প্ৰটেম অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে।



### নিগেটিভ ছলমান

**মুম্বাই, ১৯ নৱেম্বৰ ঃ** অভিনেতা ছলমান খান ক'ৰ'না ভাইৰাছৰ টেষ্টত নিগেটিভ হ'ল। অৰ্থাৎ তেওঁ কোভিড-১৯ৰ দ্বাৰা সংক্ৰমিত হোৱা নাই। ছলমান খানৰ উপৰিও তেওঁৰ পৰিয়ালৰ অন্যান্য সদস্যসকলকো পৰীক্ষা কৰা হৈছিল। ছলমান খানৰ গাড়ীচালক আৰু সহায়কাৰী দুজন ক'ৰনা ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈছে। ইয়াৰ পিছতে ছলমান খান আৰু তেওঁৰ পৰিয়ালটো ১৪ দিনৰ আইছ'লেচনত আছিল। চিকিৎসকে আজি আৰু পৰীক্ষা কৰি তেওঁলোকৰ আটাইকেইজন ক'ৰ'না ভাইৰাছৰ পৰা সংক্ৰমণমুক্ত বুলি ঘোষণা কৰিছে।



### জৰিমনা দুহাজাৰ টকা

**নতুন দিল্লী, ১৯ নৱেম্বৰ ঃ** দিল্লী চৰকাৰে মাস্ক পৰিধান নকৰা ব্যক্তিৰ বিৰুদ্ধে নতুনকৈ জৰিমনা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি চৰকাৰৰ নীতি ব্যাখ্যা কৰ কয় যে দিল্লী প্ৰদেশত শেহতীয়াকৈ ক'ৰ'নাত সংক্ৰমিত ব্যক্তিৰ সংখ্যা বৃদ্ধি পাইছে। লগতে মৃতকৰ সংখ্যাও বাঢ়িছে। বৰ্তমানলৈকে কোনো ধৰণৰ প্ৰতিষেধক বা ঔষধ ওলোৱা নাই ক'ৰ'না ভাইৰাছ নিয়ন্ত্ৰণৰ বাবে। সেয়েহে ঘৰৰ পৰা বাহিৰলৈ ওলালেই সকলোৱে ৰাজহুৱা স্থান বা কৰ্মক্ষেত্ৰত মাস্ক পৰিধান কৰি নিজৰ লগতে অন্যান্য সকলকো সংক্ৰমণৰ পৰা সুৰক্ষিত ৰাখিব লাগে। অন্যথা ৰাজহুৱা স্থানত মাস্ক পৰিধান নকৰা সকলৰ পৰা ২০০০ টকাকৈ জৰিমনা আদায় কৰা হ'ব এবাৰ আইন অমান্য কৰিলে। এবাৰতকৈ অধিক আইন অমান্য কৰাসকলৰ পৰা দুগুণতকৈ অধিক জৰিমনা মাছুল আদায় কৰা হ'ব। পূৰ্বে মাস্ক পৰিধান নকৰাসকলে দিব লাগিছিল ৫০০ টকাৰ জৰিমনা। একেজন ব্যক্তিয়ে যদি সঘনাই আইন ভংগ কৰে তেনেহ'লে তেওঁক কাৰাগাৰলৈ নিক্ষেপ কৰা হ'ব বুলিও দিল্লীৰ মুখ্যমন্ত্ৰীয়ে সকিয়াই দিছে।



### বীমাৰ ধন

**নতুন দিল্লী, ১৯ নৱেম্বৰ ঃ** স্বাস্থ্য, জীৱন আৰু সাধাৰণ বীমাৰ নিয়ামক আয়োগে ঘোষণা কৰা অনুসৰি যিসকল বীমাকাৰীৰ জমা ধন দহ বছৰ ধৰি মোকলাই নিয়া নাই তেওঁলোকৰ সমুদায় ধন জ্যেষ্ঠ নাগৰিক কল্যাণ ফাণ্ডলৈ পৰিৱতন কৰা হ'ব। প্ৰতি বছৰে এক এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ দহ বছৰীয়া আৰু দাবীবিহীন বীমাৰ ধনৰাশি পৰিৱৰ্তন কৰা হ'ব। সেয়েহে জমাকাৰীসকলে বীমাৰ ধন মেছিউৰ্ড হোৱাৰ পিছত মোকলাই নিবলৈ আহ্বান জনোৱা হৈছে।



*দক্ষিণ-পশ্চিম চীনৰ বাজী গাঁৱৰ পৰম্পৰাগত নতুন বৰ্ষ অৰ্থাৎ গংবু নিউ ইয়েৰ উদ্‌যাপনৰ দৃশ্য*

# দুই কিলো ওজনৰ উল্কাপিণ্ড

## ৰাতিৰ ভিতৰতে দহ কোটিৰ গৰাকী হ'ল এজন কফিন মিস্ত্ৰী

**কলাং, ১৯ নৱেম্বৰ ঃ** উত্তৰ সুমাত্ৰা অঞ্চলৰ বাসিন্দা আৰু মৃতদেহ ভৰাবৰ বাবে প্ৰস্তুত কৰা কফিনৰ এজন মিস্ত্ৰীৰ জীৱন সলনি কৰিলে এটুকুৰা উল্কাপিণ্ডই। প্ৰাপ্ত তথ্য মতে ৩৩ বছৰ বয়সীয়া যশোৱা সুতাগালুং নামৰ কফিন তৈয়াৰ কৰা মিস্ত্ৰীজন নিজৰ কোঠাত কামত নিমগ্ন আছিল। তেনে সময়তে তেওঁৰ ঘৰৰ চালত প্ৰচণ্ড শব্দৰে খুন্দা মাৰি মজিয়াৰ মাটিৰ তললৈ সোমাই গ'ল এটা শিলৰ টুকুৰা। দেখাত শিলৰ টুকুৰা যেন লাগিলেও এইটো আছিল উল্কাপিণ্ডৰ পাথৰ। এই পাথৰটোৱে মজিয়াৰ ভূমিত ১৫ ছেণ্টিমিটাৰ পৰ্যন্ত সোমাই গৈছিল। পিছত মাটি খনন কৰি উদ্ধাৰ কৰা পাথৰটোৰ মূল্যই ভাগ্য সলনি কৰিলে কফিন মিস্ত্ৰীজনৰ। উক্ত ২.১ কেজি ওজনৰ উল্কাপিণ্ডটোৰ দাম ভাৰতীয় টকাৰ মূল্যত দহ কোটিতকৈয়ো অধিক হ'ব বুলি কোৱা হৈছে। প্ৰতিগ্ৰাম উল্কাপিণ্ডৰ মূল্য ১.৮৫ নিযুত আমেৰিকান ডলাৰৰ পৰা ৮৫৭ আমেৰিকান ডলাৰ। আনকি উল্কাপিণ্ডৰ আকাৰ আৰু আয়তন যিমানেই ডাঙৰ হয় সিমানেই মূল্য বৃদ্ধি হয় বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে কফিন মিস্ত্ৰীজনৰ ঘৰত উপলব্ধ হোৱা উল্কাপিণ্ডটোৰ বয়স ৪.৫ বিলিয়ন বছৰ বুলি ঠাৱৰ কৰা হৈছে। এজন সাধাৰণ কফিন মিস্ত্ৰী যিয়ে দিনৰ দিনটো কফিন তৈয়াৰ কৰে মৃতদেহ কৱৰস্থ কৰিবৰ বাবে, সেইজন কফিনমিস্ত্ৰী ৰাজিৰ ভিতৰতে দহ কোটি টকাতকৈ অধিক ধনৰ গৰাকী হৈ পৰিল। এই কাৰ্যই স্বাভাৱিকতে নৰ্থ সুমাত্ৰা অঞ্চলতস সৃষ্টি কৰিছে তীব্ৰ উৎসুকতাৰ।



# মুম্বাই কাণ্ডৰ নায়ক হাফিজ ছয়ীদক চাৰে দহ বছৰ কাৰাদণ্ড

## পাকিস্তানৰ এণ্টি টেৰ'ৰিজম ক'ৰ্টৰ ৰায়

**মুম্বাই, ১৯ নৱেম্বৰ ঃ** মুম্বাইৰ ২৬/১১ আক্ৰমণৰ মূল মাষ্টাৰমাইণ্ড তথা জামাত-উড-দাৱা নামৰ সন্ত্ৰাসবাদী সংগঠনটোৰ মুৰব্বী হাফিজ ছয়ীদক দহ বছৰ ছয় মাহৰ সশ্ৰম কাৰাদণ্ড বিহা হৈছে। লাহোৰত অৱস্থিত পাকিস্তান এণ্টি টেৰ'ৰিজম আদালতে আজি এই ৰায় ঘোষণা কৰে। উল্লেখ্য যে এইজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীৰ পৰিকল্পনা মতেই মুম্বাইত তাজ হোটেল চৌহদ আৰু সমীপৱৰ্তী অঞ্চলত পাকিস্তানী উগ্ৰবাদীয়ে আক্ৰমণ চলাইছিল। এই ঘটনাত হাফিজ ছয়ীদ জড়িত আছে বুলি ধৃত সন্ত্ৰাসবাদীৰ স্বীকাৰোক্তিত প্ৰকাশ পাইছে। হাফিজ ছয়ীদৰ লগতে একেটা সংগঠনৰ অন্যান্য সদস্য জাফাৰ ইকবাল, আহিয়া মুজাহিদ নামৰ দুজনকো সমপৰিমাণৰ কাৰাদণ্ড বিহিছে। ইতিমধ্যে হাফিজ ছয়ীদৰ বিৰুদ্ধে ৪১টা গোচৰ ৰুজু হৈ আছে। এসময়ত লস্কৰ -ই- তৈবাৰ হৈ ভাৰতত বিভিন্ন কুটাঘাতৰ পৰিকল্পনা কৰিছিল হাফিজ ছয়ীদে। পিছত তেওঁ জামাত উড দাৱা নামৰ সংগঠনটোৰ সৈতে চামিল হয়। এইজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীক ২০১৯ বৰ্ষৰ ১৭ জুলাই তাৰিখে পাকিস্তানে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এই সময়ছোৱাত তেওঁৰ বিৰুদ্ধে বিভিন্ন থানাত গোচৰ ৰুজু কৰা হৈছে। উল্লেখ্য যে ২০০৮ চনৰ ২৬ নৱেম্বৰ তাৰিখে সংঘটিত এই আক্ৰমণৰ ঘটনাত ১৬৬ জন লোকৰ প্ৰাণ হানি হৈছিল। সম্প্ৰতি লাহোৱাৰ সমীপৰ এখন কাৰাগাৰত থকা হাফিজ ছয়ীদৰ প্ৰতি পাকিস্তান চৰকাৰে কোমল মনোভাৱ পোষণ কৰি অহাৰ অভিযোগ আছে।



# জম্মুৰ টোলগেটত সংঘৰ্ষ, আৰক্ষীৰ গুলীত নিহত হ'ল চাৰি সন্ত্ৰাসবাদী

**জম্মু, ১৯ নৱেম্বৰ ঃ** জম্মুৰ এটা ৰাষ্ট্ৰীয় ঘাইপথত স্থাপন কৰা টোলগেটত হঠাতে সংঘৰ্ষৰ সূত্ৰপাত হয়। এখন ট্ৰাকৰ ভিতৰত আত্মগোপন কৰি অহা জইছ-ই-মহম্মদৰ সন্ত্ৰাসবাদীয়ে টোলগেটৰ নিৰাপত্তাৰক্ষীক লক্ষ্য কৰি গুলীচালনা কৰে। লগে লগে প্ৰত্যাক্ৰমণ টোলগেটত পৰীক্ষাৰ সময়ত তেওঁলোকে পৰীক্ষাকাৰীলৈ লক্ষ্য কৰি গুলীচালনা কৰে। লগতে সেই স্থানৰ পৰা পলায়ন কৰে। কিন্তু কৰ্তব্যত নিয়োজিত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে ওলোটাই গুলীচালনা কৰে।







কৰে আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে। ফলত চাৰিটা সন্ত্ৰাসবাদী নিহত হয়। এই ঘটনাত টোলগেটৰ দুজন কৰ্মচাৰীও আঘাতপ্ৰাপ্ত হয়। প্ৰাপ্ত তথ্যমতে জম্মু-কাশ্মীৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ নাগৰোটা টোলগেটত এই ঘটনা সংঘটিত হৈছিল। এই সম্পৰ্কত স্থানীয় আৰক্ষী অধীক্ষক দিলবাগ সিঙে কয় যে চম্বা খণ্ডৰ পৰা এখন ট্ৰাকত উগ্ৰপন্থীকেইটাই যাতায়াত কৰিছিল। কিন্তু যাৰবাবে ঘটনাস্থলীতে জইছ ই মহম্মদৰ চাৰি সদস্য নিহত হয়। ঘটনাটোত পুৱা পাঁচ বজাতে সংঘটিত হৈছিল আৰু সেই সময়তে ৰাষ্ট্ৰীয় ঘাইপথটো কুঁৱলীৰে আৱৰি আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ইফালে সন্ত্ৰাসবাদীৰ আক্ৰমণত আঘাতপ্ৰাপ্ত হোৱা টোলগেটৰ কৰ্মচাৰী কুলদীপ ৰাজ আৰু মহম্মদ ইছাক মালিকক উন্নত চিকিৎসাৰ বাবে জম্মুৰ ৰাজ্যিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।

# ৩-৪ মাহৰ ভিতৰত উভৈনদী হ'ব কৰ'না ভেকচিন

## অগ্ৰাধিকাৰৰ ভিত্তিত দেশবাসীয়ে লাভ কৰিব সুবিধা ঃ হৰ্ষবৰ্ধন



**নতুন দিল্লী, ১৯ নৱেম্বৰ ঃ** আগন্তুক ৩-৪ মাহৰ ভিতৰত ক'ৰ'না ভাইৰাছৰ ভেকছিন উভৈনদী হৈ পৰিব। দেশবাসীয়ে পৰ্যায়ক্ৰমে এই ভেকচিন লাভ কৰিব। এই কথা প্ৰকাশ কৰিছে কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী হৰ্ষবৰ্ধনে। আজি এখন ৱেবিনাৰত অংশগ্ৰহণ কৰি তেওঁ কয় যে পৰৱৰ্তী চমু সময়ৰ ভিতৰতে এই ভেকচিন ভাৰতৰ লগতে বিশ্ববাসীয়ে লাভ কৰাটো নিশ্চিত। কিন্তু কেনেকৈ এই ভেকচিন বিতৰণ কৰা হ'ব সেই ক্ষেত্ৰত চৰকাৰে ইতিপূৰ্বে নীতি প্ৰস্তুত কৰিছে। এই বিষয়ত একাধিকবাৰ ইংগিত দিয়া হৈছে। আগন্তুক ২০২১ বৰ্ষৰ জুলাই-আগষ্ট মাহৰ ভিতৰত কমেও ৪০০-৫০০ ড'জ ভেকচিন উপলব্ধ হ'ব আৰু দেশৰ ২৫-৩০ কোটি লোক ইয়াৰ দ্বাৰা উপকৃত হ'ব। প্ৰথম অৱস্থাত ক'ৰ'ণা যোদ্ধাসকলক এই ভেকচিন প্ৰদান কৰা হ'ব। ইয়াৰ পিছত ৬৫ বছৰ বয়সৰ উৰ্ধৰ ব্যক্তিসকলক দিয়া হ'ব। যিসকলৰ বয়স ৫০-৬৫ বছৰ তেওঁলোকেও পিছৰ পৰ্যায়ত ভেকচিন লাভ কৰিব। কিন্তু ৫০ বছৰৰ তলৰ বয়সৰ লোকসকলে, যাৰ কোনো ৰোগ-ব্যাধি নাই তেওঁলোকে ধীৰে স্থিৰে এই ভেকচিন গ্ৰহণ কৰিলেও আপত্তি নাথাকে। আনহাতে ৰোগত আক্ৰান্তসকলক চিকিৎসকৰ পৰামৰ্শ অনুসৰি অগ্ৰাধিকাৰ ভিত্তিত ভেকচিন প্ৰদান কৰা হ'ব। উল্লেখ্য যে ভাৰতত ক'ৰ'না ভাইৰাছৰ সংক্ৰমিতৰ সংখ্যা ৮৯,৫৮,৪৮৩ জন হ'লগৈ আজিৰ তাৰিখত। আজিৰ দিনটোত সংক্ৰমিতৰ সংখ্যা ৪৫,৫৭৬ জন। আনহাতে আৰোগ্যৰ হাৰ হৈছে ৯৪.৫ শতাংশ।

# এষ্ট্ৰাজেনেকা ৯৯ শতাংশ সুৰক্ষিত !

**নতুন দিল্লী, ১৯ নৱেম্বৰ ঃ** অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অধীনত প্ৰস্তুত কৰা এষ্ট্ৰজেনেকা নামৰ ক'ভিড ভেকচিন ৯৯ শতাংশ সুৰক্ষিত বুলি দাবী কৰিছে প্ৰতিষ্ঠানটোৱে। বিশেষকৈ প্ৰাপ্তবয়স্ক আৰু বয়োজ্যেষ্ঠসকলৰ ক্ষেত্ৰত সম্পূৰ্ণ সুৰক্ষিত বুলি দাবী কৰিছে। চলিত বৰ্ষৰ মে'-আগষ্ট মাহৰ ভিতৰত ভাৰতত এষ্ট্ৰাজেনেকাই ৫৬০জন ব্যক্তিৰ শৰীৰত দ্বিতীয় পৰ্যায়ৰ সম্পৰীক্ষা চলাইছিল। বিভিন্ন বয়সভেদে, ৫০ বছৰৰ অধিক, ৬০ বছৰৰ অধিক, ৭০ বছৰৰ অধিক আদি বিভক্ত কৰি মানৱ শৰীৰত সম্পৰীক্ষা কৰা হৈছিল। কিন্তু এনেধৰণৰ সম্পৰীক্ষাত সকলো ফলাফল পাৰ্শ্বক্ৰিয়াবিহীন আৰু সফল হিচাপে পৰিগণিত হৈছে। অক্সফোৰ্ড ভেকচিন গোচৰ সঞ্চালক এণ্ড্ৰিউ পোলাৰ্ডে ইতিমধ্যে বিবিচি অনাতাঁৰ যোগে এই দাবী কৰিছে। গতিকে অস্কফোৰ্ড কোভিড ভেকচিন ৰাইজৰ বাবে মোকলাই দিয়া হ'ব চলিত বৰ্ষৰ বৰদিন অৰ্থাৎ ২৫ ডিচেম্বৰৰ পুৰ্বেই। উল্লেখ্য যে ইতিধ্যে ভাৰতৰ বায়'টক আৰু আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ মডেৰ্না নামৰ প্ৰতিষ্ঠান দুটায়ো তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষা অব্যাহত ৰাখিছে। তেওঁলোকেও আগন্তুক বৰ্ষৰ আৰম্ভণিতে কোভিড ভেকচিন প্ৰস্তুত কৰি উলিয়াবলৈ সক্ষম হ'ব বুলি দাবী কৰিছে।

# সেনা বিষয়াৰ অৱসৰৰ বয়স ১-৩ বছৰ বৃদ্ধিৰ প্ৰয়াস

**নতুন দিল্লী, ১৯ নৱেম্বৰ ঃ** মিলিটেৰী পৰিক্ৰমা বিভাগৰ প্ৰস্তাৱ মৰ্মে অচিৰেই দেশৰ তিনিওটা শাখাৰ সেনা বিষয়াৰ অৱসৰৰ বয়স বৃদ্ধিৰ সিদ্ধান্ত চূড়ান্ত কৰা হ'ব। এইক্ষেত্ৰত চীফ অব ডিফেন্স ষ্টাফ জেনেৰেল বিপিন ৰাৱাটে সেউজ সংকেত প্ৰদান কৰিছে। ২০২১ বৰ্ষৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ এই নতুন প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। সেই অনুসৰি তিনিওটা বিভাগৰে কৰ্ণেল, ব্ৰিগেডিয়াৰ আৰু মেজৰ জেনেৰেল তথা সমমৰ্যাদাৰ বিষয়াসকল উপকৃত হ'ব। প্ৰাপ্ত তথ্য মতে বৰ্তমান সেনাবাহিনীৰ কৰ্ণেল আৰু বায়ুসেনা তথা নৌ সেনাৰ সমমৰ্যাদাৰ বিষয়াৰ অৱসৰৰ বয়স হ'ল ৫৪ বছৰ। তেওঁলোকৰ অৱসৰৰ বয়স তিনি বছৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ আছে। সেনাৰ ব্ৰিগেডিয়াৰ আৰু নৌ-বায়ু সেনাৰ সম মৰ্যাদাৰ বিষয়াৰ অৱসৰৰ বয়স ৫৬ বছৰ। দুবছৰ বৃদ্ধি কৰি তেওঁলোকৰ অৱসৰ ৫৮ বছৰলৈ আগুৱাই নিয়া হ'ব। মেজৰ জেনেৰেল পৰ্যায়ৰ বিষয়াৰ অৱসৰৰ বয়স ৫৮ যদিও এবছৰ বৃদ্ধি কৰি ৫৯ কৰা হ'ব। অৱশ্যে লেঃজেনেৰেলৰ অৱসৰৰ বয়স বৰ্তমানৰ ৬০ বছৰেই বাহাল থাকিব।





*বেম্বু নৃত্য প্ৰতিযোগিতা ঃ চীনৰ হেনান প্ৰদেশৰ বাউটিংলি আৰু মিয়াও স্বায়ত্ত পৰিষদৰ অধীনস্থ বিদ্যালয়সমূহত*

# বিশিষ্ট ফটো সাংবাদিক, সাহিত্যিক মহেশ চন্দ্ৰ মেধিৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** বিশিষ্ট ফটো সাংবাদিক, সাহিত্যিক মহেশ চন্দ্ৰ মেধিৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। বুধবাৰে এক শোক বাৰ্তাযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত মহেশ চন্দ্ৰ মেধিয়ে সংবাদ আৰু সাহিত্য জগতলৈ যি অৱদান আগবঢ়াই গ'ল, সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত মহেশ চন্দ্ৰ মেধিয়ে সংবাদ পৰিৱেশন তথা সাংবাদিকতাৰ কৰ্মৰাজিত সুস্থ সাংবাদিকতাৰ নীতি আৰু আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে। প্ৰয়াত মেধিয়ে সংবাদসেৱাৰ লগতে সৃষ্টিশীল লেখনিৰে অসমৰ সাহিত্য ক্ষেত্ৰলৈ বহুমূলীয়া অৱদান আগবঢ়াই গৈছে। কেবাখনো গ্ৰন্থ, আলোচনী প্ৰকাশ আৰু সম্পাদনাৰে ৰাজ্যৰ সাহিত্য ক্ষেত্ৰক সমৃদ্ধ কৰি তোলাত তেখেতে অৰিহণা আগবঢ়াই গৈছে। ছাত্ৰ অৱস্থাৰে পৰা বিভিন্ন সামাজিক সংগঠনৰ সৈতে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ বাবে প্ৰয়াত মেধিয়ে কাম কৰি গৈছে। এই গৰাকী ফটো সাংবাদিক তথা সাহিত্যিকৰ মৃত্যু আমাৰ সমাজজীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত মহেশ চন্দ্ৰ মেধিৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। বিশিষ্ট ফটো সাংবাদিক, সাহিত্যিক মহেশ চন্দ্ৰ মেধিৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। এক শোক বাৰ্তাত মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে প্ৰয়াত মেধিয়ে ৰাজ্যৰ সংবাদ জগতলৈ যথেষ্ট বৰঙণি যোগাই গৈছে। এইগৰাকী সাংবাদিকে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাতৰিকাকতৰ জৰিয়তে অসমৰ সমস্যাৰাজি ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰিছিল। মিডিয়া উপদেষ্টাগৰাকীয়ে লগতে কয় যে প্ৰয়াত মেধিয়ে বিভিন্ন গ্ৰন্থ ৰচনা কৰি আমাৰ সাহিত্য জগতলৈও বিশিষ্ট বৰঙণি আগবঢ়াই গৈছে। মিডিয়া উপদেষ্টাগৰাকীয়ে প্ৰয়াত মহেশ চন্দ্ৰ মেধিৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে বিশিষ্ট সংবাদসেৱী তথা সমাজ সচেতন ব্যক্তি হিচাপে সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে আয়োজন কৰা 'ৰাষ্ট্ৰীয় প্ৰেছ দিৱস-২০২০' অনুষ্ঠানত প্ৰয়াত মহেশ চন্দ্ৰ মেধিক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সম্বৰ্দ্ধনা জ্ঞাপন কৰিছিল।

# মেৰাপানীত নগা আইআৰবিএন জোৱানৰ অতপালি

## অসমীয়া ব্যৱসায়ীক আক্ৰমণ কৰি ভাঙিলে নাক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৯ নৱেম্বৰ ঃ** অসম আৰু অসমীয়াই যিমানেই সম্প্ৰীতি গঢ়ি শান্তিপূৰ্ণভাৱে বসবাস কৰিবলৈ বিচাৰিলেও যুযুধান নগাই অসম-নগা সীমান্তৰ মেৰাপানীৰ আৰক্ষী থানাৰ অন্তৰ্গত ভেলৌগুৰি চাৰিআলিৰ ক্ষীৰোদ গগৈ নামৰ এজন অসমীয়া ব্যৱসায়ীক আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। তথ্য অনুসৰি, নাগালেণ্ডৰ কৰ্মৰত নগা আইআৰবিএনৰ দুজন জোৱানে ক্ষীৰোদ গগৈৰ দোকানত পান কিনিবলৈ আহি পানৰ দামদৰ কৰি থাকোতে বেচি দাম হৈছে বুলি কাজিয়া কৰি অসমীয়া ব্যৱসায়ীজনক ঘুঁচিয়াই নাক ভাঙি দিয়াত ব্যৱসায়ীজন গুৰুতৰভাৱে আহত হয় আৰু মেৰাপানী সমূহীয়া চিকিৎসালয়ত ভৰ্তি কৰায়। ইফালে নগা আইআৰবিএন জোৱানৰ এনে উপদ্ৰৱ দেখি স্থানীয় ৰাইজে খেদি খেদি নগা জোৱান দুজনক আটক কৰি উত্তম-মাধ্যম শোধোৱাৰ পাছত মেৰাপানীৰ ডি চেক্টৰৰ চিআৰপি এফ আৰু মেৰাপানী আৰক্ষীয়ে নগা জোৱান দুজনক উদ্ধাৰ কৰি মেৰাপানীৰ থানালৈ আনে আৰু ইয়াৰে PP Achuroni জনবতৰ আৰু আনজন ডিমাপুৰৰ Memo Solie বুলি জানিব পৰা গৈছে। আনহাতে ভেলৌগুৰি চাৰিআলিৰ ক্ষীৰোদ গগৈক উন্নত চিকিৎসাৰ বাবে গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে ক্ষীৰোদ গগৈ পৰিয়ালে মেৰাপানীৰ আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰিছে।

## শিক্ষা উন্নয়নৰ ওপৰত সজাগতা সভা

# ৮ বছৰ আগতে অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষকক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৯ নৱেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ তিতাগুৰি শিক্ষা খণ্ডৰ অন্তৰ্গত ৪৯৯নং ভূমকী প্ৰাথমিক বিদ্যালয় চৌহদত গ্ৰাম্যাঞ্চলত শিক্ষাৰ উন্নয়নৰ ওপৰত এক সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নবীন বাছকেৰ সভাপতিত্বত অনুষ্ঠিত সভাত পিছপৰা গ্ৰামাঞ্চলত শিক্ষাৰ উন্নয়নৰ ওপৰত বিশেষকৈ অভিভাৱকৰ হৃদয়গ্ৰাহীকৈ অসমীয়া আৰু চাওতালী ভাষাত তাত্বিক বক্তব্য আগবঢ়ায় লক্ষ্মীৰাম হাসদাই। শিক্ষাত আগুৱাই নিবলৈ হ'লে অভিভাৱকসকল সচেতন হোৱাৰ বাহিৰে বিকল্প নাই বুলি উল্লেখ কৰি চাওতাল আৰু কোচঁৰাজবংশী সমাজত অবাধ প্ৰচলন হোৱা মদ্যপান ৰোধ কৰিব লাগিব বুলি দৃঢ়তাৰে কয়। মদ্যপানে সংসাৰ ধ্বংস কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত বাধাৰ সৃষ্টি কৰে বুলিও তেওঁ কয়। সভাত শিক্ষক হিচাপে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা ছেদামাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কৃষ্ণ কান্ত দাস, যুদ্ধ বিৰতিত থকা বীৰছা কমাণ্ড ফ'ৰ্চৰ অধ্যক্ষ দুৰ্গা হাসদা, সংবাদাতা ভৃগুমুণি ৰায় আদিয়ে বিষয় বস্তুৰ ওপৰত বক্তব্য দাঙি ধৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰঞ্জিত কুমাৰ ৰায়ে আতধৰা অনুষ্ঠানটিত উক্ত বিদ্যালয়ৰ পৰা আঠ বছৰ আগতে প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা ঋষি মোহন নাথক ফুলাম গামোছা, শিৱপূৰাণ ধৰ্মীয় গ্ৰন্থ, ছাটি আদি প্ৰদান কৰি উষ্ম সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটিত বাসুগাঁও গুৰুকুল নেচনেল স্কুলৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰী নিলাক্ষী ৰায়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীত আৰু নৃত্য প্ৰদৰ্শন কৰে। প্ৰধান শিক্ষক ৰঞ্জিত কুমাৰ ৰায়ৰ বিশেষ তৎপৰতাত সভাখন সাফল্য মণ্ডিত হোৱাত গাঁওবাসী ৰাইজ সন্তোষ প্ৰকাশ কৰে।

# মৰিগাঁৱত প্ৰবীণ সাংবাদিক, সাহিত্যিক, শিক্ষাবিদক সম্বৰ্ধনা ৰাজ্যিক সাংবাদিক সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ নৱেম্বৰ ঃ** ৰাজ্যখনৰ ভিন্ন জিলাৰ লগতে মৰিগাঁৱতো অসম ৰাজ্যিক সাংবাদিক সন্থাই ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ দিনা জিলা খনৰ কেইবা গৰাকী প্ৰবীন সাংবাদিক, সাহিত্যিক আৰু শিক্ষাবিদক সম্বৰ্ধনা জনায়। ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে মৰিগাঁও জিলা সমিতিয়ে জিলাখনৰ প্ৰবীন সাংবাদিক, সাহিত্যিক, শিক্ষাবিদ নৱ কান্ত বৰদলৈ, শিশু সাহিত্যিক তথা চৰাই বাহী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা অনিতা হাজৰিকা আৰু সাহিত্যিক চৰাই বাহী মহাবিদ্যালয় অধ্যক্ষ ড° কমল চন্দ্ৰ নাথক একোখনকৈ মান পত্ৰ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সৃষ্টিশীল লেখনি, সাহিত্য চৰ্চা আৰু সাংবাদিকতাৰে মৰিগাঁৱৰ সমাজিক ক্ষেত্ৰ খনলৈ অনবদ্য অবদান আগবঢ়োৱা নব কান্ত বৰদলৈৰ ঘৰলৈ গৈ ৰাজ্যিক সাংবদিক সন্থাৰ কৰ্মকৰ্তা সকলে ৰাষ্ট্ৰীয় প্ৰেছ দিবসৰ শুভেচ্চা জ্ঞাপন কৰাৰ লগতে সম্বৰ্ধনা জনায়। একেদৰে সাহিত্যিক, শিক্ষাবিদ ড° কমল চন্দ্ৰ নাথ আৰু অনিতা হাজৰিকাকো তেওঁলোকৰ নিজা বাস ভৱনত সাক্ষাৎ কৰি সম্বৰ্ধনা জনায়। উল্লেখ্য যে সাংবাদিক, সাহিত্যিক, শিক্ষাবিদ কেই গৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰা দলটোত আছিল অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকা, জিলা সমিতিৰ ভা:পা: সম্পাদক মিণ্টু মেধি, সহকাৰী সম্পাদক ভৱেন চন্দ্ৰ নাথ, সাংগঠনিক সম্পাদক আবুল কালাম, কাৰ্যনিবাহক বিষ্ণু ডেকা, আমিৰুল ইছলাম আৰু অলি উল্লাহ খান আৰু ধৰণী ডেকা।

# পশ্চিম ব্ৰহ্মপুত্ৰত ব্যক্তিগত পুথিভঁৰালৰ বৰ্ষপূৰ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৯ নৱেম্বৰ ঃ** গ্ৰন্থ সংৰক্ষণত গুৰুত্ব দি অহা পশ্চিম ব্ৰহ্মপুত্ৰৰ খকন্দগুৰিৰ অৱসৰ প্ৰাপ্ত শিক্ষক পদ্মধৰ বৰাই সৰুৰে পৰা পুহি ৰখা এটা প্ৰৱল ইচ্ছা সাৰ্থক হ'ল। ২০১৯ চনৰ ১৭ নৱেম্বৰত নিজা ঘৰত স্থাপন কৰা ব্যক্তিগত পুথিভঁৰাল 'হীৰা পুস্তকালয়ে' পালে সাকাৰ ৰূপ। এবছৰ পূৰ্বে স্থাপন হোৱা পুথিভঁৰালটোৰ বৰ্ষপূৰ্তি অনুষ্ঠানত পুথিভঁৰালৰ প্ৰতিষ্ঠাপক ড° এচ আৰ ৰঙ্গনাথনৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে টুনিৰাম ফুকনে। অৱসৰপ্ৰাপ্ত শিক্ষক ত্ৰৈলোক্যনাথ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত পুথিভঁৰালৰ স্বত্বাধিকাৰী পদ্মধৰ বৰাই আদৰণি ভাষণ প্ৰদান কৰি হীৰা পুস্তকালয় সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠান উদ্বোধন কৰি উদয়ন একাডেমী দেৰগাঁৱৰ অধ্যক্ষ ভাস্কৰজ্যোতি বৰাই কয়যে অন্য নিচা সেৱনে মানুহক অচেতন কৰে। কিন্তু গ্ৰন্থৰ নিচাই সভ্যতাক নতুন পথৰ সন্ধান দিয়ে। মুখ্য অতিথি ৰূপে বক্তব্য প্ৰদান কৰি দেৰগাঁও সাহিত্য সভাৰ সভাপতি প্ৰভাত চন্দ্ৰ মহন্তই গ্ৰন্থ সভ্যতাৰ বাহক বুলি কয়। অসম আৰক্ষীৰ অনাতাঁৰ কাৰ্যালয় দেৰগাঁৱৰ পৰিদৰ্শক দেবজিৎ হাজৰিকাই তেখেতৰ পুৰস্কাৰ প্ৰাপ্ত গল্প পাঠ কৰে। অৱসৰ প্ৰাপ্ত শিক্ষক, সাংবাদিক বুবুল দত্তই পুথি অধ্যয়নৰ বাবে বৰ্তমান নৱ প্ৰজন্মৰ এটা অংশই পৰিৱেশ সৃষ্টি কৰাৰ কথা উল্লেখ কৰি আৰক্ষীৰ মাজতো অভিজাত সাহিত্যিক সৃষ্টিয়ে অসমীয়া সাহিত্যক চহকী কৰিছে বুলি উল্লেখ কৰে। গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদিকা বন্তি বৰাই পদ্মধৰ বৰাই গঢ়ি দিয়া সুবিধা গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক অৰূপ কুমাৰ বৰায়ো হীৰা পুস্তকালয়ে ব্ৰহ্মপুত্ৰ অঞ্চলত প্ৰজ্ঞাৰ প্ৰবাহ আনিব বুলি কয়। মৃদুস্মন্ত বৰুৱাই সভাৰ আঁত ধৰে।

# নাবাৰ্ডৰ উদ্যোগত গাঁও পৰ্যায়ৰ অনাময় অভিযান সন্দৰ্ভত সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোঁৱৰপুৰ, ১৯ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক চমুকৈ নাবাৰ্ডৰ উদ্যোগত শিৱসাগৰ জিলাৰ বেচৰকাৰী অনুষ্ঠান কৃষক ন্যাসৰ সহযোগত গৌৰীসাগৰ বহুমুখী প্ৰকল্প ভৱনত গাঁও পৰ্যায়ৰ অনাময় স্বাক্ষৰতা অভিযান শীৰ্ষক এখনি সজাগতা সভা অনুষ্ঠিত হৈ যায়। সভাত নাবাৰ্ডৰ শিৱসাগৰ জিলাৰ বিকাশ প্ৰৱন্ধক লক্ষেশ্বৰ মহন্তই অংশ গ্ৰহণ কৰি কয় যে সমগ্ৰ ভাৰতবৰ্ষত মুকলিত মল-মূত্ৰ ত্যাগ কৰি এক স্বচ্ছ ভাৰত গঢ়াৰ কেন্দ্ৰীয় চৰকাৰে যি আঁচনি গ্ৰহণ কৰিছে সেই আঁচনিৰ যথাযথ ৰূপায়ণৰ বাবে নাবাৰ্ডে ১৫০০ কোটি টকা আগবঢ়াইছে। এই আঁচনিৰ অধীনত নিৰ্মাণ হোৱা শৌচালয়সমূহৰ মানদণ্ড নিৰূপণৰ বাবেই এনে ধৰণৰ সজাগতা সভা আয়োজন কৰা হৈছে বুলি সভাত মহন্তই জানিবলৈ দিয়ে। কৃষক ন্যাসৰ প্ৰচাৰ সচিব ৰাজীৱ দত্তই আঁতধৰা সভাত শিৱসাগৰ জিলাৰ পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ অক্ষয় ভাট কেশৰীয়ে স্বচ্ছতাৰ বিষয়ে আলোকপাত কৰি কয় যে জনসাধাৰণে পশুধন সমূহৰ বিভিন্ন ৰোগৰ নিৰাময়ৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰিব লাগিব। সভাত গৌৰীসাগৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি হেমন্ত খনিকৰ, গৌৰীসাগৰ উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া অবিনাশ টায়ে, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আমগুৰি উপ সংমণ্ডলৰ কনিষ্ঠ অভিযন্তা কল্যাণ বৰা, ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাপ্ৰাপক শিক্ষক মনজিৎ ফুকন, পি এন বি (ইউবিআই) গৌৰীসাগৰ শাখাৰ শাখা প্ৰৱন্ধক জ্যোথিকা ভট্টাচাৰ্য, ইউকো বেংক দিখৌমুখ শাখাৰ সহকাৰী শাখা পৰিচালক লবৰাম বসুমতাৰী, অসম গ্ৰামীন বিকাশ বেংক চাৰিং শাখাৰ শাখা পৰিচালক সঞ্জীৱ কুমাৰ গগৈ আৰু অসম ৰাজ্যিক গ্ৰাম্য আজীৱিকা মিছনৰ গৌৰীসাগৰ উন্নয়ন খণ্ডৰ খণ্ড আঁচনি প্ৰৱন্ধক মধুমিতা বাইলুং উপস্থিত থাকি গ্ৰাম্য অঞ্চলত অনাময় ব্যৱস্থাৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। কৃষক ন্যাসৰ উপ সভাপতি অজিত কুমাৰ নাথে শলাগ জ্ঞাপন কৰা সভাত দিখৌমুখ গাঁও পঞ্চায়তৰ সভাপতি অভিজিত মিলি, কাৰৈমাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰাজশ্ৰী বৰা, মোমাই তামুলী গাঁও পঞ্চায়ত সভানেত্ৰী সংগীতা বৰগোহাঁই আৰু ম'ৰাবজাৰ গাঁও পঞ্চায়ত সভাপতি হিৰুজ দত্তই অনাময় আঁচনি ৰূপায়ণত গাঁও পঞ্চায়তে সন্মুখীন হোৱ সমস্যা বিষয়ে আলোকপাত কৰে।

## জামুগুৰিহাটত গ্ৰন্থ উন্মোচনী সভা

# 'সভ্যতাৰ বিকাশৰ এক অন্যতম মাধ্যম গ্ৰন্থ'

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৯ নৱেম্বৰ ঃ** চতিয়া বিধানসভা সমষ্টিৰ জামুগুৰিহাটৰ গমিৰিপালৰ যুৱ লেখক ঢুণ্ডিৰাজ উপাধ্যায়ৰ নৱতম অসমীয়া প্ৰবন্ধ সংকলন 'যুগে যুগে প্ৰৱাহিত ধাৰা' নামৰ গ্ৰন্থখন যোৱা ১৬ নৱেম্বৰত গমিৰিপালত আয়োজিত এখনি সভাত উন্মোচন কৰা হয়। নাট্যকাৰ পূৰ্ণ কুমাৰ শৰ্মাৰ পৌৰহিত্যত অনুষ্ঠিত সভাত উন্মোচক হিচাপে উপস্থিত থাকি গ্ৰন্থভাগ উন্মোচন কৰে জামুগুৰিহাটৰ বিশিষ্ট কবি ষড়ানন দেৱনাথে। গ্ৰন্থ উন্মোচন কৰি কবিগৰাকীয়ে কয় যে সভ্যতাৰ বিকাশৰ এক অন্যতম মাধ্যম গ্ৰন্থ। মানৱ সভ্যতা থকালৈকে নিঃসন্দেহে গ্ৰন্থৰ প্ৰণয়ন, প্ৰকাশন, অধ্যয়ন, আঁদৰ আৰু গ্ৰহণযোগ্যতা থাকিবই। নাট্যকাৰ পূৰ্ণ কুমাৰ শৰ্মাৰ পৌৰহিত্যত অনুষ্ঠিত সভাত শিল্পী পেঞ্চন প্ৰাপক শিল্পী চক্ৰপাণি শৰ্মা, অৱসৰী শিক্ষক পদ্ম শৰ্মা, অৱসৰী শিক্ষয়িত্ৰী বালা কুমাৰী দেৱী, শিক্ষক চুড়ামণি সৰকাৰে চমু বক্তব্য ৰাখে। স্থানীয় সাংবাদিক অঞ্জন বাচকোটা, হিৰণ্য শৰ্মা, ভাৰতী দেৱী আদি উপস্থিত থকা সভাত শলাগৰ শৰাই আগবঢ়ায় নাৰদ নিৰলাই আৰু সভাৰ সমস্ত কাৰ্যসূচীৰ আঁত ধৰে লিখক ঢুণ্ডিৰাজ উপাধ্যায়ে।

# মেৰাপানীত গোলাঘাট জিলা অনুসূচিত জাতি মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৯ নৱেম্বৰ ঃ** 'গোলাঘাট সমষ্টিত অজন্তা নেওগৰ ভৰিৰ তলৰ মাটি নোহোৱা হ'ল। আজিৰ তাৰিখত কংগ্ৰেছৰ পৰা অজন্তা নেওগ কোনোকাৰণতে জয়ী হ'ব নোৱাৰে। গোলাঘাটত বিজেপিয়ে গোলাঘাট সমষ্টিত যি পৰিৱেশ সৃষ্টি কৰিলে তাৰ ফলতেই অজন্তা নেওগ বিজেপিত যোগদান কৰিবলৈ বাধ্য হ'ল। সমষ্টিৰ ৰাইজে যেনেকৈ বিচাৰিব তেনেকৈয়ে ভৱিষ্যতে কাম কৰিম'। গোলাঘাট সমষ্টিৰ কংগ্ৰেছৰ বিধায়ক অজন্তা নেওগৰ বিজেপি গমনক লৈ চলি থকা চৰ্চাক লৈ এনেদৰেই মেৰাপানীৰ সোণেশ্বৰ বৰা ৰাজহুৱা ভৱনত অনুষ্ঠিত গোলাঘাট জিলা অনুসূচীত জাতি মৰ্চাৰ এখন সভাত মন্তব্য কৰে গোলাঘাট বিজেপিৰ বিতোপন শইকীয়াই। বিজেপিৰ গোলাঘাট জিলা অনুসূচীত জাতি মৰ্চাৰ কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰি বিতোপন শইকীয়াই এই মন্তব্য প্ৰকাশ কৰিলেও অজন্তাৰ বিজেপি গমনক লৈ বিতোপন শইকীয়াকে ধৰি বহুসংখ্যক গোলাঘাট বিজেপিৰ প্ৰাৰ্থীত্ব প্ৰয়াসী যে ভিতৰি সন্তুষ্ট নহয় সেয়া নিশ্চিত হৈ পৰিছে। আজিৰ সভাখনত অনুসূচীত জাতিৰ অৰ্থনৈতিক, ৰাজনৈতিক আদি বিভিন্ন দিশৰ লগতে বিজেপিত অনুসূচীত লোকৰ অংশগ্ৰহণ এশশতাংশ নিশ্চিত কৰি গোলাঘাট জিলাৰ পৰা কংগ্ৰেছশূন্য কৰাৰ অভিমত পোষণ কৰে। এই সভাত অনুসূচীত জাতি মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক নীলকান্ত দাস, যাদৱ দাস, উপসভাপতি কুশলজ্যোতি মালাকাৰ, সুভাষ চন্দ্ৰ দাস, ৰাজ্যিক কাৰ্যনিৰ্বাহক মহেশ হাজৰিকা, যোৰহাট জিলা এচ চি মৰ্চাৰ অনন্ত দাস, মনোজ দাস, গোলাঘাট জিলা বিজেপিৰ সভাপতি দেৱপ্ৰদীপ বৰা, সম্পাদক সঞ্জীৱ দাস, গোলাঘাট জিলা এচ চি মৰ্চাৰ সম্পাদক দেৱজিত ভৰালী, উপ সভাপতি হোমেন দাস, পদুমণিৰ অমৃত দাসকে ধৰি শতাধিক কাৰ্যকৰ্তা উপস্থিত থাকে বুলি জানিবলৈ দিছে।

# লক্ষ্য অৰ্থনৈতিক বিকাশ ঃ গোলাঘাট জিলা কৃষিভিত্তিক উদ্যোগী সংস্থা গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ১৯ নৱেম্বৰ ঃ** কৃষি ভিত্তিক উদ্যোগৰ অৰ্থনৈতিক বিকাশৰ উদ্দেশ্যে অলপতে গোলাঘাট জিলা ভিত্তিত 'গোলাঘাট এগ্ৰ'বেছ ইণ্ডাষ্ট্ৰী এচ'চিয়েচন' নামেৰে এটি সংস্থা গঠন কৰা হয়। গোলাঘাট জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ উদ্যোগত আৰু গ্ৰান্ত থ্ৰনটন ভাৰত এলএলপি সহযোগত গোলাঘাট পৌৰসভাৰ সভাকক্ষত আয়োজিত সভাত উক্ত সংস্থাটি গঠন কৰা হয়। গোলাঘাট জিলাৰ অতিৰিক্ত উপায়ুক্ত ধীৰাজ দাসৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত গোলাঘাট জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰধান পৰিচালক ৰাজকুমাৰ বড়ি, সহকাৰী পৰিচালক অভিষেক শইকীয়া, অগ্ৰণী বেংক পৰিচালক বিদ্যুৎ কুমাৰ খাটনিয়াৰ ৰেচম বিভাগৰ সহকাৰী সঞ্চালক চন্দন চাও, গড়কাপ্তানী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা শান্তনু ঠাকুৰ, জিলা কৃষি বিষয়া নবীন চন্দ্ৰ বৰা, জিলা কৃষি আৰু বিজ্ঞান কেন্দ্ৰৰ অধ্যক্ষ ড° ফাৰুক আহমেদ, গোলাঘাট ইউনাইটেড চেম্বাৰছ অফ কমাৰ্চৰ উপ সভাপতি দীপ কলিতা, আসাম চেম্বাৰ অৱ কমাৰ্চৰ সম্পাদক সীমান্ত বৰা, গ্ৰান্ত থ্ৰনটন ভাৰত এলএলপিৰ নগাঁও জিলাৰ দল প্ৰমুখ ইৰচাদ আলি, গোলাঘাট জিলা মীন বিষয়া সীমান্ত কোঁৱৰ, যোৰহাট জিলা গ্ৰান্ত থ্ৰনটন ভাৰত এলএলপিৰ দল প্ৰমুখ মৃদুল বৰুৱা আৰু গোলাঘাট জিলা গ্ৰান্ত থ্ৰনটন ভাৰত এলএলপিৰ হৈ দল প্ৰমুখ জয়ন্ত মজুমদাৰ, ক্ষেত্ৰ সহায়ক বুলবুল মুদৈ আৰু ৰাজদ্বীপ বৰা উপস্থিত থাকে। কৃষি ভিত্তিক উদ্যোগৰ লগত জড়িত ৫০ জনৰো অধিক উদ্যোগ স্বত্বাধিকাৰী উপস্থিত থকা সভাত প্ৰণয় পূজাৰীক সভাপতি, বসন্ত বৰুৱা, নিৰ্মালি বৰদলৈ পূজাৰীক উপ সভাপতি, গৌতম শইকীয়াক সম্পাদক, নিবাৰণ গগৈ, ৰূপেশ্বৰ বৰা যুটীয়া সম্পাদক, আৰু প্ৰকাশ কলিতাক কোষাধ্যক্ষ নিৰ্বাচিত কৰা হয়। সভাত এপাৰ্ট প্ৰকল্পৰ 'ক্ষমতা' কোষৰ জিলা উদ্যোগ উন্নয়ন সমন্বয়ক দেৱ পাইকৰৈ আৰু গজেন্দ্ৰ নাওঘৰে 'অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প' চমুকৈ 'এপাৰ্ট' প্ৰকল্পৰ সৈতে জড়িত হৈ কেনেকৈ উদ্যোগসমূহ আগবঢ়াই নিব পাৰি সেই সন্দৰ্ভত বক্তব্য দাঙি ধৰে। জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰধান পৰিচালক ৰাজ কুমাৰ বড়িয়ে সমূহ উদ্যোগী একত্ৰিত হৈ গোলাঘাট জিলাৰ উদ্যোগসমূহ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সকলোৱে ঐক্যবদ্ধ হৈ কাম কৰাৰ আহ্বান জনায়।

# বাঁহৰ বেৰ দি গুৰুজনাৰ সৃষ্টিৰাজীৰ চৰ্চা শ্ৰীশ্ৰী দৌকাচাপৰি সত্ৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৯ নৱেম্বৰ ঃ** গুৰুজনাৰ সৃষ্টিৰাজীক প্ৰচাৰ প্ৰসাৰৰ লগতে সেই সৃষ্টিৰাজিসমূহক চৰ্চাৰ দিশত সত্ৰসমূহৰ ভূমিকা অপৰিসীম। যাৰ বাবে চৰকাৰেও সত্ৰসমূহৰ উন্নয়ন তথা সৃষ্টিৰাজীসমূহ চৰ্চাৰ বাবে অনুদান আগবঢ়াই আহিছে। কিন্তু চৰকাৰী এনে সাহাৰ্যৰপৰা যেন বঞ্চিত হৈ আহিছে জামুগুৰিহাটৰ প্ৰথমখন সত্ৰ হিচাপে খ্যাত শ্ৰীশ্ৰী দৌকাচাপৰি সত্ৰ। ১৭১৭ চনতে স্থাপিত জামুগুৰিহাটৰ দৌকাচাপৰি সত্ৰখনে বিগত তিনিশ বছৰে গুৰুজনাৰ সৃষ্টিৰাজিসমূহ চৰ্চাৰ দিশত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে যদিও বাৰে বাৰে সত্ৰখন চৰকাৰী অনুদানৰপৰা বঞ্চিত হৈ অহাৰ অভিযোগ উত্থাপন হৈছে। অঞ্চলটোৰ কেবাখনো সত্ৰৰ তুলনাত প্ৰথমখন সত্ৰ হিচাপে স্থাপন হোৱা শ্ৰীশ্ৰী দৌকাচাপৰি সত্ৰখনৰ চৌদিশৰ পৰিৱেশটোৱেই প্ৰকট কৰে যে কিমান কষ্ট ত্যাগ কৰি সত্ৰখন জীয়াই ৰাখিছে বৰ্তমান সত্ৰাধিকাৰৰ দায়িত্বত থকা ব্যক্তিগৰাকীয়ে। বৃহৎ সত্ৰখনত চৌপাশে বাঁহৰ চোঁচ কাটি বেৰাৰে ঢাকি চৰ্চা অব্যাহত ৰাখিছে বৰ্তমানৰ সত্ৰাধিকাৰৰ দায়িত্বত থকা সত্ৰাধিকাৰ ৰাজেন গোস্বামীয়ে। অন্যান্য সত্ৰই সত্ৰৰ উন্নয়নৰ বাবে চৰকাৰী সাহাৰ্য লাভ কৰাৰ বিপৰীতে জামুগুৰিহাটৰ প্ৰথমখন সত্ৰ চৰকাৰী অনুদানসমূহৰপৰা বছৰ বছৰ ধৰি বঞ্চিত হ'বলগীয়া হোৱাত আক্ষেপো প্ৰকাশ কৰিছে সত্ৰাধিকাৰগৰাকীয়ে। পূৰ্বে প্ৰয়াত শৰৎ গোস্বামীৰ দায়িত্বত পৰিচালিত দৌকাচাপৰি সত্ৰখন গোস্বামীৰ মৃত্যুৰ পাছত চাৰিবছৰ ধৰি পৰিচালনা কৰা ভাৰপ্ৰাপ্ত সত্ৰাধিকাৰ ৰাজেন গোস্বামীয়ে উচুপি উচুপি কয় যে প্ৰতিবাৰেই সত্ৰখনৰ উন্নয়নৰ বাবে চৰকাৰে আগবঢ়োৱা অনুদানৰ তালিকাত নাম সন্নিবিষ্ট হোৱা বুলি খবৰ পাঁও যদিও শেষত কি কাৰণত বঞ্চিত হওঁ আমিবোৰ সেই বিষয় লৈ অজ্ঞ। অৱশ্যে ২০০৯ বৰ্ষত জিলা পৰিষদৰ ফালৰপৰা ৩৫ হাজাৰ আৰু ২০১৬ চনত বিধায়ক পুঁজিৰপৰা ২৫ হাজাৰ টকাৰ এক অনুদান লাভ কৰিছে বুলিও জানিব দি সেয়া বৰ্তমান সময়ত অন্যান্য সত্ৰসমূহে লাভ কৰা চৰকাৰী অনুদানসমূহৰ তুলনাত তেনেই নগন্য বুলিও ব্যক্ত কৰে ভাৰপ্ৰাপ্ত সত্ৰাধিকাৰ ৰাজেন গোস্বামীয়ে।এতিয়া প্ৰশ্ন হয় চৰকাৰে সত্ৰসমূহৰ সৰ্বাংগীন উন্নয়নৰ বাবে আগবঢ়োৱা অনুদান লাভৰ দিশতো হীনদেৰি কৰে নেকি কোনো লোকে। জামুগুৰিহাটৰ প্ৰথমখন সত্ৰ এই শ্ৰীশ্ৰী দৌকাচাপৰি সত্ৰখনে সত্ৰসমূহৰ উন্নয়নৰ বাবে চৰকাৰে আগবঢ়োৱা অনুদান লাভ কৰিবলৈ সক্ষম হ'বনে? উল্লেখ্য যে ১৬৬২ চনতে নগাঁৱৰপৰা নাঁওৰে আহি এই সত্ৰই প্ৰথমে ভৰলীপাৰত স্থিতি লৈছিল যদিও ভৰলীৰ পানী,গৰাখহনীয়া আদিৰ বাবেই ১৭১৭ চনত দৌকাচাপৰীত এইখন সত্ৰই স্থিতি লৈছিলহি। প্ৰণিধানযোগ্য যে শ্ৰীশ্ৰীদৌকাচাপৰি সত্ৰৰ ভাগৱতভাগ বৰ্তমান শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সংৰক্ষণ কৰি ৰখাৰ লগতে তেজপুৰ সংগ্ৰহালয়ত এইখন সত্ৰৰে পালকি আৰু সত্ৰাধিকাৰ ঘনশ্যাম দেও, চক্ৰপানী দেও আদিয়ে ব্যৱহাৰ কৰা দোলাখনৰ কিছু অংশ সংৰক্ষণ কৰি ৰখা হৈছে।

# ধাৰাপুৰত বিজেপিৰ অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ সভা




**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৯ নৱেম্বৰ ঃ** বিজেপিৰ অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ গুৱাহাটী মহানগৰ জিলা সমিতিৰ উদ্যোগত ১৮ নৱেম্বৰত মহানগৰীৰ পশ্চিম প্ৰান্তৰ ধাৰাপুৰ দুৰ্গা মন্দিৰ প্ৰাঙ্গনত এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। গুৱাহাটী মহানগৰ জিলাৰ অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ সভাপতি ৰিপুনজিৎ বাৰগোঁহাইৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ভাগ লৈ বিজেপিৰ গুৱাহাটী মহানগৰ জিলাৰ সভাপতি মৃগেন শৰণীয়া, সাধাৰণ সম্পাদক অমৰজ্যোতি ডেকা, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ উপাধ্যক্ষ মুকুতা ডেকাই বিজেপি দলটোৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ ভূমিকা কি হ'ব সেই সন্দৰ্ভত কেতবোৰ দিহা-পৰামৰ্শ আগবঢ়ায়। সভাত বিজেপিৰ গুৱাহাটী মহানগৰ জিলাৰ সম্পাদক আৰু পশ্চিম গুৱাহাটীৰ প্ৰভাৰী বলেশ্বৰ ৰংপি, গুৱাহাটী মহানগৰ জিলাৰ অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ সাধাৰণ সম্পাদক গৌতম দাস, ৰাণী মণ্ডল বিজেপিৰ সভাপতি হৰকান্ত নাথ, ৰামছাৰাণী জিলা পৰিষদৰ সদস্য শিখা নাথ চৌধুৰী, আজাৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী কবিতা বড়ো ৰংপি, ৰাণা চেতিয়াৰ লগতে কেবাগৰাকী নেতা-কৰ্মী উপস্থিত থাকে।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা মুখ্য কাৰ্যালয়ৰ নতুন গৃহ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা মুখ্য কাৰ্যালয়ৰ নবনিৰ্মিত গৃহটিৰ আজি মুকলি কৰা হয়। নগাঁৱৰ নতুন বজাৰত থকা সংগঠনটোৰ জিলা মুখ্য কাৰ্যালয়টো উন্মোচন কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱাই। এক উখল মাখল পৰিৱেশৰ মাজত আজি মুকলি কৰা হয় সংগঠনটোৰ জিলা কমিটিৰ স্থায়ী কাৰ্যালয়টো। কাৰ্যালয়টো মুকলি কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱাই কয় যে,সংগঠনৰ কাম কাজ আগুৱাই নিবলৈ এটি স্থায়ী কাৰ্যালয়ৰ প্ৰয়োজন আছিল আৰু নগাঁও জিলা সমিতিয়ে স্থায়ী কাৰ্যালয় নিৰ্মাণ কৰি এক শুভ বাৰ্তা পৰিচয় দিছে।

# ডিব্ৰুগড়ত চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ সাধাৰণ সভা




**দৈনন্দিন বাৰ্তাৰ সেৱা, মদাৰখাত, ১৯ নৱেম্বৰ ঃ** সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সিধাৰণ সভাখন জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ কেন্দ্ৰত জিলা সমিতিৰ সভাপতি ডিম্বেশ্বৰ চেতিয়াৰ সভাপতিত্বত আজি অনুষ্ঠিত হয়। জিলাখনৰ ভিন্ন প্ৰান্তৰৰ তিনি শতাধিক চৰকাৰী এনপিএচ কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰা সভাখনত ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্মী সন্থাৰ সহকাৰী সম্পাদক জয়ন্ত কুমাৰ গগৈয়ে এনপিএছৰ ভয়াৱহতাৰ কথা উল্লেখ কৰাৰ লগতে সকলো কৰ্মচাৰীকে পুৰণি পেঞ্চন ব্যৱস্থাৰ অধীনলৈ আনিবৰ বাবে চৰকাৰৰ ওচৰত দাবী জনায়। ডিব্ৰুগড় জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ সভাপতি ৰঞ্জন ৰাইদিঙীয়াই কৰ্মসংস্থানৰ তাগিদাত পৰি চাকৰিত যোগদান কৰি পৰৱৰ্তী সময়ত ইয়াৰ স্বৰূপ দেখা পোৱাৰ পাছত সম্ভাব্য বিপদৰ কথা অৱগত কৰে। অৱসৰৰ পাছত কেতিয়াও নতুন পেঞ্চন নীতি সুৰক্ষিত নহয়। দৰমহা আৰু অৱসৰকালীন পেঞ্চনৰ আলোকপাত কৰি এই ব্যৱস্থাই ভৱিষ্যত প্ৰজন্মক কোঙা কৰি পেলাব বুলি কয়। বিধায়ক-সাংসদৰ পেঞ্চনৰ কথা উল্লেখ কৰি সকলোকে পুৰণি পেঞ্চনলৈ অনাৰ বাবে চৰকাৰক আহ্বান জনায়। ডিব্ৰুগড় জিলা চৰকাৰী এন পি এচ কৰ্মচাৰী সন্থাৰ উপদেষ্টা প্ৰণৱজ্যোতি গগৈয়ে পোনতেই নতুন পেঞ্চন নীতি কেতিয়াও লাভজনক নহয় বুলি অভিহিত কৰে। সভা সমিতিতে সীমাৱদ্ধ নাৰাখি দৃঢ় পদক্ষেপ গ্ৰহণৰ বাবে সকলোকে আহ্বান জনায়। ডিব্ৰুগড় জিলা কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক অনিল সিংহই ঐক্যৱদ্ধভাৱে সংগ্ৰাম অব্যাহত ৰাখিবলৈ অনুৰোধ কৰে। অসম চিকিৎসা মহাবিদ্যালয়ৰ কৰ্মচাৰী সন্থাৰ যুটীয়া সম্পাদক ভাস্কৰ ডেকাইয়ো সংগ্ৰামৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰ কথা ব্যক্ত কৰি পুৰণি পেঞ্চন নীতিৰ সপক্ষত মত প্ৰদান কৰে। ডিব্ৰুগড় জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ সম্পাদক শক্তিধৰ গাঠেৰিয়েও এন পি এচ ৰ বিৰুদ্ধে কৰা যুঁজত পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। সদৌ অসম এন পি এচ কৰ্মচাৰী সন্থাৰ সভাপতি অচ্যুতানন্দ হাজৰিকাই টেলিফোনিকভাৱে বক্তব্য আগবঢ়োৱাৰ লগতে ২৪ নৱেম্বৰত গুৱাহাটীত হ'বলগীয়া অভিৱৰ্তনত সকলোৱে অংশ গ্ৰহণ আৰু সহযোগিতা কামনা কৰে। উল্লেখ্য যে গুৱাহাটীত হ'বলগীয়া অভিৱৰ্তনত ৰাজ্যখনৰ সকলো জিলাৰ প্ৰতিনিধিৰ উপস্থিতিত চৰকাৰক পুৰণি পেঞ্চন বাহাল ৰাখিবৰ বাবে এক বিশেষ বাৰ্তা প্ৰেৰণ কৰাৰ কথা ঘোষণা কৰে। অভিৱৰ্তনত ৰাজ্যৰ বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীৰ উপদেষ্টা হৃষিকেশ গোস্বামী, বিশিষ্ট বুদ্ধিজীৱি, জ্যেষ্ঠ সাংবাদিক হোমেন বৰগোঁহাঞি, জ্যেষ্ঠ সাংবাদিক প্ৰশান্তৰাজগুৰু, সৰ্বভাৰতীয় পৰ্যায়ৰ এন পি এচ বিৰোধীৰ সংস্থা এন এম অ পি এচৰ অধ্যক্ষ বিজয় বন্ধু, সদৌ অসম কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা বাসৱ কলিতা, সদৌ অসম চৰকাৰী এন পি এচ কৰ্মচাৰী সন্থাৰ মুখ্য উপদেষ্টা চৰণ ডেকা, সদৌ অসম মুৰব্বী বিভাগীয় আমোলা সন্থাৰ সভাপতি গুণাৰাম গগৈৰ লগতে সৰ্বভাৰতীয় কেইবাটাও সংগঠনৰ নেতৃবৃন্দই অভিৱৰ্তনত অংশ ল'ব। ডিব্ৰুগড় জিলাৰ পৰা দুই শতাধিক কৰ্মচাৰীয়ে অভিৱৰ্তনত অংশ ল'ব বুলি সিদ্ধান্তগ্ৰহণ কৰা হয়। বেণী গোপাল ভট্টাচাৰ্যই কলেজ শিক্ষক সংস্থাৰ সহযোগিতা কথা উল্লেখ কৰি পৰৱৰ্তী কাৰ্যসূচীত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ কথা কয়। ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয় অধ্যাপক কেশৱানন্দ হালৈয়ে নতুন পেঞ্চন নীতিক কোনে ৰিস্ক ল'ব বুলি প্ৰশ্ন কৰে। এইক্ষেত্ৰত চৰকাৰক ন্যায় প্ৰদান কৰিবলৈ দাবী জনাই এই ব্যৱস্থা সামাজিকভাৱে গণতান্ত্ৰিকভাৱে দিয়া ব্যৱস্থা নহয় বুলি কয়। সদৌ অসম চৰকাৰী এন পি এচ কৰ্মচাৰী সন্থাৰ কেন্দ্ৰীয় প্ৰতিনিধি হিৰেশ্বৰ দাসে সাংগঠনিক দিশ, এন পি এচৰ ভয়াবহতা, গুৱাহাটীত হ'বলগীয়া অভিৱৰ্তনৰ সফল কামনা কৰি বক্তব্য ৰাখে। সভাত গৌতম কৌশিক বৰুৱাৰ লগতে অৱহৰপ্ৰাপ্ত এন পি এচ কৰ্মচাৰী ভৰবাৰী ৰেলৰে হিন্দী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্ৰাহম তপ্প'ই এন পি এচৰ দ্বাৰা কেনে সমস্যাৰ সন্মুখীন হৈছে তাক বিতংভাৱে ব্যাখ্যা কৰে। সভাত বিভিন্ন বিভাগৰ কৰ্মচাৰীৰ লগতে তিনিচুকীয়া জিলা চৰকাৰী এন পি এচ কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক উজ্জ্বল দ্বীপ শৰ্মা উপস্থিত থাকে। আজিৰ সভাতেই সজাগতা আৰু জৰীপকৰণৰ সিদ্ধান্ত গ্ৰহণ হয়। সাধাৰণ সভাখনৰ আঁত ধৰে যুগল কোঁৱৰে। সম্পাদক মনোজ মহনে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত শলাগৰ শৰাই আগবঢ়াই মৌচুমী দেউৰী ফুকনে।

## ২২ নৱেম্বৰত নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ জৰুৰী কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৯ নৱেম্বৰ ঃ** অসমৰ কৰ্মচাৰী সমাজৰ সৰ্ববৃহৎ অনুষ্ঠান সদৌ অসম কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ বিভিন্ন সমস্যা, অভাৱ-অভিযোগ আদি পৰ্যালোচনা কৰিবৰ বাবে অহা ২২ নৱেম্বৰ ৰবিবাৰে দিনৰ ১১ বজাত ৰহা সমষ্টিৰ জাগীয়াল বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত (দক্ষিণপাটৰ পকী দলংৰ কাষত) এখন গুৰুত্বপূৰ্ণ জৰুৰী কাৰ্যনিৰ্বাহক সভা আহ্বান কৰা হৈছে। উক্ত সভাত জিলা সমিতিৰ সমূহ বিষয়ববীয়াৰ লগতে প্ৰতিটো আঞ্চলিকৰ সভাপতি-সম্পাদকসকলক জৰুৰীভাৱে উপস্থিত থাকিবলৈ নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মিন্টু শৰ্মা আৰু সাধাৰণ সম্পাদক শ্যামন্ত দাসে গোঁহাৰি জনাইছে।

## ষট্ পূজা উপলক্ষে ৩০০ মহিলাক শাৰী বিতৰণ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৯ নৱেম্বৰ ঃ** আগন্তক ষট্ পূজা উপলক্ষে পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সমষ্টিটোৰ নগৰাঞ্চলৰ জ্যোতিকুছি, বিষ্ণুপুৰ আৰু কালাপাহাৰৰ বিহাৰী সম্প্ৰদায়ৰ প্ৰায় ৩০০ মহিলাক ১৮ নৱেম্বৰত নতুন শাৰী আৰু পূজাত ব্যৱহৃত বিভিন্ন সামগ্ৰী বিতৰণ কৰে। এই উপলক্ষে হিন্দুস্তানী সমাজৰ জ্যোতিকুছি, বিষ্ণুপুৰ আৰু কালাপাহাৰ শাখাৰ সহযোগত অনুষ্ঠিত চমু অনুষ্ঠানত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সকলোকে পৱিত্ৰ ষট পূজাৰ শুভেচ্ছা জ্ঞাপন কৰি ষট পূজাই অসমত সৰ্বজনীন ৰূপ পোৱা বুলি ব্যক্ত কৰি ইয়াৰ জৰিয়তে অসমত বিহাৰী সম্প্ৰদায়ৰ লোক আৰু অসমীয়া লোক সকলৰ মাজত সম্প্ৰীতি-ভাতৃত্ববোধৰ এনাজৰী ডাল সুদৃঢ় হৈছে বুলি কয়। অনুষ্ঠানত হৰিশংকৰ চাহু , শংকৰ সিং , ধৰ্মেন্দ্ৰ সিঙকে ধৰি হিন্দুস্তানী সমাজৰ কেইবাজনো নেতা, গুৱাহাটী পৌৰ নিগমৰ প্ৰাক্তন পাৰিষদ ৰূপালী দেৱী, অগপ নেতা ৰাজেন মেধিকে ধৰি কেইবাজনো বিশিষ্ট লোক উপস্থিত থাকে। আনহাতে বিহাৰী সম্প্ৰদায়ৰ লোকসকলৰ পবিত্ৰ ষট পূজাৰ প্ৰাককক্ষণত দুখীয়া মহিলাৰ মাজত শাৰী বিতৰণ কৰা বাবে সকলো লোকে শলাগ লৈছে।

## টিহু সাহিত্য সভাৰ গ্ৰন্থ উন্মোচনৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিহু, ১৯ নৱেম্বৰ ঃ** টিহুৰ এগৰাকী কৃতী শিক্ষক, লেখক, সমাজহিতৈষী, লোক সংস্কৃতিৰ অনুৰাগী ৰত্নেশ্বৰ শৰ্মাৰ জীৱন কীৰ্তি আলোকপাত কৰি আৰু অন্য প্ৰাসংগিক লেখাৰে সাংবাদিক-সাহিত্যকৰ্মী পংকজ বেজবৰুৱাই সম্পাদনা কৰা আৰু টিহু সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত 'স্মৃতিৰত্নতৰংগিণী' নামৰ গ্ৰন্থ এখন ২২ নৱেম্বৰত উন্মোচনৰ দিহা কৰা হৈছে। এই সন্দৰ্ভত টিহু সাহিত্য সভাৰ সম্পাদক হেমেন ৰাজবংশীয়ে জনোৱা অনুসৰি সিদিনা পুৱা ১০ বজাত টিহু মহাবিদ্যালয়ৰ আলোচনাকক্ষত এই উপলক্ষে কৃতী শিক্ষক ৰত্নেশ্বৰ শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ গোলকেশ্বৰ গোস্বামীয়ে ।মাল্যাৰ্পণ কৰিব ৰত্নেশ্বৰ শৰ্মাদেৱৰ সহধৰ্মিনী পাৰুলৰাণী দেৱীয়ে। স্মৃতি তৰ্পণ কৰিব নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই। ইয়াৰ পাছতে টিহু সাহিত্য সভাৰ সভাপতি শংকৰকুমাৰ দাসৰ পৌৰেহিত্যত হ'বলগীয়া গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থখন উন্মোচন কৰিব অসম মহিলা বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণা (কৃষি) সঞ্চালক অধ্যাপক অশোক ভট্টাচাৰ্যই। টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কিশোৰকুমাৰ তালুকদাৰে আদৰণি ভাষণ প্ৰদান কৰিবলগীয়া অনুষ্ঠানটিত বিশিষ্ট আলহী হিচাপে ভাগ ল'ব নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৰুণাকান্ত কলিতাই।

## সমাজসেৱক আব্দুল আলীৰ মৃত্যু

### বিভিন্নজনৰ শোক



**দৈনন্দিন বাৰ্তাৰ সেৱা, টুকটুকী, ১৯ নৱেম্বৰ ঃ** নগাঁও জিলাৰ বটাবাৰী নিৱাসী সমাজসেৱক আব্দুল আলীৰ আজি পুৱা পাঁচ বজাত আকস্মিক মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬২ বছৰ। সহজ সৰল, মৃদুভাষী সমাজসেৱক আব্দুল আলীৰ জানাজাৰ নামাজ আজি দিনৰ ১.৩০ বজাত আত্মীয়-স্বজন আৰু গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়। উল্লেখ যে, মুছলিম ছাত্ৰ সন্থা অসমৰ,নগাঁও জিলা সমিতিৰ সম্পাদক নজৰুল ইছলামৰ পিতৃ আছিল আব্দুল আলী। সমাজসেৱক আব্দুল আলীৰ মৃত্যুত মুছলিম ছাত্ৰ সন্থা অসমৰ সধাৰণ সম্পাদক আশ্বিক ৰাব্বানী, সাংবাদিক দিলদাৰ হুছেইনৰ লগতে ব্যক্তি বিশেষ বিভিন্নজনে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুজন পুত্ৰ, চাৰি গৰাকী কন্যা,নাতি নাতিনীৰ লগতে বহুতো আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

## অসম-মেঘালয় আৰক্ষী প্ৰশাসনৰ যুটীয়া বৈঠক

# ১২ ঘণ্টীয়া দক্ষিণ শালমাৰা মানকাচৰ জিলা বন্ধৰ পিছত তৎপৰ মেঘালয় প্ৰশাসন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ১৯ নৱেম্বৰ ঃ** চুবুৰীয়া ৰাজ্য মেঘালয়লৈ গৈ ব্যৱসায় কৰা দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলক অহা যোৱা কৰাৰ ক্ষেত্ৰত মেঘালয় আৰক্ষীয়ে অমানৱীয় আৰু অনৈতিকভাৱে বাধা প্ৰদান কৰা ঘটনাক লৈ ১৭ নৱেম্বৰত ১২ ঘণ্টীয়া জিলা বন্ধ পালন কৰাৰ পিছতেই সাৰ পালে জিলা খনৰ আৰক্ষী প্ৰশাসন। মন কৰিবলগীয়া যে দীৰ্ঘদিন ধৰি জিলাখনৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ বিভিন্ন সপ্তাহিক বজাৰত দোকান পোহাৰ কৰি নিজৰ পৰিয়ালক পোহপাল দি আহিছে। কিন্তু এনে ক্ষুদ্ৰ ব্যৱসায়ীসকলক আনলক ৪/৫ চলি থকাৰ পিছতো মেঘালয় লৈ প্ৰৱেশ কৰাৰ সময়ত মেঘালয়ৰ একাংশ আৰক্ষীয়ে অমানৱীয় তথা বেআইনীভাৱে বাধা প্ৰদান কৰি আহিছে। এই ক্ষেত্ৰত দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আৰক্ষী প্ৰশাসনে সকলো বোৰ ঘটনা জনাৰ পিছতো মৌনতা অৱলম্বন কৰি আহিছে। যাৰ ফলত উপায়ন্তৰ হৈ অসম মেঘালয় ক্ষুদ্ৰ ব্যৱসায়ী সন্থাই দক্ষিণ শালমাৰা মানকাচৰ জিলা বন্ধ দিব লগীয়া হৈছে। অসম মেঘালয় ক্ষুদ্ৰ ব্যৱসায়ী সন্থা আৰু জিলা খনৰ হেঁচাত আজি মানকাচৰস্থিত কামাখ্যাবাৰী চিআৰপি কেম্পত দুয়োখন ৰাজ্যৰ ৰাইজৰ অহা-যোৱা সন্দৰ্ভত প্ৰশাসনিক বিষয়াৰ যুটীয়া বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত দক্ষিণ শালমাৰা- মানকাচৰ জিলাৰ জিলা উপায়ুক্ত গুৰুদীপ সিং পানেচৰ আৰু মেঘালয়ৰ দক্ষিণ পশ্চিম গাৰোপাহাৰ জিলাৰ উপায়ুক্ত ৰামকৃষ্ণ চিত্তৰী (আই এ এছ) উপস্থিত থকাৰ উপৰিও দুয়োখন ৰাজ্যৰ পাৰ্শ্বৱৰ্তী আৰক্ষী অধীক্ষক, মানকাচৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া উপস্থিত থাকি বিভিন্ন দিশত আলাপ আলোচনা কৰে। কৰ'না ভাইৰাছৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি সতৰ্কতা অৱলম্বন কৰি মাস্ক পিন্ধি, সামাজিক দূৰত্ব বজায় ৰাখি আৰু ক'ভিড টেষ্ট কৰি সম্পূৰ্ণ ক'ভিড প্ৰটকল মানি দুয়োখন ৰাজ্যৰ ৰাইজে চলাচল কৰিব পাৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। যিহেতু দুয়োখন ৰাজ্যই পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। সেই হেতুকে দুয়োখন উৎপাদিত কৃষি জাত সামগ্ৰী আদান প্ৰদানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি মেঘালয়ৰ দক্ষিণ পশ্চিম গাৰোপাহাৰ জিলাৰ উপায়ুক্ত ৰামকৃষ্ণই অতি শীঘ্ৰে হাট বজাৰ খোলা হ'ব বুলি আশ্বাস প্ৰদান কৰাৰ লগতে মেঘালয় আৰক্ষীয়ে অসমৰ ব্যৱসায়ীৰ পৰা মেঘালয়ৰ কোনো লোকে ধন দাবী কৰি হাৰাশাস্তি কৰিলে উপযুক্ত ব্যৱস্থা লোৱাৰ আশ্বাস প্ৰদান কৰে। আনহাতে দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ উপায়ুক্ত গুৰুদীপ সিং পানেচৰে কয় যে আগতে মানকাচৰৰ সমীপৰ মীৰজুমলাৰ ওচৰত কভিড টে'ষ্টৰ নামত প্ৰতিগৰাকী অসমৰ লোকৰ পৰা পাঁচশ টকাত কৈ লৈছিল। এতিয়া অসমৰ পৰা কভিড টে'ষ্টৰ কাগজ লৈ গ'লে মেঘালয়ত কভিড টে'ষ্টৰ কৰিব নালাগিব বুলি দক্ষিণ শালমাৰা- মানকাচৰ জিলাৰ উপায়ুক্তই সদৰী কৰে। অৱশ্যে মেঘালয়ৰ দক্ষিণ পশ্চিম গাৰো পাহাৰ জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষককে জানিব দিয়া মতে মেঘালয় চৰকাৰক এই সন্দৰ্ভত তেওঁলোকে অৱগত কৰিব আৰু চৰকাৰৰ সিদ্ধান্ত মতে সমস্যা খিনি সমাধান কৰিব।

## বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী প্ৰেমানন্দ শৰ্মাৰ জীৱনাৱসান



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৯ নৱেম্বৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ ২ নং ঘোগৰগাঁও নিবাসী বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, সমাজসংস্কাৰক প্ৰেমানন্দ শৰ্মাৰ আজি পুৱা ৮.১৫ বজাত বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯১ বছৰ। প্ৰয়াত শৰ্মা সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থকাৰ উপৰি বঢ়মপুৰৰ এজন অভিভাৱকস্বৰূপ আছিল ।১৯৫৮ চনত তেওঁ বঢ়মপুৰ ছহিদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহঃ শিক্ষক হিচাপে যোগদান কৰি একেখন বিদ্যালয়ৰ পৰাই ১৯৯৩ চনত অৱসৰ গ্ৰহণ কৰে। এগৰাকী কৃতী শিক্ষক তথা আদৰ্শবান ব্যক্তি হিচাপে শৰ্মাই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ নিষ্ঠাৰে সেৱা আগবঢ়াইছিল। তেওঁ বঢ়মপুৰ বাৰেগঞা সমাজৰ প্ৰাক্তন সভাপতি, আউনীআটি সত্ৰৰ বৰমেধি, বঢ়মপুৰ শ্বহীদ ভৱন আৰু কেন্দ্ৰীয় পুথিভঁৰাল পৰিচালনা সমিতিৰ এজন সক্ৰিয় সদস্য, ঐতিহ্যমণ্ডিত ঘোগৰ জলাহৰ ম'হযুঁজ পৰিচালনা সমিতিৰ সদস্যকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। উল্লেখ্য যে, ১৯৯০ চনত বঢ়মপুৰ ছহিদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা নাৰী শিক্ষাক প্ৰাধান্য দিবৰ কাৰণে প্ৰয়াত শৰ্মাৰ প্ৰচেষ্টাত বঢ়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয় স্থাপন কৰা হয়। ইফালে বঢ়মপুৰ ছহিদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হাইস্কুল শিক্ষান্তপৰীক্ষাৰ এটি কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সেইদৰে তেওঁ বঢ়মপুৰৰ নিকটৱৰ্তী গোঁসাইগাঁওস্থিত বিশ্বৰ সৰ্ববৃহৎ লিংগাকৃতিৰ মহামৃত্যুঞ্জয় মন্দিৰ প্ৰতিষ্ঠাৰ সৈতেও জড়িত আছিল। তেওঁ নিজ গাঁৱৰ নামঘৰ পৰিচালনা সমিতিৰ সভাপতি দায়িত্বভাৰো গ্ৰহণ কৰিছিল। আজি এই গৰাকী বিশিষ্ট সমাজকৰ্মীৰ বিয়োগৰ বাৰ্তা বিয়পি পৰাৰ পিছতে তেওঁ গৃহত অগণন লোকৰ সমাগম হয়। পাছত তেওঁৰ। মৃতদেহ স্থানীয় ৰাইজে শোভাযাত্ৰা কৰি বঢ়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বঢ়মপুৰ শ্বহীদ স্মৃতি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়লৈ অনাত বহু লোকে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত শৰ্মাই পত্নী, এটি পুত্ৰ, বোৱাৰী, দুগৰাকী জীয়ৰী, নাতি-নাতিনী সহ বহু আত্মীয়-স্বজনক এৰি থৈ যায়।

## মুকালমুৱাৰ চুঙৰবড়ীত বিদ্যুৎ বিভাগৰ বৃহৎ পৰিমাণৰ সামগ্ৰী উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ১৯ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষীয়ে আজি আবেলি গোপন সূত্ৰৰ খবৰৰ ভিত্তিত অভিযান চলাই কুইন্টলে কুইন্টলে উদ্ধাৰ কৰিছে চৰকাৰী বিদ্যুৎ বিভাগৰ সামগ্ৰী। মুকালমুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যুগল কিশোৰ কলিতাৰ নেতৃত্বত সহকাৰী উপ-পৰিদৰ্শক মোকচেদ আলীসহ আৰক্ষীৰ বৃহৎ দল এটিয়ে মুকালমুৱা থানাৰ অন্তৰ্গত চুঙৰবড়ীৰ এটি পৰিয়ালত অভিযান চলাই উদ্ধাৰ কৰিছে বিদ্যুৎ বিভাগৰ বৃহৎ পৰিমাণৰ সামগ্ৰী। মুকালমুৱা থানাৰ চুঙৰবড়ী গাঁৱৰ ৰুফচান আলী নামৰ লোকজনে গৃহৰ পিছফালে দমে দমে লুকুৱাই ৰখা বিদ্যুৎ বিভাগৰ তাঁৰসমূহ আৰক্ষীৰ বৃহৎ দল এটিয়ে উদ্ধাৰ কৰিছে। উল্লেখ্য যে পেচাত ভঙা-ছিঙা ব্যৱসায়ৰ সৈতে জড়িত থকা ৰুফচান আলীয়ে গৃহৰ পিছফালে কেবা ঠাইতো বৃহৎ পৰিমাণৰ বিদ্যুৎ বিভাগৰ সামগ্ৰীখিনি মজুত কৰি ৰখাৰ খবৰ লাভ কৰিছিল মুকালমুৱা আৰক্ষীয়ে। মুকালমুৱা আৰক্ষীয়ে ৰুফচানৰ গৃহত উপস্থিত হৈ স্থানীয় গাঁওবুঢ়াসহ আন দুজন লোকক লগত লৈ ৰুফচানৰ গৃহৰ পিছফালৰ পৰা লুকুৱাই ৰখা অৱস্থাৰ পৰা বৃহৎ পৰিমাণৰ বিদ্যুৎ বিভাগৰ তাঁৰসমূহ উদ্ধাৰ কৰি বলেৰো পিকআপ বাহন এখনৰ সহায়ত আৰক্ষী থানালৈ লৈ আহে। উদ্ধাৰ হোৱা সামগ্ৰীখিনি দহ কুইন্টলৰো অধিক হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে সামগ্ৰীখিনি উদ্ধাৰ কৰি থানালৈ লৈ আহিছে যদিও সম্প্ৰতি ৰুফচান আলী পলাতক অৱস্থাত থকা বুলি জানিব পৰা গৈছে। মুকালমুৱা আৰক্ষীয়ে ইতিমধ্যে ৰুফচান আলীয়ে চৰকাৰী সামগ্ৰীখিনি ক'ৰ পৰা কেনেদৰে লৈ আহিছে ইয়াকে লৈ অনুসন্ধান আৰম্ভ কৰিছে বুলি জানিবলৈ দিয়ে মুকালমুৱা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যুগল কিশোৰ কলিতাই।

### পলাতক ডেম্প ব্যৱসায়ী ৰুফচান আলী

## ৰাণীত ৰাভা হাছঙৰ উদ্যোগত বিতৰণ কাৰ্যসূচী



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৯ নৱেম্বৰ ঃ** সমবিকাশ, সম উন্নয়ন, সম অধিকাৰ 'ৰে ৰাভা হাচং স্বায়ত্ত পৰিষদীয় অঞ্চলসমূহত পৰিষদে অব্যাহত ৰাখিছে উন্নয়নৰ ধাৰা। সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক আদি দিশক সামৰি স্বায়ত্ত শাসিত পৰিষদে সমমৰ্যাদাৰে সঠিক ৰূপত আগবঢ়াই নিবলৈ অহৰহ চেষ্টা কৰা কাৰ্যই এতিয়া সকলোৰে দৃষ্টি নিৱদ্ধ কৰিবলৈ সক্ষম হৈছে। আৰু তাৰেই অংশস্বৰূপে বৃহস্পতিবাৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত ৩৬ নং পৰিষদীয় সমষ্টিৰ উদ্যোগত ১৯-২০ বিত্তীয় বৰ্ষৰ আৰ্থিক অনুদানেৰে বিতৰণ কৰা হয় ৯০ গৰাকী দুখীয়া যুৱক যুৱতীক চাইকেল লগতে ১৬ গৰাকী হিতাধীকাৰিৰ মাজত দমকল বিতৰণ কৰে। ৰাণীৰ আন্ধেৰীজুলী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সাধাৰণ সদস্য সঞ্জয় কুমাৰ ৰাভাৰ নেতৃত্বত অনুস্থিত কৰা এই বিতৰণ কাৰ্যসূচীত বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## নগাঁৱত ষট্ পূজা উপলক্ষে জিলা প্ৰশাসনৰ নিৰ্দেশনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** বৰ্তমান কৰণা মহামাৰী সংক্ৰমণ প্ৰতিৰোধৰ প্ৰতি লক্ষ্য ৰাখি আগন্তুক ষট পূজা উপলক্ষে নগাঁও জিলা প্ৰশাসনে কিছু নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি সকলো ভক্তই সামাজিক দূৰত্ব আৰু মুখত মুখাবৰণ পিন্ধাটো বাধ্যতামূলক। ষট পূজা উপলক্ষে কোনোধৰণৰ সংস্কৃতিক অনুষ্ঠান আৰু মেলা অনুষ্ঠিত কৰিব নোবাৰিব। পূজা স্থলীত কোনোধৰণৰ অস্থায়ী দোকান দিব নোৱাৰিব। পূজা ঘাট সমূহত সামাজিক দূৰত্ব আৰু কভিড প্ৰটকল মানি এটা পৰিয়ালৰ ৫ জন সদস্যহে উপস্থিত থাকিব পাৰিব। পূজা আয়োজক কমিটিসমূহে পূজা ঘাট সমূহত স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব। কোনো কৰণা লক্ষণযুক্ত ব্যক্তি পালে আয়োজক কমিটি সমূহে নিকটৱৰ্তী কভিড স্কেনিং চেণ্টাৰলৈ পথোৱাৰ ব্যৱস্থা কৰিব লাগিব।

## টিএমপিকেৰ উদ্যোগত সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, উজনি মাজুলী, ১৯ নৱেম্বৰ ঃ** বুধবাৰে মাজুলী জিলা টিএমপিকেৰ উদ্যোগত এমএমকে আৰু টিএমএমকে আৰু এমএচিৰ সহযোগত ৰঙাচাহী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্য্যায়ত JEE(mains advance ২০ আৰু NEET UG (MBBS) স্থান লাভ কৰা মাজুলীৰ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন পত্ৰ, মিচিং মাৰ্ফলাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটি আঁত ধৰে মাজুলী জিলা শিক্ষা সম্পাদক লিয়াৰ্ড প্ৰতীম ৰেগনে। উক্ত অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিচাপে জিলা উপায়ুক্ত বিক্ৰম কৈৰী, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ গামে শিক্ষাময় জীৱনৰ পৰামৰ্শ আগবঢ়ায়। সভাত উপস্থিত থাকে টিএমপিকেৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ৰামগোবিন দলে, শিক্ষা সম্পাদক ৰিদিপ জেক দলে, কেন্দ্ৰীয় এমএমকেৰ সম্পাদক প্ৰেমধৰ দলে, মাজুলী জিলা টিএমপিকেৰ সভাপতি ৰাজু চিন্তে, এমএমকেৰ সভাপতি ৰাজীৱ পেগু, মাজুলী জিলা পৰিষদৰ সভানেত্ৰী পাপু হাজৰিকা, এমএচিৰ জিএম ত্ৰৈলোক্য পামেগাম, নীল দলে, উমা পাঠৰী আদি সমল ব্যক্তি হিচাপে উপস্থিত থাকে। সভাত জিলা উপায়ুক্তই মাজুলীত স্থায়ীভাৱে APSC/UPSC ক'চিংৰ ব্যৱস্থা কৰিব বুলি আশ্বাস প্ৰদান কৰে। এমএচিৰ ফালৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ আৰ্থিক অনুদান আগবঢ়া বুলি এমএচিৰ প্ৰতিনিধি তিনিও গৰাকীয়ে ঘোষণা কৰে। শেষত মাজুলী জিলা টিএমপিকেৰ শিক্ষা সম্পাদক লিয়াৰ্ড প্ৰতীম ৰেগনে ছাত্ৰ- ছাত্ৰীসকলক উদ্দেশ্যি কয়— জ্ঞানৰ সাধনাই হ'ল জীৱনৰ সাধনা, মহৎ সাধনা। সাধনাই প্ৰতিজন মানুহক কৰি তোলে সুন্দৰ আৰু মহান। মাজুলী জিলাৰ মিচিং জাতীয় সংগঠন টি-এম-পি-কে ৰ উদ্যোগত এম-এম-কে আৰু টি-এম-এম-কে আৰু মিচিং স্বায়ত্ব শাসিত পৰিষদৰ সহযোগত সৰ্বভাৰতীয় পৰ্যায়ত স্থান লাভ কৰি বিৰল কৃতিত্ব অৰ্জন কৰা 2020 বৰ্ষৰ JEE (Advance20) NEET UG( MBBS) প্ৰৱেশ পৰীক্ষাত উৰ্ত্তীণ ছাত্ৰ ছাত্ৰী সকলক কৃতজ্ঞতা জনায়। লগতে কেন্দ্ৰীয়, জিলা সতীৰ্থ বিষয়ববীয়া আৰু স্থানীয় কাৰ্কিচুক,কলিয়া, ৰঙাচাহী, ঠাকুৰসুঁতি আঞ্চলিক টিএমপিকে, এমএমকে আৰু টি-এমএমকেৰ বিষয়ববীয়াৰ বহুমূলীয়া সময়ৰে সহায় সহযোগিতাই অভিনন্দন অনুষ্ঠানটি সাফল্য মণ্ডিত কৰাৰ বাবে কেন্দ্ৰীয় জিলা-আঞ্চলিকসমূহ বিষয়ববীয়ালৈ বৈপ্লৱিক অভিনন্দন আৰু আন্তৰিকতাৰে বিভাগীয় সম্পাদকৰ ফালৰ পৰা শলাগৰ শৰাই আগবঢ়ায়।

## মাজুলী জিলা যুৱ মৰ্চাৰ জ্যেষ্ঠ মৃৎশিল্পীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, উজনি মাজুলী, ১৯ নৱেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ ভ্ৰাতৃ সংগঠন জনতা যুৱ মৰ্চা অসম প্ৰদেশৰ নিৰ্দেশনা মৰ্মে ভাৰতীয় জনতা যুৱ মৰ্চা মাজুলী জিলা সমিতিয়ে ১৩ নৱেম্বৰত পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষত জিলা খনত দুটাকৈ কাৰ্যসূচীৰ ৰূপায়ন সফলভাৱে সম্পন্ন কৰে। প্ৰথম কাৰ্যসূচীত অসমৰ সাতামপুৰুষীয়া ঐতিহ্যৰ ধ্বজা বাহী শৈল্পীক নিদৰ্শণ তথা মাজুলী অন্যতম চহকী পৰম্পৰা বৰ্তাই ৰখা বৃহত্তৰ শালমৰা মৌজাৰ উজনি শালমৰা চুপহা নামঘৰত মাজুলী জিলা যুৱ মৰ্চাৰ সভাপতি ঋতুপৰ্ণ শৰ্মা উপস্থিত হৈ স্থানীয় বুথ সমিতিৰ সভাপতি তথা দলৰ জেষ্ঠ কৰ্মী মানিক কলিতাৰ সভাপতিত্বত স্থানীয় পাচঁগৰাকী জ্যেষ্ঠ মৃৎ শিল্পীক সম্বৰ্ধনা জনায়। লগতে পৰম্পৰাগত শিল্পৰ প্ৰচাৰ-প্ৰসাৰ তথা অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল চৰকাৰে গ্ৰহণ কৰা মৃৎ শিল্পৰ উত্তৰণৰ ওপৰত আলোকপাত কৰাৰ পাছত মাজুলীৰ এই মৃৎ শিল্পৰ লগত জড়িত প্ৰতিটো পৰিয়ালে মুখ্যমন্ত্ৰী গৰাকীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আত্মনিৰ্ভৰ ভাৰত, আত্মনিৰ্ভৰ অসম শেগানৰ ফলসমূহ সচাঁ অৰ্থত এই শিল্পীসকলৰ যোগেদিয়েই প্ৰকাশিত হোৱাত সচেতন ৰাইজে বিশেষ সন্তুষ্টি ব্যক্ত কৰিছে। চীনা সামগ্ৰী বৰ্জন আৰু থলুৱা সামগ্ৰীৰ ব্যৱহাৰ, প্ৰদুষণ মুক্ত অসম গঢ়াৰ যি সংকল্প মুখ্যমন্ত্ৰী গৰাকীৰ এই বাণীকে সৰোগত কৰি জিলা যুৱ মৰ্চাই আগন্তুক দীপাৱলী সমূহতো ৰাইজৰ মাজত বিশেষ সজাগতা আৰু সচেতনতাক অধিক গুৰুত্ব আৰোপ কৰি কাৰ্যপন্থা হাতত লৈ আগবাঢ়ি যাব বুলি সাংবাদিকৰ আগত যুৱ মৰ্চাৰ মাজুলী মেডিয়া তত্বাৱধায়ক দুষ্মন্ত ৰেগনে জানিবলৈ দিয়ে

## পঞ্চায়তৰ জ্ঞান নথকা সভানেত্ৰীৰ কাম-কাজ চম্ভালিছে স্বামীয়ে

# আমগুৰি গাঁও পঞ্চায়তত উঠিৰজা বহিৰজা গ্ৰাম্য ৰোজগাৰ সহায়ক জগত গৌড়

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৯ নৱেম্বৰ ঃ** কলিয়াবৰৰ এটা গাঁও পঞ্চায়ত। সভানেত্ৰী এগৰাকী মহিলা, নাম চন্দ্ৰাৱতী গৌড়। বিজেপি দলৰ টিকটত নিৰ্বাচিত প্ৰতিনিধিগৰাকীয়ে পঞ্চায়তৰ কাম-কাজৰ বিষয়ে সবিশেষ নাজানে। জানিবনো কেনেকৈ? ৰাজ্যৰ আন ঠাইৰ প্ৰায়বোৰ পঞ্চায়তৰ মহিলা প্ৰতিনিধিৰ দৰে কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত আমগুৰি গাঁও পঞ্চায়তৰো হৰ্তা-কৰ্তা বিধাতা, সৰ্বময় কৰ্তা গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ পতিদেৱতা জগত গৌড়। তাতে আকৌ পতিদেৱতা জখলাবন্ধা গাঁও পঞ্চায়তৰ গ্ৰামঞ্জ ৰোজগাৰ সহায়ক। গতিকে, সাতে-সোতৰই মিলি 'গাখীৰতে ম'হৰ খুটি'। সেয়ে পঞ্চায়টোৰ হিতাধিকাৰী নিৰ্ণয় হয় সভানেত্ৰীৰ পতিদেৱতাৰ ইচ্ছাত অথবা ৰাজনৈতিক হস্তক্ষেপত। মুঠতে পঞ্চায়তৰ সকলো কাম নিয়ন্ত্ৰণ কৰে স্বামীয়ে। কাজেই সভানেত্ৰীগৰাকীৰ হাতত নাই পঞ্চায়তৰ উন্নয়ন মূলক কামৰ হিচাব, নাজানে পঞ্চায়তৰ লেখ-জোখ, আঁচনি-পৰিকল্পনাৰ বিষয়ে। তেখেতৰ দায়িত্ব মাত্ৰ সভানেত্ৰীৰ আসন শুৱনি কৰা। মুঠতে কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত আমগুৰি গাঁও পঞ্চায়তৰ সভানেত্ৰীগৰাকীৰ কথা কৈ অন্ত নপৰে। কোনোবাই যদি পঞ্চায়তটোৰ বিষয়ে কিবা জানিবলৈ ইচ্ছা কৰে, পোনেই নাম লয় স্বামীৰ। গাঁও পঞ্চায়তৰ বসিন্দায়েও সভানেত্ৰীৰ পতিকহে গাঁও পঞ্চায়তৰ 'প্ৰেচিডেণ্ট' বুলি জানে। দুই-তিনি বছৰে এম জি এনৰেগাৰ মজুৰী নোপোৱা শ্ৰমিকৰ মুখতো সভানেত্ৰীৰ পতিৰ নামহে। গাঁও পঞ্চায়তৰ সাধাৰণ ৰাইজে নাজানে তেওঁলোকে আচলতে ভোট দি কাক জিকালে, পতিক নে পত্নীক/ জখলাবন্ধা গাঁও পঞ্চায়তৰ গ্ৰাম্য ৰোজগাৰ সহায়ক পতিদেৱতাৰ অবাধ ক্ষমতাৰ প্ৰকোপত ত্ৰস্তমান পঞ্চায়তবাসী। ৰাজনৈতিক আশীৰ্বাদপুষ্ট চৰকাৰী কৰ্মাচাৰীজনেহে নিৰ্ণয় কৰে হিতাধীকাৰীৰ তালিকা। বিশেষ ৰাজনৈতিক দলৰ সমৰ্থক নহ'লে নাপায় কোনো আঁচনিৰ সুবিধা। মহিলা সবলীকৰণৰ নামত পঞ্চায়ত প্ৰতিনিধিৰ সংৰক্ষণত মহিলা প্ৰতিনিধিৰ পতিসকলৰ অপাৰ ক্ষমতা কেৱল কলিয়াবৰতে নহয়, দেশৰ-ৰাজ্যৰ প্ৰতিটো পঞ্চায়ত এলেকাত ই এটা নিত্য-নৈমিত্তিক ঘটনালৈ ৰূপান্তৰিত হৈছে। য'ত বিপদত পৰিছে প্ৰকৃত হিতাধিকাৰী। অৱশ্যে সভানেত্ৰীগৰাকীয়ে এই সমূহ অভিযোগ খণ্ডন কৰিছে। কিন্তু দূৰৱৰ্তী আঞ্চলসমূহলৈ নিজে যাব নোৱাৰিলে স্বামীয়ে সেই অঞ্চলসমূহলৈ গৈ কাম-কাজ চোৱা-চিতা কৰে বুলি অকপটে স্বীকাৰ কৰিছে আমগুৰি গাঁও পঞ্চায়তৰ সভানেত্ৰীগৰকীয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত প্ৰকাশ কৰে।




## সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদৰ সাংগঠনিক সম্পাদক ধ্ৰুৱ বৰুৱাক অব্যাহতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৯ নৱেম্বৰ ঃ** সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ,অসম, শিৱসাগৰ জিলা সমিতিৰ সাংগাঠনিক সম্পাদক তথা ডিমৌ আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি ধ্ৰুৱ বৰুৱাক পৰিষদৰ কেন্দিয় সমিতিৰ নিৰ্দেশমৰ্মে তৎকালীনভাৱে শিৱসাগৰ জিলা সমিতিৰ সকলো বিষয়বাব তথা সাধাৰণ সদস্য পদৰ পৰা অব্যাহতি দিয়া বিষয়ে এক প্ৰেছ বিবৃতি যোগে জিলা সমিতিয়ে জানিবলৈ দিছে। শিৱসাগৰ জিলা সমিতিৰ সভাপতি বিজয় কৃষ্ণ দুৱৰা, সম্পাদক ৰাজেশ দাসে বিবৃতিত লগতে উল্লেখ কৰিছে যে বিগত কিছুদিন ধৰি ধ্ৰুৱজ্যোতি বৰুৱাই সামাজিক মাধ্যমৰ জড়িয়তে সংগঠনটোক সামাজিকভাৱে জনমানসত হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা কৰি অহাৰ লগতে সংগঠনৰ বিভিন্ন সংবিধান বিৰুধী কাৰ্যকলাপত লিপ্ত হৈছিল। কিছু দিনৰ পূৰ্বে বৰুৱাৰ বিৰুদ্ধে সামাজিক মাধ্যম, প্ৰচাৰ মাধ্যমৰ লগতে স্থানীয় সচেতন ৰাইজৰ পৰা অনৈতিক সামাজিক কাৰ্যকলাপত লিপ্ত হোৱাৰ অভিযোগ উথাপন হোৱাৰ পাছত পৰিষদৰ জিলা সমিতিৰ পৰা গঠন কৰি দিয়া তদন্ত সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত সাময়িকভাৱে ডিমৌ আঞ্চলিক সমিতিৰ পৰা সকলো বিষয়বাব কৰ্তন কৰা হৈছিল। তাৰ পৰৱৰ্তী সময়ত ধাৰাবাহিকভাৱে সামাজিক মাধ্যমৰ জৰিয়তে সংগঠনটিক হেয় প্ৰতিপন্ন কৰাৰ অপৰাধত আজি জিলা সমিতিৰ পৰা অব্যাহতি দিয়া হয়। ভৱিষ্যতে কোনোধৰণৰ অসামাজিক কাৰ্যকলাপৰ বাবে সংগ্ৰামী যুৱ পৰিষদ, অসম, শিৱসাগৰ জিলা সমিতি জগৰীয়া নহয় বুলি স্পষ্ট কৰি দিছে।

## শ্যামল চক্ৰৱৰ্তীৰ শ্ৰদ্ধাঞ্জলি সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** এচবিআই অ'এ উত্তৰ-পূব সংমণ্ডলৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিশিষ্ট ট্ৰেড ইউনিয়ন নেতা, সদ্য প্ৰয়াত শ্যামল চক্ৰৱৰ্তীৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰে কালি এখন শ্ৰদ্ধাঞ্জলি সভা ভাৰতীয় ষ্টেট বেংকৰ নগাঁও আঞ্চলিক কাৰ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত হৈ যায়। নগাঁও এছবিআইঅএ, এছবিআইএছএ আৰু এছবিআই পি এ যুটীয়া উদ্যোগত আনুষ্ঠিত এই সভাত সভাপতিত্ব কৰে বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে। প্ৰয়াত চক্ৰৱৰ্তীৰ কৰ্মৰাজি আৰু জীৱনৰ বিষয়ে আলোকপাত কৰে নীলমণি কটকী, ৰঞ্জিত দত্ত, জিণ্টি খাকলাৰী, এ কে আহমেদ, এইচ বৰদলৈ আৰু ৰাকেশ কুমাৰ আদিয়ে। সভাপতিৰ ভাষনত শিৱানন্দ কাকতিয়ে উত্তৰ-পূৰ সংমণ্ডলৰ এছ বি আইৰ কলিকতাস্থিত স্থানীয় কাৰ্যালয় ( এলএইচ অ' ) গুৱাহাটীলৈ স্থানান্তৰৰ সংগ্ৰামৰ পৰা আৰম্ভ কৰি উত্তৰ-পূবৰ দুৰ্গম অঞ্চলৰ কৰ্মচাৰী সমূহৰ নিৰাপত্তা আৰু কল্যাণকামী দিশৰ ওপৰত শ্যামল চক্ৰৱৰ্তীৰ অবদান আৰু ভূমিকা সম্পৰ্কে এক বিশদ বিৱৰণ দাঙি ধৰে।



সদৌ অসম ছাত্ৰ সন্থাৰ সপ্তদশ দুলীয়াজান অধিৱেশনৰ পতাকা উত্তোলন (বাঁওফালে প্ৰথমখন) আৰু শোভাযাত্ৰাৰ কেইটিমান দৃশ্য

# জ্যেষ্ঠ সাংবাদিক-সাহিত্যিক ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীলৈ আইটছাৰ ২০২০ বৰ্ষৰ 'ভীমবৰ দেউৰী বঁটা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** অসমীয়া সংবাদ সাহিত্যৰ অতি পৰিচিত নাম তথা বিশিষ্ট বুদ্ধিজীৱি, সুলেখক, তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত উচ্চবিষয়া ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীৰ জীৱনজোৰা সাধনা, নিস্বাৰ্থ সেৱা, অসমৰ বিভিন্ন জাতি-জনজাতিৰ মাজত ভাতৃত্ববোধৰ হকে কৰি যোৱা ত্যাগৰ স্বীকৃতিস্বৰূপে ২০২০ বৰ্ষৰ জননেতা ভীমবৰ দেউৰী বঁটাৰে সন্মানীত কৰা হ'ব বুলি এক প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰিছে অল ইণ্ডিয়া ট্ৰাইবেল ষ্টুডেন্টছ এচছিয়েশ্যন আচাম (আইটছা)ৰ কেন্দ্ৰীয় সভাপতি বাবুৰাভা হাকাচামে। অল ইণ্ডিয়া ট্ৰাইবেল ষ্টুডেন্টছ এচছিয়েশ্যন আচাম (আইটছা)ই বিগত বছৰবোৰৰ দৰে এইবাৰো জননেতা ভীমবৰ দেউৰীৰ ৩০ নৱেম্বৰ ৭৩ সংখ্যক মৃত্যু দিৱস উপলক্ষে প্ৰশাসনৰ কভিড প্ৰট'কল মানি গুৱাহাটীৰ বৰবাৰী আল্লান ক্লাবৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটা ৰাজ্যখনৰ বিশিষ্ট চিন্তাবিদ, দৈনিক অসম, দৈনিক জনমভূমি, আজিৰ বাতৰি, দৈনিক শংকৰজ্যোতি ইত্যাদি বাতৰি কাকতৰ প্ৰাক্তন সম্পাদক ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীক প্ৰদান কৰা হ'ব। আইটছা'ৰ ভীমবৰ দেউৰী বঁটাত আছে এখন স্মাৰক, প্ৰশস্তিপত্ৰ, শৰাই বঁটা, জাঁপি, গ্ৰন্থৰ টোপোলা, বিভিন্ন জনজাতিৰ পৰম্পৰাগত প্ৰতীকি বস্ত্ৰ ইত্যাদি। অসম তথা উত্তৰ পূৰ্বাঞ্চলক বাংলাদেশৰ আগ্ৰাসনৰ পৰা মুক্তি কৰি অসমবাসীৰ জন্মস্বত্ত অধিকাৰ, ভূমি অধিকাৰ, সাংবিধানিক ৰক্ষাকবচ, জাতি-জনজাতিৰ মাজত একতাৰ এনাজৰীডাল সুদৃঢ় কৰিবলৈ সংগ্ৰাম কৰি যোৱা প্ৰখ্যাত আইনজ্ঞ, প্ৰাক্তন মন্ত্ৰী জননেতা ভীমবৰ দেউৰীৰ মৃত্যু দিৱস উপলক্ষে অল ইণ্ডিয়া ট্ৰাইবেল ষ্টুডেন্টছ এচছিয়েশ্যন আচাম (আইটছা)ৰ লগতে গ্ৰেটাৰ গুৱাহাটী কাৰ্বি কালচাৰেল চচাইটি, দেউৰী কালচাৰেল চচাইটিকে আদি কৰি গুৱাহাটীৰ তিৱা, বড়ো, ৰাভা বিভিন্ন জনজাতি সংগঠনসমূহৰ অংশগ্ৰহণেৰে এখনি আলোচনা চক্ৰ আয়োজন কৰা হৈছে বুলি অল ইণ্ডিয়া ট্ৰাইবেল ষ্টুডেন্টছ এচছিয়েশ্যন আচাম (আইটছা)ৰ উপসভাপতি প্ৰাণজিত দৈমাৰীয়ে সদৰী কৰিছে। উক্ত অনুষ্ঠানতে লোকশিল্পী জিনা ৰাজকুমাৰী গোস্বামী, সাহিত্যিক ডাঃ অনিল ভৰালী, মধুমিতা শইকীয়া সোণোৱাল, অনুপ কুমাৰ দেউৰী, কবি লভিতা জে আৰ মৰাং, অতুল চন্দ্ৰ ভৰালী, কাবেৰী কছাৰী ৰাজকোঁৱৰৰ লগতে ক্ৰীড়াবিদ, কলা-কুশলীক সম্বৰ্ধনা, বিভিন্ন জনজাতিসকলৰ লোক-কলা সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। তদুপলক্ষে সমূহ ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি কামনা কৰিছে অল ইণ্ডিয়া ট্ৰাইবেল ষ্টুডেন্টছ এচছিয়েশ্যন আচাম (আইটছা)ৰ সাধাৰণ সম্পাদক দীপেন দেউৰীয়ে।

# বিদ্যালয়ৰ পকী দেৱালৰ শুভ উদ্বোধন সাংসদ প্ৰদ্যুৎ বৰদলৈৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** এখন অপ্ৰাদেশীকৃত বিদ্যালয়ৰ দেৱাল নিৰ্মাণৰ বাবে পুঁজি আগবঢ়াইছে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। নগাঁও চহৰৰ পৰা নাতিদূৰৈত থকা মৰঙিয়াল মধ্য ইংৰাজী বিদ্যালয়ত নিৰ্মাণ হোৱা পকী দেৱালৰ শুভ উদ্বোধন কৰে সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। দীৰ্ঘদিন ধৰি দেৱাল নথকা বিদ্যালয়খনৰ দেৱালখন আজি দেৱালৰ শুভ উদ্বোধন কৰাত উৎফুল্ল হৈ পৰে বিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰীৰ লগতে শিক্ষকসকল। সাংসদ পুঁজিৰ পাঁচ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা পকী দেৱালৰ শুভ উদ্বোধনী অনুষ্ঠানত পাখিমৰিয়া জিলা পৰিষদৰ সদস্যা দীপিকা শইকীয়া ,জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক ভাস্কৰ গোস্বামী উপস্থিত থাকে। ইপিনে সাংসদ পুঁজিৰ নিৰ্মিত দেৱালৰ শুভ উদ্বোধন কৰি সাংসদ পুঁজিৰ প্ৰথম কিস্তিৰ সমূদায় ধন কৰ'ণা যুদ্ধৰ বাবে আগবঢ়োৱা বুলি উল্লেখ কৰে সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। প্ৰদ্যুৎ বৰদলৈয়ে পুঁজি আগবঢ়োৱাৰ পিছতেই কেন্দ্ৰীয় চৰকাৰে দেশৰ সকলো সাংসদৰ পুঁজি কৰ্তন কৰি কৰ'ণা যুদ্ধত ব্যৱহাৰ কৰা বুলিও মন্তব্য কৰে সাংসদ জনে। ৰাজ্যত নতুনকৈ গঠিত আঞ্চলিক ৰাজনৈতিক দল ৰাইজৰ দল আৰু এ জে পিৰ বাবে কংগ্ৰেছৰ মহাজোটবন্ধনৰ দুৱাৰ খোলা আছে বুলি উল্লেখ কৰি এজে পিয়ে যদি বিজেপিৰ বি টিম হিচাপে কাম কৰে তেন্তে সেয়া অসমবাসীৰ দুৰ্ভাগ্য হ'ব বুলি মন্তব্য কৰে প্ৰদ্যুৎ বৰদলৈয়ে।

# 'সজাগতাৰ প্ৰয়াসেৰে প্ৰত্যয়ৰ যাত্ৰা'

## পেৰাচাইক্লিষ্ট ৰাকেশ বণিকৰ ৰাইড ফৰ হ'প-৩ৰ দ্বিতীয় লানি সজাগতামূলক চাইকেল যাত্ৰাৰ শুভাৰম্ভণি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** গ্ৰামোন্নয়ন আঁচনিসমূহ আৰু কোভিড-১৯ৰ বাবে ল'ব লগা সতৰ্কতামূলক ব্যৱস্থা সম্পৰ্কে সজাগতা সৃষ্টিৰ অৰ্থে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত হাতত লোৱা 'সজাগতাৰ প্ৰয়াসেৰে প্ৰত্যয়ৰ যাত্ৰা' শীৰ্ষক চাইকেল যাত্ৰাৰ দ্বিতীয় লানি যাত্ৰা আজি শুভাৰম্ভ কৰা হয়। পেৰাচাইক্লিষ্ট ৰাকেশ বণিকৰ জৰিয়তে কৰা এই চাইকেল যাত্ৰা আজি শুভাৰম্ভ কৰে বিভাগৰ অতিৰিক্ত আয়ুক্ত দিতীমণি পেগুৱে। ১৫ দিনীয়াকৈ গ্ৰহণ কৰা এইলানি চাইকেল যাত্ৰাত পেৰাচাইক্লিষ্টগৰাকীয়ে ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও, হোজাই, ডিমা হাচাও, কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলা সামৰি ৯৬১ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিব। শ্ৰীবনিকে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত বিভাগৰ আয়ুক্তালয়ৰ পৰা আজি পোনতে ধুবুৰী অভিমুখে যাত্ৰা আৰম্ভ কৰে। যাত্ৰা শুভাৰম্ভ কৰি অতিৰিক্ত আয়ুক্ত শ্ৰীমতী পেগুৱে ৰাকেশৰ এই চাইকেল যাত্ৰা প্ৰথম লানিৰ দৰেই সুকলমে সম্পন্ন হোৱাৰ লগতে বিভাগৰ আঁচনি তথা কোভিড প্ৰট'কল সম্পৰ্কীয় নীতি সন্দৰ্ভত সজাগতা সৃষ্টিত ৰাকেশ সফল হ'ব বুলি আশা প্ৰকাশ কৰে। বিভাগৰ তৰফৰ পৰা প্ৰকাশ কৰি দিয়া প্ৰচাৰ পত্ৰিকাসমূহ সঠিকভাৱে বিতৰণ কৰিবলৈও বিষয়াগৰাকীয়ে পেৰাচাইক্লিষ্টগৰাকীক আহবান জনায়। উল্লেখযোগ্য যে সজাগতাৰ প্ৰয়াসেৰে প্ৰত্যয় যাত্ৰা শীৰ্ষক প্ৰথমলানি চাইকেলযাত্ৰাত ৰাকেশ বণিকে কামৰূপ, গোৱালপাৰা, বৰপেটা, ওদালগুৰি, দৰং, শোণিতপুৰ, বিশ্বনাথ, লখিমপুৰ, ধেমাজি, ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, গোলাঘাট আৰু নগাঁৱকে ধৰি ১৪ খন জিলা পৰিভ্ৰমণ কৰিছিল। বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে পতাকা জোকাৰি শুভাৰম্ভ কৰা এই লানি চাইকেল যাত্ৰাত ৰাকেশে মুঠ ১,৮০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিছিল। আজিৰ শুভাৰম্ভণি অনুষ্ঠানত বিভাগৰ যুটীয়া সঞ্চালক মৃগাংক চৌধুৰী আৰু চিন্ময় প্ৰকাশ ফুকনকে ধৰি আয়ুক্তালয়ৰ আন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# গাঁৱে গাঁৱে কাপোৰ বিক্ৰী কৰি পৰিয়াল পোহপাল দিয়া এগৰাকী উদ্যমী মহিলা



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৯ নৱেম্বৰ ঃ** অসমৰ বহু জীয়ৰী-বোৱাৰীয়ে ব্যৱসায় কৰি পুৰুষৰ সমানে পৰিয়াল পোহপাল দিয়া অনেক উদাহৰণ আছে। কেৱল শাক-পাচলি বিক্ৰী কৰিব বা খেতি কৰিয়েই নহয় এইবাৰ অন্য ৰূপত দেখা গৈছে চাবুৱাৰ ৰাজপথত এগৰাকী মহিলাক। নিজৰ দুচকীয়া বাহনত কাপোৰ বান্ধি গাঁৱে গাঁৱে, ঘৰে ঘৰে বিক্ৰী কৰি পৰিয়াল পোহপাল দি আহিছে। চাবুৱাৰ ভৰলুৱা গাঁৱৰ জুলি নামৰ মহিলাগৰাকীয়ে কম মূলধনেৰে বিগত ৮ বছৰে পৰিয়াল পোহপাল দিয়াত স্বামীৰ সৈতে সহযোগ কৰি অহা বুলি জানিব পৰা গৈছে । দুগৰাকী কন্যা সন্তানক বিদ্যালয়ত পঢ়োৱাৰে পৰা সকলো ধৰণ খৰচৰ দায়িত্ব লৈ ব্যৱসায়ত নামি পৰিবলৈ বাধ্য হৈছে জুলি নামৰ মহিলাগৰাকী। ৰেডিমেইড কাপোৰবোৰ তিনিচুকীয়াৰ পৰা অনাৰ বিপৰীতে হাতে বোৱা মহিলাৰ সাজ শুৱালকুছি আৰু ধেমাজিৰ পৰা আনি বিক্ৰী কৰে জুলিয়ে। অনেক প্ৰতিকূল পৰিস্থিতিৰ মুখামুখি হৈ দুচকীয়া স্কুটীখনতে দিনটো কাপোৰৰ বোজা কঢ়িয়াই সন্ধিয়া ঘৰ সোমাই পুনৰ পৰিয়ালৰ দায়িত্ব পালন কৰা জুলিয়ে সুদিনৰ বাবে অপেক্ষাত।

# বিটিচিত পুনৰ হাগ্ৰামা মহিলাৰীৰ নেতৃত্বতেই গঠন হ'ব চৰকাৰ ঃ ৰিহণ দৈমাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ:** বি টি চি ৰ নিৰ্বাচনক লৈ তুংগত উঠিছে ৰাজনৈতিক দল সমূহৰ প্ৰচাৰ। বিশেষকৈ সমাগত বিধানসভা নিৰ্বাচনক লৈ ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ মাজত তৎপৰতা বৃদ্ধি পোৱাৰ সময়তেই বি টি চিৰ নিৰ্বাচনক লৈ ৰাজ্যৰ ৰাজনীতি অধিক গৰম হৈ পৰা পৰিলক্ষিত হৈছে । শাসকীয় দল বিজেপিৰ প্ৰভাৱশালী আৰু বাকপটু মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বি টি চিত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ বি পি এফ দলৰ প্ৰধান হাগ্ৰাম মহিলাৰীৰ লগতে বি পি এফ দলক আক্ৰমণৰ লক্ষ্য কৰি লয়। মন্ত্ৰী ডঃ শৰ্মাই বি টি চি প্ৰধান হাগ্ৰাম মহিলাৰীৰ ভেটি কঁপাই আগন্তুক নিৰ্বাচনত বি টি চিত বিজেপিয়ে অকলেই চৰকাৰ গঠন কৰিব বুলিও হুংকাৰ দিয়ে। ইপিনে হাগ্ৰামা মহিলাৰীয়েও নিৰ্বাচনী সভাসমূহত তীক্ষ্ণ বাক্য বানেৰে মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যুত্তৰ দি নিৰ্বাচনী প্ৰচাৰ আকৰ্ষনীয় কৰি তুলিছে। বিজেপি আৰু বি পি এফৰ নেতাৰ এনে বাকযুদ্ধৰ মাজতে আজি নগাঁৱৰ খগেন মহন্ত প্ৰেক্ষাগৃহত অনুষ্ঠিত 'জল জীৱন মিছন' নামৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰে ৰাজ্যৰ জন স্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰীয়ে। চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী ৰিহন দৈমাৰীয়ে বি টি চি নিৰ্বাচনক লৈ সাংবাদিকৰ আগত বিশেষ মন্তব্য কৰাৰ পৰা বিৰত থাকে। বি টি চি নিৰ্বাচনক লৈ সাংবাদিকে কৰা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী দৈমাৰীয়ে মাথো কয় : বিটিচিত পুনৰ হাগ্ৰামা মহিলাৰীৰ নেতৃত্বতেই চৰকাৰ গঠন হ'ব আৰু তাত কোনো সন্দেহ নাই ।

# মোৰাঝাৰলৈ সফলতা কঢ়িয়ালে ইজাজ আহমেদে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১৯ নৱেম্বৰ ঃ** হোজাইৰ মোৰাঝাৰৰ গ্ৰাম্য অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে ইজাজ আহমেদে। মোৰাঝাৰৰ মৌডংগা পথাৰৰ বাসিন্দা ফখৰ উদ্দিনৰ সন্তান ইজাজ আহমেদে সৰ্বভাৰতীয় মেডিকেল পৰীক্ষা (NEET-2020)ত সফলতাৰে উত্তীৰ্ণ হৈ যোৰহাট মেডিকেল কলেজত নামভৰ্তিৰ কাৰণে নিৰ্বাচিত হৈ গাঁৱৰ লগতে অঞ্চলবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁ জাতীয় বিদ্যালয়, বৰহাওৰৰ পৰা মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। ইজাজ আহমেদৰ ভৱিষ্যৎ উজ্জ্বল হওক আৰু এজন সফল চিকিৎসক হৈ ৰাইজৰ সেৱা কৰি যাওক তাৰেই কামনা কৰিছে বিদ্যালয় কৰ্তৃপক্ষৰ লগতে বিভিন্ন দল-সংগঠনে।











শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি